# গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ

## বাৰ্ষিক আলোচনী



MOHAN LAL CHOUDHURY LIBRARY :

Library:

# গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ

## বাৰ্ষিক আলোচনী

তৃতীয় সংখ্যা

২০০৭ - ০৮ ইং বৰ্ষ

G.L.C. COLLEGE : BARPETA ROAD
ESTD : 1990

M.L.C. LIBRARY
ACC NO.: IR-09
G.L. CHOUDHURY COLLEGE

G.L. CHOUDHURY COLLEGE
ACC NO.: ..............
M.L.C. LIBRARY

Donated to Mohan Lal Choudhury Library
K C Talukdar

শ্ৰদ্ধা আৰু শুভেচ্ছাৰে—
প্ৰতি
.................................................
....................................

তত্বাৱধায়িকা
ৰূপামণি কাকতি

সম্পাদক
সাহজাহান আলী আহমেদ

MOHAN LAL CHOUDHURY LIBRARY :




# গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ
## বাৰ্ষিক আলোচনী

তৃতীয় সংখ্যা

২০০৭ - ০৮ ইং বৰ্ষ

M.L.C. LIBRARY
ACC NO.:..............
G.L. CHOUDHURY COLLEGE


**ঃ সম্পাদনা সমিতি ঃ**

**উপদেষ্টা ঃ**
প্ৰবক্তা শ্ৰীযুত সঞ্জীৱ কুমাৰ দাস
প্ৰবক্তা শ্ৰীযুতা দীপিকা দেৱী চৌধুৰী

**সভাপতি ঃ**
শ্ৰীযুত জগন্নাথ বৰ্মন, ভাৰপ্ৰাপ্ত অধ্যক্ষ

**তত্ত্বাৱধায়িকা ঃ**
প্ৰবক্তা শ্ৰীযুতা ৰূপামণি কাকতি

**সম্পাদক ঃ**
সাহজাহান আলী আহমেদ

**সদস্য/সদস্যা ঃ**
প্ৰবক্তা শ্ৰীযুত পূৰ্ণবাহাদুৰ ছেত্ৰী
প্ৰবক্তা শ্ৰীযুতা প্ৰভা দাস
প্ৰবক্তা শ্ৰীযুত সন্তোষ কুমাৰ সাহা
প্ৰবক্তা শ্ৰীযুত হেমন্ত কুমাৰ দাস
প্ৰবক্তা শ্ৰীযুতা মাইকণ বসুমতাৰী
শ্ৰীযুত মুনীন্দ্ৰ কুমাৰ দাস, (মুখ্য কাৰ্যালয় সহায়ক)
শ্ৰী শান্তা সাহা, (উপসভাপতি, ছাত্ৰ একতা সভা)
আক্কাছ আলী, (সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা)

নেপথ্যত—

**সামগ্ৰিক পৰিকল্পনা ঃ**
ৰূপামণি কাকতি

**বেটুপাত ঃ**
হেমন্ত কুমাৰ বায়ন

**অঙ্গসজ্জা ঃ**
ৰূপামণি কাকতি, হেমন্ত কুমাৰ দাস

**অলংকৰণ ঃ**
ৰূপামণি কাকতি

**আলোকচিত্ৰ ঃ**
ষ্টুডিঅ' ছিত্ৰছায়া, বৰপেটাৰোড্

**মুদ্ৰণ ঃ**
শিৰম অফচেট প্ৰিন্টাৰ্চ, বাসন্তী কম্প্লেক্স, বৰপেটাৰোড্

**কৃতজ্ঞতাৰ শৰাই ঃ**
- জি, এল, চি মহাবিদ্যালয়ৰ প্ৰবক্তাগণ আৰু ছাত্ৰ-ছাত্ৰীবৃন্দ।
- 'বাটচ'ৰাৰ সুৰভি' (অতিথি শিতান)ৰ বিশিষ্ট লেখক- লেখিকা।
- এই সংখ্যাৰ সমূহ লেখক-লেখিকা।
- সন্জিৎ কুমাৰ শৰ্মা।
- ধ্ৰুৱ কুমাৰ তালুকদাৰ।
- হেমন্ত কুমাৰ বায়ন।
- শিৰম অফচেট প্ৰিন্টাৰ্চ, বৰপেটাৰোড্।


**বিশেষ টোকা ঃ** আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজন আৰু অভিনৱত্বৰ তাগিদাত সম্পাদনা সমিতিয়ে সাল-সলনি কৰিছে। কোনো লেখক-লেখিকাই যদি আনৰ লিখনি নকল কৰিছে, ব্যৱহাৰ কৰিছে, তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

**ক্ষমা প্ৰাৰ্থনা ঃ** অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি ক্ষমাপ্ৰাৰ্থী।

MOHAN LAL CHOUDHURY LIBRARY :

# শ্ৰদ্ধাঞ্জলি

M.L.C. LIBRARY ... COLLEGE
1R-09



ঁ গণেশলাল চৌধুৰী

জন্ম ঃ ১৮৯৬ চন
মৃত্যু ঃ ১৯৩১ চন

যিগৰাকী মহান ব্যক্তিৰ
নিৰ্মল স্মৃতিত সমন্বয় নগৰী বৰপেটাৰোডৰ
নাভিমূলত স্থাপিত হৈছিল উচ্চশিক্ষাৰ অন্য এক
স্তম্ভ— এই মহাবিদ্যালয়খনি; সেই পৱিত্ৰ
আত্মাক সুঁৱৰি যাচিছোঁ আমাৰ
অশ্ৰুসিক্ত পুষ্পাঞ্জলি।



ঁ মোহনলাল চৌধুৰী

জন্ম ঃ ১৯০৩ চন
মৃত্যু ঃ ১৯৯০ চন

যিগৰাকী নমস্য ব্যক্তিৰ ত্যাগ আৰু
গাঁঠিৰ ধনৰ বিনিময়ত সমন্বয় নগৰীৰ বুকুত গঢ়
লৈ উঠিল এই বৌদ্ধিক তীৰ্থক্ষেত্ৰ, সেইগৰাকী
বৰেণ্য শিক্ষাপ্ৰেমী, সমাজহিতৈষীৰ অমল
স্মৃতিত নিবেদিছোঁ—
বিকশিত শতপুষ্পৰ অঞ্জলি।

— সম্পাদনা সমিতি

MOHAN LAL CHOUDHURY LIBRARY :
Library :

তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

সত্যমেব জয়তে



দিশপুৰ
২৩/৯/০৮

## শুভেচ্ছাবাণী

বৰপেটাৰোডৰ গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ আলোচনীখন অলপতে প্ৰকাশ পাব বুলি জানিবলৈ পাই মই অতি আনন্দিত হৈছো।

ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনে অঞ্চলটোত গুণগত শিক্ষাৰ প্ৰসাৰ, সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টি আৰু উপযুক্ত মানৱসম্পদ গঢ় দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মহাবিদ্যালয়ৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলক সৃজনশীল প্ৰতিভাৰ বিকাশ তথা ভাষা-সাহিত্য চৰ্চাৰ বাবে সুযোগ দিব বুলি আশা কৰিলো।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা কৰি মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি আন্তৰিকতাৰে কামনা কৰিলো।

(তৰুণ গগৈ)

MOHAN LAL CHOUDHURY LIBRARY :
Library:

सत्यमेव जयते

তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিশপুৰ
২৩/৯/০৮



## শুভেচ্ছাবাণী

বৰপেটাৰোডৰ গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ আলোচনীখন অলপতে প্ৰকাশ পাব বুলি জানিবলৈ পাই মই অতি আনন্দিত হৈছো।

ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনে অঞ্চলটোত গুণগত শিক্ষাৰ প্ৰসাৰ, সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টি আৰু উপযুক্ত মানৱসম্পদ গঢ় দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মহাবিদ্যালয়ৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলক সৃজনশীল প্ৰতিভাৰ বিকাশ তথা ভাষা-সাহিত্য চৰ্চাৰ বাবে সুযোগ দিব বুলি আশা কৰিলো।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা কৰি মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি আন্তৰিকতাৰে কামনা কৰিলো।

(তৰুণ গগৈ)

MOHAN LAL CHOUDHURY LIBRARY :
Library:



ড° হীৰেন গোহাঁই
প্ৰাক্তন মূৰব্বী অধ্যাপক
ইংৰাজী বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

## শুভেচ্ছাবাণী

বৰপেটাৰোডৰ গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ এইবছৰৰ আলোচনীৰ সাম্প্ৰতিক বাৰ্ষিক সংখ্যাটো প্ৰকাশৰ বাবে যো-জা কৰা বুলি শুনি মই মোৰ শুভেচ্ছা আৰু অভিনন্দন জনাইছো। যদিও বাহিৰৰ মানুহৰ বাবে ই এক গতানুগতিক প্ৰচেষ্টা; প্ৰতিবছৰে এচাম নতুন লেখক-লেখিকাই অতি আগ্ৰহেৰে তাৰ প্ৰকাশৰ দিনটোলৈ বাট চাই থাকে। কি ঠিক, এওঁলোকৰ মাজৰ পৰাই এদিন অসমীয়া সাহিত্যৰ যুগন্ধৰ প্ৰতিভা ওলাব পাৰে। সেয়েহে কৰ্মকৰ্তা সকলে এই আলোচনীৰ প্ৰতিটো সংখ্যাই অত্যন্ত যত্ন সহকাৰে আপডাল কৰিব লাগিব।

আশাকৰো, সমসাময়িক জীৱনৰ নানা যন্ত্ৰণা আৰু স্বপ্ন তেওঁলোকৰ ৰচনাৰ মাজেদি প্ৰতিফলিত কৰিব পাৰিব। মই পুনৰ সকলোলৈকে মোৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

হীৰেন গোহাঁই

(হীৰেন গোহাঁই)

MOHAN LAL CHOUDHURY LIBRARY :

# আমাৰ অশ্ৰু অঞ্জলি নিগাৰে



ঁ মাণিক সাহা



ঁ গিয়াছউদ্দিন আহমেদ

২০০৮ চনৰ অভিশপ্ত ৩০ অক্টোবৰৰ ভয়াবহ বিস্ফোৰণত (বৰপেটাৰোডৰ চৌধুৰী কমপ্লেক্সৰ সন্মুখত) তেজলগা এটা সুহুৰি হৈ মৃত্যুৰ অন্ধকাৰত হেৰাই যোৱা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ মানিক সাহা।

বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুক আকোৱালি লোৱা এটা সুন্দৰ স্বপ্ন— আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ গিয়াছউদ্দিন আহমেদ।

— সম্পাদনা সমিতি

MOHAN LAL CHOUDHURY LIBRARY :

কৰ্মই যাৰ অফুৰন্ত প্ৰেৰণা
সততাই যাৰ চিৰ সহচৰ ....



মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ
**শ্ৰীযুত জগন্নাথ বৰ্মন**

G. L. C. COLLEGE : BARPETA ROAD
ESTD : 1990

MOHAN LAL CHOUDHURY LIBRARY :
Library:

## জি. এল. চি. মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ



**বাওঁফালৰ পৰা (বহি) ঃ**
বীণা বসুমতাৰী, মাইকণ বসুমতাৰী, সন্তোষ কুমাৰ সাহা, সঞ্জীৱ কুমাৰ দাস, পূৰ্ণ বাহাদুৰ ছেত্ৰী, জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), জয় বিশ্বাস কুন্ড, দীপিকা দেৱী চৌধুৰী, ৰূপামণি কাকতি, প্ৰভা দাস।

**বাওঁফালৰ পৰা (থিয় হৈ) প্ৰথম শাৰী ঃ**
ৰমজান আলী, ৰূপনজিৎ দাস, হেমন্ত কুমাৰ দাস, গিয়াছউদ্দিন আহমেদ, মুকুট খান, আনন্দ ঘোষ, পিয়ালী ঘোষ, যুথিকা তালুকদাৰ, নিজৰা ঠাকুৰীয়া, জুনুমণি বসুমতাৰী।

**বাওঁফালৰ পৰা (থিয় হৈ) দ্বিতীয় শাৰী ঃ**
আবু চুমা, শ্বহিদুল ইচলাম জাদিদ, কল্যাণ চন্দ্ৰ তালুকদাৰ, খনীন্দ্ৰ কুমাৰ নাথ, নৃপেন দাস, সোণমণি দাস, ছেলিমউদ্দিন, মিৰাণ হুছেইন চৌধুৰী, মুছলিমউদ্দিন আহমেদ।

## সম্পাদনা সমিতি



**বাওঁফালৰ পৰা (বহি) ঃ**
হেমন্ত কুমাৰ দাস, সন্তোষ কুমাৰ সাহা, জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), পূৰ্ণ বাহাদুৰ ছেত্ৰী, সঞ্জীৱ কুমাৰ দাস।

**বাওঁফালৰ পৰা (থিয় হৈ) ঃ**
সাহজাহান আলী আহমেদ (সম্পাদক), মুনীন্দ্ৰ কুমাৰ দাস, দীপিকা দেৱী চৌধুৰী, মাইকণ বসুমতাৰী, প্ৰভা দাস, ৰূপামণি কাকতি (তত্বাৱধায়িকা), আব্বাছ আলী।

BARPETA ROAD ESTD : 1990

MOHAN LAL CHOUDHURY LIBRARY :

## সম্পাদকীয়

সকলোটি একে আছে সঁচা
কিন্তু যেন কিবা এটি নাই,
অতীতৰ বলিয়া বতাহে
কেনিবাদি দিলে উৰুৱাই। — *যতীন্দ্ৰনাথ দুৱৰা।*



সময়ে কাকো ক্ষমা নকৰে। কাৰো বাবে ৰৈ নাথাকে কাহানিও। এইখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা একাধিক বিশিষ্ট ব্যক্তি আমাৰ মাজত আজি নাই। সম্পাদকীয়ৰ বাট চ'ৰাতে সেইসকল নমস্য ব্যক্তিৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ লগত বৰ্তমানেও জড়িত হৈ থকা সমূহ ব্যক্তিলৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ।

সমগ্ৰবিশ্বতে চলিছে ধোৱা-বাৰুদৰ একনায়কত্ববাদ। উগ্ৰবাদী, সাম্প্ৰদায়িক সংঘৰ্ষ আৰু বিভেদকামী শক্তিৰ হাতত বাৰে বাৰে লাঞ্ছিত হৈছে মানৱতা। পুষ্প-সদৃশ কণ কণ শিশুহঁতৰ বক্ষস্থল ভেদ কৰিছে আসুৰিক শক্তিৰ বুলেটে। এনেকুৱা সামাজিক পৰিবেশত শ্বাস টানি টানি ছাত্ৰ সমাজ বহুক্ষেত্ৰত নিজৰ বাটৰ পৰা আঁতৰি আহিছে যদিও আজিও বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কৰ্তব্য পালনত অৱহেলা কৰা নাই। এনেকুৱা পৰিৱেশত বিবেকৱান সকলে একমুখে পৰিবৰ্তনৰ কথা ক'বলৈ বাধ্য হৈছে।

সাহিত্যই জাতি গঠনত, সম্প্ৰীতিৰ এনাজৰী কটকটীয়া কৰাত যিদৰে সহায় কৰে, ঠিক একেদৰে এচাম মুখা পিন্ধা সাহিত্যিকৰ সাহিত্য কৰ্মই সাম্প্ৰদায়িকতাৰ বীজ অংকুৰিত কৰাত সহায় কৰে। এনে সাহিত্য আৰু সাহিত্যিক কেতিয়াও সন্মানৰ যোগ্য নহয়।

আমাৰ মহাবিদ্যালয়ত প্ৰতিবছৰে 'ৰেঙণি' আৰু 'বিবিধা' নামৰ দুখন প্ৰাচীন পত্ৰিকা প্ৰকাশ হৈ আছে যদিও ইয়াৰ মাজেৰে মহাবিদ্যালয়খনৰ সমগ্ৰ প্ৰতিভা প্ৰকাশ নাপায়। বিগত ২০০৩-০৪ ইং শিক্ষাবৰ্ষৰ পৰা বছৰেকীয়াকৈ আলোচনী প্ৰকাশ হ'ব ধৰাত সাহিত্যৰ প্ৰতি আগ্ৰহ থকা ছাত্ৰ-ছাত্ৰী সকলে বিশেষভাবে উপকৃত হৈছে। এই প্ৰয়োগ ক্ৰমাগত হওঁক এই আশা কৰিলোঁ।

বৰ্তমান নৱ প্ৰজন্মৰ মাজত অধ্যয়নৰ প্ৰতি বাঢ়ি অহা অনীহাৰ বাবে নৱ - প্ৰজন্মই সঠিক পথ ত্যাগ কৰি বিপথে পৰিচালিত হ'ব ধৰিছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ পুথিভঁড়ালটোৱে ধনাত্মক পদক্ষেপ গ্ৰহণ কৰিব পাৰে। সমাজৰ কলুষতা ছাত্ৰ সমাজৰ লগতে শিক্ষাৰ লগত জড়িত ব্যক্তি সকলে অধ্যয়ন আৰু অনুসন্ধানৰ যোগেদি সঠিক বিশ্লেষণ কৰি সমাজৰ ভুল-ভ্ৰান্তিবোৰ আঁতৰাই সমাজখন স্বচ্ছ কৰি গঢ়ি তুলিব লাগিব। এই ক্ষেত্ৰত সাহিত্যিক সাংবাদিক আৰু বুদ্ধিজীৱী সকলৰ ভূমিকাও উল্লেখযোগ্য।

লিখনিৰ শেষত সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মোৰ অনিচ্ছাকৃত ভুলৰ বাবে মাৰ্জনা বিচাৰিছোঁ। ধন্যবাদেৰে ...

সাহজাহান আলী আহমেদ
সম্পাদক, আলোচনী বিভাগ
গনেশ লাল চৌধুৰী মহাবিদ্যালয়

MOHAN LAL CHOUDHURY LIBRARY :
Library :

# অনুক্রমণিকা

## প্ৰথম পল্লৱ ঃ বাৰ্টিচ'ৰাৰ সুৰভি


- আধুনিক অসমীয়া নাটকত লোক-সাংস্কৃতিক উপাদান ❑ ড° বসন্ত কুমাৰ ভট্টাচাৰ্য /৩
- নিস্তব্ধতা এৰিধ পানী ❑ নীলিম কুমাৰ /৯ ◆ শান্তি ❑ ড° ভূষণ চন্দ্ৰ পাঠক /১০
- বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসত সমাজ চিত্ৰ ❑ ড° বিনীতা বৰা দেৱ চৌধুৰী /১২


## দ্বিতীয় পল্লৱ ঃ চিন্তাতৰঙ্গ


- প্ৰেমচন্দৰ জীৱন আৰু প্ৰতিভা ❑ পূৰ্ণ বাহাদুৰ ছেত্ৰী /১৭
- 'মিএগ্ৰা' লোক সংস্কৃতিত দৃষ্টিপাত ❑ ছেলিম উদ্দিন /১৯
- অসমৰ জাতীয় জীৱনলৈ বিষ্ণু প্ৰসাদ ৰাভাৰ অৱদান ❑ দিগন্ত লাল ঠাকুৰীয়া /২৩
- নাৰী সবলীকৰণ ❑ শিল্পা বনিক/২৯ ◆ আৰাধ্য সময় ❑ আব্দুৰ ৰহিম আহমেদ/৩১


## তৃতীয় পল্লৱ ঃ অনুভূতি শিল্প


- জি. এল. চি কলেজৰ মৰমলগা ছোৱালীজনী ❑ কবিতা সিং/৩৫ ◆ গছে মাটি সলাব নোৱাৰাৰ দৰে ❑ নীলিমা খানম /৩৫
- শৰতৰ উদাস পদ্য ❑ শান্তা সাহা /৩৬ ◆ কংকণ তালুকদাৰৰ প্ৰেমত এজনী ছোৱালী ❑ প্ৰণিতা ভদ্ৰ /৩৬
- অবিৰত যাত্ৰা ❑ ৰিন্তীমণি দাস /৩৬ ◆ তোমাৰ অনুপস্থিতিত ❑ শ্বফিকুল ইছলাম /৩৭
- প্ৰেমৰ সপোন ❑ শিল্পা বনিক /৩৭ ◆ বৰষুণ ❑ বিভা সৰকাৰ /৩৮ ◆ তোমাক মই ভালপাওঁ ❑ নিপন দাস /৩৮
- নাজানো তুমি কোন? ❑ ৰুবী কৰ্মকাৰ /৩৯ ◆ প্ৰেমৰ অনুভূতি ❑ জিতুমণি কলিতা /৩৯


## চতুৰ্থ পল্লৱ ঃ কথা শিল্প


- চক্ৰবৎ ❑ হেমন্ত কুমাৰ দাস /৪১
- আমি একেখন নাৱৰে যাত্ৰী ❑ দিপীকা দেৱী চৌধুৰী /৪৮
- জীৱন-শলিতা ❑ পূৰ্ব্বশ্ৰী মালী /৫০ ◆ আশ্ৰয় ❑ সংগীতা ডেকা /৫২
- হেৰোৱা প্ৰেমৰ সুৱাস ❑ ৰুনুমী বৰ্মন /৫৩ ◆ উপহাৰ ❑ উজ্জ্বল শৰ্মা /৫৫
- মানৱীয় অশ্ৰু অঞ্জলি ❑ ৰিন্তীমণি দাস /৫৭ ◆ বিষণ্ণ হৃদয় ❑আবুল কালাম আজাদ /৫৮
- উষা, এন্ধাৰ আৰু স্বৰনম ❑ সাহজাহান আলী আহমেদ /৫৯
- মোৰ এজনী ইংৰাজী ক'ব পৰা ছাগলী আছে ❑ কপিল দাস /৬১


## পঞ্চম পল্লৱ ঃ মহাবিদ্যালয় চৌহদৰ পৰা


- সুগন্ধি চেতনা /৬২ - ৬৯


## ষষ্ঠ পল্লৱ ঃ সংস্কৃতিৰ পথাৰত


- মুখামুখি /৭০


## সপ্তম পল্লৱ ঃ জীৱনৰ বৰ্ণিল অনুভৱ


- প্ৰজ্ঞা / অনুভৱ / ডাকৰ বচন / ফকৰা-যোজনা / জিকিৰ / হাস্যৰস / শায়েৰী/ ৭১ - ৭৫


## অষ্টম পল্লৱ ঃ সোঁৱৰণী সমলয়


- English Section /৭৯ - ১০৩
- প্ৰতিবেদন /১০৪ - ১০৯
- Teaching and Non-Teaching staff /১১০
- শেষ পৃষ্ঠাৰ অনুভৱ ❑ ৰূপামণি কাকতি /১১২


◆◆◆◆◆◆◆


M.L.C. LIBRARY
ACC NO.:.............
G.L. CHOUDHURY COLLEGE

MOHAN LAL CHOUDHURY LIBRARY :




MOHAN LAL CHOUDHURY LIBRARY :



MOHAN LAL CHOUDHURY LIBRARY :

Library :

# আধুনিক অসমীয়া নাটকত লোক-সাংস্কৃতিক উপাদান

◆ ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

'লোক-সংস্কৃতি'ৰ উদ্ভৱ আৰু বিকাশৰ পটভূমি সাধাৰণতে লোকসমাজ। 'লোক-সমাজ' হ'ল নগৰ স্থাপিত হোৱাৰ পূৰ্বৰ সমাজখন। বিশিষ্ট লোকতত্ত্ববিদ ৰবাৰ্ট ৰেড় ফিল্ডৰ মতে, কৃষক সমাজৰ দ্বাৰা গঠিত সমাজেই লোক-সমাজ আৰু কৃষকৰ সংস্কৃতিয়ে লোক-সংস্কৃতি।[৩] পিছে কৃষক সমাজ যিহেতু স্বতন্ত্ৰ সমাজ নহয়, খণ্ডিতহে, সেই হেতুকে কৃষকৰ সংস্কৃতিও খণ্ডিত বা আংশিকহে।



আধুনিক অসমীয়া লোক-সাংস্কৃতিক উপাদানৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰাৰ পূৰ্বে লোক-সংস্কৃতিৰ স্বৰূপ সম্পৰ্কে সম্যক আভাস দিয়া সমীচীন হ'ব।

অসমীয়া 'লোক-সংস্কৃতি' পদটো ইংৰাজী 'folk-lore' পদক বুজাবলৈ ব্যৱহাৰ কৰা হয়। লোকজ্ঞান বা লোক অভিজ্ঞতাক বুজাবলৈ ব্যৱহৃত পুৰণা 'Popular antiquities' বাক্যাংশৰ সলনি 'folk-lore' পদটো পোনতে ১৮৪৬ ত ইংলেণ্ডত পুৰাতত্ত্ববিদ উইলিয়াম জন্‌থমছএ প্ৰয়োগ কৰে।[১] ইংৰাজী 'folk'ৰ অৰ্থ 'লোক' বা 'জন' আৰু 'lore'ৰ অৰ্থ বিদ্যা। এই দিশৰ পৰা 'folk-lore' -ক বুজাবলৈ 'লোকবিদ্যা' পদটো প্ৰয়োগ কৰাহে সমীচীন যেন লাগে[২] যদিও এই প্ৰসংগত 'লোক-সংস্কৃতি' পদটোৰ প্ৰতিহে সকলোৰে আকৰ্ষণ পৰিদৃষ্ট হয়। কিয়নো অসমীয়া 'সংস্কৃতি' পদটোৱে 'lore' পদে ব্যঞ্জিত কৰা প্ৰায় সকলো অৰ্থকে সামৰি লয়।

'লোক-সংস্কৃতি'ৰ উদ্ভৱ আৰু বিকাশৰ পটভূমি সাধাৰণতে লোকসমাজ। 'লোক-সমাজ' হ'ল নগৰ স্থাপিত হোৱাৰ পূৰ্বৰ সমাজখন। বিশিষ্ট লোকতত্ত্ববিদ ৰবাৰ্ট ৰেড় ফিল্ডৰ মতে, কৃষক সমাজৰ দ্বাৰা গঠিত সমাজেই লোক-সমাজ আৰু কৃষকৰ সংস্কৃতিয়ে লোক-সংস্কৃতি।[৩] পিছে কৃষক সমাজ যিহেতু স্বতন্ত্ৰ সমাজ নহয়, খণ্ডিতহে, সেই হেতুকে কৃষকৰ সংস্কৃতিও খণ্ডিত বা আংশিকহে। আন এগৰাকী লোকতত্ত্ববিদ আলান ডাণ্ডেজৰ মতে, স্বৰূপাৰ্থত তম উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিক 'লোক' আখ্যা দিব পাৰি।[৪] এই তম উমৈহতীয়া উপাদানটো ব্যৱসায়, ধৰ্ম, ভাষা যিয়েই নহওক কিয়, তাত থাকিব লাগিব পৰম্পৰা আৰু এই পৰম্পৰাক তেওঁলোকে নিজৰ উমৈহতীয়া মাধ্যমৰূপে গ্ৰহণ কৰিবলৈ অনবৰতে সাজু হৈ থাকিব লাগিব।[৫]

ওপৰৰ আলোচনাৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে গাঁওবাসীৰ পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল, কৃষিজীৱী, নিৰক্ষৰ, হোজা জনসমষ্টিয়েই হ'ল লোক-সমাজ আৰু এনে সমাজৰ সংস্কৃতিয়েই হ'ল 'লোক-সংস্কৃতি'। লোক সংস্কৃতিৰ ব্যাপকতা, বৈচিত্ৰ্য আৰু বৈশিষ্ট্য অনুসৰি ইয়াক প্ৰধানতঃ চাৰিটা ভাগত বিভাজন কৰা হৈছে ঃ[৬]

(ক) মৌখিক লোক-সংস্কৃতি বা বাচিক কলা বা লোক-সাহিত্য (Verbal-art) ঃ ইয়াৰ ভিতৰত লোক-কাহিনী, বৰ্ণনাত্মক লোক কবিতা, লোক-মহাকাব্য, প্ৰবচন, সাঁথৰ লোকভাষা আদি ধৰা হয়।

(খ) সামাজিক লোকপ্ৰথা বা লোকাচাৰ (Social folk-custom) ঃ উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, লোক-ঔষধ, লোক-ধৰ্ম, লোক-বিশ্বাস আদি এই বিভাগটোৱে সামৰি লয়।

(গ) ভৌতিক সংস্কৃতি (Material folk-culture) ঃ লোক-শিল্প,



MOHAN LAL CHOUDHURY LIBRARY :
Library:

লোক-স্থপতিবিদ্যা, লোক-কলা, লোক-আভৰণ, লোক-ৰন্ধন-প্ৰণালী আদি এই বিভাগটোৰে অন্তৰ্ভুক্ত।

(ঘ) লোক-পৰিবেশ্য কলা (folk-performing art) ঃ এই বিভাগটোৰ ভিতৰত পৰে লোক-সংগীত, লোক-নৃত্য আৰু লোক-নাট্য।

আধুনিক অসমীয়া কবি-সাহিত্যিক সকল সাৰস্বত সাধনা, পাশ্চাত্য ভাবধাৰা আৰু অভিজাত চেতনাৰে ভূষিত হ'লেও আৰু দেশ-বিদেশৰ পৰা সাহিত্যৰ নানান উপকৰণ আহৰণ কৰি সৃষ্টিকৰ্মত আত্মনিয়োজন কৰিলেও তেওঁলোকে অসমীয়াসুলভ সাহিত্যিক প্ৰাণতা বিসৰ্জন দিয়া নাই আৰু দিবও নোৱাৰে। কিয়নো, তেওঁলোকৰ সাহিত্য-চৰ্চা আৰু সৃষ্টিৰ পটভূমি হ'ল প্ৰধানত ঃ অসম ৰাজ্য-অসমীয়া মানুহ-অসমীয়া সমাজ-জীৱন। তদুপৰি তেওঁলোকৰ কল্পনা-অনুভূতি আৰু বুদ্ধি-বৃত্তিও অসমীয়া সমাজ-জীৱনৰ নানান দিশৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত। এনে প্ৰভাৱৰ পৰিণতি স্বৰূপে আধুনিক অসমীয়া সাহিত্যত অসমীয়া সমাজ জীৱনৰ বিবিধ তাত্ত্বিক উপাদানৰ লগতে লোক-সাংস্কৃতিক উপাদানসমূহৰো প্ৰতিফলন লক্ষ্য কৰিব পাৰি।

অসমীয়া সাহিত্যৰ আন আন বিভাগৰ দৰে নাট্য সাহিত্যও সমৃদ্ধিশালী আৰু ইয়াৰ বিকাশ বিস্তৃতিও মনকৰিবলগীয়া। ১৮৫৭ ত গুণাভিৰাম বৰুৱাৰ দ্বাৰা ৰচিত 'ৰাম নৱমী নাটক' শীৰ্ষক নাটকখনেই প্ৰথম অসমীয়া আধুনিক নাটক। পাশ্চাত্য নাটকৰ বিশেষতঃ শ্বেক্সপীয়েৰীয় নাটকৰ ৰীতি-প্ৰকৃতিৰ আৰ্হিত ৰচনা কৰা এইখন নাটকেই প্ৰাচীন অসমীয়া অংকীয়া নাটৰ সুদীৰ্ঘ পৰম্পৰাত যতি পেলায় আৰু এক নব্য নাট্য পৰম্পৰাৰ সূচনা কৰে। 'ৰাম নৱমী নাটক' সামাজিক সংস্কাৰমূলক নাটক।

বালবিধৱা তথা বাল্য বিবাহৰ সমস্যাৰ আধাৰত ৰচিত এইখন নাটকত চিত্ৰিত হৈছে উনবিংশ শতিকাৰ অসমীয়া সমাজখনৰ স্বৰূপ। 'ৰাম নৱমী নাটক'ৰ জৰিয়তে আৰম্ভ হোৱা আধুনিক অসমীয়া নাট্যধাৰা পৰৱৰ্তী কালত বহু শাখা বিস্ফাৰিত হৈ বিৱৰ্তনৰ মাজেদি পৰিপুষ্টি লাভ কৰিছে, এইদৰে পৰিপুষ্ট হোৱা আধুনিক অসমীয়া নাটকত লোক-সাংস্কৃতিক উপাদানসমূহত ক'ত কেনেদৰে প্ৰতিফলন ঘটিছে, সেই বিষয়ে আলোচনা কৰাৰ যথেষ্ট স্থল আছে।

আধুনিক অসমীয়া নাটকত মৌখিক লোক-সংস্কৃতি অথবা বাচিক কলাৰ উল্লিখন, বৰ্ণন আৰু ৰূপায়ণৰ বিশ্লেষণেৰে আলোচনাৰ পাতনি মেলিব পাৰি।

মৌখিক লোক-সংস্কৃতি অথবা বাচিক কলাৰ জৰিয়তে সমাজ জীৱন আৱৰণহীন, অকৃত্ৰিম আৰু স্বতঃস্ফূৰ্তভাৱে অভিব্যক্ত হয়। তদুপৰি ইয়াৰ নান্দনিক মাধুৰ্যও অভিনৱ। লোক-সাহিত্য তথা মৌখিক লোক-সংস্কৃতিৰ এক বুজন অংশ দখল কৰি থাকে লোক-কবিতা বা লোকগীতসমূহে। আধুনিক অসমীয়া নাট্যকাৰ লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, আনন্দ চন্দ্ৰ বৰুৱা, নকুল চন্দ্ৰ ভূঞা, প্ৰসন্নলাল চৌধুৰী, অতুল চন্দ্ৰ হাজৰিকা, জ্যোতি প্ৰসাদ আগৰৱালা, সুৰেশ গোস্বামী প্ৰমুখ্যে বিশিষ্ট নাট্যকাৰসকলৰ নাটকত প্ৰয়োগ হোৱা গীত-মাতত অসমীয়া লোকগীতৰ সুৰৰ ধ্বনি-প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। বেজবৰুৱাৰ দ্বাৰা ৰচিত 'জয়মতী কুঁৱৰী' নাটকৰ পৰা উদ্ধৃত তলৰ গীতটোত অসমীয়া লোকগীতৰ গঠন ভংগিমা লক্ষ্য কৰিবলগীয়া ঃ

'সখিহে! কি ক'ম দুখৰে কথা
অমৃত মথোতে বিহ উপজিলে
মিঠা মৌ হ'ল তিতা।
মালতীৰ চাকি খোপাত পিন্ধিলো
তাৰো গ'ল পাহি সৰি
সোণৰে সঁজাতে পখীটি ৰাখিলো
সিও গুচি গ'ল উৰি।
সঁজাতে ফুলিলে তগৰ ফুলে পাহি
সন্ধিয়াৰ বা পাই
কোনেও নেদেখোতে, কো... ঃ
নুশুঙোতে
সিও যে লেৰিলি যায়।

জ্যোতি প্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'নিমাতী কইনা' আদি নাটকত প্ৰয়োগ হোৱা একাংশ গীতত অসমীয়া লোকগীতৰ অন্তৰ্ভুক্ত 'আইনাম', 'বিয়ানাম', 'বিহুগীত', 'নিচুকনিগীত' আদিৰ সুৰ আৰু ধ্বনি মাধুৰ্য ফুটি উঠিছে। নাট্যকাৰগৰাকীৰ 'কাৰেঙৰ লিগিৰী'ৰ পৰা উদ্ধৃত তলৰ গীতটোত ফুটি উঠিছে 'বিয়ানাম'ৰ ধ্বনি মাধুৰ্য ঃ

সোণৰে পালেঙত অ' মনেতৰা
সোণৰে পালেঙত অ' মনেতৰা
ধুনীয়া কোঁৱৰৰ ঘুমটি নাহিলে
কপাহৰে দলিচা পৰা মনেতৰা
সোণৰে ..........
চাতোনৰ দলিচা পাৰি দিম শুৱলৈ
অ' মনেতৰা
বগলীৰ পাখিৰে গাৰু দিম শুৱলৈ
অ' মনেতৰা
চান্দোৱা হৰা ফুল বছা মনেতৰা সোণৰে ..........



MOHAN LAL CHOUDHURY LIBRARY :
Library :

পদুমী পাহিৰে গুঁঠি দিম বিচনী
বা দিম সুৰভি ভৰা মনেতৰা
কাষতে লিগিৰী বহিনো নামে গাম
কোনোবা বিতোপন দেশৰে সাধু ক'ম
নিশাটো কাষতে বহি মনেতৰা
টোপনি টোপনি অ' মনেতৰা
আহিবা টোপনি অ' মনেতৰা

নক'লেও চলে যে জ্যোতি প্ৰসাদৰ নাটকতেই অসমীয়া লোকগীতৰ ৰীতি-প্ৰকৃতিৰ আধাৰত ৰচিত সৰ্বাধিক গীতৰ প্ৰয়োগ ঘটিছে। ফলস্বৰূপে তেওঁৰ নাটকত অসমীয়া জাতীয় সমাজ-জীৱন চিত্ৰ সুৰ-মাধুৰ্য্যেৰে অভিনৱ ৰূপত প্ৰতিফলিত হৈছে।

অসমীয়া বাচিক কলা লোককথা বা সাধুকথাৰেও সুসমৃদ্ধ। বেজবৰুৱাৰ 'লিতিকাই' নাটখনি জনপ্ৰিয় অসমীয়া সাধু এটিৰ আলমত ৰচিত। গোহাঞি বৰুৱাৰ 'টেটোন তামুলী' নাটৰ কথাবস্তুও সাধুকথা স্পৰ্শিত। বাচিক কলাৰ একাংশ দখল কৰি থাকে লোক ভাষাই। কোনো এটা ভাষাৰ কোনো এক আঞ্চলিক উপভাষাৰ অন্তৰ্গত সাধাৰণ অশিক্ষিত, লোক সমাজত, জীৱন যাত্ৰাৰ প্ৰসংগত যি ভাষা ব্যৱহাৰ কৰা হয়, তাকেই লোকভাষা বোলে। লোকভাষা পুৰণি, পৰম্পৰাগত আৰু স্বাভাৱিক। প্ৰতিভাশালী কবি-সাহিত্যকসকলে তেওঁলোকৰ ৰচনাৰাজিত লোকায়ত সমাজৰ চিত্ৰ পৰিস্ফুটিত কৰিবৰ নিমিত্তে লোকভাষাত প্ৰয়োগ কৰা দেখা যায়। আধুনিক অসমীয়া নাট্যকাৰসকলেও তেওঁলোকৰ নাটকৰাজিৰ কাহিনীৰ বিকাশ, চৰিত্ৰ আৰু পৰিবেশ পৰিস্থিতিৰ চিত্ৰণৰ প্ৰসংগত, প্ৰয়োজন অনুসৰি লোকভাষাৰ গঠন ভংগিমা, শব্দাদি, প্ৰবচন, খণ্ডবাক্য আদিৰ প্ৰয়োগ কৰিবলৈ কাৰ্পণ্য কৰা নাই। গুণাভিৰাম বৰুৱাৰ 'ৰাম নৱমী নাটক', হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন', বেজবৰুৱাৰ ধেমেলীয়া নাট চাৰিখনৰ বাহিৰেও তেওঁৰ 'চক্ৰধ্বজ সিংহ', 'বেলিমাৰ', 'জয়মতী কুঁৱৰী' আদি; গোহাঞি বৰুৱাৰ 'ভূত নে ভ্ৰম', 'টেটোন তামুলী', 'গাওঁবুঢ়া', 'বাণৰজা', 'সাধনী' আদি; চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ', দুৰ্গেশ্বৰ শৰ্মাৰ 'পাৰ্থ পৰাজয়', জ্যোতিপ্ৰসাদৰ 'শোণিত কুঁৱৰী', 'ৰূপালীম', 'লভিতা', 'কাৰেঙৰ লিগিৰী' আদি; অতুল চন্দ্ৰ হাজৰিকাৰ 'নৰকাসুৰ', 'বেউলা', 'কুৰুক্ষেত্ৰ', 'সাৱিত্ৰী' আদি; আনন্দ চন্দ্ৰ বৰুৱাৰ 'নল-দময়ন্তী', গণেশ গগৈৰ 'শকুনিৰ প্ৰতিশোধ' প্ৰসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ', আদি; প্ৰবীণ ফুকনৰ 'শতিকাৰ বান' আদি; সাৰদাকান্ত বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচাৰ্যৰ 'মগৰীবৰ আজান', অনিল চৌধুৰীৰ 'প্ৰতিবাদ', 'মিনাবজাৰ', লক্ষ্যধৰ চৌধুৰীৰ 'নিমিলা অংক', প্ৰফুল্ল কুমাৰ বৰুৱাৰ 'আশাৰ বলিচৰ', সত্যপ্ৰসাদ বৰুৱাৰ 'শিখা', মৃণালমাহী' আদি; অৰুণ শৰ্মাৰ 'জিন্‌টি', 'উৰুখা পঁজা'; 'কুকুৰনেচীয়া মানুহ' আদি, মহেন্দ্ৰ বৰঠাকুৰৰ 'শৰাগুৰি চাপৰি, 'বলীয়া হাতী' আদি; ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শতাব্দী', 'এমুঠি ত'ৰাৰ জিলিমিলি', অখিল চক্ৰবৰ্তীৰ 'উত্তৰ পুৰুষ' আদিৰ লগতে আন আন নাট্যকাৰৰ নাটকৰ সংলাপত লোকভাষাৰ অকৃত্ৰিম প্ৰতিৰূপৰ নিদৰ্শন পৰিদৃষ্ট হয়।

অসমীয়া বাচিক কলা লোককথা বা সাধুকথাৰেও সুসমৃদ্ধ। বেজবৰুৱাৰ 'লিতিকাই' নাটখনি জনপ্ৰিয় অসমীয়া সাধু এটিৰ আলমত ৰচিত। গোহাঞি বৰুৱাৰ 'টেটোন তামুলী' নাটৰ কথাবস্তুও সাধুকথা স্পৰ্শিত। বাচিক কলাৰ একাংশ দখল কৰি থাকে লোক ভাষাই। কোনো এটা ভাষাৰ কোনো এক আঞ্চলিক উপভাষাৰ অন্তৰ্গত সাধাৰণ অশিক্ষিত, লোক সমাজত, জীৱন যাত্ৰাৰ প্ৰসংগত যি ভাষা ব্যৱহাৰ কৰা হয়, তাকেই লোকভাষা বোলে।





MOHAN LAL CHOUDHURY LIBRARY :

উদাহৰণ ঃ

(১)

সীহুৰাম ।। কাকা, কিয় আহলিহ্ এই?

দতো।। কি শোধাহ বাপহে! মোৰ কপালৰ কথা। এই মকত্তমা কৰ্বা আহছোঁ।

সীহু।। কিনো গুচি?

দতো।। পুত্খা চধৰী এইবোৰ গেই আৰ সৰ্বনাশ কৰ্বা ধৰ্চি। আমাৰ ঠেমা মানুহ আৰু থাকাৰ যো এই গুচিল।

(ৰাম নৱমী নাটক)

(২)

বলোৰাম। শুনচোঁন, শুন এ ৰাম।

ভেদেই।। কি?

বলোৰাম।। এই হেৰি নহয়, তই-মোলৈ বিয়া সোমাবি?

ভেদেই।। মই নিশ্চয়কৈ আজি পিতাইৰ আগত কৈ দিমগৈ ৰ।

বলোৰাম।। বাৰু, দেচোঁন দে। মইনো কি বেয়া ল'ৰাটো। নাকে-মুখে কেনে গৰ্হীত।

ভেদেই।। থুই কটা। নিলাজৰ সঁচ। (মুখতে থুই পেলাই গুচি যায়)

বলোৰাম।। (মুখ মচি) উঃ বেটী, একো জোলোকাই যাতী পেলাওঁ বুলিয়েই পেলালে দেখা। থাক বাৰু তই। ময়ো যদি সাতোলা ভাঙুৰীৰ পুতেক হওঁ, তোকো দেখিম হেৰিয়াৰ জীয়েক-তই কিমান পানীৰ মাছ। (মগৰীৰৰ আজান)

(৩)

বায়ন। কৰো ৰহ আকৌ! ঐ বুইছ, খোল বাই বৰ গৰম লাগিল পাই। মই সাউত কৰে নৈত জোবোৰা এটা মাৰি আহোঁ দে। যাম আৰু আহিম। চাওঁ লোটাটো দেচোঁন। তই কাঁহী-বাটী দুযোৰ অখালি যতনাই থ। মই পাকতে আহি পামহি। (বায়নৰ খোল)

লোক-ভাষাত প্ৰবচনৰ ভূমিকা গুৰুত্বপূৰ্ণ। 'প্ৰবচন' ব্যক্তি আৰু সমাজ জীৱনৰ অভিজ্ঞতাৰ ফল। ই পৰম্পৰাগতভাৱে মানৱ জীৱন আৰু সমাজৰ অভিজ্ঞতাসমূহ কঢ়িয়াই আনে। ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে 'প্ৰবচন'ক যোজনা বা পটন্তৰ নামেৰে নামকৰণ কৰিছে। আধুনিক অসমীয়া নাটকত প্ৰৱচনৰ প্ৰয়োগ বহলতা লক্ষ্য কৰিবলগীয়া।

উদাহৰণ ঃ

(ক) পৰ্বতত কাছ কণী, সাগৰত জুই, তাক নিবিচাৰি থাকিবা শুই। (কাৰেঙৰ লিগিৰী)

(খ) কাঁহীত নাখাওঁ, বাটিত নাখাওঁ
নাখাওঁ সঁফুৰাত গুৱা,
মনৰ জোখাই নাপাওঁ মানে
দেহাকো নকৰো চুৱা। (কাৰেঙৰ লিগিৰী)

(গ) ভেলেকা বহুৱা থাকিল চায়
থোলোকা বাপুৰে সুপুৰ সুপুৰ খায় (কাৰেঙৰ লিগিৰী)

(ঘ) 'বোলে গৰু চাবা গধূলা
ৰোৱা চাবা পুৱা
জকাই বাওঁতে ছোৱালী চাবা
কোন কেনেকুৱা।' (মগৰীৰৰ আজান)

(ঙ) মন কৰিলেই চন,
বাকৰি মাটিতেই ধান। (মগৰীৰৰ আজান)

(চ) গড়গএগ্ৰা মিতি-ৰৰ ভাও
মুখেৰে বোলে থাক থাক
ভৰিলে হেঁচোকে নাও। (বায়নৰ খোল)

(ছ) হাঁহেও ৰাজি, মাহেও ৰাজি। (বায়নৰ খোল)

(জ) ল'ৰাই পানী পেলায়
বুঢ়াই পিছলি পৰে। (বায়নৰ খোল)

কোৱা নিষ্প্ৰয়োজন যে প্ৰবচনৰ সংযোগত নাট্য সংলাপে যি ৰূপ লাভ কৰে, তাৰ জৰিয়তে লোকমন আৰু লোকজীৱনে যথাৰ্থ ৰূপত প্ৰকাশ লাভ কৰে। লোক-সংস্কৃতিৰ অন্যতম বিভাগ 'লোকাচাৰ'ৰ অন্তৰ্ভুক্ত উৎসৱ-অনুষ্ঠান, লোকধৰ্ম, ব্ৰতাচাৰ, উপবাস, লোক-ঔষধ আদিৰ উল্লিখন, বৰ্ণন, গুণাভিৰাম বৰুৱাৰ 'ৰাম নৱমী নাটক' হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন', বেজবৰুৱাৰ 'লিতিকাই' আদি; পদ্মনাথ গোহাঞি বৰুৱাৰ 'গাওঁবুঢ়া' আদি চন্দ্ৰধৰ বৰুৱা, আনন্দ চন্দ্ৰ বৰুৱা আদি নাট্যকাৰৰ পৌৰাণিক আৰু ঐতিহাসিক নাটক, সাৰদাকান্ত বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচাৰ্যৰ 'মগৰীৰৰ আজান', জ্যোতি প্ৰসাদ আগৰৱালাৰ নাটক, যুগল দাসৰ 'বায়নৰ খোল', অৰুণ শৰ্মা, মহেন্দ্ৰ বৰঠাকুৰ, অখিল চক্ৰৱৰ্তী আদিৰ নাটকসমূহত পোৱা যায়।

গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটকত নৱমী-উৰ্বশীহঁতে সৰুকালত শিৱৰাত্ৰি ব্ৰত পালন কৰাৰ উল্লিখন, লোকবিশ্বাস-লোকৰুচিৰ অনুকুল।

তোলনী বিয়াৰ সময়ত গণকে পুথি-পাঁজি চাই দোষাদোষ নিৰ্ণয় কৰা ৰীতি লোকাচাৰৰ অন্তৰ্ভুক্ত। নাটকখনত, নৱমীক গণকে পুথি-পাঁজি চাই সুভাগাযোগ পোৱা বুলি ঘোষণা দিয়াৰ উল্লিখন-বৰ্ণন পৰিদৃষ্ট হয়। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন'ত কানি খোৱাৰ চিত্ৰণ, জ্যোতি প্ৰসাদৰ 'কাৰেঙৰ লিগিৰী'ত বুঢ়ী গোঁসানী'ৰ উল্লিখন আৰু সাৰদাকান্ত বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচাৰ্যৰ 'মগৰীৰৰ আজান'ত 'মোহিনী মন্ত্ৰ'ৰ বৰ্ণন, চিত্ৰণ আদিৰ সংযোগত অসমীয়া



MOHAN LAL CHOUDHURY LIBRARY :
Library:

লোকায়ত সমাজৰ আচাৰ-নীতি, বিশ্বাস আদিৰ প্ৰতিফলন ঘটিছে। এই প্ৰসংগত হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন' নাটকৰ পৰা মঙলতী বুঢ়ীৰ মুখত দিয়া এছোৱা সংলাপ তলত উদ্ধৃত কৰা হ'ল ঃ

মঙলতী।। আইচু, আন একো কৰিব নালাগে।
শনিবাৰে বা মংগলবাৰে দুপৰীয়া
সাতুটী বা পাঁচুটী নাইবা তিনিটী এৰাঁ
ছোৱালীৰ হতুৱাই চোতালত শুকানী
অপেচৰ নামে শুকুলী ফুল,
এৰাঁ গাখীৰ আৰু কেঁচা পিঠাগুড়ি দি তুতি
তৰ্পণকৈ মতাব আৰু জলশাই ডাঙৰীয়াৰ
নামে পাঁচজনমান ভকতক আমৰলীয়া
হাঁহেৰে চাউল খুৱাব। ঘাইকৈ এফেৰি
কানীয়া সেৱা কৰিব।

কু-সংস্কাৰ আৰু অন্ধবিশ্বাসেৰে যুক্ত হৈ কানি খোৱা প্ৰথাটো অসমৰ সমাজ-জীৱনৰ কিমান গভীৰলৈ শিপাইছিল আৰু ই কেনেদৰে এটা আচাৰ-অনুষ্ঠানত পৰিণত হৈছিল, তাৰ সন্ধেদ দিয়ে উল্লিখিত সংলাপছোৱাই। সেইদৰে যুগল দাসৰ 'বায়নৰ খোল' নাটকত বুঢ়া ডাঙৰীয়াৰ উল্লিখন আৰু বৰ্ণন-চিত্ৰণ লোকধৰ্মেৰে স'তে প্ৰযুক্ত। সেইদৰে নাট্য সংলাপত অপকৰ্মৰ প্ৰায়শ্চিত্তৰ বাবে মহাপ্ৰভুৰ ওচৰত প্ৰাৰ্থনা জনোৱা কাৰ্যৰ চিত্ৰণো লোকধৰ্মৰে স'তে অন্বিত।

লোকসমাজে প্ৰাত্যহিক জীৱন-জীৱিকা নিৰ্বাহৰ প্ৰয়োজনত ব্যৱহাৰ কৰা বস্তুক ভৌতিক সংস্কৃতি বোলে। ভৌতিক সংস্কৃতি আৰু লোকজীৱন, একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। অসমৰ ভৌতিক সংস্কৃতিত লোকশিল্পই বিশিষ্ট স্থান অধিকাৰ কৰি আছে। অসমৰ লোকশিল্পৰ ভিতৰত মৃৎশিল্প, লো-সোণ, ৰূপ, কাঁহ, পিতল, তাম আদি খনিজাত ধাতুৰে নিৰ্মিত শিল্প, গজদন্ত শিল্প, বয়ন শিল্প আদিৰ স্থান মনকৰিবলগীয়া। ভৌতিক সংস্কৃতিৰ পৰিসীমাই স্থাপত্যকলা, চিত্ৰকলা, লোক-ৰন্ধন প্ৰণালী, বাদ্যযন্ত্ৰ আদিকো সামৰি লয়। অসমীয়া সাহিত্যত, প্ৰাক্-শংকৰী যুগৰ কবি মাধৱ কন্দলীৰ সময়ৰে পৰা কবি-সাহিত্যিক সকলে তেওঁলোকৰ ৰচনাৰাজিত প্ৰয়োজন অনুসৰি ভৌতিক সংস্কৃতিৰ বিবিধ উপাদানৰ উল্লিখন বৰ্ণনেৰে সমৃদ্ধ কৰি আহিছে।

আধুনিক অসমীয়া নাট্যকাৰসকলেও তেওঁলোকৰ দ্বাৰা ৰচিত পৌৰাণিক, ঐতিহাসিক, সামাজিক, কাল্পনিক আদি ভিন্ ভিন্ শ্ৰেণীৰ নাটকত পৰিবেশ, পৰিস্থিতি চিত্ৰণ, চৰিত্ৰাংকন, ঘটনা সংস্থাপন, নাটকীয় পটভূমি নিৰ্মাণ আদি নানান প্ৰসংগত অসমীয়া ভৌতিক সংস্কৃতিৰ অন্তৰ্ভুক্ত নানাবিধ শিল্পজাত সা-সামগ্ৰী, লোককলা, ৰন্ধন প্ৰণালী, বাদ্যযন্ত্ৰ, ঘৰ-দুৱাৰ নিৰ্মাণ প্ৰণালী আদিৰ সমাবেশ ঘটাইছে। এনে সমাবেশ খণ্ডিত হ'লেও সেইবোৰ নাট্যকাৰসকলৰ লোকায়ত জীৱনৰ প্ৰতি থকা গভীৰ আকৰ্ষণৰ পৰিচায়ক আৰু নান্দনিক বৈশিষ্ট্যৰে প্ৰোজ্জ্বল। আধুনিক অসমীয়া নাট্যকাৰ গুণাভিৰাম বৰুৱাৰ 'ৰাম নৱমী নাটক', হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন', বেজবৰুৱাৰ নাট্যাৱলী, গোহাঞি বৰুৱাৰ 'গাওঁবুঢ়া' আদি; জ্যোতিপ্ৰসাদৰ 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'লভিতা', 'খনিকৰ', 'ৰূপালীম' আদি আৰু যুদ্ধোত্তৰ কালৰ সামাজিক নাটকসমূহৰ সৰহভাগতে ভৌতিক সংস্কৃতিৰ বিবিধ উপাদানৰ চিত্ৰণ লক্ষ্য কৰিব পাৰি।

লোক-সংস্কৃতিৰ অন্যতম বিভাগ লোক-পৰিবেশ্য কলাৰ ক্ষেত্ৰত অসম সমৃদ্ধিশালী। কোনো এটা জাতিৰ সামূহিক মানসিকতা তথা জীৱনযাত্ৰা সম্পৰ্কে সম্যক আভাস পোৱা যায় সেই জাতিটোৰ মাজত প্ৰচলিত লোক পৰিবেশ্য কলাৰীতিৰ সংযোগত। লোকনৃত্য, লোকসংগীত আৰু লোকনাট্য-লোক পৰিবেশ্য কলাৰ অন্তৰ্ভুক্ত এই তিনিওটা উপাদানৰ ক্ষেত্ৰত অসমীয়া সংস্কৃতি বৈচিত্ৰ্যপূৰ্ণ। লোক পৰিবেশ্য কলাৰ অন্তৰ্ভুক্ত নৃত্য আৰু গীত এই দুয়োটাৰ সম্পৰ্ক অংগাংগী আৰু দুয়োটাৰ সমন্বয়ত লোকনাট্যৰ জন্ম। অসমীয়া লোক-পৰিবেশ্য কলাৰ অন্তৰ্ভুক্ত অনুষ্ঠানসমূহৰ ভিতৰত ওজাপালি নৃত্য, পুতলা নাচ, ঢুলীয়াৰ ভাও, ভাৰীগান, মহোহো নৃত্য, আপী ওজা, ভাওগান, ভাৰীগান, কুশান গান, দেৱদাসী নৃত্য, খুলীয়া ভাওৰীয়া, খেৰাই নৃত্য আদি উল্লেখযোগ্য।

বিংশ শতিকাৰ আশীৰ দশকমানৰ পৰা ভাৰতীয় আৰু লগতে অসমীয়া একাংশ নাট্যকাৰ নিজৰ নিজৰ জাতীয় ঐতিহ্যৰ প্ৰতি সচেতন হৈ পৰিল। এই সচেতনতাই তেওঁলোকক কৰি তুলিলে লোক-সংস্কৃতিমুখী আৰু এই লোক-সংস্কৃতিমুখিতাই তেওঁলোকক লোক-পৰিবেশ্য কলাৰীতিৰ প্ৰতি বিশেষভাৱে আকৰ্ষণ কৰালে। ফলস্বৰূপে তেওঁলোকে লোক-পৰিবেশ্য কলাৰ বিবিধ উপকৰণেৰে সৈতে আধুনিক নাট্য-নীতিৰ সংমিশ্ৰণ ঘটাই এক অভিনৱ নাট্যধাৰাৰ প্ৰৱৰ্তন কৰি অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত এটা নতুন অধ্যায়ৰ সংযোজন কৰিলে। অসমীয়া নাটকৰ এই নতুন ধাৰাত প্ৰধানকৈ ওজাপালি, পুতলানাচ, ঢুলীয়াৰ ভাও, দেওধনী নৃত্য, মহোহো নৃত্য আদি নানান লোকনাট্যৰ বাহিৰেও অংকীয়া নাট্য-নীতিৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। এই নব্য-ৰীতিৰে ৰচিত আধুনিক অসমীয়া নাটকসমূহৰ ভিতৰত সতীশ ভট্টাচাৰ্যৰ 'মহাৰাজা' (১৯৮১), যুগল দাসৰ 'বায়নৰ খোল' (১৯৮২), অখিল চক্ৰৱৰ্তীৰ 'উত্তৰ পুৰুষ' (১৯৮০), আনন্দ মোহন ভাগৱতীৰ 'জতুগৃহ'; মুনীন ভূঞাৰ 'হাতী



MOHAN LAL CHOUDHURY LIBRARY :
Library :

আৰু ফান্দী', আলি হায়দৰৰ 'ধুমুহা পখীৰ নীড়' আদি উল্লেখনীয়। সতীশ ভট্টচাৰ্যৰ 'মহাৰাজা'ত ওজাপালিৰ ৰীতি, নাট্য কাহিনীৰ উপস্থাপন, বিকাশ আৰু পৰিণতি ৰূপায়ণ কৰা হৈছে। নাটকখনত সাম্প্ৰতিক শাসন ব্যৱস্থাৰ স্বৰূপ হাস্য-ব্যংগৰ সহায়ত চিত্ৰিত হৈছে। যুগল দাসৰ 'বায়নৰ খোল', আলি হায়দৰৰ 'ধুমুহা পখীৰ নীড়', অখিল চক্ৰৱৰ্তীৰ 'উত্তৰপুৰুষ' নাটকত অংকীয়া নাটৰ ৰীতি, আধুনিক নাট্য-ৰীতিৰে সৈতে সুন্দৰ সমাবেশত লীন হৈ গৈছে। নক'লেও চলে যে সাম্প্ৰতিক ভাৰতীয় তথা অসমীয়া নাট্যধাৰাক দেশীয় ঐতিহ্যেৰে প্ৰাণৱন্ত কৰি তোলাত এই নব্য ৰীতিটোৱে প্ৰভূত পৰিমাণে সহায়তা কৰিছে। এইদৰে আধুনিক অসমীয়া নাটকৰ বিভিন্ন ঠাইত পৰম্পৰাগত বাচিক কলা, লোকাচাৰ, ভৌতিক সংস্কৃতি, লোক-পৰিবেশ্য কলা আদিৰ বিবিধ উপাদানৰ প্ৰয়োগলৈ লক্ষ্য কৰিলে অনুভৱ হয় যে নাট্যকাৰ সকলৰ সৃজনশীল মানসিকতা অসমীয়া লোক-সংস্কৃতিৰ সামগ্ৰিক ৰূপৰ স'তে দৃঢ়ভাবে যুক্ত। অসমীয়া লোক-সংস্কৃতিক আধুনিক সাহিত্যত আনুষ্ঠানিক মাৰ্যাদা দান কৰাত নাট্যকাৰসকলৰ বৰঙণিও স্মৰণীয় হৈ থাকিব। ◆

পাদটীকা ঃ

১। M. Leach ; The Standard Dictionary of Folk-lore (Vol-1), P.4032.
২। নবীন চন্দ্ৰ শৰ্মা ; অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ ঃ ৩৪
৩। Robert Redfield ; Peasant Society and Culture, P.40
৪। Alan Dundes ; The Stydy of Folk-lore, P-2
৫। নবীন চন্দ্ৰ শৰ্মা ; প্ৰাগুক্ত গ্ৰন্থ, পৃ ঃ ৩৫।
৬। R.M. Dorson (ed) ; Folk-lore and Folk-life, An Introduction, P-2

(লেখক নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক, বিশিষ্ট সাহিত্যিক)





MOHAN LAL CHOUDHURY LIBRARY :
Library :

# নিস্তব্ধতা এবিধ পানী

◆ নীলিম কুমাৰ



ক'ৰবালৈ যাম
ঠিক মনত পেলাব পৰা নাই
ক'লৈ যাম কিয় যাম !
যাম ক'ৰবালৈ
যামেই
যাবলৈ ওলাই আহিছো যেতিয়া
কান্ধত বেগ
বেগত পানীৰ বটল
বহি আছো ওৱেটিং ৰুমত

প্লেটফৰ্মত কোলাহল
ওৱেটিং ৰুমত নিস্তব্ধতা

বুকুৰ ভিতৰত কোলাহল
মুখত নিস্তব্ধতা
বেগৰ ভিতৰত কোলাহল
বেগ নিস্তব্ধ
পানীৰ বটলত ধূলি আৰু
হাই-উৰুমিৰ শব্দ
পানীত নিস্তব্ধতা

নিস্তব্ধতা এবিধ পানীৰ নাম
মই ঢোকাঢোকে কৰিলো পান

ট্ৰেইন গুচি গ'ল
প্লেটফৰ্মত নিস্তব্ধতা
বহি আছো ওৱেটিং ৰুমত
ওৱেটিং ৰুমত নিস্তব্ধতা
হাতত পানীৰ বটল

পানীত নিস্তব্ধতা
নিস্তব্ধতা আন একো নহয়
এবিধ পানী

প্লেটফৰ্মৰ দোকানত
মই নিস্তব্ধতা কিনিব পাৰো
মিনাৰেল ওৱাটাৰৰ বটলবোৰত
ঠাক ঠাক নিস্তব্ধতা



(নীলিম কুমাৰ অসমৰ এজনা প্ৰতিষ্ঠিত, জনপ্ৰিয় আধুনিক কবি)



MOHAN LAL CHOUDHURY LIBRARY :

# শাস্তি



মূল হিন্দী ঃ সুৰেশ কান্ত

অসমীয়া অনুবাদ ঃ ড° ভূষণ চন্দ্ৰ পাঠক

চমুকৈ ক'বলৈ হ'লে ঘটনাটো এনেধৰণৰ আছিল—

মোৰ ঘৰৰ সন্মুখত দুজন মানুহৰ মাজত এদিন কাজিয়া লাগিল। মানুহ দুজনৰ এজন আছিল শকত, আনজন আৰু' ক্ষীণ। শকতজনে ক্ষীণজনক খুব পিটিলে। দৃশ্যটো দেখি বৰবেয়া লাগিল। মোৰ দৰে বুদ্ধিজীৱী এজনৰ সন্মুখত বলীয়ে নিৰ্বলীৰ ওপৰত অত্যাচাৰ কৰিছে, তাকো মই অসহায় হৈ চাই আছোঁ। নাই, মই আৰু নোৱাৰিলো। চকুযুৰি মুদি দিলো।

কিছুসময় পিছত চকুমেলি দেখোঁ, সম্পূৰ্ণ ছবিখনেই সলনি হৈছে। যেন দুয়ো মহানুভৱে নিজৰ নিজৰ প'জিচন সলনি কৰি লৈছে। আক্ৰমণৰ ষ্টাইলো সলনি কৰিছে।

আৰু মোৰ চকুৰ আগতে নিৰ্বলীজনে বলীজনৰ বুকুত ছুৰী এখন সুমুৱাই দি তাৰ পৰা অন্তৰ্দ্ধান হ'ল। দৃশ্যটো দেখি মোৰ সেই 'বুদ্ধিৰ্যস্য বলং তস্য' নামৰ কাহিনীটোলৈ মনত পৰিল। সেই কাহিনীটোত এটা সামান্য শহাই এনেকৈয়ে সিংহ এটাক মাৰি পেলাইছিল।

ঘটনাটো ঘটি যোৱাৰ পিছত গোটেই মুহল্লাটোতেই নীৰৱতাই বিৰাজ কৰিলে। কাৰো ঘৰৰ দৰ্জা-খিৰিকী খোলা নাই। ভয়তে পেঁপুৱা লাগি সকলোৱে ঘৰৰ ভিতৰ সোমাল। সোমোৱাৰ কথাই। চকুৰ আগতে মাৰ্ডাৰ। মই চুবুৰীয়াৰ কেবাজনকো অনুৰোধ কৰিলো— 'ব'লক, থানালৈ যাওঁ। ৰিপোৰ্ট এটা কৰি থৈ আহোঁ।' নাই, কোনো নোলাল। শেষত গলত ওলমি থকা ঢোলটো মই নিজেই বজালো আৰু ওচৰতে থকা পি.চি.অ'. এটাৰ পৰা পুলিচক কেছটোৰ বিষয়ে অৱগত কৰালো।

মোৰ ঘৰৰ সন্মুখত পুলিচৰ জীপখন আহি ৰ'লহি। তাকে দেখি মোৰ বুকু ফুলিল। মই ভালকৈ উপলব্ধি কৰিলো যে কেৱল ব্যায়ামাদিৰেহে বুকু ফুলাব পৰা নাযায়, ঘৰৰ সন্মুখত গাড়ী-মটৰ ৰখায়ো বুকু ফুলাব পৰা যায়। গাড়ী-মটৰত উঠি যিয়েই মোৰ পদূলিলৈ আহে, সিয়েই মোৰ বাবে ভগৱান। মই ইন্সপেক্টৰ আৰু হাবিলদাৰক স-সন্মানে আদৰি আনিলো। যদি সেই মুহূৰ্তত চাইকেল চলাই মোৰ ঘৰলৈ দেউতাও আহিলহেঁতেন, তথাপিও তেওঁক মই পাত্তা নিদিলোহেঁতেন। গাড়ী-মটৰৰ সন্মুখত চাইকেলৰ কি অস্তিত্ব? আচলতে গাড়ীয়েই মানুহৰ মহানতা আৰু তুচ্ছতাৰ মাপকাঠি।

সৌ তাহানি শবৰীৰ ওচৰলৈ ৰামে গৈছিল। প্ৰভু ৰামৰ আগমনত তেওঁ অপাৰ আনন্দও লভিছিল। মোৰ বোধেৰে হয়তো তেওঁৰ তালৈ কোনো দিনে ইন্সপেক্টৰ কিম্বা হাবিলদাৰ যোৱাই নাছিল। নহ'লেতো ৰামৰ আগমনত সিমান আনন্দিত হোৱাৰ কোনো কাৰণ থাকিবই নোৱাৰে। কিন্তু মোৰ যে কি ভাগ্য! মোৰ পদূলিত পুলিচৰ জীপ। ৰামে যদি ভৱিষ্যতে মোৰ ঘৰলৈ আহে, তেন্তেতো মই ক'মেই ক'ম— 'ইস্ তুমি বৰ পলম কৰিলা। তোমাৰ আগমনে মোক সিমান আনন্দ দিব নোৱাৰিলে'।

'আৰে, তয়েই সুৰেশ কান্ত নেকি?'— ইন্সপেক্টৰে সুধিলে।

গদ্ গদ্ হৈ মই ক'লো— 'হয়, ময়েই।'

'তয়েই পুলিচক খবৰ দিছিলি?'— ইন্সপেক্টৰে আৰু' শব্দৰ গুলী চলালে।

মই ক'লো— 'এই কাৰণেই দিছিলো, কিয়নো ঘটনাটো মোৰ ঘৰৰ সন্মুখত হৈছে। অইন কোনোৱে নিদিয়া দেখি ময়েই কামটো কৰিলো।'

মোৰ উত্তৰ শুনি ইন্সপেক্টৰ চাহাবে থিয়ৈ থিয়ৈ ভাবিবলৈ ধৰিলে আৰু ভাবি ভাবি মানুহজন থিয় হৈয়েই ৰ'ল। তাৰ পিছত ক'লে—'তই ক'ব পাৰিবিনে হত্যাকাৰী আৰু মৃতক দুয়ো তোৰ ঘৰৰ সন্মুখতহে কিয় কাজিয়া কৰিলে?'

চকুৰে মই সৰিয়হৰ ফুল দেখা যেন পালো। কি ডেনজাৰাচ

মই ভালকৈ উপলব্ধি কৰিলো যে কেৱল ব্যায়ামাদিৰেহে বুকু ফুলাব পৰা নাযায়, ঘৰৰ সন্মুখত গাড়ী-মটৰ ৰখায়ো বুকু ফুলাব পৰা যায়। গাড়ী-মটৰত উঠি যিয়েই মোৰ পদূলিলৈ আহে, সিয়েই মোৰ বাবে ভগৱান।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

প্ৰশ্ন! সিঁহত দুয়ো মোৰ ঘৰৰ সন্মুখত কিয় কাজিয়া কৰিলে, মই কেনেকৈ জানিম! দুয়োৰে মাজৰ ছোৱালীৰ কেছো হ'ব পাৰে। ছোৱালীয়ে, তাকো সুন্দৰীয়ে কাকনো শান্তিত থাকিব দিয়ে? আন কাৰণতো কাজিয়াখন হ'ব পাৰে। এনেওতো হ'ব পাৰে বিনা কাৰণেই কাজিয়াখন লাগিল। কিছুমান মানুহৰ কাজিয়া কৰিবলৈয়েই মনটো লক্ লকাই থাকে। তেনে মহাপুৰুষে যিদিনাখন কাজিয়া কৰিবলৈ সুযোগ নাপায়, সিদিনা তেওঁৰ পেটৰ ভাত হজমেই নহয়। তেনে এজন মহাপুৰুষক মই ব্যক্তিগতভাবে জানো। আগতে তেওঁ বৰ শকত আছিল। অলপতে লগ পাওঁতে দেখিলো হাড়ে-ছালে লাগিছে। তাকে দেখি সুধিলো— 'তোমাৰ হৈছে কি? ক্ষীণাইছা দেখোঁ!'

'অজীৰ্ণ। হজম নহয়।'

মই সুধিলো— 'কিয়'?

তেওঁ ক'লে— 'বহুদিন ধৰি কাৰো লগত কাজিয়া কৰিবলৈ পোৱা নাই।'

মোৰ লগতে কাজিয়া কৰিব পাৰে বুলি ভাবি ভয়ে ভয়ে মই তাৰ পৰা আঁতৰি আহিলো।

ইন্সপেক্টৰে গৰজি উঠিল— 'তই এনে ঠাইত ঘৰ কিয় সাজিছ যে তোৰ ঘৰৰ সন্মুখতহে কাজিয়া লাগে?'

মই কিবা ক'ব নৌ পাওঁতেই তেওঁ আক' গৰজিলে— 'মোৰতো এনে লাগিছে, খুন তয়েই কৰিছ!'

ইন্সপেক্টৰৰ কথা শুনি মই দিনতেই আকাশত ত'ৰা দেখা পালো। হাত যোৰ কৰি ক'লো— 'নহয় ছাৰ, মই খুন কৰা নাই। মই নিৰপৰাধী।'

'নিৰপৰাধী নে কি ফাঁচী হ'লেহে গম পাবি বাপ্পেকে।'— ইন্সপেক্টৰে ক'লে।

ফাঁচীৰ কথা শুনি মই চকুৰে এন্ধাৰ দেখিলো।

তেতিয়া এন্ধাৰত জোনাকী পৰুৱাৰ দৰে পোহৰাবলৈ বুলি মোৰ কাণত হাবিলদাৰে ফুচ্‌ফুচাই ক'লে— 'কিবা দি দে, কামটো চেটেল হৈ যাব।'

হাবিলদাৰজনক মোৰ ঈশ্বৰ যেন লাগিল। প্ৰহ্লাদক হিৰণ্যকশিপুৰ পৰা বচাবলৈ যেনেদৰে ঈশ্বৰে নৰসিংহ অৱতাৰ লৈ আহিছিল, মোক ইন্সপেক্টৰৰ পৰা বচাবলৈ যেন হাবিলদাৰৰ অৱতাৰ লৈহে তেওঁ আহিল। মই হাবিলদাৰৰূপী ভগৱান কিম্বা ভগৱানৰূপী হাবিলদাৰক শত সহস্ৰবাৰ ধন্যবাদ দিলো। তাৰ পিছত ইন্সপেক্টৰক ক'লো— 'কিবা লৈ মেলি মামলাটো যদি ৰফা-দফা কৰিব পাৰে।'

কিন্তু ইন্সপেক্টৰৰ খংহে চৰিল। তেওঁ গৰ্জি উঠিল— 'ছাল্লা, বাপেৰক চিনা নাই, তই মোক ঘোঁচ দিবলৈ আহিছ?'

মই ভয় খালো। মোৰ অৱস্থা দ্ৰৌপদীৰ দৰে হ'ল। ইন্সপেক্টৰৰূপী দুৰ্যোধনেতো বস্ত্ৰ হৰণ কৰি মোক নাঙঠেই কৰি পেলালেহেঁতেন, যদিহে হাবিলদাৰ হোৱা ভগৱান কৃষ্ণই মোক বস্ত্ৰ দি নাথাকিলেহেঁতেন। বস্ত্ৰ আগবঢ়াই হাবিলদাৰে ক'লে— 'বাদ দিয়ক ছাৰ, দুখীয়া মানুহ, অবুজো। ভৱিষ্যতে এনে নকৰে দিয়ক। যি দিয়ে তাকে লওঁক।'

ইন্সপেক্টৰে ঠাণ্ডা সুৰত ক'লে— 'তুমি কৈছা যেতিয়া হ'ব দিয়া। নহ'লে .......।'

ইন্সপেক্টৰ আৰু হাবিলদাৰে তাৰ পিছত মোৰ কাষৰ ঘৰটোলৈ গ'ল।

ইন্সপেক্টৰে চুবুৰীয়াক সুধিলে— 'আবে, তই কেছটোৰ খবৰ আমাক নিদিলি কিয়?'

এজন আদৰ্শ নাগৰিকৰ দৰে তেওঁ ক'লে, 'ছাৰ, ঘটনাটো মোৰ ঘৰৰ সন্মুখত হোৱা নাই। সেয়ে, মই দিম কিয়?'

'তই এনে ঠাইত ঘৰ সজাইছ কিয়, যাৰ সন্মুখত কোনো সংঘৰ্ষই নহয়।'— ইন্সপেক্টৰে সুধিলে।

চুবুৰীয়াৰ মূৰৰ ঘূৰণি উঠিল। কি নাভূত-নাশ্ৰুত প্ৰশ্ন! উপায় নাপাই তেওঁ ক'লে— 'মই কি জানো যে সিহঁতে এওঁৰ ঘৰৰ সন্মুখত কাজিয়া কৰিব নে আন ক'ৰবাত।'

'কিন্তু সিহঁতে যেতিয়া কাজিয়া কৰি আছিল, তেতিয়া সিহঁতক তোৰ ঘৰৰ সন্মুখত কাজিয়া কৰিবলৈ নামাতিলি কিয়?— ইন্সপেক্টৰে তাতেই খুঁটি পুতিলে।

'কওঁনো কি'? কান্দোনৰ সুৰত তেওঁ ক'লে— 'ছাৰ, মোৰ ভাগ্যখনেই বেয়া।'

'ছাল্লা, ভাগ্যক ধিয়াইছ। মোৰতো এনে লাগে, খুন তয়েই কৰিছ।'— ইন্সপেক্টৰে গৰ্জি উঠি ক'লে— 'হাবিলদাৰ, ইয়াক হাত কেৰেয়া লগোৱা।'

আৰু সেই মানুহজনক হাতকেৰেয়া লগাই, গাড়ীত তুলি থানালৈ লৈ গ'ল। যোৱাৰ পৰত ইন্সপেক্টৰে মোক ক'লে— 'আপুনিও থানালৈ ব'লক। এজন ভদ্ৰ আৰু সু-নাগৰিক হোৱাৰ সুবাদতে আপুনি সাক্ষী দি পুলিচক এই দিশত সহায় কৰক।'

মই লক্ষ্য কৰিলো, ইন্সপেক্টৰে মোক 'আপুনি' বুলি মাতিছে। ঘোঁচে 'তই'ক 'আপুনি'লৈ যে উন্নীত কৰিব পাৰে, কথাষাৰ ভালকৈ বুজি উঠিলো। সঁচাকৈয়ে, ঘোঁচৰ যে কি অপাৰ মহিমা!'

কেছটোত সেয়েই হ'ল, যিটো হ'বলগীয়া আছিল। নিয়ম অনুসাৰে চুবুৰীয়াজনৰ ওপৰত মোকৰ্দ্দমা চলিল। খুন কৰাৰ অপৰাধত তেওঁক মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হ'ল। আশা কৰিছোঁ, ভগৱানে তেওঁৰ আত্মাক শান্তি নিদিয়ক যাতে এদিন নহয় এদিন তেওঁ ইন্সপেক্টৰক প্ৰতিশোধ ল'ব পাৰে। ◆

(লেখক কটন মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰবক্তা, সুলেখক।)



MOHAN LAL CHOUDHURY LIBRARY :

# বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসত সমাজ চিত্ৰ

◆ ড° বিনীতা বৰা দেৱ চৌধুৰী

অসমীয়া উপন্যাসক এক নতুন চিন্তাধাৰাৰে, নতুন পৰিবেশত, ন-সাজত ৰূপ দিয়াৰ ক্ষেত্ৰত বিৰিঞ্চি কুমাৰ বৰুৱাৰ নাম উল্লেখযোগ্য। দৈনন্দিন জীৱনৰ অতি সৰু সৰু আৰু তুচ্ছ ঘটনাক লৈয়ো যে কালজয়ী সাহিত্যৰ সৃষ্টি হ'ব পাৰে তাৰ অপূৰ্ব নিদৰ্শন বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস দুখন। বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰকাশিত আৰু আলোচ্য উপন্যাস দুখন- 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী'। প্ৰথমখনৰ পটভূমি অসমৰ গ্ৰাম্যাঞ্চল আৰু দ্বিতীয়খনৰ পটভূমি চাহ-বাগিছাৰ জীৱন।

বিৰিঞ্চি কুমাৰ বৰুৱা আছিল সমাজতত্বদৰ্শী ঔপন্যাসিক। তেওঁ নিজেই 'History of Assamese Literature' ত মন্তব্য কৰিছে যে, বৰ্ত্তমান সময়ৰ কাহিনীকাৰ সকলে সমাজৰ অৱহেলিত লোকসকলৰ প্ৰতি দৃষ্টিপাত কৰি অসামান্য সামাজিক তাৎপৰ্য্য মূল্যায়ণ কৰাৰ যি প্ৰচেষ্টা চলাইছে, 'জীৱনৰ বাটত' অসমৰ গ্ৰাম্য জীৱনৰ আধাৰত ৰচনা কৰা তেনে এখন উপন্যাস। 'জীৱনৰ বাটত' উপন্যাসত সমান্তৰালভাৱে চিত্ৰিত হৈছে দুখন সমাজ। এখন সততা, মানৱতা আদি গুণ আৰু আভিজাত্যৰে পূৰ্ণ পুৰণি সভ্যতা সমৃদ্ধ সমাজ আৰু আনখন বৃটিছ আমোলৰ শিক্ষা-দীক্ষাৰ ফলত গঢ় লৈ উঠা নতুন ধনী শ্ৰেণীটোৰ শিপাহীন সমাজ। উপন্যাসৰ কাহিনীভাগৰ মাজত দুয়োখন সমাজৰে প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। ইংৰাজ শাসনৰ সময়ছোৱাত কেনেকৈ প্ৰাচীন থলুৱা প্ৰমূল্যবোধৰ অৱলুপ্তি ঘটিছিল আৰু নতুন আভিজাত্যৰ নামত জীৱন কিদৰে কৃত্ৰিমতাসৰ্বস্ব হৈ পৰিছিল অথবা মধ্যবিত্ত শ্ৰেণীয়ে অভিজাত শ্ৰেণীলৈ উঠাৰ প্ৰয়াসত কিদৰে ফোপোলা অন্তঃসাৰশূন্য জীৱনক আঁকোৱালি লৈছিল, 'জীৱনৰ বাটত' সেই সমাজ জীৱনৰ সাৰ্থক প্ৰতিচ্ছবি।

'জীৱনৰ বাটত' উপন্যাসত সমান্তৰালভাৱে চিত্ৰিত হৈছে দুখন সমাজ। এখন সততা, মানৱতা আদি গুণ আৰু আভিজাত্যৰে পূৰ্ণ পুৰণি সভ্যতা সমৃদ্ধ সমাজ আৰু আনখন বৃটিছ আমোলৰ শিক্ষা-দীক্ষাৰ ফলত গঢ় লৈ উঠা নতুন ধনী শ্ৰেণীটোৰ শিপাহীন সমাজ। উপন্যাসৰ কাহিনীভাগৰ মাজত দুয়োখন সমাজৰে প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

'বিবাহ' অসমীয়া সমাজ জীৱনত অনাবিল আনন্দৰ উৎস এক ৰাজহুৱা উৎসৱ। উপন্যাসখনৰ আৰম্ভণিতে বিবাহ অনুষ্ঠানৰ ভাওনা আৰু আয়তীসকলৰ আচৰণত অসমীয়া গ্ৰাম্য সমাজত মনোৰঞ্জনৰ চিৰাচৰিত ছবিখনৰ প্ৰকাশ ঘটিছে। অসমীয়া সমাজজীৱন বিভিন্ন লোকবিশ্বাস আৰু সংস্কাৰেৰে পৰিপূৰ্ণ। 'জীৱনৰ বাটত' উপন্যাসতো সমাজজীৱনৰ লগত নিবিড়ভাৱে জড়িত বিশ্বাস আৰু সংস্কাৰৰ চিত্ৰ ঔপন্যাসিকে কাহিনীৰ বাস্তৱতাৰ খাতিৰত প্ৰকাশ কৰিছে। যুৰীয়াকৈ পাণত শলা মাৰিব নাপায় বুলি অসমীয়া সমাজত এটা বিশ্বাস প্ৰচলিত আছে। —"দেখিছা! দেখিছা! এইয়া চাৰিখনীয়াকৈ পাণত কোনে শলা মাৰিছে? এই নাতেশৰী কিজনী! যুৰীয়াকৈ হ'বলা পান দিয়ে?" গাঁৱলীয়া সৰল সমাজখনত পুথি-পাঁজিৰ প্ৰতি শ্ৰদ্ধা জড়িত বিশ্বাসে প্ৰত্যেকৰে অন্তৰত বিদ্যাশিক্ষাৰ প্ৰতি এক শ্ৰদ্ধা জড়িত ভাৱৰ উদ্ৰেক কৰি আহিছে। তাৰ প্ৰকাশ "কিতাপখন ল'ৰালৰিকৈ বুটলি মূৰত লগাই সেৱা কৰি মেজত থ'লে। তগৰৰ শ্ৰদ্ধাজড়িত সহজ বিশ্বাসলৈ লক্ষ্য কৰি কমলাকান্তই ক'লে—

'সেইখন দেখোন ইংৰাজী কিতাপ?'

'ইংৰাজী কিতাপত জানো সৰস্বতী নাথাকে?'

'ওঁহো।'



MOHAN LAL CHOUDHURY LIBRARY :
Library:

'ইস্ ; ইংৰাজী কিতাপ জানো শাস্ত্ৰ নহয় ?"

পৰিয়ালৰ বৰমূৰীয়া কাৰোবাৰ মৃত্যু হ'লে মৃতকৰ বছৰেকীয়া হৈ নাযায় মানে সেই ঘৰত বিয়া বাৰু আদি শুভ অনুষ্ঠান পাতিব নোৱাৰি বুলি অসমীয়া সমাজত বিশ্বাস প্ৰচলিত আছে "বাপুৰামৰ ছোৱালী বছৰেকলৈ বিয়া কৰাব নোৱাৰি।" অসমীয়া সমাজত প্ৰচলিত নানা লোকবিশ্বাসৰ কথা লেখকে কাহিনীৰ প্ৰাসঙ্গিকতাত সুন্দৰ ৰূপত প্ৰকাশ কৰিছে। তদুপৰি ভাৰতীয় আন সমাজত প্ৰচলিত হৈ থকাৰ দৰে জাত-কুলৰ সংস্কাৰেও অসমীয়া সমাজখনক ছানি থৈছে। বিশেষকৈ বৈবাহিক সম্বন্ধ স্থাপন কৰাৰ সময়ত এই সংস্কাৰক অধিক গুৰুত্ব দিয়া হয়। জাতি কুল মিলাই বিয়া নাপাতিলে সমাজৰ ওচৰত অপৰাধী হ'ব লগা হয় আৰু সমাজত আঁঠু লৈ দণ্ড দিলেহে সমাজে আঁকোৱালি লয়। এই সংস্কাৰৰ প্ৰকাশ ঘটিছে তগৰ আৰু ধৰণীৰ বিয়াৰ প্ৰসঙ্গত— "কেনেবাকৈ যদি জাতি-কুল মাৰি ছোৱালী আনিব লাগিল, তেনেহ'লে চিৰদিনলৈ কুলত কুখ্যাতি ৰ'ব, সমাজৰ পৰা এঘৰীয়া হ'ব লাগিব।"

পুৰণি অসমীয়া সমাজখনে অতি সহজে পৰক আপোন কৰি ল'ব পাৰিছিল। বিশেষকৈ গাঁৱৰ সমাজ আছিল এনে সৰল মৰম-চেনেহেৰে পূৰ্ণ। পুৰণি অসমীয়া অভিজাত গাঁৱলীয়া সমাজখনৰ চিত্ৰ অঙ্কন কৰোতে ঔপন্যাসিকে সেই সময়ৰ মানুহৰ সহৃদয়তা, সৰলতা, মৰম-চেনেহেৰে পৰিপূৰ্ণ হৃদয়খনৰ ছবি চিত্ৰিত কৰিছে মৌজাদাৰৰ ঘৰৰ বৰ্ণনা প্ৰসঙ্গত— "মৌজাদাৰৰ ঘৰত, আত্মীয়তাৰ মৰম-চেনেহৰ মাজত কমলাকান্তই দিনকেইটা বঢ়িয়াকৈ উপভোগ কৰিছিল। চাৰিওফালে ককাইদেউ, মোমাইদেউ আদি চিৰপৰিচিত মধুৰ সম্বোধন শুনি আনন্দ আৰু কৃতজ্ঞতাত কমলাকান্তৰ অন্তৰ উপচি পৰিছিল। এইখনেই আমাৰ চিৰচেনেহী দুখীয়া অসমদেশ য'ত ঘৰে ঘৰে আই-বাই, ভাই-ভনীৰ অকৃত্ৰিম চেনেহ।"

মৌজাদাৰৰ জীয়েকৰ বিবাহ উৎসৱৰ বৰ্ণনাও অসমীয়া সমাজখনত ৰীতি-নীতি, বিশ্বাস, আন্তৰিকতা, মৰম-স্নেহ, দৰা-ঘৰীয়া ভেম, পুৰোহিতৰ খকা-খুন্দা, উৎসৱ পাৰ্বনত সততে লগ পোৱা মাধৱৰ আইতাকৰ দৰে সহৃদয় চৰিত্ৰ আদি সকলো পৰিচিত ছবি ঔপন্যাসিকে চিত্ৰিত কৰিছে। অসমীয়া সমাজখনক সম্পূৰ্ণভাৱে প্ৰভাৱান্বিত কৰি ৰখা তন্ত্ৰ-মন্ত্ৰ, বেজালি আদিৰ কথাও ঔপন্যাসিকে উল্লেখ কৰিবলৈ পাহৰা নাই দুয়োখন উপন্যাসতে। অসমৰ উজনি অঞ্চল আৰু নামনি অঞ্চলৰ মাজত চলি থকা আৱেগিক দ্বন্দ্বৰ প্ৰকাশো ঔপন্যাসিকে কৰিছে। সাধাৰণ কথাতে উজনিৰ মানুহে নামনিৰ মানুহক, নামনিৰ মানুহে উজনিৰ মানুহক, নীতি-নিয়মক তুচ্ছ-তাচ্ছিল্য কৰাটো সাধাৰণ স্বভাৱ- "পাৰোতেনো জানো কয় ছিয়া বৰষুণ, লি লিয়া জোক, কথা এৰি কথা দিয়া উজনীয়া লোক"। আকৌ, "বউটিয়ে তেনেই উজনীয়া নিয়মবোৰত খামোচ মাৰি ধৰি আছা।"

অসমীয়া জাতীয় জীৱনৰ লগত গীত-পদৰ নিবিড় সম্বন্ধ। লোক-জীৱনৰ বিভিন্ন দিশৰ পৰিচয় ফুটি উঠে উৎসৱ-পাৰ্বন আদিত ব্যৱহাৰ হোৱা গীত-পদৰ মাজেৰে। অসমীয়া জনজীৱনৰ সুখৰ-দুখৰ সকলো অনুষ্ঠানতে গীত-পদৰ প্ৰয়োগ মন কৰিবলগীয়া। 'জীৱনৰ বাটত' উপন্যাসত অসমীয়া সমাজ জীৱনৰ কথা ক'বলৈ যাওঁতে ঔপন্যাসিকে আৰম্ভণিতে লোক-গীতৰ প্ৰতীকী ব্যঞ্জনাৰ জৰিয়তে বিষয় সম্পৰ্কে স্পষ্ট ইংগিত দিছে। বৈষ্ণৱ কাব্য, বৰগীত, কীৰ্ত্তন ঘোষাৰ পৰা উদ্ধৃতি চয়ন কৰাৰ উপৰিও এটা সংস্কৃত স্তৱ আৰু দুঠাইত দুটা ৰবীন্দ্ৰসংগীত ব্যৱহাৰ কৰিছে। প্ৰধান থলুৱা সংস্কৃতি-সভ্যতাৰ প্ৰমূল্য নিৰূপণৰ বাবে এফালে তগৰৰ যোগেদি ঔপন্যাসিকে যেনেকৈ লোক-গীত, ফকৰা-যোজনা, বৈষ্ণৱ গীত-পদৰ আশ্ৰয় লৈছে, আনফালে তেনেকৈ নতুন সভ্যতাৰ প্ৰতিনিধি সকলৰ ক্ষেত্ৰত ৰবীন্দ্ৰসংগীত ব্যৱহাৰ কৰিছে। 'সেউজী পাতৰ কাহিনী'তো চাহ-বাগিছাৰ পটভূমিৰ লগত সংগতি ৰাখি চাহ-বনুৱাৰ মাজত প্ৰচলিত গীতসমূহৰ প্ৰয়োগে কাহিনীক অধিক বাস্তৱধৰ্মী ৰূপ প্ৰদান কৰিছে। চাহ জনজাতিৰ মাজত প্ৰচলিত মুঠ এঘাৰটি গীত ভিন্ ভিন্ ঠাইত ঔপন্যাসিকে প্ৰয়োগ কৰিছে। ঔপন্যাসিকে উপন্যাসখনত অঙ্কন কৰা গাঁৱলীয়া সমাজখনৰ পটভূমিতো গীতৰ ব্যৱহাৰ কৰিছে। বৈৰাগী মালতীৰ প্ৰেমকাহিনীৰ মাজত মহাপুৰুষ শঙ্কৰদেৱৰ 'এ ভৱ গহন বন' বৰগীতটোৰ ব্যৱহাৰৰ জৰিয়তে শ্লেষৰ সৃষ্টি কৰিছে।

অসমীয়া সমাজজীৱনৰ লগত তাঁতশালৰ অঙ্গাঙ্গী সম্বন্ধ। অসমীয়া জীয়ৰী-বোৱাৰীয়ে তাঁতশালতে জীৱনৰ সপোন ৰচে। অসহায় অৱস্থাত পৰা অসমীয়া তিৰোতাৰ বাবে তাঁতশালখনেই হৈ পৰে উপাৰ্জনৰ থলী, জীয়াই থকাৰ অৱলম্বন। অসমীয়া সমাজজীৱনত তাঁতশালৰ ভূমিকা তথা গুৰুত্বৰ কথা ক'বলৈকো ঔপন্যাসিকে পাহৰা নাই।

বিবাহিত জীৱনে নাৰীক অনাদি অনন্ত এক চক্ৰৰ মাজত বান্ধি পেলায়। এই অনাদি অনন্ত চক্ৰৰ মাজত ঘানিত ঘূৰা বলদৰ দৰে নাৰী ঘূৰি থাকে। এই চক্ৰই সমাজত সৃষ্টি কৰে নাদুকী, জেতুকীহঁতৰ দৰে চৰিত্ৰ, যিবোৰ চৰিত্ৰৰ বাবে গাঁৱৰ পানী অনা ঘাট, ঢেঁকীশাল ইত্যাদি হৈ পৰে জীয়ৰী বোৱাৰীৰ কুৎসা ৰচনাৰ থলী। এই চৰিত্ৰবোৰ আনৰ মাজত কাজিয়া লগাই ভাল পোৱা, আনৰ বিষয়ে পানীঘাটত, ঢেঁকীশালত বদনাম গোৱা এক শ্ৰেণীৰ লোকৰ প্ৰতিনিধি, যি শ্ৰেণী লোকসমাজত আজিও বিদ্যমান। 'জীৱনৰ



MOHAN LAL CHOUDHURY LIBRARY :
Library :

বাটত' আৰু 'সেউজী পাতৰ কাহিনী' দুয়োখনতে এই শ্ৰেণীৰ চৰিত্ৰ সৃষ্টিৰ জৰিয়তে ঔপন্যাসিকে অসমীয়া গাঁৱলীয়া সমাজখনৰ এটা অন্ধকাৰ দিশৰ চিত্ৰ অঙ্কন কৰিছে।

নাদুকীৰ মন্তব্য, "গাৰ লেঠাৰ কথা সুধিছানে? এটা বোলে খহাই আহিছেই। তাতেহে আকৌ খৰখেদাকৈ ছোৱালী উলিয়াই দিবলৈ বাপেকৰ তত্ হেৰাল।"

"কোনফালৰ পৰা আহিলা? নৰেনৰ সেইজনীৰ তালৈ গৈছিলা নেকি? কিহৰ জগৰত যাম হে? তাই বোলে গিৰিয়েকৰ আগতে ঠেঙত ঠেং তুলি কিতাপ পঢ়ে।"

'জীৱনৰ বাটত' উপন্যাসত বৰ্ণিত কাহিনীৰ সময়ছোৱাত নাৰীৰ প্ৰতি সমাজে এক পক্ষপাতমূলক দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল। পুৰুষে তেওঁলোকৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া বিচৰণৰ ক্ষেত্ৰখনৰ পৰা এখোজমানো আঁতৰ হ'লেই তেওঁলোকৰ কুৎসা ৰটনা আৰম্ভ হৈ যায়। 'সেউজী পাতৰ কাহিনী'তো নাৰীসমাজৰ প্ৰতি এনে দৃষ্টিভঙ্গীৰ প্ৰকাশ দেখা যায়। তথাপি ব্যতিক্ৰমধৰ্মিতাৰে ইয়াত নাৰীসমাজৰ তিনিখন ছবি অঙ্কন কৰা হৈছে। প্ৰথমখনত গাঁৱলীয়া কৰ্মক্লান্ত, পৰশ্ৰীকাতৰ, ঈৰ্ষাপৰায়ণা চিৰাচৰিত নাৰীসমাজ, দ্বিতীয়খনত কৰ্মক্লান্ত, শ্ৰমজীৱী সহজ আনন্দেৰে পৰিপূৰ্ণ সৰল, বনুৱা নাৰীসমাজ আৰু তৃতীয়খনত শ্ৰমবিমুখ, ছিন্নমূল, তথাকথিত সম্ভ্ৰান্ত নাৰীসমাজৰ চিত্ৰ ফুটি উঠিছে।

> 'জীৱনৰ বাটত' উপন্যাসত বৰ্ণিত কাহিনীৰ সময়ছোৱাত নাৰীৰ প্ৰতি সমাজে এক পক্ষপাতমূলক দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল। পুৰুষে তেওঁলোকৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া বিচৰণৰ ক্ষেত্ৰখনৰ পৰা এখোজমানো আঁতৰ হ'লেই তেওঁলোকৰ কুৎসা ৰটনা আৰম্ভ হৈ যায়।

'জীৱনৰ বাটত' উপন্যাসত গ্ৰাম্য সমাজৰ সমান্তৰালকৈ পশ্চিমীয়া আদৰ্শত মোহগ্ৰস্ত নব্য সমাজখন আৰু সেইসময়ত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো বিয়পি পৰা স্বৰাজ আন্দোলনৰ ছবিখনো প্ৰতিফলিত হৈছে। জড়াগ্ৰস্ত গ্ৰামীণ অৰ্থনীতিৰ লগতে সাতামপুৰুষীয়া সাংস্কৃতিৰ ঐতিহ্যৰ অৱক্ষয়ৰ ছবিও ঔপন্যাসিকে চিত্ৰিত কৰিছে। গঞা ৰাইজক টকা ধাৰলৈ দি কৰা মহাজনৰ শোষণ, সুবিধাবাদীৰ দালালীৰ লগতে সমাজৰ নৈতিক চৰিত্ৰৰ অৱক্ষয়ৰ চিত্ৰও ঔপন্যাসিকে অঙ্কন কৰিছে। সোণাৰাম মণ্ডলে একে গাঁৱৰে বিধবা বোৱাৰীক দৰিদ্ৰতাৰ সুযোগ লৈ ফুচুলাই নি পতিতা কৰিছে, গোঁসাই হৈয়ো নাৰায়ণ গোস্বামীয়ে কানিৰ মহল চলাইছে। গাঁৱলীয়া জীৱনৰ শঠতা, প্ৰৱঞ্চনা, বিশ্বাসঘাতকতা, সুবিধাবাদিতা, যৌনবাসনা, স্বাৰ্থপৰতা আদিৰ নিদৰ্শন দাঙি ধৰা ঘটনাৱলীৰ মাজেদি গ্ৰামীণ সমাজৰ সভ্যতাৰ অৱক্ষয়ৰ ছবিখনকে ঔপন্যাসিকে চিত্ৰিত কৰিছে।

'জীৱনৰ বাটত' উপন্যাসখনক গভীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনবীক্ষাৰে সমৃদ্ধ এখন অসাধাৰণ উপন্যাস হিচাপে আখ্যা দিব পাৰি। ইংৰাজ শাসনৰ কবলত কেনেকৈ আমাৰ থলুৱা প্ৰমূল্যবাজিৰ অৱলুপ্তি ঘটিছিল, নতুন আভিজাত্যৰ নামত জীৱন কেনেকৈ কৃত্ৰিমতা সৰ্বস্ব হৈ পৰিছিল, অথবা অভিজাত শ্ৰেণীলৈ উঠাৰ ব্যৰ্থ প্ৰচেষ্টাত জীৱনৰ কি দুৰ্গতি হৈছিল আৰু অৱশেষত তেনে কষ্টোপাৰ্জিত সভ্যতাৰ ফোপোলা আৰু অন্তঃসাৰশূন্য স্বৰূপ কিদৰে প্ৰকাশ পাই উঠিছিল, 'জীৱনৰ বাটত' উপন্যাসত সেই সমাজ জীৱনৰ সাৰ্থক প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। এটা শতাব্দীৰ ইতিহাস হিচাপে 'জীৱনৰ বাটত' উপন্যাসত সমকালীন সমাজ জীৱনৰ বাস্তৱ ছবিখন হুবহু ৰূপত চিত্ৰিত হৈছে। অসমীয়া সমাজৰ আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা, বিশ্বাস আদি অন্তৰ্নিহিত হৈ থকা জীৱনৰ সনাতন সত্যৰ লগতে সমাজখনৰ ইতিহাস বহন কৰি থকা খকা-খুন্দা, ৰোৱা-তোলা, ৰন্ধা-বঢ়া আদি গ্ৰাম্য সমাজৰ দৈনন্দিন কাৰ্য্যবোৰৰ মাজেদি সমাজৰ সামগ্ৰিক ছবি এখন উপন্যাসখনত প্ৰতিফলিত হৈছে।

চাহ-বনুৱাৰ সমাজ জীৱনৰ পটভূমিত ৰচিত 'সেউজী পাতৰ কাহিনী'ক ঔপন্যাসিকৰ অননুকৰণীয় চিত্তাকৰ্ষক বৰ্ণনাভঙ্গী, বৰ্ণাঢ্য চৰিত্ৰ সৃষ্টি আৰু নিপীড়িত চাহ-বনুৱা সমাজখনৰ মনোৰম প্ৰকাশে স্বকীয় বৈশিষ্ট্য আৰু বৈচিত্ৰ্য প্ৰদান কৰিছে। আহোম যুগৰ পৰৱৰ্তী কালত পুৰণি গাঁৱলীয়া সমাজখনত মানবীয় মূল্যবোধৰ গৰাখহনীয়া আৰম্ভ হৈছিল। পৰশ্ৰীকাতৰতা, অসূয়া-অপ্ৰীতি, সন্দেহ-কপটালি আদিৰে মলিন আৰু ভাৰাক্ৰান্ত গাঁৱলীয়া সমাজখনৰ চিত্ৰ ঔপন্যাসিকে নিখুঁতভাৱে চিত্ৰিত কৰিছে। বাণিজ্যিক সভ্যতাই জন্ম দিয়া আত্মস্বাৰ্থ পূৰণৰ বাহিৰে আন একো চিনি নোপোৱা তোষামোদকাৰী শ্ৰেণীটোৰ



MOHAN LAL CHOUDHURY LIBRARY :
Library:

প্ৰতিচ্ছবিও লেখকে দাঙি ধৰিছে দোকানত মিলাৰ চাহাবৰ মেমৰ প্ৰতি কৰ্মচাৰীসকলে কৰা ব্যৱহাৰৰ মাজেদি— "দেখিছে, দেখিছে, মেকুৰীজনীয়ে মিলাৰ চাহাবৰ মেমক কেনেকৈ চিনি পাইছে। তেওঁ আহিলেই মেকুৰীজনীক মৰম কৰে, তায়ো কেনেবাকে তেওঁ অহা গম পাই য'তে নাথাকক মেওঁ-মেওঁ কৈ ওলায়হি"।

চাহ বনুৱাৰ সমাজ জীৱন নানা শোষণ-বঞ্চনা, অন্যায়-উৎপীড়ন, দুখ-যন্ত্ৰণাৰ এক অলিখিত ইতিহাস। অথচ সেই সমাজখনতে লুকাই থাকে সঁচা মানুহৰ কৰ্মক্লান্ত শ্ৰমিকৰ প্ৰাত্যহিক জীৱনৰ আনন্দ-বেদনা, সুখ-সম্ভোগৰ চিৰনতুন সেউজ ছবি চাহ-বাগিছাৰ বৰ্ণাঢ্য জীৱনযাত্ৰা আৰু সমাজৰ স্পষ্ট ৰেখাঙ্কন উপন্যাসখনত অংকিত হৈছে। চাহ-বাগিছাৰ সেউজীয়া প্ৰকৃতি, চাহ-বনুৱাৰ জীৱনধাৰা প্ৰেম-হিংসা, যৌনজীৱন, কামনা-বাসনা, ধৰ্মীয় বিশ্বাস, সংস্কাৰৰ লগতে বাগিছাৰ মালিক ইংৰাজ চাহাবৰ বনুৱাৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰ, দৈহিক আৰু অৰ্থনৈতিক শোষণৰ সমান্তৰালভাবে অসমীয়া গাঁৱলীয়া সমাজখনৰ অৱক্ষয়িত মূল্যবোধ, কপটতা, ভণ্ডামি, সংকীৰ্ণতা আদিৰ চিত্ৰও ঔপন্যাসিকে দক্ষতাৰে অংকন কৰিছে। সমাজ আৰু সভ্যতাৰ সংকটত পৰি বিপৰ্য্যস্ত হোৱা সুস্থ জীৱন আদৰ্শৰ মৰ্ম উপলব্ধি কৰি ঔপন্যাসিকে সন্ধান কৰিছে প্ৰকৃত মানৱতাৰ। তাকে কৰিবলৈ যাওঁতে লেখকে চৰিত্ৰবোৰৰ গভীৰত প্ৰৱেশ কৰাৰ লগতে চৰিত্ৰবোৰ যিকেইখন সমাজৰ পটভূমিত উদ্ভূত সেইকেইখন সমাজৰ প্ৰতিচ্ছবিও নিখুঁতভাবে অঙ্কন কৰিছে। ◆

(লেখিকা বজালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা প্ৰবক্তা, সুলেখিকা।)





MOHAN LAL CHOUDHURY LIBRARY :




MOHAN LAL CHOUDHURY LIBRARY :
Library:

# প্ৰেমচন্দৰ জীৱন আৰু প্ৰতিভা

◆ পূৰ্ণ বাহাদুৰ ছেত্ৰী
মুৰব্বী অধ্যাপক, হিন্দী বিভাগ

হিন্দী সাহিত্য জগতৰ উজ্বল নক্ষত্ৰবোৰৰ ভিতৰত অন্যতম মুন্সী প্ৰেমচন্দ। তেওঁক হিন্দী সাহিত্যৰ 'উপন্যাস সম্ৰাট' বুলি কোৱা হয়। এখন জাগ্ৰত ৰাষ্ট্ৰৰ সাহিত্যিকৰ সিৰাত যি তেজ প্ৰৱাহিত হয়, প্ৰেমচন্দৰ সিৰাতো সেই তেজ প্ৰবাহিত হৈছিল। সেয়ে তেওঁ উপন্যাস আৰু গল্প সাহিত্যৰ দ্বাৰা দেশৰ জনসাধাৰণক শোষণ, অন্যায়-অত্যাচাৰ আৰু ধৰ্মীয় অন্ধ-বিশ্বাসৰ বিৰুদ্ধে জাগ্ৰত কৰাৰ বাবে যথাসাধ্য চেষ্টা কৰিছিল।

> হিন্দী সাহিত্য জগতৰ উজ্বল নক্ষত্ৰবোৰৰ ভিতৰত অন্যতম মুন্সী প্ৰেমচন্দ। তেওঁক হিন্দী সাহিত্যৰ 'উপন্যাস সম্ৰাট' বুলি কোৱা হয়। এখন জাগ্ৰত ৰাষ্ট্ৰৰ সাহিত্যিকৰ সিৰাত যি তেজ প্ৰৱাহিত হয়, প্ৰেমচন্দৰ সিৰাতো সেই তেজ প্ৰবাহিত হৈছিল। সেয়ে তেওঁ উপন্যাস আৰু গল্প সাহিত্যৰ দ্বাৰা দেশৰ জনসাধাৰণক শোষণ, অন্যায়-অত্যাচাৰ আৰু ধৰ্মীয় অন্ধ-বিশ্বাসৰ বিৰুদ্ধে জাগ্ৰত কৰাৰ বাবে যথাসাধ্য চেষ্টা কৰিছিল।

জীৱনী ঃ-মুন্সী প্ৰেমচন্দৰ জন্ম কাশী চহৰৰ ওচৰত লমহী নামৰ গাঁৱত ১৮৮০ চনৰ ৩১ জুলাই তাৰিখে হৈছিল। তেওঁৰ দেউতাকৰ নাম আছিল অজায়ব ৰায় আৰু মাকৰ নাম আছিল আনন্দী দেবী। অজায়বৰায় এটি অতি সাধাৰণ কায়স্থ পৰিয়ালৰ লোক আছিল। প্ৰেমচন্দৰ আচল নাম আছিল 'ধনপত ৰায়'। কেৱল আঠ বছৰ বয়সতেই তেওঁৰ মাকৰ মৃত্যু হোৱাত তেওঁ মাহীমাকৰ অত্যাচাৰ সহ্য কৰিব লগীয়া হৈছিল। মাত্ৰ এঘাৰ বছৰ বয়সতেই প্ৰেমচন্দৰ বাল্য বিবাহ হৈছিল। কিন্তু তেওঁৰ পাৰিবাৰিক জীৱন সুখৰ নোহোৱাৰ বাবে কিছুবছৰ পিছতেই তেওঁ পত্নীক ত্যাগ কৰে। পিছত তেওঁ শিৱৰাণী দেৱী নামৰ এজনী শান্ত-শিষ্ট বিধৱা মহিলাক বিয়া কৰায়। তেতিয়াৰ পৰাই তেখেতৰ জীৱনৰ নতুন অধ্যায় আৰম্ভ হয়।

সৰু কালত প্ৰেমচন্দে এজন মৌলবী চাহাবৰ ঘৰতেই উৰ্দ্দু ভাষাত শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ এজন মেধাৱী আৰু প্ৰতিভাৱান ছাত্ৰ আছিল। কিন্তু তেওঁৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া হোৱাৰ বাবে পিছলৈ নিজে টিউচন কৰি সাধাৰণ ভাবে জীৱন অতিবাহিত কৰিছিল। কোনোমতে 'এন্ট্ৰেঞ্চ' পৰীক্ষা পাছ কৰাৰ পিছত এফ. এ. পৰীক্ষাত ফেল কৰাত তেখেতৰ কলেজীয়া জীৱনৰ সামৰণি পৰে। ইয়াৰ পিছত কিতাপ বিক্ৰী কৰি কোনোমতে নিজৰ খৰচ উলিয়াই চলি থকাৰ সময়তে এজন দয়ালু অধ্যক্ষই তেখেতক প্ৰতিমাহে ওঠৰ টকা বেতনত শিক্ষকৰ চাকৰি দিয়ে। এই সময়তে তেখেতে হিন্দী আৰু উৰ্দ্দু ভাষাত যথেষ্ট জ্ঞান লাভ কৰে। ইতিমধ্যে তেখেতে প্ৰশিক্ষণ গ্ৰহণ কৰি 'ইন্সপেক্টৰ'ৰ চৰকাৰী চাকৰিত নিযুক্ত হয়। প্ৰেমচন্দে প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে পৰীক্ষা দি এফ. এ. আৰু বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২১ চনত মহাত্মা গান্ধীৰ দ্বাৰা আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত হৈ তেখেতে চৰকাৰী চাকৰি এৰি দি স্বাধীন ভাবে সাহিত্য সেৱাত মনোযোগ দিয়ে। কিছু দিনৰ বাবে



MOHAN LAL CHOUDHURY LIBRARY :
Library :

তেখেতে কানপুৰৰ মাৰোৱাৰী স্কুলত শিক্ষকতা কৰিছিল যদিও তেওঁ শিক্ষকতা এৰি দি লক্ষ্ণৌলৈ আহে আৰু "মাধুৰী" নামৰ আলোচনীৰ সম্পাদক ৰূপে কাম কৰে। মহাত্মা গান্ধীৰ ভক্ত প্ৰেমচন্দে নিজাববীয়াকৈ 'জাগৰণ' আৰু 'হংস' নামেৰে দুখন আলোচনী প্ৰকাশ কৰিছিল। তেখেতৰ এটা নিজা 'প্ৰেছ' আছিল য'ত তেওঁ দিনে নিশাই কাম কৰিছিল। কিন্তু ব্যৱসায় ভিত্তিক ধাৰণা মুঠেই নথকাৰ বাবেই তেখেতে সফল হ'ব নোৱাৰিলে। সেইবাবে 'প্ৰেছ' আৰু আলোচনীৰ পৰা তেওঁৰ সদায় লোকচান হ'বলৈ ধৰে। তেওঁৰ আৰ্থিক স্থিতি ইমানেই বেয়া হয় যে নিজৰ পত্নীৰ আ-অলংকাৰ আৰু ঘৰৰ কিছুমান সামগ্ৰীও বিক্ৰী কৰিবলৈ বাধ্য হয়। ইয়াৰ পিছত প্ৰেমচন্দে মুম্বাইলৈ গৈ 'অজন্তা' আৰু 'চিনেটিন' নামৰ চিনেমা কোম্পানীত কাম কৰিছিল। যদিও তাত তেওঁ বছৰি আঠ হেজাৰ টকা পাইছিল তথাপিও তেওঁ কেৱল মাত্ৰ তিনিখন ছবিত কাম কৰাৰ পিছতেই চিনেমা জগত এৰি দি ঘৰলৈ ঘূৰি আহে। মুম্বাইৰ পৰা ঘূৰি অহাৰ পিছতে পুনৰ সাহিত্য সেৱাত ব্ৰতী হয়। কিন্তু দুৰ্ভাগ্যই তেখেতৰ লগ নেৰিলে। ১৯৩৬ চনৰ জুন মাহত প্ৰেমচন্দৰ পেটিত হঠাৎ বিষ আৰম্ভ হয় আৰু তেজ বমি কৰিবলৈ ধৰে। লাহে-লাহে তেওঁ দুৰ্বল হৈ পৰে। চিকিৎসকে তেওঁক লিখা-পঢ়া বন্ধ কৰিবলৈ কৈছিল যদিও ৰাতি ঘৰৰ সকলো শুই পৰাৰ পিছত তেখেতে মনে মনে উঠি লিখিবলৈ বহিছিল। পত্নীয়ে যেতিয়া তেওঁক লিখা-পঢ়া নকৰিবলৈ কৈছিল তেতিয়া তেওঁ পত্নীক কৈছিল- "মই কলমৰ শ্ৰমিক, কাম নকৰিলে খাম কি?" নিজৰ অসুস্থ শৰীৰলৈ পিঠি দি কাম কৰি-কৰি শেষত ১৯৩৬ চনৰ ৮ অক্টোবৰ তাৰিখে তেখেতে শেষ নিশ্বাস ত্যাগ কৰে।

**প্ৰেমচন্দৰ ৰচনাৱলী ঃ-** প্ৰেমচন্দ এজন উচ্চস্তৰৰ ঔপন্যাসিক আৰু গল্পকাৰ আছিল। গাঁৱলীয়া আৰু নগৰীয়া দুয়ো প্ৰকাৰৰ জীৱনৰ ব্যাপক অভিজ্ঞতা তেখেতৰ আছিল। গাঁৱলীয়া আৰু নগৰীয়া জীৱনৰ বাস্তৱ চিত্ৰ তেখেতৰ সাহিত্যত ফুটি উঠিছিল। প্ৰথমতে তেওঁ ধনপত ৰায় নামেৰে উৰ্দু ভাষাত লিখিছিল। উৰ্দু ভাষাত তেখেতৰ এঘাৰখন গল্প সংগ্ৰহ পোৱা যায়। উৰ্দু ভাষাতেই তেওঁৰ সাতখন উপন্যাস প্ৰকাশিত হৈছিল। ১৯১১-১২ চনৰ পৰা তেওঁ 'প্ৰেমচন্দ' নামেৰে হিন্দী ভাষাত লিখিবলৈ আৰম্ভ কৰে। তেওঁৰ ৰচনাৱলী সমূহ হ'ল—

১। উপন্যাস ঃ- 'সেৱা-সদন', 'কৰ্মভূমি', 'ৰংগভূমি', 'কায়াকল্প', 'নিৰ্মলা', 'গবন', প্ৰতিজ্ঞা', 'গোদান', 'বৰদান', 'প্ৰেমাশ্ৰম' আৰু 'মংগলসূত্ৰ (অপূৰ্ণ')

২। গল্প সংগ্ৰহ ঃ-'সপ্ত-সৰোজ', 'অগ্নি-সমাধি', 'নৱনিধি', 'প্ৰেৰণা', 'প্ৰেম পচীশী', 'প্ৰেম পূৰ্ণিমা', 'প্ৰেম-প্ৰসুন', 'প্ৰেম তীৰ্থ', 'প্ৰেম প্ৰমোদ', 'প্ৰেম-দ্বাদশী', 'প্ৰেম চতুৰ্থী', 'পাঁচ ফুল', 'কথন', 'মানস সৰোৱৰ' আৰু 'প্ৰেম-প্ৰতিজ্ঞা'।

৩। নাটক ঃ-'কাৰ্বালা', 'প্ৰেম কী বেদী', 'সংগ্ৰাম' আৰু 'ৰুঠী ৰাণী।'

৪। প্ৰবন্ধ ঃ- 'কুছ বিচাৰ' আৰু 'প্ৰবন্ধ সংগ্ৰহ'।

৫। জীৱনী ঃ-'কচক', 'ত্যাগ অউৰ তৰোৱাল', 'দুৰ্গাদাস' আৰু 'মহাত্মা শেখচাদী'।

৬। শিশু সাহিত্য ঃ- 'কুত্তে কী কাহানী', 'জংগল কী কহানিয়া', 'ৰামচৰ্চা' আৰু 'মনমোদক'।

৭। অনুবাদ সাহিত্য ঃ- 'সৃষ্টি কা প্ৰাৰম্ভ', 'টলষ্টয় কী কহানিয়া', 'সুখ দাস', 'অহংকাৰ', 'ন্যায়', 'চাঁদী কী ডিবিয়া', 'হৰতাল' 'আজাদ - কথা'।

ইয়াৰ উপৰিও পাঁচখন আলোচনীও সম্পাদনা কৰিছিল। প্ৰেমচন্দে সাহিত্যক কেৱল মনোৰঞ্জনৰ মাধ্যম হিচাপে লোৱা নাছিল। তেখেতে সাহিত্যৰ দ্বাৰা ব্যক্তি, সমাজ আৰু দেশৰ উন্নতি কামনা কৰিছিল। তেওঁৰ সাহিত্য আছিল উদ্দেশ্যধৰ্মী আৰু প্ৰেৰণাদায়ক। প্ৰেমচন্দ বহুমুখী প্ৰতিভাৰ এজন বলিষ্ঠ সাহিত্যিক আছিল। উপেক্ষিত, দলিত, দীন-হীন আৰু কৃষক-মজদুৰক তেখেতে নিজৰ সাহিত্যৰ নায়ক হিচাপে লৈছিল। শোষণ, অন্যায়-অত্যাচাৰ আৰু ধৰ্মীয় অন্ধবিশ্বাসৰ বিৰুদ্ধে জনসাধাৰণৰ মনত প্ৰতিবাদৰ ধাৰণা জগাই তোলাটোৱে আছিল তেওঁৰ সাহিত্যৰ একমাত্ৰ উদ্দেশ্য। হিন্দী সাহিত্য জগতত প্ৰেমচন্দৰ নাম সদায় অমৰ হৈ থাকিব। ◆

পত্নীয়ে যেতিয়া তেওঁক লিখা-পঢ়া নকৰিবলৈ কৈছিল তেতিয়া তেওঁ পত্নীক কৈছিল- "মই কলমৰ শ্ৰমিক, কাম নকৰিলে খাম কি?"



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# 'মিঞা' লোক সংস্কৃতিত দৃষ্টিপাত

◆ ছেলিম উদ্দিন
মূৰব্বী প্ৰবক্তা, শিক্ষা বিভাগ



যি জনগোষ্ঠীৰ লোক সংস্কৃতিৰ কথা বৰ্ণনা কৰিবলৈ লোৱা হৈছে, এই জনগোষ্ঠী অসমত 'অভিবাসী' আৰু নতুনকৈ 'মিঞা' বুলি পৰিচিত। 'মিঞা' শব্দৰ অৰ্থ প্ৰভু বা গৰাকী। 'মিঞা' সম্বোধনবোধক শব্দ। মানুহক সম্বোধন কৰোতে ইয়াক ব্যৱহাৰ কৰা হয়। যেনে- মিঞা চাহেব, মিঞা ভাই, মিঞাজী ইত্যাদি। কিছুমানে মিঞা শব্দটো উপাধি হিচাপে ব্যৱহাৰ কৰে। বৰ্তমান 'মিঞা' শব্দৰে অসমত এক বিশেষ জনগোষ্ঠীক বুজোৱাৰ বাবে ব্যৱহাৰ হয়। যিহেতু 'মিঞা' শব্দটোৰে ইয়াত বৰ্ণনা কৰিব খোজা জনগোষ্ঠীক অসমৰ ৰাইজে ভালকৈ চিনি পায় সেই হেতুকে এই জনগোষ্ঠীক বিশ্বত চিনাকিৰ বাবে মিঞা শব্দটো যুক্তিযুক্ত হ'ব।

অসমৰ প্ৰায় সকলো জনগোষ্ঠী বাহিৰৰ পৰা পৰ্য্যায়ক্ৰমে আহিছে। এইসকল জনগোষ্ঠী বিভিন্ন নামেৰে পৰিচিত। যেনে- আহোম সকল। সেইদৰে ভাৰতৰ এখন ঠাই মৈমনসিংহ (অবিভক্ত ভাৰত) আৰু তাৰ ওচৰৰ ঠাইৰ পৰা অহা লোক সকলক 'মিঞা' জনগোষ্ঠী নামেৰে পৰিচিত কৰা হ'ল।

সংস্কৃতি এটা জাতি বা জনগোষ্ঠীৰ জাতীয় জীৱনৰ বোৱতী সুঁতি। নৈৰ সোঁত যেনেকৈ বৈ থাকে নিৰৱচ্ছিন্নভাবে, তেনেকৈ সংস্কৃতিও চলি থাকে। নৈয়ে গঢ়া খহায়, চৰ পাতে, সেইদৰে সময়ৰ সোঁতত লাগি সংস্কৃতিৰ সম্পদ এৰা পৰে, নতুনৰ যোগ হয়।

অসমীয়া ভাষাত সংস্কৃতি শব্দটো নতুন। অসমীয়া ভাষাত কৃষ্টি শব্দৰ ব্যৱহাৰ আছিল। বঙলা ভাষাৰ পৰা সংস্কৃতি শব্দটো আহিছে। সংস্কৃতি শব্দ নিষ্পন্ন হৈছে সমঃকৃতি হৈ। "যি.শিল্প কৰ্মত সম্যক সৃজনশীলতা আছে, সৌন্দৰ্য্য আছে, সিয়েই সংস্কৃতি।" সংস্কৃতিয়ে যথাৰ্থতে এটা জাতিৰ সমগ্ৰ সৃষ্টি প্ৰতিভাক প্ৰতিনিধিত্ব কৰে। মানুহৰ সৃষ্টিশীল মনেই কৃষ্টিৰ কঠিয়াতলী। মানুহৰ মন প্ৰগতিশীল, সংস্কৃতিও গতিশীল।

ভাৰতীয় সংস্কৃতি যৌগিক। নেগ্ৰিটো, অষ্ট্ৰেলীয়, মঙ্গোলীয়, নৰ্ডিক আদি জনগোষ্ঠীৰ সমন্বয়ৰ সংস্কৃতি। 'মিঞা' সংস্কৃতিও সমন্বয়ৰ সংস্কৃতি।

ধৰ্মঃ- 'যি ধ্যান ধাৰণাৰ দ্বাৰা মানুহে মনৰ উৎকৰ্ষ সাধন কৰে আৰু পাৰ্থিব বা জৈৱিক বাসনা সমূহ সংযত কৰে সিয়েই ধৰ্ম।' সেয়ে ধৰ্মক ভেটি কৰি সংস্কৃতিৰ বিকাশ বহুমুখী হৈ উঠে। (মোৰ বোধেৰে ধৰ্ম হল মানুহৰ প্ৰয়োজনীয় আৰু আধ্যাত্মিক সামাজিক ব্যৱস্থা ঃ লীলা গগৈ)।



MOHAN LAL CHOUDHURY LIBRARY :

মিঞা জনগোষ্ঠীৰ ধৰ্ম ইছলাম। ইছলামত এক আল্লাহক বিশ্বাস কৰে। মিঞা সকলে ইছলাম ধৰ্মৰ বিধান মতে চলে। কিন্তু লোক সংস্কৃতিত ধৰ্মৰ পৰিধি সদায় মনা দেখা নাযায়। যেনেকৈ কোনো নতুন বস্তু আদৰি আনোতে ধান, দুবৰি বন ব্যৱহাৰ কৰি আদৰি অনা হয়। বিয়াত দৰা কইনাক হালধি, ধান, দুবৰি বন আদি মূৰত দিয়া হয়। নদীত পইচা, নিমখ দিয়া হয়। এইবোৰক 'ভোগ' বুলি কোৱা হয়। এইবোৰ নিয়ম-নীতি ইছলাম ধৰ্মৰ বিধান মতে পালন কৰা নিষেধ।

**ঘৰ-দুৱাৰ, খেতি-বাতি আৰু খাদ্য সম্ভাৰঃ-** মিঞা সকল কৃষিজীৱী। গতিকে ঘৰদুৱাৰ সজা পদ্ধতি, কৃষি সামগ্ৰী আৰু জলবায়ুৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। মিঞা সকলে খেৰ-বাঁহ, মৰাপাট আৰু কাঠেৰে ঘৰ সাজে। বৰ্ত্তমান ঘৰৰ বেৰবোৰত বালি, গোবৰৰ লেপ দিয়া দেখা যায়। মৈমনসিংহৰ পৰা অহাৰ পিছত ঘৰৰ মাজ ডোখৰ (চাল) দুয়ো কাষতকৈ যথেষ্ট ওখ আছিল। বৰ্ত্তমান অসমীয়া আৰ্হিৰ ঘৰ সজা দেখা যায়। ঘৰবোৰ সৰু সৰু। চাৰি ভিঠাত চাৰিটা ঘৰ কমপক্ষেও বনায়। 'বৰঘৰ', 'বাংলাঘৰ', 'ৰান্ধনীঘৰ', আৰু 'গোহালিঘৰ'— এইকেইটাই প্ৰধান। বহা আসনৰ ভিতৰত মূঢ়া, চেয়াৰ, বেঞ্চ, পীৰা আদি প্ৰধান। ঘৰৰ কাঠৰ আচবাব পত্ৰৰ ভিতৰত কাঠৰ সন্দুক, আলমাৰি, খাট, পালেং; আজিকালি আধুনিক আচবাব যেনে- ডাইনিং টেবুল, ড্ৰেছিং টেবুল, টি টেবুল, ছোফা ছেট্ আদিও এই মিঞা সমাজত ব্যৱহাৰ হোৱা দেখা যায়। 'ফুলমাচাৰ' ব্যৱহাৰ মিঞা জনগোষ্ঠীৰ এক আছুতীয়া সংস্কৃতি আছিল। নানা বৰণৰ 'ছিকা' বস্তু বাহিনী ওলোমাই থবৰ বাবে ব্যৱহাৰ কৰা দেখা যায় মিঞা সমাজত।

মিঞা সকলে গৰুৰে হাল বায়। কৃষিকাৰ্য্যৰ আহিলা পাতিৰ ভিতৰত নাঙল, যুঁৱলি, চংগ (মৈ), হাত নাঙল, ইটা মাগুৰ (দলিমাৰী), বিন্ধা, লাঠি, কাচি, খন্তি বা পাচোন, দা, কোৰ আদি প্ৰধান। মৰণা মাৰি ধান উলিওৱা নিয়ম বহু পুৰণি। আজিকালি ইৰি, জয়া, আইজং আদি নতুন প্ৰজাতিৰ ধান খেতি কৰা আৰম্ভ কৰিছে। এইবোৰ ধান কাঠ বা বেঞ্চ আদিত কোবাই কোবাই আহৰণ কৰে। ভাত মিঞা সকলৰ প্ৰধান খাদ্য। মাছ অতি প্ৰিয় ব্যঞ্জন। মিঞা সকলে আঞ্জাত নানা ধৰণৰ মচলা ব্যৱহাৰ কৰে। পুৱাৰ জলপান হিচাপে এই মানুহসকলে 'কৰকৰা ভাত', পান্তা ভাত, আদিৰ ওপৰিও আজিকালি চাহ-ৰুটি, পুৰি-পৰঠা, বিৰিয়ানী আদি খোৱাও দেখা যায়। চৰবত খোৱা এই সমাজৰ বহু পুৰণি নিয়ম। বিবাহ আদি উৎসৱত প্ৰধান আহাৰ খোৱাৰ আগতে চৰবত দিয়া নিয়ম আছে।

পিঠা খোৱা 'মিঞা' জনগোষ্ঠীৰ এটা চখ। ফিৰানীত (বিয়াৰ পাছত প্ৰথম দৰা-কইনা ঘৰত অহা) দৰা আৰু তাৰ লগত অহা 'কুলদৰা' সকলক নানা ধৰণৰ সু-স্বাদু পিঠা খুওৱা মিঞা সংস্কৃতিৰ এটা অংগ। পিঠাৰ ভিতৰত প্ৰধান পিঠা সমূহ হল- গাখীৰ পিঠা, চিতি পিঠা, পাকণ পিঠা, সংসাৰ পিঠা, ভাপা পিঠা, তেল পিঠা, তাল পিঠা, কুলি পিঠা আৰু ৰুটি পিঠা। পায়েস, হালুৱা, পোলাও, খিচিৰি, জাই মাজে সময়ে খোৱা দেখা যায়। খোৱাৰ সময়ত থালৰ তলত এখন কাপোৰ পাৰি দিয়া মিঞা সংস্কৃতিৰ এটা অংগ। ইয়াক 'দস্তৰখানা' বুলি কোৱা হয়। আম-দুধে একেলগ কৰি খোৱা খাদ্যাভ্যাসটো মিঞা জনগোষ্ঠীৰ বৈশিষ্ট্য। মিঠা আম আৰু দুধ মিহলি কৰি তাত সন্দেশ নাইবা মিষ্টান্ন দি খোৱাটো যে কিমান সোৱাদ তাক ৰবীন্দ্ৰ নাথৰ কবিতা ফাঁকিৰ পৰা বুজিব পাৰি—

"আম স্বত্ব দুধে ফেলি
তাহাতে কদলি, দলি
সন্দেশ মিশাইয়া তাতে
হাপুস সুপুস শব্দ
চাৰিদিক নিস্তব্ধ
পিপৰা চিল্লিয়া পৰে পাতে ........।"

'বদনা' অজু কৰা পানীৰ পাত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। মিঞা সংস্কৃতিৰ ইয়ো এটা বৈশিষ্ট্য।

**হস্ত শিল্পঃ-** মিঞা জনগোষ্ঠীৰ কাপোৰ বোৱা এটা ফৈদ আছে। এওঁলোকক কাৰিকৰ বুলি কোৱা হয়। আজিকালি সকলো ফৈদৰ লোকে তাঁত বয়। ছিকা, কাঁথা আৰু বাঁহ-বেতৰ ধুনীয়া সামগ্ৰী এই লোক সংস্কৃতিৰ উল্লেখযোগ্য অৱদান। 'ধামা-কাঠা' এই জনগোষ্ঠীয়ে ব্যৱহাৰ কৰে। মিঞা সকলে খেজুৰ ৰসেৰে গুৰ তৈয়াৰ কৰে। খেজুৰৰ পাতেৰে ঢাৰি বনায়। অলংকাৰ, শিল্প, লোৰ বস্তু তৈয়াৰ কৰা শিল্প এই জনগোষ্ঠীৰ মাজত দেখা যায়।

**আত্ম ৰক্ষাৰ কৌশলঃ-** আত্মৰক্ষাৰ বাবে লাঠিবাৰী খেল (সৰ্দাৰবাৰী খেল) এই লোক সংস্কৃতিৰ উল্লেখযোগ্য বৈশিষ্ট্য; যিটো কেৱল মিঞা জনগোষ্ঠীৰ মাজত আছে। 'তৰোৱাল', 'দা', 'যাঠি', আদি আত্মৰক্ষাৰ আহিলা।

**সমাজ ব্যৱস্থা আৰু সামাজিক উৎসৱঃ-** মিঞা জনগোষ্ঠীৰ সমাজ পৰিচালনাৰ বাবে সমাজ সমিতি থাকে। ইয়াৰ প্ৰধান জনক 'মাতাব্বৰ' বুলি কোৱা হয়। বিবাহ কাৰ্য্য সম্পূৰ্ণ হয় ধৰ্মীয় বিধি অনুসাৰে। বিয়া সভাত তিনিজন সাক্ষীৰ সন্মুখত দৰা-কইনা ইজনে সিজনক ক্ৰমে স্বামী আৰু স্ত্ৰী বুলি মত বা 'কবুল' দিলেই বিয়া হৈ যায়। বহু বিবাহ, বিধবা বিবাহ, তালাক এই সমাজ ব্যৱস্থাত বৈধ। বিয়াত এসময়ত পাল্কী, হাতী আৰু ঘোঁৰা আদি বাহন হিচাপে ব্যৱহাৰ হৈছিল। বৰ্তমান



MOHAN LAL CHOUDHURY LIBRARY :
Library :

> বিবাহ কাৰ্য্য সম্পূৰ্ণ হয় ধৰ্মীয় বিধি অনুসাৰে। বিয়া সভাত তিনিজন সাক্ষীৰ সন্মুখত দৰা-কইনা ইজনে সিজনক ক্ৰমে স্বামী আৰু স্ত্ৰী বুলি মত বা 'কবুল' দিলেই বিয়া হৈ যায়। বহু বিবাহ, বিধৱা বিবাহ, তালাক এই সমাজ ব্যৱস্থাত বৈধ। বিয়াত এসময়ত পাল্কী, হাতী আৰু ঘোঁৰা আদি বাহন হিচাপে ব্যৱহাৰ হৈছিল। বৰ্তমান ম'হৰ গাড়ী, নাও, বাছগাড়ী, টেক্সী বাহন হিচাপে ব্যৱহাৰ কৰা হয়। কাজিয়া বিবাদ আদি নিষ্পত্তি হয় সমাজ সমিতিৰ জৰিয়তে।

ম'হৰ গাড়ী, নাও, বাছগাড়ী, টেক্সী বাহন হিচাপে ব্যৱহাৰ কৰা হয়। কাজিয়া বিবাদ আদি নিষ্পত্তি হয় সমাজ সমিতিৰ জৰিয়তে। কোৰ্ট কাছাৰীলৈ যোৱা লোকৰ সংখ্যাও কম নহয়।

ধৰ্মীয় উৎসৱৰ ভিতৰত ঈদুল-ফিতৰ, ঈদুজ্জোহা, সবে বৰাত, সবে কদৰ, ফাতেহা-ই-দোৱাজ দাহম আৰু মহৰমেই প্ৰধান। মিঞা লোক সংস্কৃতিত পুহ মাহত 'দৈ-পান্তা' খুওৱা প্ৰথা এতিয়াও চলি আছে। পুহ মাহত গৰু, ম'হক গা-ধোওৱাৰ পিছত গোহালিত গৰখীয়াক দৈ পান্তা খাব দিয়া হয়।

'গুৰকোৰ' লাড়ু বহাগ মাহত বনোৱা হয়। এই লাড়ু গাখীৰ, চেনি, আৰু ভজা চাউলৰ গুৰিৰে তৈয়াৰ কৰা হয়। প্ৰথমে লাড়ু কেইটামান প্ৰত্যেক ঘৰৰ ওপৰেদি দলিয়াই দিয়া হয়, এই বুলি- 'গুৰকোৰ লাড়ু হেলেচ্ছা।' ইয়াৰ পিছত লাড়ু খিনি মানুহক খাব দিয়া হয়।

বহাগত ভনীয়েকে ভায়েকক 'ছাতু' খোৱা প্ৰথা এতিয়াও আছে। এই সময়ত ভায়েকে ভনীয়েকৰ ঘৰত মিঠাই আদি লৈ যাব লাগে আৰু ভনীয়ে ভাইক 'ছাতু' খাব দিয়ে। এই প্ৰথাটো হিন্দু সকলৰ ৰাখী বন্ধন উৎসৱৰ লগত মিলাব পাৰি।

'গাম্সী' উৎসৱ আহিন মাহৰ শেষ ৰাতি আৰু কাতিৰ প্ৰথম দিনত পালন কৰা হয়। এই প্ৰথা অনুযায়ী দুৱাৰৰ মাজডোখৰত (চাৰি দিশত চাৰিটা ঘৰ বনোৱাৰ পিছত প্ৰত্যেক ঘৰৰ সন্মুখত থকা খালী ঠাইখিনিক 'দুৱাৰ' বুলি ইয়াত কোৱা হৈছে।) ভাল মাটিৰে লেপ দি তাত পানী, নাৰিকল, খোৱা বস্তু, ঔষধি গছ, আৰু বিভিন্ন গছৰ কোমল আগ গোটেই ৰাতি থৈ দিয়া হয়। ৰাতি শেষ হোৱাৰ পিছত পুৱা সেইবোৰ পটাত বটি লোৱা হয়। আৰু সেইবোৰেৰে গাত ঘঁহি-ঘঁহি গাধোৱা হয়। এনে কৰিলে গাত হেনো অসুখ-বিসুখ নহয় বুলি বিশ্বাস কৰে এই জনগোষ্ঠীয়ে। ৰাতি থৈ দিয়া খৰিৰে খোৱা বস্তুবোৰ ৰান্ধি থোৱা হয়।

**সাজপাৰ আৰু অলংকাৰঃ-** 'মিঞা' লোক সংস্কৃতিত দৰিদ্ৰতাৰ প্ৰভাৱ বিদ্যমান। পুৰুষে লুঙি, পায়জামা, পাঞ্জাবী আদি পিন্ধে। মহিলাই শাৰী, চেলুৱাৰ কামিজ, মেখেলা চাদৰ, বোৰ্খা আৰু কম বয়সীয়া ছোৱালীয়ে ফ্ৰক পিন্ধে। বৰ্তমান পাশ্চাত্য সভ্যতাৰ প্ৰভাৱত পুৰুষে লংপেন্ট, চাৰ্ট, টি-চাৰ্ট আৰু ছোৱালীয়ে মিনি স্কাৰ্ট, লং পেন্ট আদি পিন্ধে। দৰাই সেৰোৱানী পিন্ধি বিয়া কৰিবলৈ যোৱা এই সমাজৰ এটা নিয়ম। মহিলাসকলে ঘৰৰ পৰা বাহিৰলৈ ওলাওতে সাজিকাচি ওলোৱাটো তিৰোতাৰ এক প্ৰাচীনতম চখ। মিঞা লোক সংস্কৃতিত 'মেট্ৰহাৰ', 'তাৰাখুটি', 'বাজু', 'বিজঠা', 'পাতামল', আৰু আঙুঠি আদি মাইকী মানুহে পিন্ধে। এইবোৰ অলংকাৰৰ ব্যৱহাৰ বৰ্তমানে কিছু পৰিমাণে কমি গৈছে। ইয়াৰ পৰিৱৰ্তে আজিকালি বিভিন্ন ধৰণৰ চেইন, নেকলেচ, বিভিন্ন ধৰণৰ কাণফুলি, নাকফুলি আদি ব্যৱহাৰ কৰে। হাতত জেতুকা, কপালত কৃত্ৰিম ফোঁট, ওঠত লিপষ্টিক মিঞা লোক সংস্কৃতিত মহিলাই ব্যৱহাৰ কৰা দেখা যায়। আতৰ, মেসি আৰু সুৰ্মা পুৰুষ মহিলাই উভয়ে ব্যৱহাৰ কৰে। বৰ্ত্তমান মেসিৰ ব্যৱহাৰ নাই বুলিয়েই কব পাৰি। কিছু বছৰ আগতে দৰাই কইনা ঘৰত বিবাহ কাৰ্য্য সমাপন কৰিব যাওঁতে 'মেসি' লগত নিয়াটো বাধ্যতামূলক আছিল। মেসিৰ বিষয়ে কইনা ঘৰত আয়তীসকলে গীত পৰিবেশন কৰিছিলঃ



MOHAN LAL CHOUDHURY LIBRARY :
Library:

"............. মেসি দিমু সাদাঁতে
আয়লো আমৰা যায়লো নতুন
কইনা বাৰীতে।"

**খেল ধেমালিঃ-** উন্নত মানৰ খেল ধেমালিয়ে এটা জাতিক উন্নত বুলি পৰিচয় কৰাবলৈ সহায় কৰে। মিএগ্ৰা সকলে নাওখেল, গুটু (হাডুডু) খেল, ছিক্কা, কাবাডি, লৱনদাৰি, গোল্লা, ছি, ঘোঁৰাদৌৰ, চংগ দৌৰ আৰু টেংকীবাৰী আদি পৰম্পৰাগত খেল খেলা দেখা যায়। অৰ্বাচীন খেলৰ ভিতৰত ফুটবল, ভলীবল, ক্ৰিকেট, বেডমিন্টন, কেৰম আদি প্ৰধান। মিএগ্ৰা লোক সকলে তিনিধৰণৰ নাও ব্যৱহাৰ কৰা দেখা যায়, যেনে- 'গড়া', 'সৰংগা' আৰু 'কোসা'। ময়ূৰ পঙ্খী নাওৰ ব্যৱহাৰ বৰ্তমান নাই।

**সাহিত্য আৰু সংগীতঃ-** মিএগ্ৰা জনগোষ্ঠীয়ে অসমীয়া ভাষা মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰি আছে। তেওঁলোকৰ শিক্ষাৰ মাধ্যম অসমীয়া। কথিত ভাষা বিভিন্ন অঞ্চল হিচাবে বেলেগ-বেলেগ যদিও বেছিভাগ মিএগ্ৰালোকে চৰ অঞ্চলৰ কথিত অসমীয়া ভাষা ব্যৱহাৰ কৰে। মিএগ্ৰা লোকসকলৰ বহুতো সাহিত্যিকে এই জনগোষ্ঠীৰ পুৰণি 'সাধুকথা', 'কথা সাহিত্য', 'জঁতুৰা ঠাচ' আদি উদ্ধাৰ কৰি জন সমাজত প্ৰচাৰৰ বাবে চেষ্টা চলাই আছে। এই জনগোষ্ঠীৰ মাজত সংগীতৰ চৰ্চা কম, তথাপিও বাউল গীত, জাৰি গীত, মুৰ্সিদি গীত, পল্লী গীত, ভাটিয়ালী গীত আদিৰ চৰ্চা নথকা নহয়। পানী, নদী আৰু নাও- এই জনগোষ্ঠীৰ জীৱনধাৰাৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত।

পানী, নদী আৰু নাও- মিএগ্ৰা জাতীয় জীৱন সংগ্ৰামৰ লগত এই তিনিটাৰ কথা বাদ দিব নোৱাৰি। এই জনগোষ্ঠীৰ দুখ-বেদনা, আনন্দৰ লগত নাও, নদী আৰু পানী সাঙুৰ খাই আছে। নদীত নাও ভটিয়াই দি মনৰ সুখ বা দুখত ভাটিয়ালী গীত গোৱা এই জনগোষ্ঠীৰ মানুহৰ এক চিৰন্তন ইচ্ছা আৰু তাৰেই প্ৰতিফলন এই গীতৰ মাজেৰে প্ৰকাশ পাইছে—

হাৰে অ .............................
ভাটিয়ালী গাংগেৰ নাইয়া
আমাৰ বুজানেৰে কয়ো গিয়া
তাৰে নিমু আইয়া।
হাৰে অ ..........................
ভাটিয়ালী গাংগেৰ নাইয়া।

খেতিত কাম কৰি থাকোতে পল্লীগীত, ধুৰা গীত, গোৱা হয়। গীতৰ তালে-তালে সময় পাৰ হৈ যায় আৰু এইদৰে কষ্টৰ কথা পাহৰি যায়। ধুৰা গীত, এই জনগোষ্ঠীৰ সুখ- দুখৰ গীত। উৰচ মুবাৰকত মুসিদী গীত, আঘোন মাহৰ 'মাগন' গীত গীয়। মাগন গীতত গৃহস্থৰ চৰিত্ৰ তথা গৃহস্থৰ লগত গৰখীয়াৰ সম্বন্ধ আৰু সমাজৰ বাস্তৱ চিত্ৰ ফুটি উঠে। তলত দিয়া গীতত গৰখীয়াক গৃহস্থই কি ধৰণৰ খাদ্য খাব দিয়ে তাৰ কথা প্ৰকাশ পাইছে।

"আইলাম ৰে ভাই উৰিয়া
হাত্তীৰ কান্ধে চৰিয়া
হাত্তীৰ কান নলবল কৰে
লপা বাগুন গাছে ধৰে
লপা বাগুন চিৰল পাত
ৰাখলে খায় কৰকৰা ভাত
কৰকৰা ভাত খাইয়াৰে
গৰু ৰাখবাৰ যাইয়াৰে ................।"

বিয়াৰ বিয়াগীত সমস্বৰে গোৱা হয়। লাঠিবাৰী খেলত একধৰণৰ গীত গোৱা হয়। মিএগ্ৰা সমাজে বিভিন্ন উৎসৱত লাঠিবাৰী খেল প্ৰদৰ্শন কৰে। বিয়া উৎসৱত এই গীত প্ৰদৰ্শন কৰিলে বিয়া গীত গোৱা হয়। যেনে-

"লাল বুৰংগী লাল বৰংগী
গাছেৰ আগায় টিয়া
সোনাৰ দাদুৰ বিয়া হইবে
সোনাৰ পাল্কী দিয়া ৰে .............
সমস্বৰেঃ উ ............... ৰে .................!"

বাউল গীত, জিকিৰ, কাৱালী আৰু শেষতীয়া বিহুগীত এই জনগোষ্ঠীৰ জাতীয় জীৱনৰ লগত ওতঃপ্ৰোত ভাবে জড়িত। মাগন গীত অসমীয়া মহো-হো গীতৰ লগত ৰিজাব পাৰি। লুইতৰ পাৰে-পাৰে, কঁহুৱা বনৰ মাজে-মাজে গৰখীয়াই গৰখীয়া গীত, মৈসাল গীত গোৱা আজিও কাণ পাতিলে ৰিণিকি-ৰিণিকি শুনিবলৈ পোৱা যায়। গীতৰ উপৰিও ৰাতি আইতাই নাইবা আতাই নাতি নাতিনীৰ আগত শাস্ত্ৰৰ (সাধুকথা) এতিয়াও কোৱা শুনা যায়।

মিএগ্ৰা লোক সংস্কৃতিত বৰ্তমান পৃথিৱীৰ বিভিন্ন সংস্কৃতিৰ প্ৰভাৱ পৰিছে, ফলত পুৰণি সংস্কৃতিৰ লোপ আৰু নতুন সংস্কৃতিৰ অনুপ্ৰৱেশ এই লোক সংস্কৃতিত দেখা দিছে। এয়াই সংস্কৃতিৰ নিয়ম। মিএগ্ৰা লোক সংস্কৃতি প্ৰধানতঃ বাংলা আৰু অসমীয়া লোক সংস্কৃতিৰ সংমিশ্ৰণ। এই লোক সংস্কৃতিৰ বাগিচা ৰংবিৰঙৰ দেশী-বিদেশী ফুলেৰে জাতিষ্কাৰ হৈ সুন্দৰ হৈ উঠিছে। এয়া সমন্বয়ৰ সংস্কৃতি। ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# অসমৰ জাতীয় জীৱনলৈ বিষ্ণু প্ৰসাদ ৰাভাৰ অৱদান

◆ দিগন্ত লাল ঠাকুৰীয়া
স্নাতক ২ য় বৰ্ষ

"....... এহাতে ষ্টেনগান
আনহাতে কলম তুলি লৈ
কংগ্ৰেছী চৰকাৰৰ 'দহহেজাৰ
টকীয়া পুৰস্কাৰ'ৰ বিপদ মূৰত
লৈ 'ঐতিহাসিক অন্যায়ৰ
বিৰুদ্ধে পৃথিৱীজোৰা
প্ৰতিৰোধ জগাই তোলা
আদৰ্শবাদী' দলৰ
অনুপ্ৰেৰণাৰে আত্মগোপন কৰি
অসমৰ হালোৱা, হজুৱা
গঞাক চৰকাৰী দমন-পীড়নৰ
বিৰুদ্ধে সংগঠিত কৰি ফুৰা
এজন বিপ্লৱী শিল্পী ধুমুহাৰ
গতিত পাহাৰে-ভৈয়ামে
দৌৰি ফুৰিছিল।



অসমৰ জাতীয় জীৱন বুলিলে আমি অসমীয়া সাহিত্য সংস্কৃতি, ৰাজনীতি-সমাজনীতি-অৰ্থনীতিক সামৰি লৈ ব্যাপক পৰিসৰৰ ধাৰণাটোকে মনলৈ অনাটো উচিত হ'ব। অসমৰ এই জাতীয় জীৱনৰ পটভূমিত যিসকল মহান ব্যক্তিত্বই বিচৰণ কৰে তাৰ ভিতৰত একক আৰু অনন্য হ'ল মহাপুৰুষ শঙ্কৰদেৱ; তাৰ পিছতেই পৰ্যায়ক্ৰমে আমাৰ মনলৈ আহে বিষ্ণুপ্ৰসাদ ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ নাম। থোৰতে অসমৰ জীতায় জীৱনৰ আকাশখন যেন 'শঙ্কৰ-বিষ্ণু-জ্যোতি'ৰ জ্যোতিয়েহে পোহৰাই ৰাখিছে— এনেকুৱা ধাৰণা পোষণ কৰাটো কোনোপধ্যে অমূলক নহয়। সেয়েহে ক'ব পাৰি অসম দেশৰ অ-সম ব্যক্তিত্বৰ অধিকাৰী হ'ল— শঙ্কৰ-বিষ্ণু-জ্যোতি— এই ত্ৰিমূৰ্ত্তি!

মহান কলাকাৰ, সংহতি আৰু সমন্বয়ৰ প্ৰতীক শঙ্কৰ গুৰুক লৈ ৰাভাৰ নিজৰে শ্ৰদ্ধা আৰু আদৰৰ সীমা নাছিল। শঙ্কৰদেৱৰ অনুপস্থিতিত তেওঁ অসমীয়া জাতিৰ অস্তিত্ব অনুভৱ কৰিবলৈ টান পাইছিল! কীৰ্ত্তন-দশম-নামঘোষাক অসমীয়াৰ শৌৰ্য বুলি বৰ্ণনা কৰিয়ে ক্ষান্ত নাথাকি ৰাভাদেৱে সগৌৰৱে ঘোষণা কৰিছিল ঃ

"শুনা শুনা শুনা।
শুনা হেৰা ভাই
মহান কলাকাৰ শঙ্কৰ আমাৰ
হওঁক আমাৰ আৰ্হি বিপ্লৱৰ।"

আনহাতে জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ আদৰ্শ, সপোন, পৰিকল্পনা আদি আচৰিত ভাবে একক আছিল। জ্যোতিৰ ৰচিত গীতৰ সুৰ-সঞ্চ আৰু সুৰৰ বিশেষত্ববোৰ পোনতে বিষ্ণুপ্ৰসাদেহে আৱিষ্কাৰ কৰিব পাৰিছিল। এটি গানৰ সুৰ য'ত শেষ হয়, তাতেই আকৌ দ্বিতীয় শাৰীৰ সুৰ আৰম্ভ হোৱা জ্যোতি প্ৰসাদৰ গানৰ অপৰূপ বৈশিষ্ট্য সম্পৰ্কে বিষ্ণুৰাভাই লিখি থৈ গৈছে ঃ

"...... জ্যোতিৰ গানে অসমীয়াৰ মন ভুলায়, জনা সুৰ ন-ন সাজেৰে, ন-ন কাচেৰে, বিধ-বিধ ৰেহ-ৰূপেৰে ওলায়। অসমীয়াৰ হিয়াৰ আমঠু বুলি গুণি গুঠিয়েই জ্যোতিৰ গান সাৰটি ল'বলৈ অসমীয়া ইমান হেঁপেহুৱা। সেই কাৰণে তেওঁৰ গান ইমান জনপ্ৰিয়।"..... (জ্যোতিৰ জেউতি)

ৰাভাৰ অন্যতম ভাতৃসুলভ সহকৰ্মী শ্ৰদ্ধেয় নগেন্দ্ৰ নাথ কাকতিৰ ভাষাত—
"....... এহাতে ষ্টেনগান আনহাতে কলম তুলি লৈ কংগ্ৰেছী চৰকাৰৰ 'দহহেজাৰ টকীয়া পুৰস্কাৰ'ৰ বিপদ মূৰত লৈ 'ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে পৃথিৱীজোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী' দলৰ অনুপ্ৰেৰণাৰে আত্মগোপন কৰি অসমৰ হালোৱা, হজুৱা গঞাক চৰকাৰী দমন-পীড়নৰ বিৰুদ্ধে সংগঠিত কৰি ফুৰা এজন



MOHAN LAL CHOUDHURY LIBRARY :
Library :

বিপ্লৱী শিল্পী ধুমুহাৰ গতিত পাহাৰে-ভৈয়ামে দৌৰি ফুৰিছিল। অসমৰ এনে গাঁও খুব কমেই আছে য'লৈ তেওঁ যোৱা নাই, এনে পাহাৰ কমেই আছে যিটো তেওঁ বগোৱা নাই, এনে নদী, জান, বিল কমেই আছে য'ত তেওঁ সাঁতোৰা নাই— সেইজন বিপ্লৱীয়েই বিষ্ণুৰাভা।"

এইজন বিষ্ণুৰাভাই ১৯০৯ চনৰ ৩১ জানুৱাৰীত অবিভক্ত ভাৰতবৰ্ষৰ ঢাকা মহানগৰীৰ সেনাৰ ছাউনীত জন্মগ্ৰহণ কৰি ১৯৬৯ চনৰ ২০ জুনত ইহলীলা সম্বৰণ কৰে। তেওঁৰ প্ৰায় তিনি কুৰি বছৰীয়া বৰ্ণাঢ্য জীৱন নাটৰ লগত অসমৰ জন-জীৱনৰ সম্পৰ্ক আৰু অৱদানৰ কথাই হৈছে আমাৰ আলোচ্য বিষয়ৰ কেন্দ্ৰবিন্দু।

এই কথা নক'লেও হয় যে কৃষ্টি-সংস্কৃতিৰ সৈতে মানুহৰ সম্পৰ্ক আৰু শোষণ নিপীড়নৰ অৱসানৰ হকে শিল্পী-সাহিত্যিকৰ কৰ্তব্যৰ কথা বিষ্ণুৰাভাই তেওঁৰ কৰ্মৰ মাজেৰে বস্তুনিষ্ঠভাৱে বিশ্লেষণ কৰি নিজকে নতুন অসমৰ এজন সৃষ্টিশীল খনিকৰ ৰূপে প্ৰতিষ্ঠা কৰি গৈছে। অৱশ্যে কৃষ্টি সংস্কৃতিৰ তেওঁৰ এই ধাৰণা বহু পৰিমাণে বিশ্ববিশ্ৰুত শিল্পী পল্‌ৰব্‌চন্ আৰু কড়্‌ৱেলৰ ধাৰণাৰ দ্বাৰা প্ৰভাৱান্বিত। কিয়নো পল্‌ৰব্‌চনৰ মতে "এটা জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিচাৰ কৰা যায় সেই জাতিৰ শ্ৰমজীৱী জনসাধাৰণৰ অৱস্থাৰ মূল্যায়নৰ পৰাহে।" আনহাতে কড়্‌ৱেলে 'Illusion and Reality' নামৰ গ্ৰন্থত কৈছে— 'Culture cannot be seperated from economic production". একেজন কড়্‌ৱেলে 'Studies in a Dying Culture' শীৰ্ষক গ্ৰন্থৰ পাতনিত লিখিছে ঃ ".....Bourgeoise culture is seriously ill. .....Bourgeoise culture is Dying of a myth." (......."বুৰ্জোৱা-সংস্কৃতি সাংঘাতিক ধৰণে ৰুগ্ন। ........ বুৰ্জোৱা -সংস্কৃতি হ'ল মৃত্যুমুখী কল্প-কাহিনী।")

বিষ্ণুৰাভাৰ মতে— "কাব্য গান, শিল্প, দৰ্শন, ধ্যান-ধাৰণা নাইবা আচাৰ অনুষ্ঠান, ভদ্ৰতা-শিষ্টাচাৰ নীতি-নিয়মকেই সাধাৰণতঃ মানুহে বুজে কৃষ্টি বা কালচাৰ বুলি। কিন্তু দৰাচলতে বাস্তৱ প্ৰয়োজনত যাৰ জনম, মানুহৰ জীৱন সংগ্ৰামত যি শকতি, জীৱন-যাত্ৰাৰ বাস্তৱ উদ্দেশ্য সিদ্ধিত যি মুকুতি, সেয়েহে আচল কৃষ্টি, প্ৰকৃত সংস্কৃতি, ৰিয়াল্ (Real) কালচাৰ্। জীৱন যাত্ৰাৰ ঘাত-প্ৰতিঘাতত যেনেকৈ কৃষ্টিৰ ৰূপান্তৰ হয়, সংস্কৃতিৰ আলম লৈ জীৱন-যাত্ৰাও তেনেকৈ আগুৱাই যায়। গতিকে জীৱন-যাত্ৰাৰ লগত কৃষ্টি-সংস্কৃতি ওতঃপ্ৰোতভাৱে জড়িত। যি জাতিৰ কৃষ্টি-সংস্কৃতি প্ৰগতিশীল নহয়, সেইজাতিৰ জীৱন-যাত্ৰাও স্থিৰ হয়।" (বিষ্ণুৰাভা ৰচনা সম্ভাৰ, ২য় খণ্ড)

তেওঁ পুনৰ দোহাৰিছে— "...... মানুহৰ সৃষ্টিৰ মূল প্ৰেৰণা হ'ল প্ৰকৃতিৰ দাসত্বৰপৰা মুক্তি। এই যে মানুহৰ সহজ-সাধ্য মুক্তি স্বাধীনতাৰ সাধনা, এই সাধনাই হৈছে মানুহৰ জীৱিকা-প্ৰয়াস আৰু মানুহৰ এই জীৱিকা-প্ৰয়াসেই হৈছে কৃষ্টি-সংস্কৃতি বা কাল্‌চাৰৰ মূল তত্ব।" এইদৰে কৃষ্টি আৰু সংস্কৃতি সম্পৰ্কে বিষ্ণুৰাভাৰ অমূল্য ব্যাখ্যাই আমাক মহান শিক্ষা দিয়ে যে কৃষ্টি-সংস্কৃতি কৃষ্টি-কৰ্ম আৰু শ্ৰমৰ সৈতে জড়িত। মূলতঃ শ্ৰমভিত্তিক যি সংস্কৃতি (People's Culture) সেয়াই হ'ল আচল সংস্কৃতি আৰু ইয়াৰ প্ৰকৃত উৎস হ'ল লোক-সংস্কৃতি তথা শ্ৰমজীৱী জন-গণ।

সমন্বয়ৰ ওপৰত প্ৰতিষ্ঠিত অসমীয়া সংস্কৃতিক গণমুখী দৃষ্টিভঙ্গীৰে বিচাৰ কৰি বিষ্ণুৰাভাই যি নিখুঁত ছবি অঙ্কন কৰিছিল সেয়া আছিল 'ন-অসমীয়া সংস্কৃতি'। তেওঁ লিখিছে ঃ

"অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ডোলেৰে গাঁথি, দুনাই শক্তিশালী জাতি গঢ়ো, শক্তিমান ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন-অসমীয়া সংস্কৃতি ৰচো।" (বিষ্ণুৰাভা ৰচনা সম্ভাৰ)

বৃহত্তৰ অসমীয়া জাতিৰ জাতীয়তাবাদ আন্তৰ্জাতিকবাদৰ মজিয়াত গঢ়ি উঠাৰ হ'কে ৰাভাই কবিতাত সুন্দৰভাৱে বৰ্ণনা কৰিছেঃ

"সেই ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰ
একাকাৰ মৃত্যুক্ষেত্ৰ
শ্মশানৰ পৰা হ'ক
নতুন জাতিৰ উৎপন্ন
বিশ্বজনীনতাৰ
নতুন জাগৰণ।"

অনাদি কালৰ পৰাই বিভিন্ন জাতি-জনজাতিৰ সংমিশ্ৰণত বৃহত্তৰ অসমীয়া জাতি গঢ়ি উঠিছে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত পৰ্বত ভৈয়ামৰ জনজাতিসকলৰ অস্তিত্ব নুই কৰাৰ ধৃষ্টতা কাৰো নাই। অসমৰ জনজাতি বুলিলে আমি সাধাৰণতে ভৈয়ামৰ জিলাসমূহত থকা আৰু পাহাৰীয়া অঞ্চলত বাস কৰা জনজাতিসকলক বুজো। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ অঞ্চল বিশেষে বাস কৰা জনজাতিসকলক ভৈয়ামৰ জনজাতি বুলি কোৱা হয়। জনজাতিসকল অসমৰ আদি বাসিন্দা। আগতে নগালেণ্ড, মণিপুৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল অসমৰ লগতে আছিল আৰু সিবোৰত বাস কৰা নগা, কুকি, মৈতেই আৰু মিজোসকলকো অসমৰ পৰ্বতীয়া জনজাতিৰ লগত ধৰা হৈছিল। বৰ্তমান অসমৰ কাৰ্বি আংলং আৰু উত্তৰ-কাছাৰ পাৰ্বত্য জিলাত বসবাস কৰা জনজাতিসকলক পাহাৰীয়া জনজাতি বুলি কোৱা হয়। বিষ্ণুৰাভাই অসমীয়া জাতিৰ অন্তৰ্গত এইসকল অসমীয়াৰ মাজৰ জনজাতিসকলক 'পুৰণি আদিম অসমীয়া' বুলি অভিহিত কৰিছে



MOHAN LAL CHOUDHURY LIBRARY :
Library:

আৰু এই পুৰণি আদিম অসমীয়াসকলৰ অৱদানক 'অসমীয়া সভ্যতাৰ প্ৰথম সোপান' বুলি কৈছে। আনকি জনজাতিসকলক ৰাভাই অসমীয়া জাতিৰ বিধাতা বুলি অভিহিত কৰিও লিখিছে ঃ

"ট্ৰাইবেল আদি নৰ! অসমৰ পিতা
অসমীয়া জাতিৰ বিধাতা।"

বিষ্ণুৰাভাই যি অসমীয়া কৃষ্টি সংস্কৃতিৰ কথা কৈছে, সেই কৃষ্টি সংস্কৃতি হ'ল— মিকিৰ (কাৰ্বি), লালুং, নগা, খাচী, মৰাণ, ৰাভা, গাৰো, ডিমাছা, কোচ, মণিপুৰী, বামুণ, শূদিৰ, কৈৱৰ্ত্ত, হিন্দু, খৃষ্টান, শিখ, মুছলমান আদি অসমবাসীৰ সমন্বয়ৰ সংস্কৃতি। শ্ৰীমন্ত শঙ্কৰদেৱক যদি অসমীয়া জাতিৰ সমন্বয়ৰ প্ৰতীক বুলি কোৱা হয়, তেন্তে বিষ্ণুৰাভাকো অসমৰ জাতীয়জীৱনৰ এগৰাকী অপৰিহাৰ্য পুৰুষ বুলি ক'ব লাগিব। বিশেষকৈ অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভাষা, সাহিত্য, কৃষ্টি-পৰম্পৰা আৰু তেওঁলোকৰ জীৱন সংগ্ৰামৰ কথা যিকেইগৰাকী বিশিষ্ট লোকে আন্তৰিকতাৰে উপলব্ধি কৰি গৈছে, তেওঁলোকৰ মাজত বিষ্ণুৰাভা নিঃসন্দেহে শ্ৰেষ্ঠ ব্যক্তিত্বৰ অধিকাৰী। অসমৰ আন আন জনগোষ্ঠীৰ ক্ষেত্ৰত উপলব্ধি কৰাৰ দৰে মুছলমান সকলৰ ক্ষেত্ৰতো তেওঁলোকৰ অতীত ঐতিহ্য আৰু সামাজিক-সাংস্কৃতিক জীৱনৰ ওপৰত বিষ্ণুৰাভাই আলোচনা কৰিছে। 'ঈদুজ্জোহাৰ গান'ত ৰাভাই মছজিদৰ আজানৰ সুৰক 'মিলনৰ সুৰ' বুলি কৈছে ঃ

"দূৰ আৰবৰ মৰুৰ বুকুত বয় ভকতি আজান
পুঁৱতি নিশাৰ সোণালী উষাৰ উঠে মউ সনা গান।
মিলনৰ সুৰ বোৱায়, শুনে সৱৰ জাহান—
একেটি মালাৰ ডোলতে গঁথা সবাৰে পৰাণ।"

আকৌ অসম মাতৃক নতুনকৈ সজোৱাৰ প্ৰতিশ্ৰুতি আগত ৰাখি দুৰ্বাৰ গতিৰে আগুৱাই যোৱাৰ দৰে ভাৰতবৰ্ষকো এটা নতুন ৰূপ দিবলৈ প্ৰয়াস কৰিছিল এনেদৰে ঃ

"হিন্দু-মুছলিম-শিখ-খৃষ্টানৰ
অন্তৰ ভেদি সোঁত বোৱাম
ভেদা-ভেদৰ প্ৰাচীন ভাঙি
সাম্যৰ সৰগ ৰচিম,
নতুন ভাৰত গঢ়িম।"

আমি মনত ৰাখিব লাগিব যে বিষ্ণুপ্ৰসাদ ৰাভাৰ বহুধাবিভক্ত ব্যক্তিত্বক তেওঁৰ ৰচনাৰাজিৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি। তেওঁৰ জীৱনৰ বিভিন্ন অভিজ্ঞতা, বিভিন্ন ৰাজনৈতিক-সামাজিক দৃষ্টিকোণ, তেওঁৰ সাংস্কৃতিক চৰ্চা ইত্যাদি সকলোখিনি মিলিয়েই তেওঁ মানুহজন আছিল। সেইজন মানুহেইহে এজন সাহিত্যসেৱী ৰূপে লিখা-মেলা কৰিছিল। এইকথা সকলো সাহিত্যিকৰ ক্ষেত্ৰতে প্ৰযোজ্য। ৰাভাদেৱে যদি ল'ৰা-ছোৱালী, ডেকা-গাভৰুৱে স্বাধীনতা যুঁজ কৰা বুলি কিবা নাট ৰচনা কৰিছিল তেনেহলে হয়তো নিজৰ ডেকাকালৰ ৰাজনৈতিক অভিজ্ঞতাৰে প্ৰতিফলন ঘটাইছিল— কোচবিহাৰত পঢ়ি থকা কালৰ বিদ্ৰোহী কাৰ্যাৱলীৰ কথাৰ স্মৰণতে লিখিছিল। কোনোবা কলেজীয়া ডেকাৰ দলে যদি ফুটবল খেলাকে ডাঙৰ কাম ৰূপে গণ্য কৰিছিল তেন্তে হয়তো নিজৰ খেলুৱৈ জীৱনলৈকে লিখিবৰ সময়ত ৰিণিকি-ৰিণিকি মনত পৰিছিল। কোনোবা ডেকা-গাভৰুৱে যদি অৰ্গেন বজাই গীত গোৱাৰ চিত্ৰ তেওঁ অঙ্কন কৰিছিল তেন্তে নিশ্চয় নিজৰ সঙ্গীত চৰ্চাৰ পটভূমিতে তেনে কৰিছিল। বিপ্লৱ বিষয়ক যিবিলাক গীত আৰু নাট ৰচনা কৰিছিল সেইবিলাকো প্ৰত্যক্ষ ভাবেই তেওঁৰ নিজৰ ৰাজনৈতিক দৃষ্টিভঙ্গীৰেই প্ৰতিফলন। পঞ্চায়তৰাজ প্ৰতিষ্ঠাক তেওঁ বহু সময়তে সামাজিক শোষণ আৰু বৈষম্য দূৰীকৰণৰ উপায় বুলি নিৰ্দেশ কৰি গৈছে। তেওঁ নানান সময়ত, নানান উপলক্ষ্যত আজিৰ অসম, অৰুণাচল, নাগালেণ্ড, মেঘালয়, পশ্চিমবঙ্গ, নেপাল আদি ৰাজ্যৰ গাঁৱে-ভূঞে, পৰ্বত-কন্দৰে পৰিভ্ৰমণ কৰিছিল আৰু সেইবিলাক ঠাইৰ সাধাৰণ মানুহৰ সামাজিক, সাংস্কৃতিক জীৱন সম্বন্ধে প্ৰত্যক্ষ অভিজ্ঞতা আহৰণ কৰিছিল; সেই অভিজ্ঞতা তেওঁ কেতিয়াবা লেখাত, কেতিয়াবা বক্তৃতাত, কেতিয়াবা কোনো সিদ্ধান্তত উপনীত হোৱাত ব্যৱহাৰ কৰিছিল।

সমন্বয়ৰ পথে-পথে দুষ্কৃতিৰ বিচৰণৰ মাজতো, কন্টকপূৰ্ণ ৰক্তৰঞ্জিত পথৰ মাজতো ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা টিহুৰ দীঘেলী গাঁৱত ৰাইজৰ মাজৰ এজন হৈ ক'লা পতাকা প্ৰদৰ্শনতে ক্ষান্ত নাথাকি "ইয়ে আজাদী ঝুথা হ্যায়" বুলি ধ্বনি দিয়াৰ অপৰাধত জীৱিত বা মৃত অৱস্থাত ৰাভাৰ মূৰৰ দাম দহ হেজাৰ টকা (এতিয়াৰ মূল্য প্ৰায় দহলাখতকৈয়ো ওপৰ) ঘোষণা কৰিও চৰকাৰীপক্ষ বিফল হৈছিল আৰু ৰাভাই সফলতাৰে আত্মগোপন কৰি মুক্তিফৌজ, নাৰীমুক্তি সংঘ আৰু কৃষক-বনুৱা পঞ্চায়ত গঢ়ি তুলি নিৰ্যাতিত-নিষ্পেষিত-হালোৱা-হজুৱা শ্ৰেণীৰ মুক্তিৰ বীজ ৰোপণ কৰিছিল। আনকি এই আত্মগোপনৰ কালছোৱাতেই তেওঁ 'বিৰাট পৰ্ব' ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ অমূল্য সাহিত্যৰ বৰঙণি যোগাবলৈ সক্ষম হয়।

বৃহত্তৰ অসমীয়া জাতিৰ অন্তৰ্গত বিভিন্ন জনগোষ্ঠীৰ মাজত গঢ়ি উঠা বিদ্ৰোহ আৰু পৃথকতত্ববাদী মানসিকতাৰ অৱসান ঘটোৱাৰ বিষয়ে বিষ্ণুৰাভাই কৈছিল ঃ

"অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনত ঠাই দিবলৈ অসমৰ প্ৰত্যেক



MOHAN LAL CHOUDHURY LIBRARY :
Library

পণ্ডিত লোকৰ মাজতহে আবদ্ধ হৈ আছে।

ৰাভাদেৱৰ দ্বাৰা ৰচিত প্ৰায় ডেৰশ গান আৰু কবিতাৰ ভিতৰত মুষ্টিমেয় কেইটামান গান আৰু কবিতাৰ বাহিৰে বাকী বিলাকে এতিয়ালৈকে সময়োচিত সমাদাৰ লাভ কৰিব নোৱাৰাটোও সামগ্ৰিকভাৱে অসমীয়া জাতিৰ দুৰ্বলতাৰে পৰিচয় বুলি ভাবিবৰ থল আছে। আনহাতে ৰাভাদেৱৰ প্ৰকাশিত-অপ্ৰকাশিত সম্পূৰ্ণ-অসম্পূৰ্ণ বা ডুখৰীয়া নাটকবোৰলৈ চকু ফুৰালেও নাট্য সাহিত্যতো তেখেতৰ ব্যুৎপত্তি থকাটোৰে প্ৰমাণ কৰে। জীৱিত কালত তেওঁ যদি এবাৰলৈ হ'লেও চালি-জাৰি চাই অকণমান শৃঙ্খলা লগাই যাব পাৰিলেহেঁতেন, তেন্তে এই ৰচনা সম্ভাৰবোৰেও অসমীয়া সাহিত্যৰ ভঁৰাল যে আৰু অধিক চহকী কৰি তুলিলেহেঁতেন তাত বিন্দুমাত্ৰও সন্দেহ নাই। 'সোণপাহি'ৰ চাৰিটা গল্পৰ লগত ভালেমান অপ্ৰকাশিত গল্প আৰু সাধুকথাৰ লেখীয়া কাহিনীৰ পিনে চকু দিলেও তেওঁ যে এজন ভাল গল্পকাৰো আছিল সেইকথা ক'ব পাৰি। বিশেষকৈ সাম্প্ৰদায়িক সম্প্ৰীতি আৰু জাতীয় সংহতিৰ পটভূমিত ৰচিত 'মামীৰ হাৰ' গল্পটো বেছ উন্নত মানদণ্ডৰ বুলি ক'ব লাগিব। তেওঁৰ একমাত্ৰ উপন্যাস 'মিচিং কনেঙ'ত মিচিংসকলৰ দৈনন্দিন ঘৰুৱা জীৱন, তেওঁলোকৰ উছৱ-পৰ্ব, ডেকা-গাভৰুৰ প্ৰেম-বিৰহ ইত্যাদিৰ বৰ্ণনাৰে ৰজনীকান্ত বৰদলৈদেৱে 'মিৰি-জীয়ৰী' উপন্যাসত সম্প্ৰদায়টোৰ ধৰ্মীয় জীৱনৰ বিস্তাৰিত বিৱৰণ দিবলৈ গৈ সামাজিক জীৱনৰ যিখিনি এৰি থৈ গৈছিল, সেইখিনি তেওঁ যেন সম্পূৰ্ণ কৰি অসমীয়া জাতীয় জীৱনলৈ এক অনবদ্য বৰঙণি যোগালে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৰাজিৰ অসমাপ্ত সংস্কৰণ দুখনেৰে কোবাকুবিকৈ পাৰ হৈ গ'লেও আমাৰ ধাৰণা হয়, তেওঁ সাহিত্য চৰ্চাক কিমান ঐকান্তিকতাৰে গ্ৰহণ কৰিছিল, যাৰ ফলশ্ৰুতিত বিপুল ৰচনাসম্ভাৰৰ উদ্ভৱ হৈছিল। তেওঁৰ নিচিনা সভাই-সমিতিয়ে ঘূৰিফুৰা আৰু বিপ্লৱৰ কামত লুকাই-পলাই ফুৰা এজনলোকে যে ইমান বিশাল অধ্যয়ন কৰিবলৈ তথা ৰচনা কৰিবলৈ সময় উলিয়াইছিল সেই কথা ভাবিবলৈকে টান লাগে। খুব কম সময়ৰ ভিতৰতে (১) নৰকাসুৰ, (২) বেউলা (৩) বিদ্যুৎ (৪) জন্মাষ্টমী (৫) ৰতনী (৬) বৰদৈচিলা (৭) সৌমাৰৰ ফিৰিঙতি (৮) শঙ্কৰদেৱ (৯) মাধৱদেৱ (১০) অজগৰৰ বিয়া (১১) চেনাই-চেনেহী আৰু (১২) দুৰ্যোধনৰ উৰুভঙ্গ— এই বাৰখনকৈ নাট ৰেকৰ্ডিং কৰি থৈ যোৱাটো কম কথা নহয়। ইয়াৰ ভিতৰত 'মাধৱদেৱ'খন কিবা কাৰণত অপ্ৰকাশিত অৱস্থাতেই নষ্ট হৈ যোৱা বুলি জনা যায়। তেওঁৰ যাযাবৰী জীৱনত আকৌ ক'ৰবাৰ এবাকচ কাগজ-পত্ৰ হেৰাই যোৱা কথাটোতো আছেই। মুঠৰ ওপৰত এটা কথা ঠিক যে অসমৰ ঐতিহ্য আৰু কলা-সংস্কৃতিৰ জগতখনেই তেওঁক অনেক সময়ত মোহাচ্ছন্ন কৰি ৰাখিছিল আৰু সেই সম্বন্ধে চৰ্চা কৰিবলৈ তেওঁ সকলো সময়তে চেষ্টাৰ ত্ৰুটি কৰা নাছিল; তাৰ নিদৰ্শন তেওঁৰ অজস্ৰ ৰচনাৰ মাজত সিচঁৰতি হৈ আছে। সেয়েহে তেওঁ অসমীয়া জাতিৰ অতি চেনেহৰ, আদৰৰ, শ্ৰদ্ধাৰ 'কলাগুৰু।'

ৰাভাদেৱৰ বুৰঞ্জীমূলক গদ্যৰচনা 'সৰ্বানন্দ সিংহ, ৰাঘৱ সিংহ, মোৱামৰীয়া বিদ্ৰোহ'ত সৰ্বানন্দৰ চৰিত্ৰক কেন্দ্ৰ কৰি মোৱামৰীয়া বিদ্ৰোহৰ যি পুংখানুপুংখ বিৱৰণ দাঙি ধৰা হৈছে, তাৰ সমকক্ষ ৰচনা অসমীয়া ভাষাত দ্বিতীয়খন নাই। মোৱামৰীয়াসকলে কেনেকৈ সংগঠিত হৈ যুদ্ধ কৰিবলৈ গৈছিল, কি বুলি ধ্বনি দি আতংকৰ সৃষ্টি কৰিছিল, গুৰুৰ প্ৰতি তেওঁলোকৰ যি অচলা ভক্তি আৰু শ্ৰদ্ধা, এইবিলাকৰ উপৰি ভালেমান নতুন নতুন ঠাইৰ ইতিবৃত্ত আৰু বৰ্ণনা আৰু বুৰঞ্জীমূলক সৰ্বানন্দ সিংহাদি চৰিত্ৰৰ বিচিত্ৰ ইতিহাস ইমান দীঘলীয়াকৈ বৰ্ণনা কৰিছে যে লেখকে ইয়াৰ কাৰণে কিমান বিস্তৃত অধ্যয়ন আৰু বিৰাট প্ৰস্তুতি চলাইছিল, ভাবিলে আচৰিত নহৈ নোৱাৰি।

'বড়ো সমাজ', 'বান-কবাং' আৰু 'মৰং' শিৰোণামাৰে ৰচিত ৰাভাৰ দীঘলীয়া অথচ মহামূল্যবান লেখা কেইটিয়ে বৰ্তমান অসমৰ জাতীয় জীৱনত ভয়ঙ্কৰ ৰূপ ধাৰণ কৰা জনজাতীয়-গোষ্ঠীগত সমস্যা সমাধানৰ বাটকটীয়া হিচাপে ভুমিকা পালন কৰাৰ থল আছে। কিয়নো ইয়াত ঐতিহ্যপূৰ্ণ বড়ো সমাজৰ কথা, মিচিংসকলৰ কথা, মৰং প্ৰতিষ্ঠান সম্বন্ধে যি বিলাক জ্ঞানগৰ্ভ কথা বৰ্ণিত হৈছে, সি অসমীয়া সাহিত্যত আজিও বিৰল। হয়তো এইজন বিষ্ণুপ্ৰসাদ ৰাভাৰ সৈতে সৰ্বসাধাৰণ অসমীয়া মানুহৰ পৰিচয়েই নাই। হ'লেও কিন্তু অসমীয়া বৌদ্ধিক জগতখনলৈ এই অৱদান প্ৰত্যাহ্বান স্বৰূপ । প্ৰসঙ্গক্ৰমে তেওঁ ড° বাণীকান্ত কাকতিদেৱৰ 'কলিতা জাতিৰ ইতিবৃত্ত'খন বাৰে পাচি ভুল বুলি কোৱাটোও কম ডাঙৰ কথা নহয় আৰু সমসাময়িক অসমীয়া বৌদ্ধিক জগতৰ পৰা ইয়াৰ কোনো প্ৰত্যাহ্বান তথা প্ৰতিক্ৰিয়া প্ৰকাশ নোহোৱাটোৰে ৰাভাৰ মতবাদৰেই জয় জয়কাৰ ঘোষণা নকৰে জানো?

জাতিৰ নামত ভণ্ড দেশপ্ৰেমিকৰ ভণ্ডামি উদঙাই দিয়াৰ বাবে তেওঁৰ 'স্বাধীন চিতীয়া হালোৱা ডেকা ৰুপুৱা' নামৰ গীতত বৰ্ণিত— "বাৰে-বাৰে জাতিৰ নামত চুৰি ডকাইতিৰ খেল,

বজ্জাতৰ দলে পাতে নানা জালিয়াতি মেল।"

পংক্তিটো সচাঁকৈয়ে প্ৰণিধানযোগ্য।

বিষ্ণুপ্ৰসাদ ৰাভাই সাম্যবাদী আন্দোলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈয়ে ক্ষান্ত নাথাকি ছোভিয়েট ইউনিয়ন



MOHAN LAL CHOUDHURY LIBRARY :
Library:

আৰু চীনদেশৰ কমিউনিষ্ট সংগঠন সম্বন্ধে সেই নতুন সমাজ গঠনৰ বিস্তাৰিত বিৱৰণ উপন্যাসোপম ভাষাৰে দি গৈছে। তদুপৰি সমসাময়িক ৰাজনৈতিক উত্থান-পতন সম্বন্ধে আৰু সমাজবাদী আন্দোলনৰ নানান দিশ সম্বন্ধে 'সমাজতন্ত্ৰৰ লাভ', 'মে' দিৱস', 'ডায়েলেক্‌টিকছ', 'ছোভিয়েট সমাজত নাৰী আৰু শিশুৰ সা-সুবিধা', 'ধনতন্ত্ৰবাদ', 'নাৎছীদল', 'ভাৰ্ছাই সন্ধি', 'হিটলাৰৰ মতামত', 'লেনিন', 'ট্ৰাংকী', 'পঞ্চায়ত', 'কমিনফৰ্ম', 'ভাৰতৰ ট্ৰেড ইউনিয়ন আন্দোলন', 'ছোচিয়েলিষ্ট আৰু কমিউনিষ্ট সমাজৰ পাৰ্থক্য', 'কাৰ্লমাৰ্ক্স', 'মাৰ্ক্সীয় অৰ্থনীতি' শিৰোনামাত যি চমু অথচ তথ্যসমৃদ্ধ লেখা সেইবোৰে অসমৰ নিস্পেষিত জন-জীৱনৰ প্ৰকৃত মুক্তি পথৰ সন্ধান দিব পাৰে।

ৰাভাদেৱৰ 'অসমীয়া কৃষ্টিৰ চমু আভাস' আৰু 'অসমীয়া কৃষ্টি' নামৰ ভাষণ দুটি আকাৰত সৰোবৰ হলেও মূল্য নিৰ্দ্ধাৰণত সাগৰ সদৃশ। 'অতীত অসম' নামৰ প্ৰবন্ধটোও অসমৰ জাতীয় জীৱনৰ আন এধাৰি মণি-মুকুতা। নিজস্ব ঠাঁচ, বিনয়ী ভাব প্ৰকাশ আৰু শক্তৰী সাহিত্য-গীত-নাটৰ শব্দ-যোজনাৰে তেওঁৰ লিখনি সমৃদ্ধ। অসমীয়া কৃষ্টি-সংস্কৃতিৰ কৌটিকলীয়া গভীৰ জ্ঞানে তেওঁৰ সাহিত্যক সুন্দৰ কৰি তুলিছে। অসমৰ প্ৰতি থকা তেওঁৰ গভীৰ প্ৰেম আৰু বিশ্ব-মানৱতাই সমান্তৰালভাবে অগ্ৰগতি লাভ কৰিছে তেওঁৰ লিখনিত।

অকল সংগীত, সাহিত্য বা ৰঙ্গমঞ্চতেই নহয়, জাতীয় জীৱনৰ প্ৰয়োজনীয় সকলো দিশৰে শিল্প-ভাস্কৰ্য্য, স্থাপত্য বেহা-বেপাৰ, বয়ন-বন্ধন, আ-অলঙ্কাৰ আদিৰ পৰা বৰ্ত্তমান যুগৰ ব্যৱসায়িক কলা-চিনেমা আদিৰো পথৰ নিৰ্দেশ দি গৈছে ৰাভাদেৱে। ১৯৪১ চনত মুক্তি লাভ কৰা ডিব্ৰুগড়ৰ আৰ্ কে বৰুৱা প্ৰডাক্‌শ্বনৰ বেনাৰত ৰোহিণী কুমাৰ বৰুৱাই প্ৰযোজনা আৰু পৰিচালনা কৰা তৃতীয় অসমীয়া ছবি 'মনোমতী'ত কলাগুৰুৱে নৃত্য পৰিচালক আৰু কণ্ঠশিল্পী হিচাপে অৰিহণা যোগায়। ১৯৪৮ চনত মুক্তি লভা ষষ্ঠখন অসমীয়া ছবি চিত্ৰাৱলী পিক্‌চাৰ্চৰ বেনাৰত নিৰ্মিত 'ছিৰাজ' যুটীয়াভাবে পৰিচালনা কৰিছিল— বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্মাই। এই 'ছিৰাজ' নাটত বিষ্ণুৰাভাই 'আঘোণা'ৰ চৰিত্ৰ ৰূপায়িত কৰে অতি সুনিপুণভাৱে। ১৯৫৬ চনত মুক্তি লাভ কৰা বি, পি, ফিল্মছৰ বেনাৰত ড° ভূপেন হাজৰিকাই প্ৰথম প্ৰযোজনা আৰু পৰিচালনা কৰা 'এৰা বাটৰ সুৰ' ছবিৰ এটা উল্লেখযোগ্য চৰিত্ৰ 'ভুজলুং কাকা'ৰ অভিনয় কৰি ভূঁয়সী প্ৰশংসা বুটলে বিষ্ণু ৰাভাই। আকৌ ১৯৬৪ চনত মুক্তি লভা, ৰাষ্ট্ৰপতিৰ পদক প্ৰাপ্ত কামৰূপ চিত্ৰৰ বেনাৰত ড° ভূপেন হাজৰিকাদেৱে প্ৰযোজনা আৰু পৰিচালনা কৰা 'প্ৰতিধ্বনি'ত 'খাচীচিয়েম'ৰ চৰিত্ৰত নিখুঁত অভিনয় কৰে বিষ্ণুৰাভাই। তদুপৰি ফণী শৰ্মাৰ 'কিয়' নাটত 'গেঠু'ৰ ভাওঁত অভিনয় কৰি দুয়োজনে পৰম আনন্দ লাভ কৰে। আনহাতে ৰাভাই প্ৰথম অসমীয়া বোলছবি 'জয়মতী'ৰ বিভিন্ন কামত জ্যোতিপ্ৰসাদক সহায় কৰে।

এনেদৰে মহাসংহতিৰ বৰসাকোঁ সাজি কলাগুৰুজনাই অসমক একতা, প্ৰেম, শ্ৰদ্ধা, শকতি-ভকতিৰে এচপৰা লোৰ দৰে গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলাই গ'ল। দেহলৈ আওকাণ কৰি তেওঁ সদায় দহৰ স্বাৰ্থতহে খাটিলে, মাতিলে, আঁকিলে, নাচিলে, হাঁহিলে, ভাওঁ দিলে, গালে, বালে আৰু শোষক অত্যাচাৰী ধনীক-বণিকক হুংকাৰি সাৱধান কৰি দিলে।

"হুচিয়াৰ! হুচিয়াৰ!!
ধনী! মহাজন!! জমিদাৰ!!!
হুচিয়াৰ! হুচিয়াৰ!!"

ৰাভাৰ শ্ৰেষ্ঠত্বৰ কথা বুজিবলৈ শ্ৰদ্ধেয় গুণেশ্বৰ সোণোৱাল ডাঙৰীয়াৰ টিপ্পনী যথেষ্ট গুৰুত্বপূৰ্ণ ঃ "কোনো লোকক কোনোৱে আৱহেলা কৰিলে বিষ্ণুৰাভাৰ কলম গুজৰি উঠে। সৰু-বৰ ভেদ আনিব খুজিলে, উচ্চ-নীচ মনোভাবে পোখা মেলিলেই ৰাভাই ৰুদ্ৰৰূপী প্ৰলয়ঙ্কাৰী ৰূপ ধাৰণ কৰে। বিলাসী জীৱন পৰিহাৰ কৰি অতি আৰ্তজনৰ জীৱন ধাৰণৰ সৈতে নিজকে বিলাই দি সৰ্বস্ব ত্যাগ কৰিব পৰা বলিষ্ঠ মানসিকতা অৰ্জন কৰিব পাৰে। সেয়ে ৰাভা সৰ্বশ্ৰেষ্ঠ।"

একবিংশ শতিকাৰ দুৱাৰ-ডলিত আমি আজি প্ৰত্যক্ষ কৰিছোঁ বিশ্বায়ন আৰু মুক্ত বাণিজ্যৰ দৌৰাত্ম্যত ক্ৰমান্বয়ে সুস্থ-গণমুখী সংস্কৃতিৰ গ্ৰাস। পশ্চিমীয়া ভোগবাদী পণ্য-সংস্কৃতিয়ে আমাৰ গণ-সংস্কৃতিক বিকৃত কৰি দুষ্কৃতিৰ ৰূপত যি শক্তি আগবাঢ়ি আহিছে ধনতন্ত্ৰবাদেই তাক লালন-পালন কৰি আছে। বিষ্ণুৰাভাই সচেতনভাবেই পুঁজিবাদী ধনতান্ত্ৰিকতাৰ বিপদ সম্পৰ্কে তেওঁৰ বিভিন্ন লেখাত বহলাই ব্যাখ্যা কৰিছে আৰু কৃষ্টি-সংস্কৃতিৰ স'তে মানুহৰ শ্ৰমৰ সম্পৰ্কক ফঁহিয়াই দেখুৱাইছে।

এইদৰে পূৰ্ণ মানৱপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ আদৰ্শ, দৰ্শন, সাহিত্য, চিত্ৰ, অভিনয় আৰু অন্যান্য কাৰ্যাৱলী আৰু চিন্তাধাৰা পুংখানুপুংখৰূপে বিচাৰ, বিশ্লেষণ আৰু অনুধাৱন কৰিব পাৰিলে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জনজীৱন তথা জাতীয় জীৱনৰ নৱ নৱ প্ৰতিষ্ঠাৰ অনেক সম্বল পোৱা যাব বুলি আমাৰ দৃঢ় বিশ্বাস। ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library

# নাৰী সবলীকৰণ

◆ শিল্পা বনিক
উঃ মাঃ ২ য় বৰ্ষ



পণ্ডিত জৱাহৰলাল নেহৰুৱে নাৰী-শিক্ষাৰ ওপৰত সঠিক গুৰুত্ব আৰোপ কৰি কৈছিল যে, "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।"

নাৰী সবলীকৰণ মানে পশ্চিমীয়া অপসংস্কৃতিৰ অন্ধ অনুকৰণ কৰি ভাৰতীয় আদৰ্শ বিসৰ্জন দিয়াটো নহয়। পশ্চিমৰ ভালখিনি লৈ আৰু বেয়াখিনি আঁতৰাই ভাৰতৰ নাৰীক ভাৰতীয় হিচাপে মৰ্য্যাদাৰ আসন দিয়াটোহে। আধুনিকতা মানে, বাহ্যিক লাহ্-বিলাস নহয়, সময়োপযোগী এক মানসিক দৃষ্টিভংগীহে। মেখেলা -চাদৰ পিন্ধিও নাৰী আধুনিক হ'ব পাৰে। বয়সেৰেও আধুনিকতা জুখিব নোৱাৰি। নাৰীয়েই হওঁক বা পুৰুষেই হওঁক, ডেকাই হওঁক বা বুঢ়াই হওঁক। যিজনে মনৰ পৰা কু-সংস্কাৰ, অন্ধ-বিশ্বাস আদি বৈজ্ঞানিক দৃষ্টিভংগীৰে সকলো কথা চালি-জাৰি চাব জানে তেওঁহে প্ৰকৃত আধুনিক।

সকলো কামৰে একো একোটা গঠনাত্মক দিশ থাকে। জীৱন-নিৰ্বাহৰ বাবে ধন উপাৰ্জন কৰিবলৈ যেনেকৈ যোগ্যতাৰ প্ৰয়োজন, ঠিক তেনেকৈ প্ৰণালীবদ্ধভাবে ৰন্ধা-বঢ়া ইত্যাদি কৰিবলৈও দক্ষতাৰ আৱশ্যক। বৰ্তমান একাংশ মহিলাই নিজকে বিভিন্ন ধৰণে অৰ্হতাসম্পন্ন কৰি তুলিবলৈ ঘৰৰ বাহিৰলৈ ওলাই আহিছে। একাংশ মহিলাই আকৌ ঘৰৰ সমস্ত কাৰ্য্য নিজহাতে কৰি অৰ্থৰাহি কৰিছে। ইও এক প্ৰকাৰ স্বাৱলম্বনেই। মহিলাসকলক স্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ, নাৰীৰ অন্তৰৰ সুপ্ত প্ৰতিভা বিকশিত কৰিবলৈ নাৰীসকলক লাগিব সামাজিক স্বীকৃতি আৰু সকলোৰে সহযোগিতা। সেই উদ্দেশ্যে ২০০১ চনটোক "আন্তৰ্জাতিক নাৰী সবলীকৰণ" আৰু "সমমৰ্য্যাদাৰ বৰ্ষ" হিচাপে ঘোষণা কৰা হৈছিল। ইন্দিৰা গান্ধী, সৰোজিনী নাইডু, এনি বেচেন্ট, কল্পনা চাওলা, পুনিতা অ'ৰা, কিৰণ বেদী, মেধা পাটেকাৰ, বাচেন্দ্ৰী পালৰ দৰে বৰ্তমানৰ মহিলাসকলে নিজ-নিজ কৰ্মক্ষেত্ৰত দক্ষতাৰ কাম কৰি দেশৰ প্ৰগতিত বৰঙণি যোগাইছে।

**শিক্ষাৰ ক্ষেত্ৰত নাৰীৰ সবলীকৰণ ঃ**

এখন দেশ বা সমাজৰ উন্নতি অথবা অৱনতি বহুলাংশে নিৰ্ভৰ কৰে সেই দেশৰ নাৰীৰ প্ৰগতিৰ ওপৰত। বৰ্তমানৰ নাৰী ভৱিষ্যতৰ মাতৃ। বৰ্তমান সংকটময় জীৱনযাত্ৰাত নাৰী-শিক্ষা আৰু ইয়াৰ সৎ ব্যৱহাৰৰ ওপৰতেই পৰিয়ালৰ সুখ-শান্তি আৰু ৰাষ্ট্ৰৰ প্ৰগতি নিৰ্ভৰ কৰে। পণ্ডিত জৱাহৰলাল নেহৰুৱে নাৰী-শিক্ষাৰ ওপৰত সঠিক গুৰুত্ব আৰোপ কৰি কৈছিল যে, "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।"

প্ৰাচীন ভাৰতীয় সমাজত নাৰী-শিক্ষাৰ সমাদৰ আছিল। ইয়াৰ ফলত কেইগৰাকীমান নাৰীয়ে অৰ্জন কৰা পাণ্ডিত্যৰ প্ৰমাণ বেদাদি গ্ৰন্থত পোৱা যায়। মধ্যযুগতো ভাৰতত মুছলমানৰ আক্ৰমণ আৰু প্ৰশাসন আৰম্ভ হোৱাৰ



MOHAN LAL CHOUDHURY LIBRARY :
Library:

আগলৈকে সম্ভ্ৰান্ত পৰিয়ালবোৰৰ উপৰিও সাধাৰণ মানুহৰ ঘৰতো স্ত্ৰীসকলৰ মাজত বিদ্যা-শিক্ষাৰ প্ৰচলন আছিল। ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শাসন কালৰ প্ৰথমছোৱাত নাৰীসকলক শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। কিন্তু খৃষ্টান মিছনেৰীসকলে এই বিষয়ত যত্নপৰ হোৱাৰ ফলত মুম্বাই, চেন্নাই আৰু কলিকতাক কেন্দ্ৰ কৰি কেইবাখনো নাৰী-শিক্ষাৰ অনুষ্ঠান গঢ়ি উঠিছে। ১৮৮২ চনত হান্টাৰ আয়োগে নাৰী-শিক্ষাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি এই শিতানত অধিক ধন খটুৱাবৰ কাৰণে চৰকাৰক পৰামৰ্শ দিয়ে। বিংশ শতাব্দীৰ আৰম্ভণিৰ লগে-লগে নাৰী-শিক্ষাৰ ক্ষেত্ৰত দেশত নৱ-জাগৰণ পৰিলক্ষিত হৈছিল। ১৯৫২-৫৩ চনত মুদালিয়াৰ আয়োগ আৰু ১৯৬৪-৬৬ চনত কোঠাৰী আয়োগৰ বিভিন্ন পৰামৰ্শৱলীৰ ভিত্তিত মহিলাৰ কাৰণে নানা সুবিধা আৰু নতুন পৰিকল্পনা কৰা হৈছিল। তথাপিও বিভিন্ন ক্ষেত্ৰত হোৱাৰ দৰে স্ত্ৰী-পুৰুষৰ শিক্ষিতৰ হাৰত থকা বিৰাট ব্যৱধান এতিয়াও অন্ত পৰা নাই।

এই ব্যৱধানৰ অন্যতম কাৰণ হল সামাজিক, ৰাজনৈতিক আৰু পুৰুষ প্ৰধান সমাজৰ মনোভাৱ। পুৰুষ আৰু নাৰীৰ মাজত থকা এই ব্যৱধান আঁতৰোৱাৰ একমাত্ৰ উপায় হল, সমাজৰ সকলো নাৰীকে প্ৰকৃতাৰ্থত শিক্ষিত কৰি তোলা। আমাৰ নাৰীসকল এতিয়াও নানা ধৰণৰ কু-সংস্কাৰ, অন্ধ-বিশ্বাস,ধৰ্মীয় গোড়ামি, সংকীৰ্ণতা, পৰ্দা প্ৰথা, যৌতুক প্ৰথা, বাল্য-বিবাহ আদিৰ দৰে ৰক্ষণশীল সামাজিক প্ৰথাৰ বলি হৈয়ে আছে। গণতান্ত্ৰিক ভাৰতৰ সংবিধানত স্ত্ৰী-পুৰুষৰ মাজত কোনো বিভেদ ৰখা হোৱা নাই। কিন্তু বাস্তৱ ক্ষেত্ৰত ভাৰতীয় নাৰীয়ে সচেতনতা আৰ সজাগতাৰ অভাৱত এই অধিকাৰ ভোগ কৰিব পৰা নাই। পুৰুষ প্ৰধান সমাজত পুৰুষৰ দ্বাৰাই সিহঁতে এতিয়াও শোষিত-নিষ্পেষিত হৈ আছে। নাৰী যিমানেই উন্নতিৰ পথত অগ্ৰসৰ নহওঁক কিয়, পুৰুষ-শাসিত সমাজত সিহঁতৰ স্থান সদায় তলত। আৰ্থিক দিশতো নাৰীসকল পুৰুষৰ ওপৰত নিৰ্ভৰশীল। এই সকলো বিলাক আলোচনা কৰি দেখা গ'ল যে, নাৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ উঠিলেহে সমাজত নাৰী-পুৰুষৰ মাজত থকা বিভেদ আঁতৰ কৰা সম্ভৱ হ'ব।

স্ত্ৰী-শিক্ষাৰ এই প্ৰয়োজনীয়তাৰ ওপৰত লক্ষ্য কৰি দেশত ব্যাপক হাৰত নাৰী-শিক্ষাৰ প্ৰচলনৰ বাবে কিছুমান বিশেষ দিশত অধিক গুৰুত্ব দিব লাগিব।

যেনে ঃ-

১। শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত নাৰী-শিক্ষাক আৱশ্যকীয় বুলি গ্ৰহণ কৰিব লাগিব।

২। স্ত্ৰী-শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে জনমত গঠনত গুৰুত্ব দিব লাগে।

৩। প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে অধিক শিক্ষয়িত্ৰী নিয়োগ কৰিব লাগে আৰু প্ৰশিক্ষণৰ সুবিধা বঢ়াব লাগে।

৪। গাওঁ অঞ্চলত ছাত্ৰীসকলক শিক্ষাৰ আৱশ্যকীয় সঁজুলি বিনামূল্যে দিব লাগে।

৫। পৰম্পৰাগতভাৱে ছোৱালী আৰু ল'ৰাৰ কাম বুলি কোনো হাতৰ কাম বা শিল্প আদিৰ ক্ষেত্ৰত শিক্ষাৰ প্ৰভেদ ৰাখিব নালাগে।

৬। উপযুক্ত বয়সৰ ছোৱালীক স্কুলত নাম-ভৰ্ত্তিকৰণৰ বাবে উৎসাহ দিবলৈ ব্যৱস্থা হাতত ল'ব লাগে। অভিভাৱকসকলে এই ক্ষেত্ৰত সচেতন হ'ব লাগে।

৭। গণিত আৰু বিজ্ঞান-বিষয়ক পাঠ্যক্ৰমত শিক্ষা দিবলৈ ছাত্ৰীসকলক উৎসাহিত কৰিব লাগে।

৮। মহিলাৰ বাবে স্নাতকোত্তৰ বৃত্তিৰ ব্যৱস্থা অধিক কৰিব লাগে।

৯। প্ৰত্যেক মহকুমাৰ সদৰ ঠাইতে একোখনকৈ ছোৱালী হাইস্কুল আৰু উচ্চ মাধ্যমিক স্কুল চৰকাৰী কৰিব লাগে।

১০। জনসাধাৰণৰ মাজত নাৰী-শিক্ষাৰ প্ৰয়োজন সম্বন্ধে সচেতনতা আনিবৰ বাবে চৰকাৰী, বেচৰকাৰী, সামাজিক কল্যাণমূলক অনুষ্ঠানৰ সহযোগত প্ৰচাৰ কাৰ্য আৰু বিদ্যালয়ত ছাত্ৰীসকলৰ ভৰ্তিৰ সংখ্যা বৃদ্ধিকৰণত বিশেষ অভিযান আৰম্ভ কৰিব লাগে।

১১। বিদেশত অধ্যয়নৰ বাবে মহিলাসকলৰ কাৰণে বৃত্তিৰ ব্যৱস্থা কৰিব লাগে।

১২। প্ৰাপ্তবয়স্ক মহিলাসকলৰ মাজত শিক্ষা-বিস্তাৰৰ বাবে ব্যৱস্থা কৰা, বিশেষকৈ গাওঁ আৰু অনুন্নত অঞ্চলবোৰত ইয়াৰ বাবে সংক্ষিপ্ত পাঠ্যক্ৰমৰ প্ৰচলন কৰিব লাগে।

শেষত ক'ব পাৰি যে, গণতান্ত্ৰিক সমাজ এখনত নাৰীৰ মৰ্য্যাদা বৃদ্ধি কৰি নাৰীয়ে উপযুক্ত শিক্ষা পাবই লাগিব। সমাজত চলি থকা নানা ধৰণৰ কু-সংস্কাৰ, অন্ধ-বিশ্বাস, নাৰী-নিৰ্যাতন, শোষণ, বঞ্চনা আদি সকলোৰে মূলতে হ'ল নাৰীৰ নিৰক্ষৰতা। প্ৰকৃততে এটা জাতিৰ অন্তৰ-আত্মাক আৱিষ্কাৰ কৰিবলৈ হ'লে, সেই জাতিটোৰ পুৰুষ-সমাজখনৰ লগতে নাৰীৰ শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক মৰ্য্যাদাৰ ওপৰত গুৰুত্ব দিব লাগিব। তাৰ কাৰণে লাগিব শিক্ষা।

মেক্সিম গৰ্কীয়ে লিখিছিল যে, যদি নাৰীক বিকাশৰ পথত বিপথে পৰিচালিত কৰা নহ'লহেঁতেন, নাৰীৰ কৰ্তব্য যদি কেৱল ৰক্ষিতা, মাতৃ, ঘৰ ৰখোঁতা হিচাপে সীমিত কৰা নহ'লহেঁতেন, যদি নাৰীক বিশাল জনসাধাৰণৰ সাংস্কৃতিক আৰু ৰাজনৈতিক কামৰ পৰা আঁতৰাই সংকীৰ্ণ পৰিসৰত ৰখা নহ'লহেঁতেন, সংস্কৃতি দুগুণে অগ্ৰসৰ হ'লহেঁতেন। ভাৰতৰ দৰে গণতান্ত্ৰিক দেশ এখনৰ ভৱিষ্যতৰ উন্নতিৰ বাবে সুস্থ-সবল সু-নাগৰিক কৰি গঢ়ি দেশ আৰু জাতিৰ বিকাশত ইন্ধন যোগাবলৈ নাৰীৰ উপযুক্ত শিক্ষাৰ প্ৰয়োজন। ◆

*বিঃ দ্ৰঃ আমাৰ মহাবিদ্যালয়ৰ নাৰী সবলীকৰণ বিভাগৰ দ্বাৰা 'নাৰী সবলীকৰণত শিক্ষাৰ ভূমিকা' শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত।*



MOHAN LAL CHOUDHURY LIBRARY :

# আৰাধ্য সময়

◆ আব্দুৰ ৰহিম আহমেদ
স্নাতক ৩ য় বৰ্ষ

মৃত্যু জীৱনৰ নিৰ্ঘাত সত্য, কিন্তু জীৱনৰ লক্ষ্য নহয়। মানুহ (স্ৰষ্টাৰ) সৃষ্টিৰ সভ্য জীৱ, শ্ৰেষ্ঠ জীৱ। গতিকে সৃষ্টিয়েই আমাৰ কাম্য। সেইবাবে আমাৰ দায়িত্ব গধুৰ। মানুহ হিচাপে মানুহৰ প্ৰতি, শ্ৰেষ্ঠ জীৱ হিচাপেও প্ৰকৃতিৰ অন্যান্য জীৱ-জন্তুৰ লগতে পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ দায়িত্ব আমাৰেই। কিন্তু আমি সততে কৰ্তব্যবোৰ পাহৰি নিজ বিষয়-বাসনাতে নিমজ্জিত হৈ থাকো। নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শনৰ বাবে সাগৰৰ গভীৰতাতকৈও গভীৰতালৈ আমাৰ যাত্ৰা। আকাশতকৈও বিস্তৃত আমাৰ উচ্চাকাংক্ষাৰ পৰিসৰ। আশাত বন্দী হৈ পাহৰি যাবলৈ ধৰিছোঁ নিজকে, হেৰুৱাই আছো আমাৰ ঐতিহ্য, বিনাদ্বিধাই ত্যাগ কৰি আছো অতীতৰ সম্পৰ্ক। কিন্তু এই আশাৰ মাজত বিচাৰি পাইছোঁ ছলনাময়ী ভাষা আৰু এই ছলনাময়ী ভাষাৰ মায়াজালত নিজকে আৱদ্ধ কৰি হৈ পৰিছো নিজে পংগু।

নিজৰ প্ৰভাৱ বিস্তাৰৰ মানসেৰে, আমি গতি কৰিছোঁ প্ৰতিটো অণু-পৰমাণুলৈকে, কাঢ়ি আনিছোঁ সিহঁতৰ সুস্থিৰতা আৰু সংগোপনে বিসৰ্জন দিছোঁ নিজৰ সুস্থিৰতা, সুস্থিৰ বিবেক, সুস্থিৰ মস্তিষ্ক, সুস্থিৰ চিন্তা।

আমি আধুনিক মানৱ নৱ-প্ৰজন্ম। আমাৰ একমাত্ৰ বিশ্বাস, কেৱল গতি— স্থিৰতা যেন অপৰাধ। কিন্তু আত্ম বিশ্লেষণৰ বাবে অকণমান সুস্থিৰতা, অকণমান মৌনতাৰ নিতান্তই প্ৰয়োজন। মৌনতা আজিকালি অভিধানিক শব্দ। আকাশে, বতাহে কেৱল মাথোঁ কিছুমান বিশৃংখল, বিকৃত, অশ্লীল শব্দৰ ৰাজত্ব। তথাপি আমি স-গৌৰৱেৰে ঘোষণা কৰোঁ সভ্যতাৰ চূড়ান্ত শিখৰত আমাৰেই স্থিতি।

আমিয়েই জীৱ-শ্ৰেষ্ঠ। মন গ'লেই উৰণীয়া পক্ষীৰ ডেউকা ভাঙি ৰং চাইছো। আমিও পাহৰি যাওঁ যে আমি সৃষ্টিৰ ক্ষুদ্ৰতম অংশ। প্ৰকৃততে আমি নিজৰ অস্তিত্ব বিচাৰি নিজকে হেৰুৱাবলৈ ধৰিছোঁ। আমি বৰ্তমান আত্ম অহংকাৰী হৈ হেৰুৱাই পেলাইছো মনুষত্ব আৰু যৌনতৃষ্ণাৰ তাড়নাত উপভোগ কৰিছোঁ অসহায় নাৰীসকলৰ দেহ আৰু নিজ ক্ষুদ্ৰ স্বাৰ্থৰ খাতিৰত প্ৰশ্ৰয় দিছোঁ নাৰী নিৰ্যাতনকাৰীক। দেশৰ ৰাজপথত লানি-নিছিগা বোমা কাণ্ডবোৰক প্ৰত্যক্ষ কৰাৰ পিছতো কেনেকৈ বিশ্বাস কৰোঁ বৰ্তমান সমাজ দুষ্কৃতিকাৰীৰ পৰা মুক্ত? ইয়াৰ মাজতো আছে সৎ বিচাৰ সম্পন্ন ব্যক্তি। কোনো অসহায় ব্যক্তিক আমি সহায়ৰ হাত মেলিবলৈ অসমৰ্থ। নিজৰ আত্মৰক্ষাৰ বাবেই বিবেকৰ বিপৰীতে কৰ্ম কৰিবলৈ বাধ্য।

আশাত বন্দী গোটেই সৃষ্টি, মানুহৰ আশাৰ শেষ নাই। হে মহা শক্তিবান 'সময়' তোমাতকৈ শক্তিশালী জানো কোনোবা আছে? তোমাৰ অনেক ৰূপ নিৰ্মল

আমি আধুনিক মানৱ নৱ-প্ৰজন্ম। আমাৰ একমাত্ৰ বিশ্বাস, কেৱল গতি— স্থিৰতা যেন অপৰাধ। কিন্তু আত্ম বিশ্লেষণৰ বাবে অকণমান সুস্থিৰতা, অকণমান মৌনতাৰ নিতান্তই প্ৰয়োজন। মৌনতা আজিকালি অভিধানিক শব্দ। আকাশে, বতাহে কেৱল মাথোঁ কিছুমান বিশৃংখল, বিকৃত, অশ্লীল শব্দৰ ৰাজত্ব। তথাপি আমি স-গৌৰৱেৰে ঘোষণা কৰোঁ সভ্যতাৰ চূড়ান্ত শিখৰত আমাৰেই স্থিতি।



MOHAN LAL CHOUDHURY LIBRARY :



আৰু স্বচ্ছ। তোমাৰ ৰূপ-গুণৰ ব্যাখ্যা কৰিবলৈ মই অপাৰগ। কিন্তু তোমালৈ যে মোৰ অধীৰ অপেক্ষা, তোমাৰ অপেক্ষাত উজাগৰে কটাইছোঁ প্ৰতিটো ৰাতি। অন্ধকাৰে মোক গ্ৰাস কৰি দূৰ-দূৰণিলৈ খেদি পঠিয়াইছে, বিচাৰিছোঁ তোমাৰেই অস্তিত্ব। তোমাক মই দেখা নাই, নাজানো তোমাৰ আকাৰ, আকৃতি, তথাপিও তোমাক স্বাগতম জনাবলৈ মোৰ এই উজাগৰী সাধনা, এক মৌন তপস্যা!

এহাল উলংগ নৰ-নাৰী, নাই জীৱনৰ কোনো জটিলতা, নাই চিন্তা-ভাবনা। সেইদিনা তুমিয়েই আছিলা এক বৃক্ষ যাৰ ফল খাই নগ্ন নৰ-নাৰীয়ে বিচাৰি পাইছিল নগ্নতাৰো নান্দনিক সৌন্দৰ্য্য। সৃষ্টিৰ তাড়নাত চিন্তাই ছট্‌ফটাইছিল, জ্বলি উঠিছিল হৃদয় আৰু আশ্ৰয় লৈছিল 'প্ৰেমৰ'। বৰ্তমান এই প্ৰেমো যেন বিকৃত হ'বলৈ ধৰিছে। পৰকীয়া প্ৰেমেৰে পাতনি মেলে এক নতুন অধ্যায়, সৃষ্টি হয় ভিন্ন মানসিকতাৰ জাতক-জাতিকা। বৰ্তমান পিতৃয়ে জীৱন অতিবাহিত কৰিছে জীয়েকৰ দেহোপাৰ্জিত ধনেৰে। আৰুনো কিমান! হে সময়! কি নিৰ্মম সত্য তুমি!

আৱেগ-অনুভূতি আজি তেনেই নগণ্য। মৃতকৰ শৰৰে সাজিছোঁ অট্টালিকা, আকাশলৈ যোৱা জখলা, দিনক দিনে অতি অৰ্থলোলুপ, স্বাৰ্থপৰ হ'ব লাগিছোঁ আৰু ভিৰৰ মাজতো ৰূপান্তৰ হৈছোঁ আত্মকেন্দ্ৰিক একো একোটা যন্ত্ৰলৈ। এই নিসংগতা মৰিশালীৰ নিসংগতা। হে 'সময়' তোমালৈ মোৰ আহ্বান। এন্ধাৰে সকলোকে গ্ৰাস কৰিব লাগিছে। নিজকৰ্মৰ বিচাৰ-বিশ্লেষণ সম্প্ৰতি গৌণ বিষয় বৰং সপক্ষে সততে যিকোনো প্ৰকাৰে নিজকৰ্মৰ যুক্তিহে বিচাৰি লওঁ আমি মানুহবোৰে।

মইও হেৰুৱাইছো সুস্থিৰতা, কোনো এক এন্ধাৰ ৰাতি মাতাল হোৱাৰ ভয়ত উত্তাল বতাহজাকে চঞ্চল কৰাৰ ভয়ত পলাই ফুৰিছোঁ। আৰু আশ্ৰয় লৈছোঁ সৰু জুপুৰীটোত। জুপুৰীটোৰ সৰু ফুটাৰে অহা পোহৰ চেৰেঙাত সদায় মই তোমাক বিচাৰোঁ। হে সময় তোমাৰ দৃষ্টিত হয়তো মই নীচ, তথাপিও তোমাৰ আগমনেই মোৰ কামনা। মই তোমাক সহ্য কৰিব নোৱাৰিলেও তুমি আহা, মোৰ মৃত্যু নহ'লেও তুমি আহা। কাৰণ মই নিশ্চিত যে তুমি আহিলে সমাজৰ দেৱালবোৰ খহি পৰিব, ভাতৃত্বৰ স্নেহেৰে উপচিব ধৰা, আৱেগ-অনুভূতিবোৰেও পাব মৰ্য্যাদা। সু-কণ্ঠী চৰায়ে শুৱলা গীত গাব তুমি আহিলে ......।

হে সময়, তোমালৈ মোৰ অধীৰ অপেক্ষা, তুমি আহিবা ; মই নিশ্চিতে বাট চাই ৰ'লো তোমালৈ..... তুমি আহিবা ......!! ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :



# তৃতীয় পল্লব

# অনুভূতি শিল্প

MOHAN LAL CHOUDHURY LIBRARY :
Library :



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# জি. এল. চি. কলেজৰ মৰমলগা ছোৱালীজনী

◆ কবিতা সিং
উঃ মাঃ ১ ম বৰ্ষ

তাইৰ শৰীৰ তাইৰ চুলি
চুলিৰ ভাঁজত শুই থাকে সাগৰীয় আতচবাজী
এন্ধাৰৰ দিনলৈ সাঁচি ৰাখে ৰেটিনাত
জি. এল. চি কলেজৰ সেউজীয়া স্মৃতি
বুকুত লালন কৰে এভাৰেষ্টমুখী আশা
দামী হাইহিল পিন্ধি
বগাই ফুৰে জি. এল. চিৰ বাৰান্দা
জোনাকী পৰুৱাৰ উষ্ণতাৰে
দেহৰ ভূগোলত বৈ থাকে
সুখৰ গান আৰু প্ৰেমৰ ছবি
মনটো নিৰাশ হ'লে.....
লাইব্ৰেৰীত লুটিয়াই প্ৰণৱ কুমাৰ বৰ্মনৰ পৃষ্ঠা
নতুবা কংকণ তালুকদাৰৰ প্ৰেমৰ কবিতা
অসম বুকষ্টলৰ পৰা দাম দৰ কৰি কিনে
অৰুন্ধতী ৰয়ৰ 'গড অব স্মল থিংছ'
আৰু জন অষ্টিনৰ 'চাইলাছ মাৰ্নাৰ'।





# গছে মাটি সলাব নোৱাৰাৰ দৰে

◆ নীলিমা খানম
উঃ মাঃ ১ ম বৰ্ষ

গছে মাটি সলাব নোৱাৰাৰ দৰে
মযো সলনি কৰিব নোৱাৰো মোক
সলনি কৰিব নোৱাৰো মোৰ হৃদয় আৰু হৃদয়ৰ আশ্ৰয়
গছে মাটি সলাব নোৱাৰাৰ দৰে
মযো সলনি কৰিব নোৱাৰো মোৰ বাটৰ ঠিকনা
অনুভূতিৰ ভূগোল
বিচাৰিব নোৱাৰো সণ্ঢালনি সপোনৰ বিকল্প
ছাঁয়ে যিদৰে আৱৰি ৰাখিব নোৱাৰে জুইৰ শিখা
চৌৰে যিদৰে অনুবাদ কৰিব নোৱাৰে নদীৰ ভাষা
যিদৰে মযো এক প্ৰাচীন অক্ষমতাৰ অনুসৰণকাৰী
উভতি যোৱাৰ পথত নদীয়ে নিবিচৰাৰ দৰে
মযো আৰু নিবিচাৰো কাৰো জৰায়ুত
নাভীলগ্ন হোৱাৰ গোপন বাট এটা
এন্ধাৰে এন্ধাৰত নিজক খেপিয়াই ফুৰাৰ দৰে
মযো মাথোঁ বিচাৰি ফুৰো দিনে ৰাতি
মোৰ অনুগত ছাঁ ______



MOHAN LAL CHOUDHURY LIBRARY :
Library :

## শৰতৰ উদাস পদ্য

◆ শান্তা সাহা
স্নাতক ১ ম বৰ্ষ

তুমি .....!
তুমিয়েই মোৰ জীৱন, মৰণ।
পৃথিৱীখন তোমাক লৈয়েই সুন্দৰ,
এই পৃথিৱীতকৈও সুন্দৰ তুমি ......।

বৈ থকা নদীৰ মাজত
কোমল অনুভূতি তুমি .......
জীৱন শেষ হয় তোমাক লৈ,
পুনৰুজ্জীৱনৰ আৰম্ভণি তুমি।

জোনৰ মাজত নহয়,
শৰতৰ কুহুমীয়া জোন তুমি।
উদাসীন নহয়,
শৰতৰ উদাস পদ্য তুমি,
ধূসৰ মোহনাত অদৃশ্য হৈ
সুখী!
মই আৰু তুমি।





## কংকণ তালুকদাৰৰ প্ৰেমত এজনী ছোৱালী

◆ প্ৰণিতা ভদ্ৰ
উঃ মাঃ ১ ম বৰ্ষ

লাজে ঢকা বয়স পূৰঠ হওঁ কি নৌহওঁতেই
এদিনাখন মুখা-মুখি হৈছিলো
কংকণ তালুকদাৰৰ 'হৃদয়'ৰ স'তে
আয়ত্ব কৰিছিলো 'হৃদয়'ৰ প্ৰতিটো পৃষ্ঠা
বুকুৰেদি উজাই আহিছিল অনামী শিহঁৰণ

"তৰমুজৰ দৰে ফালি থোৱা হৃদয়খন"
বিচাৰি হাবাথুৰি খোৱাৰ পিছত
প্ৰেমত পৰিছিলো কংকণ তালুকদাৰৰ
আৰু তেওঁৰ প্ৰতিটো কবিতাৰ পংক্তিৰ

মোৰ সোণাৰু বুকুত শিপাইছিল তেওঁ
লহপহকৈ বাঢ়ি আহিছিল
সুতীব্ৰ অনুভূতি হৈ বন্ধ হৃদয়ত
কলিজাৰ চোতালত জোনাকৰ জোৱাৰ
তেজৰ সিৰে-সিৰে বয় সুখৰ নদী

তেওঁক লগ নোপোৱাৰ হতাশাত
দুখৰ সাগৰত সাঁতুৰি থকা দিনবোৰত
সুযোগ পালেই দুখে কূটি খায় সুখ

হে মোৰ কবিতাৰ প্ৰিয় পাঠক ;
আপুনি যদি তেওঁক লগ পায়
অনুগ্ৰহ কৰি ক'বচোন—
তেওঁক লগ নোপোৱাৰ যন্ত্ৰণাৰ বেথা
বুকুত সাগৰনীল খৰিকাজাঁই ফুলাৰ কথা।

## অবিৰত যাত্ৰা

◆ ৰিন্তীমণি দাস
উঃ মাঃ ২ য় বৰ্ষ

ল'ৰালি কালৰ নিচুকণি দিনবোৰ
নীৰৱতাৰে পাৰ কৰি
আৰম্ভ কৰিছোঁ এক
অবিৰত যাত্ৰাৰ—
অনুভৱৰ খোজে খোজে সজাইছোঁ
এখন জকমকীয়া ফুলনি
অপূৰ্ণতাৰ বুকুত সজাইছোঁ
পূৰ্ণতাৰ সেউজী সুবাস
দুৰ্গম পথৰ দুশ্চিন্তাত
কেতিয়াবা অনুভূত হয়
অনুভৱৰ প্ৰতিফলন
এতিয়া অনন্ত যাত্ৰাৰ বাটত
মোৰ মন যায় অচিন ক'ৰবালৈ
যেন গৈ গৈ গৈ থাকিম
গৈ গৈ আৰু উভতি নাহিম
সকলো সপোন, দিঠক আৰু
পাৰ্থিৱ মায়াক ভেদ কৰি যাম
লুকা-ভাকু খেলি বৈ থাকিম
স্মৃতিৰ আলমবোৰ লৈ
অন্তহীন প্ৰতীক্ষাত ...





MOHAN LAL CHOUDHURY LIBRARY :



# তোমাৰ অনুপস্থিতিত

◆ শ্বফিকুল ইছলাম
স্নাতক ২ য় বৰ্ষ

শেঁতা পৰা ওঁঠত
মধুৰ হাঁহিৰে বুলাই তুমিয়ে
দিছিলা আগুৱাই যাবলৈ প্ৰেৰণা,
এতিয়াচোন সেইবোৰ হ'ল
উকা কাগজৰ বাক্‌হীন বেথা
ভগ্ন হৃদয়ৰ বেদনা।
তোমাৰ উপস্থিতিত হাঁহিৰ মাজেৰে
স্বৰ্গীয় সুখবোৰ
গৈছিল যে বাগৰি
এতিয়াচোন সেইবোৰ
নিয়ৰৰ টোপালৰ দৰে
দুখ হৈ নয়নেৰে যায় নিগৰি।
তোমাৰ অনুপস্থিতিত
হাঁহিবোৰো গৈছে
দূৰ দিগন্তলৈ আঁতৰি
এতিয়া মই মাথো জীয়াই আছোঁ
তোমাৰ স্মৃতিকেই সুঁৱৰি।

# প্ৰেমৰ সপোন

◆ শিল্পা বনিক
স্নাতক ১ ম বৰ্ষ

বতাহ হৈ আহিছিলা
মোৰ কোমল জীৱনত ;
আছিলা যে তুমি
মোৰ হৃদয় স্পন্দনত।
দেখিছিলো তোমাৰ মাজত পূৰ্ণিমাৰ জোন ;
গঢ়িছিলো যে কিছুমান ৰঙীন সপোন।
কিন্তু, ক'ৰবাৰ নিষ্ঠুৰ ধুমুহাই
ভাঙি দিলে মোৰ
আশাৰ সপোনবোৰ ..........।
ক'লা ডাৱৰ আৰু সমুদ্ৰৰ বলিয়া ঢৌৱে
পদপিষ্ট কৰিলে মোৰ ৰঙীন সপোন
কিয়যে মিছাতে
সপোন দেখিছিলো
হাত মেলিছিলো
দূৰ আকাশলৈ
পাহৰিব খুজিওতো
পাহৰিব নোৱাৰি ;
মনব দাপোণখনত এতিয়াও
ভাঁহি উঠে তোমাৰেই প্ৰতিচ্ছবি।





MOHAN LAL CHOUDHURY LIBRARY :
Library :

## বৰষুণ

◆ বিভা সৰকাৰ
স্নাতক ১ ম বৰ্ষ

বৰষুণ দিয়াত এনেকুৰা লাগিছে যেন—
পৃথিৱীখনে গা-ধুই উঠিছে,
বৰষুণৰ টোপালবোৰে—
গছৰ পাতৰ ওপৰত নাচি-নাচি,
কিবা যেন ক'ব খুজিছে।
টোপালবোৰত যেতিয়া সূৰ্য্যই—
পোহৰ দিয়ে, তেতিয়া টোপালবোৰে,
সূৰ্য্যৰ পিনে চাই যেন কিৰিলি মাৰিছে।
বৰষুণৰ টোপালবোৰ যেতিয়া—
সৰি সৰি মাটিত পৰে তেতিয়া,
এনে লাগে যেন টোপালবোৰে—
পৃথিৱীক চুম্বন কৰিছে।
বৰষুণ দিয়াত পৃথিৱী যেন—
চিৰ সেউজীয়া হৈ উঠিছে।





## তোমাক মই ভালপাওঁ

◆ নিপন দাস
উঃ মাঃ ১ ম বৰ্ষ

তোমাক যে মই বিচাৰো
সেই কথা ৰ'দ-বৰষুণেও জানে,
কাৰণ তোমালৈ ৰৈ থকা মোক
সিহঁত সকলোৱে দেখে।

তুমি যে মোৰ আপোন
সেই কথা গলিৰ ভিক্ষাৰীবোৰেও জানে
চুবুৰীৰ ভোকাতুৰ শিশুবোৰেও জানে
তেওঁলোকৰ সকৰুণ দুচকুলৈ
মই জুমি-জুমি চাওঁ
কিজানিবা তোমাৰ বুকুৰ আকুলতাখিনি
সিহঁতৰ মাজত বিচাৰি পাওঁ

তোমাক মই ভালপাওঁ
নদীৰ পানী, শূন্যৰ বতাহেও জানে
গছে-গছে বগাই ফুৰা লতাবোৰেও জানে
কিয়নো সিহঁতে প্ৰত্যেকেই বুজি পায় ভালপোৱাৰ সংজ্ঞা।

তোমাক যে মই ভালপাওঁ
ডালে-ডালে উৰি ফুৰা চৰাইবোৰেও জানে
ফুলে-ফুলে নাচি থকা পখিলাবোৰেও জানে
ফুলৰ মৌ পান কৰি থকা মৌ-মাখিবোৰেও জানে
কিয়নো তোমাৰ বাবে গাই থকা গানবোৰ
সিহঁত সকলোৱে মনে মনে শুনে।



MOHAN LAL CHOUDHURY LIBRARY :



## নাজানো তুমি কোন ?

◆ ৰুবী কৰ্মকাৰ
স্নাতক ১ ম বৰ্ষ

নাজানো তুমি কোন !
সিদিনা আহিছিলা
জীৱনৰ ত'ৰা বছা আকাশত
সপোন হৈ ফুলিছিলা ...

মোৰ এন্ধাৰ জীৱনৰ সিপিঠিত
অযুত চাকি জ্বলাই
আঁকিছিলা পোহৰৰ অলেখ ছবি

মই তন্ময়তাৰে চাই আছিলো
তোমাৰ আঙুলিৰ ৰং তুলি

মৰহা মন বাগিচাত
সঞ্জীৱনী সুধা ঢালি
জীপাল কৰিছা ফুলৰ কলি

সেই যে তুমি আহিছিলা
জীৱনৰ ত'ৰা বছা আকাশত
সপোন হৈ ফুলিছিলা
শুকান মন সাগৰত
ঢৌ তুলিছিলা,
মুকুতাৰ দৰে পানীত
জিক্‌মিকাই আছিলা

কোন আছিলা বাৰু তুমি
আজিও নাপালো চিনি...



## প্ৰেমৰ অনুভূতি

◆ জিতুমণি কলিতা
স্নাতক ১ ম বৰ্ষ

তুমি নজনাকৈ
মোৰ হৃদয় পথাৰত
তোমাৰ নামত কবিতা গজে
তুমি নজনাকৈয়ে
এখুজি দুখুজিকৈ বগালো মই
তোমাৰ হৃদয়।
তুমি নজনাকৈয়ে
তোমাৰ নামৰ সংজ্ঞাটো বিচাৰি যাওঁ মই
জনতাৰ আঁৰে আঁৰে যাযাবৰৰ দৰে
তুমি নজনাকৈয়ে
কত উজাগৰী নিশা কটালো মই
তোমাৰ কথাকে ভাবি।
তুমি নজনাকৈয়ে
মোৰ হৃদয়ত তোমাৰ
প্ৰতিচ্ছবিকে আঁকিলো মই
মোৰ কলিজাৰ কেঁচা তেজেৰে।
তুমি নজনাকৈয়ে
তোমাৰ নামত অৰ্পণ কৰিলো মই
মোৰ তৃষ্ণাতুৰ ৰিক্ত হৃদয়।
তুমি নজনাকৈয়ে
কত যে মন্দিৰত আশাৰ দীপ
জ্বলালো মই ......!



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# চতুর্থ পল্লব

# কথা শিল্প



MOHAN LAL CHOUDHURY LIBRARY :

Library:

# চক্রবৎ

◆ হেমন্ত কুমাৰ দাস
প্ৰবক্তা, অসমীয়া বিভাগ



ৰাতিপুৱা পাঁচ বজাত শুই উঠাতো পৰমানন্দ চহৰীয়াৰ অভ্যাসত পৰিণত হৈছে। ৰাতি পলমকৈ শুলেও তেওঁ টেবুল ঘড়ীত এলাৰ্ম দি পুৱা পাঁচ মান বজাত উঠে।

চহৰৰ মানুহে খালী পেটত ৰঙা চাহ খায়। ৰঙা চাহৰ উপকাৰিতা আছে বাবে পৰমান্দয়ো এই নিয়মৰ ব্যতিক্ৰম হ'ব নিদিয়ে। পৰমানন্দৰ গাঁৱৰ ঘৰত এই নিয়ম নচলে। গাই গৰুৰ গাখীৰেৰে কৰা খক্‌খকীয়া চাহ নহ'লে কাৰো মুখত নালাগে। আজিকালি পৰমানন্দই নতুন নিয়মত চলে বাবে বয়সস্থা আয়াজনীয়ে তাক একাপ ৰঙা চাহকে দিয়ে। পৰমানন্দৰ দৈনন্দিন জীৱনৰ কাৰ্যসূচীবোৰৰ বিষয়ে আয়াজনী সুন্দৰভাৱে অৱগত। কি কি বাৰত আমিষ আহাৰ খাব, কি কি বাৰত নিৰামিষ খাব আয়াজনীয়ে জানে। এক শৰণীয়া ধৰ্মৰ একনিষ্ঠ ভকত যদিও সি গোড়া নহয়, বিশেষকৈ দামোদৰীয়া পন্থভুক্ত বাবে। এক শৰণীয়া ধৰ্মৰ নীতি-নিয়মতকৈ মহাপুৰুষ দুজনাৰ গীত, নাট-ভাওনা আৰু সাহিত্যইহে তাক বেছিকৈ আকৰ্ষণ কৰে। সেয়ে ৰেডিঅ'ৰ বন্দনা অনুষ্ঠানৰ বৰগীত সি কেতিয়াও নুশুনাকৈ নাথাকে।

ৰঙা চাহ একাপ দিয়াৰ পিছত আয়াজনীয়ে ৰেডিঅ'টোৰ ক'লা ঘূৰণীয়া চুইচটো বাওঁফালৰ পৰা সোঁফাললৈ পকাই দিয়ে। লগে লগে সুমধুৰ কণ্ঠত বাজি উঠে 'তেজৰে কমলাপতি'। পৰমানন্দ আনমনা হৈ উঠে। গীতটো কাৰ কণ্ঠত প্ৰাণ পাই উঠিছে? তাৰ আইতাকেওতো এনে মধুৰ সুৰতে বৰগীত গাইছিল, পৰমানন্দৰ মনটোৱে পাখি লগাই সুৰ সন্ধানত উৰি ফুৰিবলৈ ধৰিলে।

> ৰঙা চাহ একাপ দিয়াৰ পিছত
> আয়াজনীয়ে ৰেডিঅ'টোৰ
> ক'লা ঘূৰণীয়া চুইচটো
> বাওঁফালৰ পৰা সোঁফাললৈ
> পকাই দিয়ে। লগে লগে
> সুমধুৰ কণ্ঠত বাজি উঠে
> 'তেজৰে কমলাপতি'।

পৰমানন্দ চহৰীয়া চহৰৰ চৰকাৰী বাসভৱনত অকলশৰীয়াকৈ বাস কৰে। অকলশৰীয়াকৈ থাকে বুলি ক'লে সম্পূৰ্ণ সঁচা নহ'ব। আলহী প্ৰায়ে থাকে। তদুপৰি চাকৰ-বাকৰ, চিপাহী-চন্তৰী, আলহী-অতিথিৰে চহৰীয়াৰ ঘৰ ভৰি থাকে। আকৌ মন গ'লেই গাঁৱৰ পৰা শ্ৰীমতী আহি ওলায়। দুদিনমান নিজৰ লগত ৰাখি পুনৰ গাঁওলৈ পঠিয়াই দিয়ে। চহৰীয়াই আচলতে পঠিয়াই নিদিয়ে, ঘৈণীয়েকে খং কৰি নিজেই গুচি যায়। সেই বুলি চহৰীয়াৰ শ্ৰীমতী মুখৰা বা দন্দুৰী স্বভাৱৰ নহয়। লক্ষ্মী তিৰোতা বা ভদ্ৰ মহিলাৰ শাৰীত থ'ব পাৰি চহৰীয়াৰ ঘৈণীয়েকক। সেয়ে অভিমান শেষ হ'লে তেওঁ আকৌ আহে, আকৌ কাজিয়া লাগে, আকৌ গুচি যায়। চহৰীয়াই নিজৰ তালত চলে, আনৰ লগত তাল মিলাব নোৱাৰে।

চহৰীয়াৰ ঘৈণীয়েকেও তেওঁৰ তালে তালে চলাৰ চেষ্টা কৰে, কিন্তু নোৱাৰে। তালৰ গড় অমিল হ'লেই মান-অভিমান বাঢ়ি যায়, কাজিয়াৰ সূত্ৰপাত হয়। গণক বাপুৱে গণনাৰ সময়ত বামানন্দৰ নৱজাতকৰ নাম পৰমানন্দ চহৰীয়া হ'ব বুলি শ্লেটত কাউৰ ঠেঙীয়া আখৰেৰে লিখি দিলে যদিও কেতিয়াও তেওঁ পৰম আনন্দ অনুভৱ কৰিব নোৱাৰিলে। অনবৰতে এক হতাশাচ্ছন্ন বিষাদৰ আৱৰণে ঢাকি ৰাখে



MOHAN LAL CHOUDHURY LIBRARY :
Library:

চহৰীয়াৰ মন, শৰীৰ।

শৈশৱৰ পৰা প্ৰৌঢ়তা কৰা পৰমানন্দই তেওঁৰ জীৱন ঘাটত লগ পোৱা বিষাদবোৰক কি নামেৰে নামকৰণ কৰিব, থিক কৰিব পৰা নাই। ইচ্ছা কৰিলেও পৰমানন্দই জীৱনত অনুৰঞ্জিত হোৱা বিষাদবোৰ আচাৰ মাৰি এৰুৱাব নোৱাৰে। সেয়ে প্ৰত্যেকটো বিষাদ, প্ৰত্যেকটো হতাশাক একোটাকৈ নাম দি বন্দনা কৰিব বিচাৰিছে। জীৱন নদীৰ পশ্চিম প্ৰান্তত আবেলিৰ শেষ মুহূৰ্তটোত গা-ধুবলৈ নামি যোৱা বেলিটোক আৰু তাৰ আভাখিনিক কি নাম দিব, পৰমানন্দই ভাবি উলিয়াব নোৱাৰে। অস্তগামী সূৰুযৰ আভাবোৰ আনন্দৰ যৌৱনোচ্ছল হাঁহি নে গোটেই ৰাতিটো পানীত ডুবি থাকিব লাগিব বুলি দুখতে ওলাই অহা হালধীয়া চকুপানী, পৰমানন্দই নাজানে। প্ৰৌঢ়তাত ভৰি দিয়াৰ পিছতো এনেবোৰ কথাৰ সিদ্ধান্ত অকলে ল'ব নাজনে। প্ৰৌঢ়তাত ভৰি দিয়াৰ পিছতো এনেবাৰ কথাৰ সিদ্ধান্ত অকলে ল'ব নোৱাৰে বাবে সি মানতে ভাবে শৈশৱৰ দিনবোৰৰ কথা। শৈশৱৰ গধূলি বেলিকা ত'ৰাৰে বুটা বচা আকাশৰ তলৰ চোতালত নগা-ঢাৰিত বহি আইতাক পদুমণিৰ বিষাদ বিষাদ গোন্ধোৱা সাধুবোৰ শুনি টোপনি যোৱা সময়খিনিয়েই আছিল পৰমানন্দৰ জীৱনৰ শ্ৰেষ্ঠতম সময়। কিন্তু সেই সময়ছোৱাত নিজৰ জীৱনটোক বিষাদৰ অক্টোপাছে স্পৰ্শ কৰা নাছিল। বিষাদবোৰৰ নাম বিচাৰি হাবাথুৰি খোৱা নাছিল সেই সময়ত।

শিশু পৰমানন্দৰ বাবে তাৰ আইতাক পদুমণি আনৰ তুলনাত বেলেগ আছিল। সকলো বিষয়তে যেন পাৰ্গত তাৰ পদুমণি আইতাক। বিয়ানাম, আইনাম, বৰগীত, বিহুগীত আদি বৰ সুন্দৰকৈ সুৰ লগাই গাব পাৰিছিল। জিভাতেই যেন লাগি আছিল কীৰ্ত্তন-দশমৰ পদবোৰ। দিহা নামবোৰ গালে সি মাথোন তধা লাগি আইতাকৰ লপা- মুখৰ পিনে চাই আছিল। এই পুথিবোৰ আইতাকে গোটে গোটে গিলি থৈছে নেকি বুলি সুধিলে সোলা মুখখন মেলি মাথোঁ হাঁহিছিল। আইতাকৰ কাৰুকাৰ্যত পৰমানন্দ আচৰিত নোহোৱাকৈ থাকিব নোৱাৰিছিল। আইতাকৰ তুলনাত তাৰ পিতৃ-মাতৃ তাৰ মনত আছিল অনবৰতে মূঢ়তা কঢ়িয়াই ফুৰা দুঠেঙীয়া জন্তু। ল'ৰালিৰ সি সোধা প্ৰশ্নবোৰৰ সমিধান সিহঁতে যি ধৰণে দিছিল, সি কাহানিও সন্তুষ্ট নহৈছিল।

এদিন সন্ধিয়া আকাশৰ পিনে চাই পৰমানন্দই আইতাকক সুধিলে— 'আইতা, পশ্চিমত ডুব যোৱা সূৰ্য পূবত পুৱাতে কেনেকৈ উঠে?'

পৰমানন্দৰ কথাত আইতাকে এটা হাঁহি মাৰি তাক ভুলোৱাৰ যত্ন কৰিলে। বিজ্ঞানৰ কথা আইতাকেও নাজানে। পৰমানন্দক নাজানো বুলি কলে লেঠা নমৰে। সেয়ে স্বাভাৱিক গম্ভীৰতা দেখুৱাই পদুমণিয়ে কলে— 'সূৰ্য পূবত উঠে আৰু দিনটো আকাশত মেঘৰ লগত লুকা-ভাকু খেলি পশ্চিমত মাৰ যায়। পশ্চিমৰ পৰা ৰাতিৰ ভিতৰতে মাটিৰ তলৰ সুৰঙ্গ পথেৰে গৈ সূৰ্য আকৌ পূবত উঠে, আকৌ মাৰ যায়, আকৌ মাটিৰ তলৰ সুৰঙ্গ পথেৰে......।'

আইতাকৰ এনে ধৰণৰ উত্তৰে পৰমানন্দক আশ্বস্ত কৰিছিল। এনেদৰে তাৰ বাবে জটিল যেন লগা কথাবোৰৰ সুন্দৰ সমিধান আগবঢ়াইছিল পৰমানন্দৰ সৰ্ববিশাৰদ আইতাকে।

পৰমানন্দৰ আইতাক আছিল তাৰ ল'ৰালিৰ একান্ত লগৰী, তাৰ জ্ঞানমাৰ্গ প্ৰদৰ্শক। পদুমণিয়ে তাক যি ধৰণে বুজিছিল, ঘৰৰ কোনোও বুজিব পৰা নাছিল। স্কুলত থকা সময়খিনিত সি আইতাকৰ অভাৱ অনুভৱ কৰিছিল সাংঘতিক ধৰণে। দুয়োৰে মাজত গঢ়ি উঠিছিল অহৈতুকী প্ৰেমৰ সাঁকো। এই সাঁকোৱে যেন সংযোগ কৰিব বিচাৰিছিল দুটা সভ্যতাৰ দুখন ঘৰক। গজানন্দ চহৰীয়াৰ আড্যৱন্ত ঘৰ আৰু ৰামানন্দৰ নিঃকিন ঘৰ দুখনৰ মাজত পদুমণি হৈ আছে নদীৰ দুয়োপাৰৰ মাজৰ সাঁকো।

স্কুলত থকা সময়ছোৱাত পৰমানন্দ কিদৰে ব্যস্ত থাকে, স্কুলৰ পৰা আহিয়েই আইতাকৰ আগত সি দিয়ে ধাৰাবাহিক বিৱৰণী। বৰ্ণমালাৰ বোধ নথকা আইতাকে তেল চাকিৰ পোহৰত তাক দিছিল পাঠশালাৰ পাঠ। এইখিনি হোৱা নাই, সেইখিনি ভালকৈ পঢ় বুলি পঢ়াত অনায়াসে ব্যস্ত ৰখাব পাৰিছিল পৰমানন্দক। বিদ্যাৰ প্ৰতি আকৃষ্ট কৰিবলৈ বিদ্যাৰ মাহাত্ম্যৰ বিষয়ে তাৰ আগত সুৰ লগাই আইতাক পদুমণিয়ে তাৰ আগত গাইছিল—

"বিদ্যাধন মহা ধন
কৰি ল'লি উপাৰ্জন
অগনিয়ে নুপুৰে
ৰজায়ো নেনে দৰ কৰি......"

আইতাকৰ গীতৰ সুৰত মোহাবিষ্ট হৈ টোপনিত লেৰেজান হৈ পৰা পৰমানন্দৰ মুখত গুজি দিছিল মাড়ভাত। মাড়ভাত খাব নিবিচাৰিলেই আইতাকে কয়— 'সৰুতে মাড়ভাত খাব লাগে বুজিছা। মাড়ভাত খালে মানুহ শক্তিৱন্ত হয়, স্বাস্থ্য ভাল হয়। মই সৰুতে মাড়ভাত খোৱা নাছিলো বাবে কঁকাল বেঁকা হৈছে, তোৰ পিতাৰ কামি হাড় ওলাই গৈছে মাড়ভাত নোখোৱা বাবে। গতিকে.....'

আইতাকৰ কথাশুনি পৰমানন্দই লপালপে মাড়ভাত খাইছিল। সি হ'ব বিচৰা নাছিল পিতৃ ৰামানন্দ চহৰীয়াৰ দৰে হাড়-ছাল ওলোৱা লেৰেলা মানুহ। তাৰ বিপৰীতে মহাকাব্যৰ ভীমৰ দৰে স্বাস্থ্যবান হোৱাৰ সপোন দেখিছিল।

টোপনিতে খেলা-ধূলাৰ সপোন দেখি আইতাকক গুৰিয়ালেও, প্ৰস্ৰাৱ কৰি আইতাকৰ মেখেলা তিতালেও সি আছিল



MOHAN LAL CHOUDHURY LIBRARY :
Library :

পদুমণিৰ আলাসৰ লাড়ু, বিশ্বাসৰ সাৰথি। নাম-গুণ, বিয়া-সবাহ, আলহী খাবলৈ যোৱা আদিত সি আছিল আইতাকৰ সহচৰ। ধুৰেনি খাবলৈ গ'লে ল'ৰাৰ ডাড়ি-গোঁফ নগজে বুলি থকা জনবিশ্বাসৰ কথা তাক সোঁৱৰাই দিলেও সি গৈছিল। নিজৰ ভাগৰখিনি খাই উঠি আইতাকৰ ভাগৰ মাহ-প্ৰসাদ, চাহ-নিমকিখিনিও সি এৰা নাছিল।

ম'হৰ শিং কঁপোৱা পুহমহীয়া ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ পৰমানন্দ আৰু পদুমণিয়ে এখন পাতল গিলিপ নথকা ৰঙা লেপৰ উম লয়। আইতাকৰ বুকুৰ মাজলৈ নাতিয়েক লেতুসেতু হৈ সোমাই যায়। পদুমণিয়ে তাক সৰুটি লৈ উম দিয়াৰ চেষ্টা কৰে। ডালিম ৰঙালাওঁৰ দৰে মূৰটোৰ চুলিবোৰত আঙুলি বুলাই দিয়ে পদুমণিয়ে। সৰিয়হ তেলৰ উগ্ৰ গোন্ধটোৱে আইতাকক আমনি কৰে। এই গোন্ধটোৱে পদুমণিক মনত পেলাই দিয়ে কিছু আনন্দ, কিছু বিষাদৰ কথা। সেই আনন্দ, সেই বিষাদৰ নাম কি আছিল আইতাকেও নাজানিছিল। এনে মুহূৰ্ত কিছুমানৰ নাম বা সংজ্ঞা বিচাৰিয়েই পৰমাক অকলশৰীয়াকৈ এৰি আইতাক গুচি গৈছিল। একেখন তক্তাপোচত শুই থাকিও পৰমাই জনা নাছিল আইতাক ক'লৈ গ'ল। দন্ত্যমূলীয় 'দ'ৰ ভংগিমাত পৰি থকা নিথৰ দেহটো মাক-দেউতাকে সাৱটি ধৰি কন্দাতহে তাৰ আইতাকে সিপুৰীলৈ যোৱাৰ কথা গম পাইছিল।

আইতাক পদুমণিৰ মৃত্যুৰ দিনটোৰ পৰাই পৰমানন্দ নিৰানন্দলৈ ৰূপান্তৰিত হ'ল। আইতাকৰ মৃত্যু পৰমাৰ চিন্তাৰ বাহিৰত আছিল। সি মৰা মানুহ দেখা নাছিল। সি ভাবিব পৰা নাছিল একেলগে থকা দুজন মানুহৰ এজনে যে মৰিব পাৰে। আইতাকৰ মৃত্যুই যেন তাক বহু কথা শিকাই গ'ল।

নিৰানন্দ সাৰটি থাকিলেও গণকদেউই দিয়া পোছাকী নামেৰেই সি গাঁও-ভূঁইত জনাজাত হ'ল। পৰমানন্দ পুৰণিকলীয়া নাম বুলি কিছুমানে তাক পৰমা বুলি মাতিছিল। পৰমা বা পৰমানন্দ যিয়েই নহওঁক, আইতাকৰ মৃত্যুৰ পিছত তাৰ জীৱনত আৰু নাম যোগ হ'ল যিটো নামৰ কথা অকল সিহে জানে। পদুমণিৰ মৃত্যুৱে যেন প্ৰবল প্ৰতাপী গজানন্দ মৌজাদাৰৰ গৌৰৱোজ্বল বংশৰ শেষ স্তম্ভ ভাঙি পেলালে।

সৰ্বানন্দ চহৰীয়াৰ পত্নী আছিল পদুমণি, এক যুগসন্ধিৰ ব্যক্তি। গজানন্দ মৌজাদাৰৰ পুত্ৰবধু হৈ পদুমণিয়ে স্পৰ্শ কৰিছে সুখ-বিলাস আৰু ৰামানন্দৰ মাতৃ হৈ সাৱটিছে দুখৰ দিনৰ অনাহাৰী ৰাতি। পদুমণিৰ দুচকুৰ আগতে ধান খেৰৰ জুইৰ দৰে নিমিষতে নিঃশেষ হৈ গৈছে মৌজাদাৰৰ ঘৰৰ বিলাস বৈভৱ।

মৌজাদৰীয়া বংশৰ পূৰ্বৰ সতি-সন্ততিবোৰৰ গোপত গঙাটোপ হোৱাৰ ভেম এটা আছিল। সমাজৰ সাধাৰণ শ্ৰেণী, প্ৰাচুৰ্যহীন নিঃকিন লোকৰ ভেম এটা আছিল। সমাজৰ সাধাৰণ শ্ৰেণী, প্ৰাচুৰ্যহীন নিঃকিন লোকৰ স'তে ৰাখিব বিচৰা নাছিল কোনো ধৰণৰ সম্পৰ্ক। ভয়ত ভক্তি যাচিছিল যদিও কোনেও সিহঁতক ভালপোৱা নাছিল। সিহঁতৰ অত্যাচাৰৰ ভয়ত সিঁহতক সম্ভ্ৰম দেখুৱাইছিল। মৌজাদৰীয়া ভেমে কিন্তু অকণো স্পৰ্শ কৰা নাছিল পৰমানন্দক, তাৰ দেউতাক ৰামানন্দক। মৌজাদাৰৰ ক্ষমতা উছন হোৱাত বংশৰ প্ৰতিপত্তি লাহে লাহে কমি আহিবলৈ ধৰিলে।

পৰমানন্দৰ আকো ককাক গজানন্দ চহৰীয়া আছিল স্বাধীনোত্তৰ কালৰ শেষতম মৌজাদাৰ। পূৰ্ব পুৰুষৰ পৰা এই পৰিয়ালটোৱে লাভ কৰিছিল অগাধ সম্পত্তি, প্ৰতিপত্তি, ক্ষমতা, ভোগবিলাসৰ সকলো সামগ্ৰী। সেই সময়ছোৱা আছিল মৌজাদাৰৰ পৰিয়ালটোৰ বাবে স্বৰ্ণযুগ। অতি বিলাসী জীৱন-যাপনে সন্তানবোৰক ক্ৰমশঃ টানি লৈ গৈছিল ব্যভিচাৰী পথলৈ। সিহঁতৰ বাবে আছিল সাত খুন মাফ। মুখ তুলি কোনেও সিহঁতৰ লগত ফেৰ মাৰিব যোৱা নাছিল। কাৰ্যতঃ অবাধ স্বাধীনতাৰ বাবে পৰমানন্দৰ ককাক বিশেষকৈ সৰ্বানন্দই ডেকা তেজ সকলোতে দেখুৱাই ফুৰিছিল। সৰ্বানন্দৰ দিনে দিনে বাঢ়ি গৈছিল ঔদ্ধত্য। গুৰু-গোসাই নমনা সৰ্বানন্দৰ কু-কাৰ্য বাৰণ কৰিব পৰা নাছিল মৌজাদাৰ গজানন্দই। মদ-ভাঙৰ প্ৰতি আসক্ত হৈ সৰ্বানন্দ হৈ উঠিছিল উঠি ৰজা, বহি ৰজা।

সৰ্বানন্দৰ ব্যভিচাৰৰ সীমা চেৰাই যোৱাত গজানন্দ নিৰুপায়ত পৰিল। সৰ্বানন্দৰ বাবে গাঁওৰ জীয়ৰী-বোৱাৰী ঘৰৰ পৰা ওলোৱা-সোমোৱা কৰিব নোৱাৰা হ'ল। গজেন্দ্ৰ সদৃশ মৌজাদাৰ গজানন্দ চহৰীয়াক মৌজাৰ মানুহে পুতৌ কৰিব ধৰিলে। সাধাৰণ মানুহেও গজানন্দৰ আগত মুৰ তুলি কথা ক'ব পৰা হ'ল, মৌজাদাৰৰ পৰিয়ালৰ আত্মসন্মান, মৰ্যাদা, অহংকাৰবোৰ তাচপাতৰ ঘৰৰ দৰে খহি পৰিল। বজৰুৱা বেশ্যাৰ সংসাৰৰ বান্ধোনেৰে বান্ধিব নোৱাৰিলে। এজনী নাৰীক কেন্দ্ৰ কৰি সি সন্তুষ্ট থাকিব পৰা নাছিল। মদ আৰু নাৰী মাংসৰ লোভ সৰ্বানন্দৰ দিনে দিনে বাঢ়ি গ'ল। নিজৰ পুতেকক শাসন কৰিব নোৱাৰা গজানন্দই মৌজাৰ আন মানুহক শাসন কৰাৰ নৈতিক অধিকাৰ হেৰুৱাইছে বুলি নিজেই মৌজাদাৰী বাব ওভতাই দিলে। কিয়নো বৃদ্ধ গজানন্দৰ মৃত্যুৰ পিছতেই উত্তৰাধিকাৰী সূত্ৰে সৰ্বানন্দ মৌজাদাৰ হ'লহেঁতেন। তেতিয়া মৌজাৰ মানুহৰ বিলাই-বিপত্তি হ'ব বুলি গজানন্দই এনে কৰিলে। গজানন্দৰ এনে বিবেচক কাৰ্যত মৌজাবাসীয়ে সন্তোষ প্ৰকাশ কৰিলে যদিও সিহঁতৰ ঘৰত পিতা-পুত্ৰৰ আৰম্ভ হ'ল গৃহ কন্দল। মদপী সৰ্বানন্দই পিতৃৰ ওপৰত চলালে অকথ্য নিৰ্যাতন। পুত্ৰৰ নিৰ্যাতনৰ মাত্ৰা দিনে দিনে বাঢ়ি যোৱাত সন্মান সচেতক গজানন্দই হঠাতে চিপজৰী লৈ পঞ্চভূতত বিলীন হৈ গ'ল। কিমান সাহসী হ'লে মানুহে আত্মহত্যা কৰিব পাৰে, পৰমানন্দই হিচাপ কৰি উলিয়াব নোৱাৰিলে।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

মৌজাদাৰৰ মৃত্যুই সৰ্বানন্দৰ মনলৈ কোনো অনুশোচনা নানিলে। পিতৃৰ মৃত্যুত সি বৰং ভালহে পালে, তাৰ ব্যভিচাৰী কাৰ্যত বাধাৰ প্ৰাচীৰ হোৱা মানুহজন আৰু কোনোদিনে উভতি নাহে। পিতৃৰ মৃত্যুই তাক উপহাৰ দিলে সাত পুৰুষৰ আৰ্জিত সমস্ত ধন-সম্পত্তি।

সৰ্বানন্দ মৌজাদাৰ নহ'লেও মৌজাদাৰী ভেম গাৰ পৰা নুগুচিল। কামাসক্ত সৰ্বানন্দই বেশ্যাৰ ঘৰতে দিন-ৰাতি পাৰ কৰিব ধৰিলে। ঘৰৰ মানুহ, গাঁৱৰ মানুহ, বংশৰ মানুহ আদিয়ে তাক ভাল হ'বৰ বাবে বহুতো বুজনি দিলে যদিও সকলোবোৰ খোলা কটিৰ তলৈ হ'ল। হক কথাত মাত মাতিব নোৱাৰা হ'ল পদুমণি। মদৰ ৰাগীত মতলীয়া হৈ পদুমণিৰ ওপৰত বৰ মতা হৈ অহৰ্নিশে চলাই গ'ল মানসিক নিৰ্যাতন, শাৰীৰিক নিৰ্যাতন। তাৰ বাবে মৌজাদাৰৰ বৰ ঘৰত বেশ্যা সোমাব পৰা হ'ল। মুক্ত হস্তে সি ধন চটিয়ালে বেশ্যাৰ নগ্ন শৰীৰত। বেশ্যাবোৰে তাৰ শৰীৰৰ তেজ চুহি চুহি নিঃশেষ কৰিব ধৰিলে। বেশ্যাৰ সস্তীয়া প্ৰসাধন আৰু শৰীৰৰ গোন্ধে তাক মতলীয়া কৰি তুলিলে। সৰ্বানন্দৰ সৰ্ব শৰীৰত প্ৰাণ পাই উঠিছিল উদগ্ৰ বাসনা।

বেশ্যা গমনৰ বিলাসী পথেৰে গৈ সি পালে উন্মুক্ত জুৱাৰ আড্ডা। কৌশলী জুৱাৰীৰ হাতত পৰি অনভস্ত্য সৰ্বানন্দই ঘৰৰ ভেটিটোৰ বাহিৰে ধন-সম্পত্তি, মাটি-বাৰী প্ৰায় সকলো হেৰুৱালে। একলহ মদৰ বিনিময়ত সি দি দিছিল এবিঘাকৈ সোণগজা মাটি। ইপিনে সৰ্বানন্দ-পদুমণিৰ একমাত্ৰ পুত্ৰ ৰামানন্দ ডাঙৰ হৈ আহিল। পুষ্টিহীনতাই ৰামানন্দক কৰি তুলিছিল কোঙা। মাটি-বাৰী সৰ্বস্ব হেৰুৱাই সৰ্বানন্দ হৈ পৰিছিল সম্পৰ্ণ উদাসীন। ধনৰ অভাৱত সি মদৰ আড্ডালৈও যাব নোৱাৰা হ'ল। পানশালাৰ মালিকবোৰে তাক বাকীত মদ নিদিয়া হ'ল। বেশ্যাবোৰৰ ঘৰৰ দুৱাৰ তাৰ বাবে এখন এখনকৈ বন্ধ হৈ পৰিল।

ক্ৰমশঃ সৰ্বানন্দৰ শৰীৰ দুৰ্বল হৈ আহিল। তাৰ দুৰ্বল শৰীৰত বাহ বান্ধিছিল অসংখ্য অচিন ৰোগে। সৰ্বানন্দৰ মেদবহুল গুঠলু শৰীৰ কাৰ্শলা সাপৰ দৰে হৈ পৰিছিল। তথাপি তাৰ মুখৰ ফট্‌ফটনি মাৰ যোৱা নাছিল। বেমাৰী দেহাৰেও সি পদুমণিৰ ওপৰত চলাই গৈছিল অত্যাচাৰ। সৰ্বানন্দৰ ভৰিৰ গোৰত বেঁকা হৈ পৰা কঁকাল পদুমণিয়ে কোনোদিনে পোনাব নোৱাৰিলে। পদুমণিয়ে সৰ্বানন্দৰ পত্নী হোৱাৰ দিনৰে পৰা চৰ, ভুকু, গোৰ আদিৰ বাহিৰে একোকে নেপালে। কিন্তু যৌনৰোগত আক্ৰান্ত হৈ শয্যাগত হোৱা সৰ্বানন্দক সেই পদুমণিয়ে চোৱা-চিতা কৰিব লগা হ'ল। সৰ্বানন্দক যিবোৰ ৰোগে আক্ৰমণ কৰিছিল, সেই বেমাৰবোৰক কোনো বেজ-কবিৰাজে ভাল কৰিব নোৱাৰিলে। তাৰ শৰীৰত হোৱা ঘা বোৰত কিলবিলাই ফুৰিছিল অসংখ্য পোকে। অৱশেষত পৰন কবিৰাজৰ পৰামৰ্শ মতে জিলাৰ হাস্পাতাললৈ গৰু গাড়ীৰে নিয়া হ'ল যদিও ৰামানন্দই পিতৃক বচাই আনিব নোৱাৰিলে। সৰ্বানন্দই নৰক যন্ত্ৰণাৰ পৰা নিস্তাৰ পোৱাত ঘৰখনেও সকাহ পালে। পিতৃয়ে তিতালাউ গজাই যোৱা ভেটিৰ খোজ দি ৰামানন্দই আৰম্ভ কৰিলে জীৱন যুঁজৰ অব্যৰ্থ আখৰা।

ৰামানন্দৰ মৌজাদাৰীয়া বংশলৈ ধিক্কাৰ ওপজিল। সম্ভ্ৰান্ত বংশৰ সন্তান হৈও সি পাঠশালৰ পাঠ পঢ়াৰ অৱকাশ নাপালে। অপৈণত বয়সতে সি চম্ভালিব লগা হৈছিল সংসাৰৰ সমস্ত জঞ্জাল। সৰুতেই সি শিকিব লগা হৈছিল দেহৰ ঘাম মাটিত পেলাই নাঙলৰ মুঠি টানকৈ ধৰাৰ কিটিপ। নাঙলৰ মুঠি ঢিলা হ'লেই জীৱন যুঁজৰ মন্ত্ৰ পাহৰি যাব বুলি ৰামানন্দই ভাবিছিল। এসময়ৰ প্ৰতিপত্তিশীল ঘৰৰ সন্তান হৈও সি আধিয়াৰ হিচাপে খেতি কৰি কোনোমতে জীয়াই থাকিব লগা হৈছে। গ্ৰীষ্মৰ গৰম, শীতৰ ঠাণ্ডা, বাৰিষাৰ ৰ'দ-বৰষুণৰ লগত সি মিতিৰালি পাতিব লগা হৈছে। আহাৰ মাহৰ ৰ'দ-বৰষুণক সাক্ষী কৰি ৰামানন্দই ভাবিছিল— 'মই মোৰ উত্তৰাধিকাৰীক মৌজাদাৰীয়া ভেমত উটি যাবলৈ নিদিও; মই দিম মোৰ উত্তৰাধিকাৰীক বৰ্ণবোধৰ অমোঘ মন্ত্ৰ, জীৱন সফল কৰা সুশীল অস্ত্ৰ। মোৰ ভৱিষ্যত বংশধৰৰ জৰিয়তে মই ওভোতাই আনিম মৌজাদাৰ বংশৰ হৃত সন্মান আৰু মৰ্যাদা।

ৰামানন্দই কৰা অংগীকাৰ ফলৱতী কৰি ল সি আপ্ৰাণ চেষ্টা চলালে তৰা ৰক্তবিহীন ৰংগভূমিত। নাঙলৰ মুঠিত হাত থলেও সি কোনো ক্ষেত্ৰতে হাৰি যাব খোজা নাছিল। সি তাৰ তেজ বিক্ৰী কৰি, আনৰ গোলামী কৰিও পুতেক তিনিজনক মানুহ কৰিবলৈ বিচাৰিছিল। এই ক্ষেত্ৰত তাক পূৰ্ণ সহযোগ দিবলৈ আগবাঢ়ি আহিছিল তাৰ মাতৃ পদুমণি।

পৰমানন্দই পঢ়াশালিলৈ যোৱা আৰম্ভ কৰিলে। বৰ্ণমালাৰ বৰ্ণ চিনি নোপোৱা আইতাকে তাৰ তত্ত্বাৱধান ল'লে। দেশৰ সাধু, পুৰাণৰ সাধু আৰু সাধু যেন লগা আইতাকৰ নিজৰ জীৱনৰ কাহিনীবোৰ কৈ আইতাকে পৰমানন্দক সাহস দিলে; উৎসাহ বঢ়াবলৈ চেষ্টা কৰিলে। পৰমানন্দৰ হৃদয়ৰ এটি কোণত আলফুলে সিঁচি দিলে নৈতিকতাৰ মৌ-কোঁহ। কালৰ সোঁতত হেৰাই যোৱা মৌজাদৰীয়া সন্মান ওভোতাই আনিবলৈ প্ৰেৰণা দি থাকোঁতেই তাৰ জ্ঞান মাৰ্গ নিৰ্দ্দেশক পদুমণি তাক এৰা দি গুচি গ'ল চিৰ দিনৰ বাবে।

পৰমাননন্দ হৈ উঠিছিল দেউতাকৰ নাঙলৰ ফালৰ কঠিন আৰু তীক্ষ্ণ। তাৰ মেধাবী সত্তা প্ৰাণ পাই উঠিছিল। সেয়ে স্কুল-কলেজৰ শিক্ষাগুৰুৰ পৰা সি লাভ কৰিছিল অশেষ সহায় আৰু আশীৰ্বাদ। তাৰ মৰণপণ যত্নক সকলো পৰীক্ষাতে সি ভাল ফল পাইছিল যদিও অজান কাৰণত সি খঙাল স্বভাৱৰ হৈ উঠিল। পৰমানন্দই নিজে পঢ়াৰ উপৰিও অনুজ ভাতৃ সদানন্দ আৰু



MOHAN LAL CHOUDHURY LIBRARY :
Library :

সতানন্দকো টান টান বিষয়বোৰ দেখাই- পঢ়াই দিয়াৰ দায়িত্ব লৈছিল। পৰমানন্দৰ মাৰৰ ভয়ত দুয়ো ভাতৃ পঢ়াত একাণপতীয়াকৈ লাগিল। পৰমানন্দৰ প্ৰায় সমানে সমানে বিদ্যান হৈ উঠিল তাৰ যমজ ভাতৃদ্বয়।

পৰমানন্দহঁত ডাঙৰ হৈ অহাত সিহঁতে ৰামানন্দক কষ্টৰ কাম কৰিব নিদিয়া হ'ল। পিতৃৰ একমাত্ৰ সম্পত্তি নাঙল-যুৱলি সিহঁতে হাতত তুলি ললে। সিহঁতৰ যত্নত নদন-বদন হৈ উঠিছিল হৈ উঠিছিল শইচৰ পথাৰ। কিন্তু দুখীয়াৰ দুখৰ গাঁঠি কপালৰ পৰা সহজে খোল নাখায়। এবাৰ হালৰ গৰু বেমাৰত পৰি মৰি যোৱাত সিহঁতৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল। কিন্তু পৰমানন্দহঁত হাত সাৱটি বহি থকা পুৰুষ নাছিল। সদানন্দ আৰু সতানন্দই গৰুৰ স্থান লোৱাত পৰমানন্দই ধৰিছিল নাঙলৰ মুঠি।

বাৰিষাৰ বৰষুণত তিতি-বুৰি পৰমানন্দহঁতৰ হাল বোৱা এই দৃশ্য আছিল পথাৰত কাম কৰি থকা অন্য কৃষক সকলৰ বাবে অতি হৃদয় বিদাৰক।

অত্যন্ত খেয়ালী স্বভাৱৰ পৰমানন্দৰ অনবৰতে খং উঠি থাকে। ব্যৱহাৰ-পাতিও অতি ৰুক্ষ হৈ উঠিছে। তাৰ কামৰ সিদ্ধান্তবোৰ বেছি দিনলৈ স্থায়ী হৈ নাথাকে, সঘনাই পৰিৱৰ্তন হয় তাৰ সিদ্ধান্ত। সেই বাবেই সি ক'তো সুখ অনুভৱ কৰিব নোৱাৰে। সুখ অনুভৱ কৰিব নোৱাৰে বাবেই সি হৈ উঠিছে অত্যন্ত খঙাল। কিন্তু সি কঠুৱা হৃদয়ৰ নহয়, নাৰিকলৰ দৰে ওপৰৰ আবৰণহে কঠিন। পিতৃ-মাতৃৰ ওচৰত সি সদায়ে শিশুমতি আচৰণ কৰে। সি ৰূঢ় আচৰণ কেতিয়াও কৰা নাই তাৰ কামিহাড় গণি উলিয়াব পৰা পিতৃ আৰু অবোধ মাতৃক।

দুখৰ বোজা কঢ়িয়াই ঢপলিয়াই ফুৰোঁতে পৰমানন্দৰ জীৱন ঘাটত লাগিল নীলাঞ্জনাৰ প্ৰেমৰ নাও। তাৰ জীৱনলৈ নাওখন চপাই আনিলে তাৰ কলেজীয়া জীৱনৰ সহপাঠিনী নিবেদিতাই। নীলাঞ্জনা পৰমানন্দৰ প্ৰথম প্ৰেম। পৰমানন্দৰ প্ৰেমৰ অংকুৰ নীলাঞ্জনা দত্তৰ নীল অঞ্জনে বিকশিত কৰা নাই, কৰিছে তাইৰ সংগীতৰ মুৰ্চ্ছনাই।

নীলাঞ্জনাৰ মাক স্নেহলতা দত্ত এসময়ত যাত্ৰা পাৰ্টিৰ নৰ্তকী আছিল। সেয়ে গাঁওৰ ঠেক মনৰ মানুহখিনিয়ে সিহঁতৰ লগত উঠা-বহা নকৰে। কিন্তু নীলাঞ্জনাক কোনেও বেয়া নাপায়। সকলোকে সহজতে আপোন কৰি ল'ব পৰা গুণৰ বাবে নীলাঞ্জনা সকলোৰে প্ৰিয়। কিন্তু নীলাঞ্জনা-পৰমানন্দৰ পৱিত্ৰ প্ৰেমক তাৰ পিতৃ-মাতৃয়ে সহজভাৱে ল'ব নোৱাৰিলে। সিহঁতে তীব্ৰ মানসিক আঘাত পালে। নৰ্তকীৰ ছোৱালী মৌজাদাৰ বংশৰ বোৱাৰী হ'ব নোৱাৰে— মাক সত্যৱতীৰ চকুত এনে ছবিকে দেখা পালে পৰমানন্দই। কোনো কাৰণতে সি পিতৃ-মাতৃক আঘাত দিব নোৱাৰে। সেয়ে তাৰ হৃদয়ৰ পৰা হেৰাই গ'ল নীলাঞ্জনাৰ সংগীত সাধনাৰ অপূৰ্ব ৰাগ।

পিতৃ-মাতৃক সুখত, শান্তিত ৰাখিবলৈ সি নিজেই দুখৰ পাহাৰ দাঙিব লগা হ'ল। পৰমানন্দ সৰ্বানন্দ হ'ব নোৱাৰে। সি সৰ্বানন্দৰ দৰে হ'ব পৰা হ'লে মুহূৰ্তৰ ভিতৰতে পত্নী কৰি ল'ব পাৰিলেহেতেন। কিন্তু সি সৰ্বানন্দ হ'ব নোৱাৰিলে। সি সকলো সময়তে হৈ পৰিল উদাসীন।

পৰমানন্দৰ জীৱন হতাশাৰ আৱৰ্তৰ মাজত ক্ৰমশঃ সোমাই পৰিল। তাক সান্ত্বনা দিয়াৰ প্ৰয়াস কৰিলে নিবেদিতাই। নীলাঞ্জনাই পৰমানন্দক হেৰুৱাই হৃদয়ৰ দুখ আঁতৰাবলৈ সংগীতৰ মাজত নিজকে বিলাই দিলে। মনৰ দুখ পাতলাবলৈ যাৰ আগত চকুপানী টুকিছিল, তেৱেঁই পৰমানন্দক নিজৰ সংগী কৰি ল'ব বিচৰা বুলি জানিব পাৰি, নীলাঞ্জনাৰ মানুহ জাতিটোৰ ওপৰতে বিশ্বাস হেৰাই গ'ল। সাগৰৰ ঢৌৱে নীলাঞ্জনাৰ নাও উটুৱাই লৈ যোৱাত সুযোগ বুজি নিবেদিতাই তাক আলফুলে তাইৰ বুকুৰ মাজত সাৱটি ধৰিলে। নীলাঞ্জনাৰ প্ৰেমৰ সুগন্ধি সুবাস নিবেদিতাৰ বুকুত বিচৰাৰ যত্ন কৰিলে সি। নিবেদিতা-পৰমানন্দৰ মুক্ত বিচৰণৰ ঘৰৰ কোনেও বাধাৰ প্ৰাচীৰ ৰূপে থিয় নিদিলে। বৰং ৰামানন্দ আৰু সত্যৱতীয়ে নিবেদিতাক বোৱাৰীৰ সাজত কল্পনা কৰিলে। জমিদাৰ প্ৰতাপ চৌধুৰী নিঃকিন ৰামানন্দ চহৰীয়াৰ বিয়ে হ'ব, এক অদ্ভুত সপোনত ডুব মাৰিলে ৰামানন্দই।

নিবেদিতাৰ নিলাজী ওঁঠে পৰমানন্দৰ শৰীৰত এক অবুজ শিহৰণ আনি দিলে, তাইৰ গোপন সম্ভোগ শয্যাত পৰমানন্দ কাবু হৈ পৰিল। নিবেদিতাই নিবেদন কৰা নগ্ন শৰীৰৰ ভাষাই তাক সাময়িক তৃপ্তি দিলে, কিন্তু দিব নোৱাৰিলে আত্ম সন্তুষ্টি। নিবেদিতাই তাক শৰীৰী প্ৰেমহে দিলে, হৃদয়ৰ প্ৰেম দিব নোৱাৰিলে বুলি সি ভাবে। সেয়ে নিবেদিতা নীলাঞ্জনা হ'ব নোৱাৰে, নীলাঞ্জনা কোনোমতে নিবেদিতা নহয়। সি নিবেদিতাৰ যৌৱনৰ নিৰ্যাস, কেঁচা শৰীৰৰ অমৃত ভৰিৰে গচকি পেলালে। তাক সুখী কৰিব নোৱাৰিলে নিবেদিতাৰ ৰূপহী শৰীৰে।

পৰমানন্দৰ প্ৰেমৰ ঘৰ ভাঙি থান- বান হৈ যোৱাত সি তাৰ মৌজাৰ পৰা স্বনিৰ্বাসন লৈ গুৱাহাটীলৈ গুচি গ'ল। স্থানীয় হাইস্কুলৰ শিক্ষক পদৰ চাকৰি সি স্বেচ্ছাই ইস্তফা দিলে। ভাৰতীয় প্ৰসাশনিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সি অধ্যয়নত ব্যস্ত হৈ পৰিল। ইফালে তাৰ বিয়া পাতিবলৈ মাক-দেউতাকৰ কইনা বিচৰাৰ ধুম উঠিল। নিৰুপায়ত পৰি সি বিয়া নকৰায় বুলি ঘৰত জনালে। তাৰ স্বাৱলম্বী অনুজ ভাতৃ সদানন্দ আৰু সতানন্দৰ বিয়া পাতি দিবলৈ পৰমানন্দই অৱগত কৰালে। সি পঢ়িব। ৰামানন্দৰ কামিহাড়ৰ মাজত সোমাই থাক সপোন বাস্তৱায়িত কৰিবলৈ সি আকৌ পঢ়িব। সি ধৈৰ্য নেহেৰুৱালে। তাক নিবেদিতাৰ প্ৰেমে বান্ধি ৰাখিব নোৱাৰিলে, নীলাঞ্জনাকো সি কোনোমতে পাহৰিব নোৱাৰিলে।



MOHAN LAL CHOUDHURY LIBRARY :

পৰমানন্দৰ যমজ ভাতৃ সদানন্দ আৰু সতানন্দৰ অগা-পিছাকৈ বিয়া হৈ গ'ল। ৰামানন্দৰ ঘৰখনৰ ভাগ্যচক্ৰ আকৌ ভালৰ ফালে ঘূৰিব ধৰিলে। এদেও-দুদেও কৰি দুখৰ দিনৰ মেঘ আঁতৰি গ'ল। ৰামানন্দৰ দুখৰ দিনৰ ফচলবোৰ হৈ পৰিল সোঁৱৰণীৰ পাত। দুই বোৱাৰীৰ আদৰ- যত্নত ৰামানন্দৰ বুকুৰ কামিহাড় দেখা নোপোৱা হ'ল। মৌজাদাৰ গজানন্দৰ শৰীৰলৈ ৰূপান্তৰিত হ'ল ৰামনন্দৰ শৰীৰ। ৰামানন্দৰ দুভৰিৰ খোজবোৰ হৈ পৰিল গজেন্দ্ৰ গমনৰ দৰে। সিহঁতৰ ঘৰখনৰ মাজত গজানন্দৰ পৰিয়ালটো যেন আকৌ সাৰ পাই উঠিল।

পৰমানন্দই ভাৰতীয় প্ৰসাশনিক সেৱাৰ চাকৰিত যোগদান কৰিলে। সি কম দিনৰ ভিতৰতে নিজকে চিনাকি দিয়াব পাৰিলে যোগ্য জিলাধিপতি ৰূপে। বহু কষ্ট আৰু ত্যাগৰ ফলত সি উপায়ুক্ত হৈ বংশৰ হৃত সন্মান যেন ওভোতাই আনিলে। আজো ককাক গাজনন্দ চৌধুৰী আছিল আমবাৰী মৌজাৰ গৰাকী, কিন্তু পৰমানন্দ হৈ পৰিল জিলাৰ গৰাকী। তাৰ পিতৃ ৰামানন্দৰ সপোনৰ একমাত্ৰ অধিপতি। দেউতাকৰ সপোন দিঠকত পৰিণত কৰিব পাৰি সি নিজকে ধন্য মানিলে। দেউতাকৰ কষ্ট আৰু ত্যাগৰ ঋণ কিছু হ'লেও সুজিব পাৰিলে বুলি সি ভাবিলে। দেশৰ প্ৰথম শ্ৰেণীৰ নাগৰিকৰ তালিকাত পৰমানন্দ চহৰীয়াৰ নাম খোদিত হ'ল। গাড়ী-মটৰ, চাকৰ-বাকৰ, চিপাহী-চন্তৰীয়ে তাক আগুৰি ধৰিলে। জিলাৰ বিভিন্ন মানুহৰ বিভিন্ন সমস্যাই ভাৰাক্ৰান্ত কৰা ফাইলৰ মাজত সি দিন ৰাতি ডুবি থাকিল। ঘৰৰ খবৰ, গাঁওৰ খবৰ, গজানন্দৰ মৌজাৰ খবৰ ল'বলৈ ঘৰলৈ অহাৰ সময়ৰ আহৰি নোহোৱা হ'ল। সেয়ে সি গৃহ জিলালৈ বদলি হোৱাৰ চেষ্টা কৰিলে।

পৰমানন্দৰ বিয়াৰ বয়স উকলি যাও যাও হ'ল। তাৰ বিয়াখন অহা বহাগত পাতি দিবলৈ ঘৰৰ সকলোৱে উঠি পৰি লাগিল। উপায়ুক্ত পুত্ৰক ওচৰৰ পৰা চোৱাৰ পৰম হেঁপাহ জন্মিল তাৰ মাতৃ সত্যৱতীৰ। ৰামানন্দয়ো তাৰ ফলৱতী সপোনক চুই চাবলৈ আশা পোষণ কৰিলে। সত্যৱতীয়ে পচন্দ কৰা পুত্ৰবধু অনুসূয়াৰ সম্বাদ দিবলৈ এদিন উপজি-পুৱাতে ওলাল তাৰ পিতৃ-মাতৃ। সদানন্দই বৃদ্ধ পিতৃ-মাতৃক বাট দেখুৱাই নিলে। ৰামানন্দৰ গৰ্বত ওফন্দি উঠিল মৌজাদাৰী ভেম। ব্ৰহ্মপুত্ৰৰ পাৰত থকা পৰমানন্দৰ চৰকাৰী বৃহৎ অট্টালিকা দেখি ৰামানন্দৰ ভেম কমোৱা তুলাৰ দৰে উৰি গ'ল। পদূলি মুখত বন্দুক লৈ থকা চিপাহীয়ে সিহঁতৰ প্ৰবেশত বাধা দিয়াত সিহঁতৰ থকা-থৈয়া লাগিল। এক অনামী ভয়-সংকোচে খোপনি পুতিলে সিহঁতৰ অন্তৰত। সদানন্দই সিহঁতৰ পৰিচয় দাঙি ধৰাত সিহঁতক প্ৰবেশৰ অনুমতি দিলে।

পৰমানন্দই মনৰ উলাহেৰে সিহঁতৰ আলপৈচান ধৰিলে। সদানন্দক লগত লৈ নিজে বিভিন্ন বজাৰ কৰিলে। সৰুতে খোৱাৰ দৰে মজিয়াত বহি লৈ চাৰিওজনে একেলগে ভাত খালে। পৰমানন্দই এনেদৰে বহি ভাত খোৱা দেখি আয়াজনী আচৰিত হ'ল। আয়াজনীয়ে নাজানে যে তাৰ মনৰ পৰা তিলমানো আঁতৰি যোৱা নাই গাঁৱলীয়া নীতি-নিয়ম। ভাতৰ পাতত বহি সি সিহঁতৰ লগত পাতিলে পুৰণি দিনৰ বহু কথা। পুত্ৰৰ ব্যৱহাৰত সিহঁত আপ্লুত হ'ল যদিও মনত বাহ লোৱা ভয়টো আঁতৰি নগ'ল। ভাত খাই উঠি সংকোচ ভাবেৰে মাক সত্যৱতীয়ে সিহঁতৰ আগমনৰ উদ্দেশ্য ব্যক্ত কৰিলে। মাকে আগবঢ়াই দিয়া ফটোখনত সি এবাৰ চকু ফুৰাই এটি হুমুনিয়াহ এৰিলে। পিতৃ-মাতৃৰ মুখলৈ চাই সি সিহঁতৰ প্ৰস্তাৱত সন্মতি জনালে।



ৰামানন্দৰ ঘৰখনলৈ মৌজাদাৰী গাম্ভীৰ্য আকৌ উভতি আহিল। গজানন্দৰ মান-মৰ্যাদা আমবাৰীবাসীয়ে ৰামানন্দক ওভতাই দিলে। ধুম-ধামেৰে পৰমানন্দৰ বিয়াৰ আয়োজন চলিল। অনুসূয়াক পৰমানন্দই বিয়াৰ নিশা হোমৰ গুৰিতহে প্ৰথম দেখা পালে। লাজৰ আভৰণ থকা অনুসূয়াক অতি ৰূপৱতী বুলি ক'লে যিবোৰ গুণৰ প্ৰয়োজন, অলংকাৰৰ প্ৰয়োজন, সেই সকলোবোৰেই আছে অনুসূয়াৰ। তাই অনুসূয়া নহয়, তাই যেন কণ্বমুনিৰ আশ্ৰমৰ শকুন্তলাহে।

বিয়াৰ পিছত অনুসূয়াক পৰমানন্দই তাৰ কৰ্মক্ষেত্ৰলৈ লৈ গ'ল। দুয়োৰে সম্পূৰ্ণ সহযোগত সিহঁতৰ সংসাৰখন সুন্দৰকৈ চলিল। এজীন পত্নীয়ে স্বামীৰ পৰা যি মৰম- ভালপোৱা আশা কৰে, অনুসূয়াই



MOHAN LAL CHOUDHURY LIBRARY :
Library :

সকলো পালে। তাইৰ জীৱন সফল হোৱা বুলি নিজকে ধন্যা মানিলে। ক্ৰমশঃ এটা-দুটাকৈ তিনিটা সন্তানৰ জননী হ'ল অনুসূয়া।

অনুসূয়াই বিচৰা সকলো পালে পৰমানন্দৰ পৰা। কিন্তু নিজেও নাজানে। কিবা নোপোৱাৰ বেদনাই পৰমানন্দক অস্থিৰ কৰি তুলিলে। লাহে লাহে অনুসূয়াৰ প্ৰতি থকা আসক্তি পৰমানন্দৰ কমি আহিল। দুয়োৰে মাজলৈ অনধিকাৰ প্ৰবেশ ঘটিল এটি ফাঁকৰ। এই ফাঁকৰ গভীৰতালৈ সোমাই গৈ পৰমানন্দই কক্‌বকাবলৈ ধৰিলে। অনুসূয়া যিমানে ওচৰ চাপি আহে, ক্ৰমান্বয়ে সি দূৰত অৱস্থান ল'ব বিচাৰিলে। দুয়োৰে মাজত দূৰত্বৰ ব্যৱধান বৃদ্ধি হ'ল।

পৰমানন্দই বৃদ্ধ পিতৃ-মাতৃক শুশ্ৰূষা কৰাৰ চলেৰে তাৰ পৰিয়াল জিলাৰ পৰা মৌজালৈ স্থানান্তৰ কৰিলে। অনুসূয়া আৰু তিনি সন্তানে গাঁওলৈ উভতিবলৈ পাই অকণো বেয়া নাপালে। ভাল পালে পৰমানন্দৰ পিতৃ-মাতৃ, ভাই-ভোৱাৰী সকলোৱে। তিনি পুত্ৰৰ নাতিয়েকৰ লগত একেলগে খেলিবলৈ পাই ৰামানন্দৰ হিয়া আনন্দই নধৰা হ'ল। এনে সুখ, এনে আনন্দৰ মুহূৰ্ত লভিবলৈ পাই ৰামানন্দ আকৌ উভতি যায় গজানন্দ চহৰীয়াৰ সংসাৰলৈ।

একঘেয়ামী কৰ্ম, স্থিতাৱস্থাত ৰৈ যোৱা দৈনন্দিন জীৱনৰ প্ৰতি বিৰক্ত হ'ল পৰমানন্দ। এক ধৰণৰ ছন্দত যেন চলিছে তাৰ জীৱন-মালিতা। এডভেঞ্চাৰ বিহীন জীৱনৰ প্ৰতি পক্ষপাতিত্ব সি কেতিয়াও কৰা নাছিল। চাকৰ-বাকৰ, আমোলা-বিষয়া, সৈন্য-সামন্তৰ মাজত পৰমানন্দই আঁকোৱালি ল'লে বন্দীত্বৰ জীৱন। বন্দীয়ে ক'ৰবালৈ গ'লে যেনেকৈ পুলিচ-মিলিটাৰীয়ে ঘেৰি থাকে, তাৰো একে দশা হ'ল। চৰকাৰী বাসভৱন অথবা কাৰ্যালয়ৰ পৰা এটা খোজো সি অকলশৰে দিব নোৱাৰে। সি য'লৈকে যায়, পিছে পিছে থাকে চিপাহী-চন্তৰী। ঘৰৰ পৰা ওলাওঁতে বা সোমাওঁতে পোৱা চিপাহী-চন্তৰীৰ 'চাৰ' আৰু 'চেলুটে' তাক বিৰক্ত কৰি তুলিছে। এনে জীৱন তাৰ বাবে হৈ পৰিছে দুঃসহ। এনে দুৰ্ভগা জীৱনৰ পৰা সি নিৰ্বাসন বিচাৰে, কিন্তু নোৱাৰে। মানুহে ভবা মতে সকলো কাম নহয়, বিচাৰিলেই সকলো কাম কৰিব নোৱাৰে। মানসিক শক্তি আৰু প্ৰস্তুতি অবিহনে স্বনিৰ্বাসন অসম্ভৱ বুলি পৰমানন্দই জানে। মায়া-মোহৰ হাজাৰখন দুৱাৰ অতিক্ৰম কৰিব পাৰিছিল বাবেই, মানসিকভাৱে প্ৰচণ্ড শক্তিশালী আছিল বাবেই গজানন্দ মৌজাদাৰে জীৱনৰ পৰা নিৰ্বাসন ল'ব পাৰিছিল। কিন্তু পৰমানন্দই এনে কৰিব নোৱাৰে।

পৰমানন্দ যেনেকৈ গজানন্দ হ'ব নোৱাৰে, তেনেকৈ চাৰ্বাকো হ'ব নোৱাৰে। হ'ব নোৱাৰে সি সৰ্বানন্দ। সৰ্ব আনন্দ লভিবলৈ অতি নিন্দনীয় কাৰ্যও ককাকে বিনাদ্বিধাই কৰিব পাৰিছিল। সকলো সময়তে সৰ্বানন্দই বিচাৰিছিল খাদ্য বিলাস, যৌন বিলাস; জীৱন উপভোগৰ সকলো উপকৰণ। এনেকৈয়ে সৰ্বানন্দ সুখী হ'ব বিচাৰিছিল।

পৰমানন্দ সৰ্বানন্দ হ'ব নোৱাৰে। তাৰ ভিতৰৰ পশুটো সাৰ পাই উঠা মুহূৰ্তত সিও ভাৱে, সিও সৰ্বানন্দ হ'ব। ককাকৰ দৰে জীৱন-যৌৱন প্ৰাণভৰি উপভোগ কৰিব। ভোগ কৰিব সকলো অশুভ দুৰ্বাসনা। ককাকৰ দৰে পত্নীৰ সন্মুখতে কোলাত তুলি ল'ব কোনো বাৰঙ্গনাক। অনুসূয়াৰ পৰা নোপোৱাখিনি সি বিচাৰি ল'ব অন্য নাৰীৰ মাজত। সি ইচ্ছা কৰিলে হাজাৰ-বিজাৰ বজৰুৱা অনুসূয়া, প্ৰিয়ম্বদা, শকুন্তলা তাৰ সন্মুখত থিয় দিব বিভিন্ন ভঙ্গিমাত। সি স্পৰ্শ কৰিব পাৰিব সিহঁতৰ শৰীৰৰ এঁকা-বেঁকা ভাজ। এনে কল্পনাই পৰমানন্দৰ শৰীৰৰ উত্তেজনা বৃদ্ধি কৰে, শিহঁৰিত হৈ উঠে শৰীৰৰ সৰ্বাঙ্গ।

তথাপি সি সৰ্বানন্দ হ'ব নোৱাৰে। সৰ্বানন্দ হ'ব বিচৰা সময়তে তাৰ দুচকুত ভাহি উঠে পদুমণি, ৰামানন্দ, সত্যৱতীৰ ছবি। আইতাকে কোৱা সাধু যেন লগা নিজৰ জীৱনৰ কথাবোৰ সৰ্বানন্দ নহ'বলৈ তাক বাধা দিয়ে। ককাকে আল্‌পনাৰ দৰে চিৰ জীৱনৰ বাবে আঁকি দিয়া ক'লা দাগবোৰৰ কথা চন্দ্ৰক'লাৰ দৰে মনত পৰে। আকৌ ককাকে গুৰিয়াই বেঁকা কৰা আইতাকৰ কঁকালখনৰ দৃশ্যই পৰমানন্দক সৰ্বানন্দ হ'ব নিদিয়ে। সি সৰ্বানন্দ হ'লেই অনুসূয়া ৰূপান্তৰিত হ'ব পদুমণিলৈ। তেতিয়া অনুসূয়াইও এদিন সিহঁতৰ নাতি-পুতিক ক'ব নিজৰ জীৱনৰ সাধু সাধু লগা কথা। সিহঁতৰ উত্তৰাধিকাৰীয়ে কোনো দিনে হ'ব নিবিচাৰিব পৰমানন্দ চহৰীয়া। পৰমানন্দৰ শাৰীৰিক উত্তেজনা সাগৰৰ ভাটাৰ দৰে ধীৰে ধীৰে সাম কাটে।

জীৱনৰ বেছিভাগ সময় অকলশৰে কটোৱা পৰমানন্দৰ ভৰিৰ পৰা মূৰলৈ প্ৰৌঢ়তাৰ পৰশ পৰিছে। চুলি-ডাড়িৰ ফাঁকে ফাঁকে ৰূপোৱালী ৰঙৰ ৰেখা স্পষ্ট হৈ উঠিছে। তথাপি গাঁওৰ পৰা পৰমানন্দৰ ওচৰলৈ আহে অনুসূয়া। দুয়ো একেখন শয্যাতে শয়ন কৰে। কিন্তু পূৰ্বতে সৃষ্টি হোৱা ফাঁকটোৱে দুয়োকে একেলগ হ'ব নিদিয়ে। অনুসূয়া আকৌ গাঁৱলৈ উভতি যায়।

অনুসূয়াৰ অনুপস্থিতিত ৰাতিপুৱা পাঁচমান বজাৰ পৰা সি বিচাৰি ফুৰে অনুসূয়াই দিব নোৱাৰাখিনি। সেউজ লণখনত দুবাৰমান পায়চাৰি কৰি পৰমানন্দ আৰামী চকীখনত অলসভাৱে বহে।

ৰঙা চাহ একাপ দিয়াৰ পিছতে আয়াজনীয়ে ৰেডিঅ'টোৰ ক'লা ঘূৰণীয়া চুইছটো বাওঁফালৰ পৰা সোঁফাললৈ পকাই দিয়ে। লগে লগে সুমধুৰ কণ্ঠত বাজি উঠে 'তেজৰে কমলাপতি'। গীতটো শেষ হোৱাৰ পিছত ঘোষিকাই ঘোষণা কৰে—

— 'আপোনালোকে মহাপুৰুষ মাধৱদেৱ বিৰচিত বৰগীত নীলাঞ্জনা দত্তৰ কণ্ঠত শুনিলে। আজিৰ বন্দনা ইমানতে শেষ হ'ল। কাইলৈ আকৌ লগ পাম, একে সময়তে। নমস্কাৰ।। ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# আমি একেখন নাৱৰে যাত্ৰী

◆ দিপীকা দেৱী চৌধুৰী
প্ৰবক্তা, দৰ্শন বিভাগ



উপাসনা দত্ত। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী। সৰু নগৰখনত প্ৰায় সকলো সামাজিক কামৰ সৈতে জড়িত থাকে। উপাসনাই অনুভৱ কৰে— সমাজৰ সামূহিক উন্নতিৰ বাবে কাম কৰিবলৈ মানুহ কমেই ওলাই আহে। যিকোনো সামাজিক কামৰ ক্ষেত্ৰতে গোটসমূহৰ মাজত লবী সংস্কৃতিয়ে গা-কৰি উঠা দেখা যায়। লবীৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰিলে নিৰপেক্ষ মতামত আগবঢ়াবহে পাৰি, সিদ্ধান্ত হিচাবে সংখ্যাধিক সদস্যৰ লবীৰ সিদ্ধান্তক আন্তৰিকভাৱে নহ'লেও বিধি অনুসৰি হাতচাপৰিৰে সমৰ্থন জনাবলগীয়া হয়। তথাপিও দেখা যায় এইসকল ব্যক্তিৰ বাবেই সমাজৰ কামবোৰ চলি আছে। সমাজো এইসকল ব্যক্তিৰ পিছত দৌৰে। কাৰণ লবীৰ অন্তৰ্ভুক্ত হৈয়ো কিছুমান সদস্যই নিজ স্বাৰ্থ এৰি সামূহিক স্বাৰ্থৰ বাবে কাম কৰে। এমুঠিমান এনে সদস্যৰ সুপৰামৰ্শৰ বাবেই সমাজৰ কামবোৰ চলি থাকে।

উপাসনা দত্তহঁতৰ চুবুৰীটোত কেইবাঘৰো মানুহ আছে। প্ৰশাসক, শিক্ষক, ডাক্তৰ, প্ৰবক্তা, চৰকাৰী কৰ্মচাৰী ইত্যাদি বিভিন্ন কামৰ সৈতে জড়িত, কিন্তু একত্ৰিত হৈ থকা বাসিন্দা। আপদে-বিপদে ইঘৰ-সিঘৰৰ সহায়ক, সুখ-দুখত প্ৰত্যেকে প্ৰত্যেকৰ সমভাগী হয়। অৱশ্যে অনাহকত কোনেও কাৰো অনাহূত অভ্যাগত নহয়। ক'বলৈ গ'লে আত্মীয় ভাবৰ এনে পৰিবেশ গঢ়ি উঠাতো আজি-কালি কমেই দেখা যায়। মাজে সময়ে উৎসৱ পাৰ্বন আদিত চুবুৰীটোৰ আটাইয়ে একেলগে এসাজ খায়। এই উদ্দেশ্যৰে চুবুৰীটোৰ ল'ৰা-ছোৱালীখিনিয়ে ৫ চেপ্তেম্বৰ তাৰিখটো বাছি ল'লে, লগতে অনুষ্টুপীয়াকৈ অনুষ্ঠান এটিৰো আয়োজন কৰিলে।

সেইদিনা ল'ৰা-ছোৱালীখিনিৰ উলহ-মালহৰ অন্ত নাই। সময়মতে সকলো কাম ঠিকে-ঠাকে চলিছে। সন্ধিয়া সাতমান বজাত আটাইখিনি মানুহ গোট খালে। প্ৰশাসক সত্যব্ৰত শৰ্মাৰ ল'ৰা দেবব্ৰতে অনুষ্ঠানটিৰ আঁতধৰি চলাই নিলে। গান, কৌতুক, একক অভিনয় আদি বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠানটি বেচ মনোৰঞ্জক হৈ উঠিল।

দেবব্ৰতে থিয় হৈ ক'লে, এইবাৰ আমি আজিৰ দিনটোৰ লগত ৰজিতা খুৱাই আমাৰ মাজত থকা দুগৰাকী শিক্ষয়িত্ৰী উপাসনা দত্ত বাইদেউ আৰু মিনতি ভট্ট বাইদেউক দুটি সৰু উপহাৰেৰে সম্বৰ্দ্ধনা জনাব খুজিছো। আমাৰ মাজৰ পৰা অতনুৱে তেখেতসকলক সম্বৰ্দ্ধনা জনাব; লগতে দত্ত আৰু ভট্ট বাইদেৱে তেখেতসকলৰ মনৰ কথাৰে নিশ্চয় আমাক আপ্লুত কৰিব। আটাইয়ে

এইবাৰ আমি আজিৰ দিনটোৰ লগত ৰজিতা খুৱাই আমাৰ মাজত থকা দুগৰাকী শিক্ষয়িত্ৰী উপাসনা দত্ত বাইদেউ আৰু মিনতি ভট্ট বাইদেউক দুটি সৰু উপহাৰেৰে সম্বৰ্দ্ধনা জনাব খুজিছো। আমাৰ মাজৰ পৰা অতনুৱে তেখেতসকলক সম্বৰ্দ্ধনা জনাব;



MOHAN LAL CHOUDHURY LIBRARY :
Library:

হাতচাপৰিৰে সমৰ্থন জনালে।

অতনুৱে তেখেতসকলক একোখন কিতাপ আৰু এটিকৈ কলমেৰে সম্বৰ্দ্ধনা জনোৱাৰ পিছত প্ৰথমে উপসনা দত্তই দুআষাৰ ক'বলৈ থিয়হৈ ক'লে- আজি তোমালোকে এটি সুন্দৰ উদ্দেশ্যৰে এনে মধুৰ পৰিবেশৰ সৃষ্টি কৰাৰ বাবে নথৈ আনন্দিত হৈছো। লগতে আমাৰ ল'ৰা-ছোৱালীবোৰৰ এনে মানসিকতা গঢ় লৈ উঠাত, একতা আৰু ভাতৃত্ববোধেৰে নতুন প্ৰজন্মই সমাজখনক আগুৱাই নিব বুলি আশাৰ ৰেঙণি দেখিছো।

১৯৬২ চনত ভাৰত চৰকাৰে ড° ৰাধাকৃষ্ণণৰ জন্ম দিনটো পালন কৰিব খোজাত তেওঁৰ ইচ্ছা অনুসৰি ৫ চেপ্তেম্বৰ তাৰিখটো শিক্ষকৰ সামাজিক মৰ্যাদা আৰু ৰাজহুৱা স্বীকৃতিৰ দিন হিচাপে উদ্‌যাপন কৰিবলৈ সংকল্প গ্ৰহণ কৰে। তেতিয়াৰ পৰাই ৰাষ্ট্ৰব্যাপি এই দিনটো প্ৰতিবছৰে 'শিক্ষক দিৱস' হিচাপে উদ্‌যাপিত হৈ আহিছে। একেসময়তে শিক্ষকসকলক দুৰ্যোগৰ সময়ত সহায় কৰিবলৈ আৰু সাধাৰণ কল্যাণ সাধনৰ লক্ষ্য আগত ৰাখি ১৯৬২ চনত 'ৰাষ্ট্ৰীয় শিক্ষক কল্যাণ নিধি' গঠন কৰা হয়। এই নিধিৰ পৰাই বিত্তীয় সাহায্যৰ বাবে বিবেচিত আবেদনকাৰী শিক্ষকসকলক কেইবাটাও শিতানত সাহায্য আগবঢ়োৱা হয়। প্ৰথম শিক্ষক দিৱসত সমগ্ৰ দেশজুৰি চলোৱা অভিযানত ৩৫ লাখ টকা (ধন) সংগ্ৰহ হয়। এই ধন সংগ্ৰহত দেশৰ সকলো ছাত্ৰ-ছাত্ৰীৰ সহযোগ আছিল। ছাত্ৰ-ছাত্ৰীয়ে এটকাকৈ শিক্ষক দিৱসৰ পতাকা লৈ প্ৰত্যেকে গৌৰৱবোধ কৰিছিল।

আজিকালি দেখা যায়, ছাত্ৰ-ছাত্ৰীয়ে গৌৰৱবোধ কৰে শিক্ষক-শিক্ষয়িত্ৰীক দিয়া ডাঙৰ উপহাৰৰ (গুণগত মূল্য যিয়ে নহওক) ওপৰত ভিত্তি কৰি। শিক্ষক দিৱসৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে জ্ঞান নথকাৰ ফলতে এনে হোৱা যেন অনুভৱ হয়। এই ক্ষেত্ৰত কিছুসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকো দায়ী বুলি ক'ব পাৰি।

আৰ্থিক অনাটন, ভৱিষ্যত নিৰাপত্তাহীনতা, মানসিক হীনমন্যতা আদি এশএবুৰি চিন্তাত জুৰুলা এই শিক্ষকসকলৰ খবৰ লওঁতা আজি নাই। তথাপিও মনত ৰাখিব লাগিব যে, অৱহেলিত, অনাদৃত হ'লেও শিক্ষকসকলৰ সমাজ গঠনত গুৰুত্ব আৰু দায়িত্ব কিন্তু কেতিয়াও কম নহয়।

শেষত ইয়াকে ক'ব বিচাৰো তোমালোকৰ এই আয়োজনে আমাৰ দৰে শিক্ষকক নিশ্চয় অনুপ্ৰাণিত কৰিব।

তেখেতৰ পিছত মিনতি ভট্টই দুআষাৰ কওঁ বুলি থিয়হৈ প্ৰথমতে আবেগিক হৈ পৰিল। পিছত ল'ৰা ছোৱালীখিনিৰ প্ৰচেষ্টাক প্ৰশংসা কৰি মাকসকলক উদ্দেশ্য কৰি ক'লে-

আজিৰ সমাজত যি বিশৃঙ্খল অৱস্থা দেখা যায় ইয়াক সামাজিক ব্যাধি বুলি ক'ব পাৰি। এই ব্যাধিৰ মূল কাৰণ হৈছে চৰিত্ৰৰ স্খলন। আমাৰ ব্যক্তিগত আৰু সামাজিক চৰিত্ৰৰ অৱক্ষয় ঘটাত আজি আমি দিশহাৰা হৈ পৰিছো। বিশ্বৰ শ্ৰেষ্ঠ জীৱ বুলি পৰিচয় দিবলৈ আৱশ্যকীয় গুণৰাজিও হেৰুৱাই পেলাইছো। সজ চৰিত্ৰ অবিহনে আমি হেৰুওৱা গুণৰাজি পাব নোৱাৰো। সজ চৰিত্ৰৰ পৰিচয় পোৱা যায় সজ কৰ্ম, সজ আচৰণত। এই চৰিত্ৰ গঠনৰ অনুশীলন আৰম্ভ হয় শিশুকালৰ পৰাই। ঘৰত পিতৃ-মাতৃ বিশেষকৈ মাতৃসকলৰ পৰাই শিশুৱে চৰিত্ৰ সম্পৰ্কে বহুত জ্ঞানেই লাভ কৰে। আমি ল'ৰা-ছোৱালীখিনিৰ কাম-কাজ দেখি গৰ্ব অনুভৱ কৰিছো। আশা ৰাখিছো এনেহেন এজাক ল'ৰা-ছোৱালীয়ে ভৱিষ্যতে সু-নাগৰিক হিচাপে সমাজখনক, দেশক ৰক্ষা কৰিব। এই ক্ষেত্ৰত প্ৰতিগৰাকী মাতৃৰ দায়িত্ব, কৰ্ত্তব্য, ত্যাগ অনস্বীকাৰ্য্য। সেয়েহে ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে বিশ্বৰ মহিলাসকলক নাৰীজাতি বুলি নকৈ মাতৃ জাতি বুলি সম্বোধন কৰিছিল।

মনৰ কথা ক'বলৈ গৈ দীঘলীয়া ভাষণত পৰিণত হ'লে সেইফালে সকলোবোৰ চেঁচা হ'ব। সেয়ে আটাইকে হিয়াভৰা শুভেচ্ছা ও ধন্যবাদ জনাই মনৰ দুৱাৰ জপাই থলো।

দেবব্ৰতে দত্ত আৰু ভট্টবাইদেউক ধন্যবাদ জনাই ক'লে, আমি আটাইয়ে নিশ্চয় বাইদেউহঁতৰ মনৰ কথাখিনি হৃদয়ঙ্গম কৰিব পাৰিছো। সেয়ে একে ভাবৰাশিৰে একাত্ম হৈ শিক্ষক দিৱসত উপহাৰৰ প্ৰতিযোগিতাৰ পৰা বিৰত থাকিবলৈ লগতে শিশু অৱস্থাৰ পৰাই চৰিত্ৰ গঠনত গুৰুত্ব দিবলৈ অঙ্গীকাৰবদ্ধ হ'লে প্ৰকৃত অৰ্থত তেখেতসকলক শ্ৰদ্ধা জনোৱা হ'ব।

আমোলমোলাই বিয়পি পৰা ব্যঞ্জনৰ গোন্ধই খোৱাৰ মেজলৈ নিমন্ত্ৰণ কৰিছে যেতিয়া দেবব্ৰতে আটাইকে ধন্যবাদ জনাই এটি সমৱেত গীতেৰে অনুষ্ঠানটি ইয়াতে সামৰিম বুলি ঘোষণা কৰিলে।

'আমি একেখন নাৱৰে যাত্ৰী .......  
আমি একেখন নাৱৰে যাত্ৰী .......  
..............................................,

খোৱা মেজত বিভিন্ন ব্যঞ্জনৰ ভিতৰত পদিনা শাকৰ চাট্‌নি, চিতল মাছৰ বৰাৰে, বিলাহীৰ সৈতে ৰন্ধা আঞ্জাখন, ভেদাই লতাৰ পাতেৰে ৰন্ধা মাংসৰ জোল আৰু চুঙাৰ দৈৰ কথা ভোজন বিলাসী বয়োজ্যেষ্ঠ প্ৰত্যেকজনে প্ৰশংসা কৰিলে। সেইদিনাটোৰ সুন্দৰ আয়োজন, পৰিবেশনৰ কথাৰে হৃদয় ভৰাই আটাইয়ে ঘৰমুৱা হ'ল।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# জীৱন-শলিতা

◆ পূৰ্ব্বশ্ৰী মালী
উঃ মাঃ ২ য় বৰ্ষ



সন্ধিয়া বাৰাণ্ডাত বহি আছে মিনু। ঘোপমৰা এন্ধাৰ নামি আহিছে পৃথিৱীলৈ। সেইবোৰলৈ তাইৰ খবৰ নাই। মাথোঁ নিজৰ চিন্তাতেই বিভোৰ হৈ আছে। এতিয়া ঘৰত কোনো নাই। জীয়েক ৰুমী ৰাতিপুৱাই এন. জি. অ.' ৰ কাম এটাত ওলাই গৈছে। একমাত্ৰ ল'ৰা সোণমণি ঘৈনীয়েকৰ লগত কোনোবা বন্ধুৰ ঘৰলৈ গৈছে। গিৰিয়েক অশোক শৰ্মা গৈছে সান্ধ্যভ্ৰমণত। প্ৰায়ে বাৰাণ্ডাৰ প্লাষ্টিকৰ চেয়াৰখনত বহি তাই অতীতৰ কথাবোৰ ভাবি ভাল পায়। হঠাৎ কিয় জানো মিনুৰ আজিৰ সন্ধিয়াটোৰ আন্ধাৰখিনি বৰ অসহ্য অনুভৱ হৈছে। তাই হাতখন আগবঢ়াই বাৰাণ্ডাত থকা লাইটৰ ছুইচটো অন কৰি দিলে। অনিচ্ছা সত্বেও আলোচনী এখন হাতত লৈ মিনু ভিতৰলৈ সোমাই গ'ল।

ঃ মা, মালী খুড়াৰ বদলি হৈছে লক্ষীমপুৰলৈ, খুৰী আৰু ভাইটিও যাবগৈ। বৰ বেয়া লাগিব। ইমান ভাল আছিল মানুহ ঘৰ। কথাকেইটা কৈ কৈ ৰুমি বাথৰুমলৈ আগবাঢ়িল। মিনুয়ে জানে, জীয়েকে ক'ৰবাৰ পৰা আহি পোনে পোনে বাথৰুমলৈ যায়, তাৰ পিছত কাপোৰ-কানি সলাই আহি মাকৰ ওচৰত বহে। মিনুয়ে জীয়েক অহাৰ বাবে ৰান্ধনি ঘৰলৈ গৈ চাহ দুকাপ লৈ জীয়েকৰ সৈতে বহিল।

ঃ তই কাৰ কথা কৈছিলি?

ঃ মালী খুৰাৰ কথা কৈছিলো। তেওঁ বদলি হৈছে।

ঃ তই আকৌ কেনেকৈ গম পালি?

ঃ মই আহোতে খুৰা-খুৰীহঁতো ক'ৰবাৰ পৰা আহি ঘৰ সোমাইছেহি। মোক দেখি খবৰটো দিলে।

ঃ ঘৰটো ভাড়াত দিব চাগে।

ঃ ৰাজস্থানৰ পৰা কোনোবা এজন পণ্ডিত আহিব হেনো। নামটো আনন্দ মল জৈন।

ঃ মই কিন্তু এই পণ্ডিত মাৰোৱাৰীবোৰক একদম ভাল নাপাওঁ। ইহঁত চব ভণ্ড।

ঃ মা, মানুহজন নেদেখাকৈ তুমি কেনেকৈ জানিলা, আহিবলৈ দিয়া চোন আগতে, তাৰ পিছত গমপাম।

ঃঃঃঃঃঃঃ

পণ্ডিত আনন্দ মল জৈন মানুহজন সঁচাকৈয়ে বৰ ভাল, অহাৰ এমাহ হৈছে। কি হোৱা নাই, ইমান কম সময়ৰ ভিতৰতে চুবুৰীটোৰ ডাঙৰ-সৰু সকলোবোৰৰ সৈতে মিলি গৈছে। মিনুৰে কিন্তু মানুহজনক লগ পোৱা নাই। কপাল আৰু হাত চাই অতীত-বৰ্তমান-ভৱিষ্যতৰ কথা কৈ দিব পাৰে। কিন্তু মানুহজনৰ এইটো পেছা

সন্ধিয়া বাৰাণ্ডাত
বহি আছে মিনু।
ঘোপমৰা এন্ধাৰ নামি
আহিছে পৃথিৱীলৈ।
সেইবোৰলৈ তাইৰ
খবৰ নাই। মাথোঁ নিজৰ
চিন্তাতেই বিভোৰ হৈ
আছে। এতিয়া ঘৰত
কোনো নাই।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

নহয়, নিজৰ সন্তুষ্টিৰ বাবেহে জ্যোতিষ চৰ্চা কৰে। মিনুৱে এইবোৰ বিশ্বাস নকৰে। কিন্তু মানুহে পোৱা প্ৰমাণৰ বাবেহে যাবৰ মন যায়।

ঃ মা, পণ্ডিত আনন্দ মল মানুহজনক কিন্তু মানিব লাগিব দেই।

ঃ মানিব লাগিব মানে? মিনুৱে পুতেক সোণমণিলৈ চাই সুধিলে।

ঃ বৰপেটাৰ যে কৃষ্ণ জেঠাৰ ছোৱালী টুটু। তাইৰ দৰা ক'ৰ হব, কি চাকৰি কৰিব এফালৰ পৰা ভুল নোহোৱাকৈ কৈ দিছে।

ঃ থ, থ, এইবোৰ কথা মই বিশ্বাস নকৰো।

ঃ হব বাৰু, তোমাৰ বিশ্বাস নাই যেতিয়া যাব নালাগে, মইয়েই এদিন ৰুমিক লৈ যাব লাগিব। দেউতাইতো প্ৰায়েই তেওঁৰ তালৈ যায়।

আনন্দমল জৈনক লৈ চুবুৰীয়াৰ কৌতুহলৰ অন্ত নাই। কোনোবাই কয় তেওঁ শিক্ষিত, কোনোবাই কয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম. এ. পাছ কৰিছিল।

ঃ মা, জানা আনন্দমলৰ আটাইতকৈ গোপনীয় কথা হ'ল এম. চি. কলেজত অধ্যাপনা কৰা সময়ত তেওঁ এজনী অসমীয়া ছোৱালীক ভাল পাইছিল আৰু বিয়া কৰাব বিচাৰিছিল। কিন্তু সেই বিয়া নহ'ল। সোণমণিয়ে মাকক আনন্দমলৰ বিষয়ে কৈ আছিল যদিও মিনুৱে কথাবোৰ শুনাৰ আগ্ৰহ প্ৰকাশ কৰা নাছিল। মাত্ৰ কৈছিল এইবোৰ পেনপেনীয়া প্ৰেমৰ কথা মোক নকবি। মই এতিয়া ভাত ৰান্ধিবলৈ যাওঁ।

পিছ দিনাখন মিনুক পুৰণি জীৱনৰ বহু স্মৃতিয়ে বৰকৈ আমনি দি আছিল। তাই তেতিয়া আছিল ২১ বছৰীয়া মিনু পাঠক স্নাতক ২য় বৰ্ষৰ ছাত্ৰী। পঢ়া-শুনাত মুঠতে সকলো দিশতে আগবঢ়া আছিল তাই। সেই সময়তে তাইৰ কাষলৈ আগবাঢ়ি আহিছিল ফিল'চফি ডিপাৰ্টমেন্টৰ অধ্যাপক আৰ. কে. দেবনাথ। এটা সময়ত আৰ. কে. দেবনাথ আৰু মিনু শিক্ষক, ছাত্ৰীৰ বন্ধন ছিঙি হৈ পৰিছিল ইজনে-আনজনৰ পৰিপূৰক।

হঠাৎ এদিন সিহঁতৰ সজা সকলো সপোন ভাগি ধূলিত মিলি গৈছিল। তেতিয়া মিনু আছিল স্নাতক ৩য় বৰ্ষৰ ছাত্ৰী। সেইদিনা দেৱনাথে কোনো কথাৰ পাতনি নেমেলাকৈ কৈ দিছিল নিৰ্মম সত্যটো। মাক-দেউতাকৰ একমাত্ৰ সন্তান দেবনাথে কৈ গৈছিল মাক-দেউতাকৰ সেই সিদ্ধান্তৰ কথা।

ঃ মা-দেউতাই মোৰ বিয়া পাতিছে অহা মাহৰ ২ তাৰিখে। সেয়ে মোক ঘৰলৈ মাতি পঠাইছে। মই এই বিয়া কেতিয়াও হ'বলৈ নিদিও। তুমিয়ে মোৰ জীৱনৰ প্ৰথম আৰু শেষ নাৰী। তোমাৰ বাহিৰে আনৰ লগত সংসাৰ পতা অসম্ভৱ।

সেইদিনা থৰ্ থৰ্ কৈ কঁপিছিল মিনু। দুহাতেৰে মুখখন ঢাকি হুকহুকাই কান্দিছিল। ভৰিৰ তলৰ পৰা যেন পৃথিৱীখন নোহোৱা হৈছিল।

ঃ মোক তুমি বিশ্বাস নকৰা নেকি? প্ৰেমক বিশ্বাস নকৰা নেকি মিনু? মই কালি ৯ বজাত ট্ৰেইনত উঠিম আৰু অহা সপ্তাহত উভতি আহিম, তুমি ধৈৰ্য্য ধৰা।

সেই যে গ'ল দেবনাথ, আৰু কোনো দিন ঘূৰি নাহিল। পাছত মিনুৱে গম পাইছিল দেবনাথ এম. চি. কলেজৰ প্ৰবক্তা পদৰ পৰা ৰিজাইন দি ৰাজস্থানৰ কোনোবা এখন কলেজত চাকৰিত যোগদান কৰিছিল। কিন্তু মাক-দেউতাকৰ পছন্দত বিয়া কৰোৱা নাছিল। জীৱনৰ পৰা তেওঁ পলায়ন কৰিছিল। ই কেনেধৰণৰ প্ৰেম মিনুৱে বুজি নাপালে।

ঃ মা, মা, সোণমণিৰ মাতত থতমত খাই গ'ল মিনু।

ঃ মা, মই পণ্ডিত আনন্দমলৰ ওচৰৰ পৰা আহোঁ। তেওঁৰ হেনো গা ভাল নহয়।

কি কথাবোৰ যে মনলৈ আহিছে আজি। কি আৱশ্যক আছিল পুৰণি ঘা এডোখৰ খজুৱাই নতুন কৰাৰ। নিজৰ ওপৰতে মিনুৰ খং উঠি গ'ল।

ঃঃঃঃঃঃ

আগফালৰ চকী এখনত বহি আছে পণ্ডিত আনন্দমল জৈন। সোণমণিক অহা দেখি মাত লগালে, "আহা বোপা সোণমণি।"

ঃ আপোনাৰ হেনো গা ভাল নহয়। সোণমণিয়ে ক'লে।

ঃ প্ৰেচাৰটো অলপ বাঢ়িছে, আন একো নহয়। বোপা, যোৱাচোন মোৰ বাবে এগিলাচ পানী আনাগৈ, কোঠাতে গিলাচ আৰু জগটো আছে।

পানী আনিবলৈ গৈ পণ্ডিত আনন্দমল জৈনৰ কোঠাত সোমাই সোণমণিৰ বৰ আচৰিত লাগিল। বিচনাৰ কাষতে সুন্দৰকৈ অংকিত কৰা এজনী ধুনীয়া নাৰীৰ ছবি। মুখখন যেন তাৰ চিনাকি চিনাকি লাগিল।

ঃ বোপা সোণমণি, আহা আজি মোৰ যাবৰ সময় হৈছে। তোমাৰ হাতেৰে পানীটোপাল খাই এই সুন্দৰ পৃথিৱীখন এৰি যাওঁ। পণ্ডিত আনন্দমলৰ এনেধৰণৰ কথা শুনি সোণমণি দৌৰি আহি সকলো কথা মাকক ক'লে। মাক মিনুৱেও আনন্দমলক চাবলৈ গ'ল। গৈ দেখিলে যে সেইখন তাইৰে ছবি। সেই আনন্দমল জৈনেই তাইৰ জীৱনৰ প্ৰথম প্ৰেমিক আৰ. কে. দেবনাথ!! ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# আশ্ৰয়

◆ সংগীতা ডেকা
স্নাতক ২য় বৰ্ষ

ফৰকাল বতৰ। ওখ শিমুলজোপাত পৰি এটি চৰায়ে গীত জুৰিছে। ৰাস্তাৰ কাষৰ পথাৰখনৰ পৰা এটা সুগন্ধি উৰি আহিছে। প্ৰেৰণাই খৰধৰকৈ কলেজৰ মেইন গেট্ পাৰ হৈ হাতঘড়ীটোলৈ চালে ৯ বাজি ৩০ মিনিট গৈছে। 'ছেঃ আজিও ক্লাছটোলৈ দেৰি হ'ল'— এই বুলি ক্লাছৰুমত প্ৰৱেশ কৰিলে। অসমীয়া বিভাগৰ মূৰব্বী প্ৰবক্তা মিচেছ অনিন্দিতা কাকতি বাইদেৱে খঙত গোটেই ক্লাছটোকে গালি পাৰি আছে। "মানুহ যদি বেয়া হয় তেন্তে ল'ৰা হিচাপে বিয়া, শিশু হিচাপে বেয়া, পুতেক হিচাপে বেয়া, গিৰিয়েক হিচাপে বেয়া, বাপেক হিচাপে বেয়া, শহুৰেক হিচাপে বেয়া, ককাক হিচাপে বেয়া, তথা তেওঁ সামাজিক হিচাপেও বেয়াই। আচলতে তেওঁৰ বেয়াখিনি বংশগত হিচাপে পায়। আচলতে যি বেয়া বেয়াই। তাক কোনো পধ্যে ভাল কৰিব নোৱাৰি। এই তেজৰ ধৰ্ম কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। কেতিয়াও নোৱাৰে।......"

মিচেছ কাকতি বাইদেউৰ এনেকুৱা খং আগতে কোনেও দেখা নাছিল। খং উঠাৰ কাৰণ প্ৰেৰণাই কাষৰজনীক সোধাত ক'লে— ক্লাছৰ কোনোবাই হেনো বাইদেউক বদ্ ব্যৱহাৰ কৰিছে, সেয়াও এবাৰ নহয়, দুই-তিনিবাৰমান। অৱশ্যে এই বিষয়ে বাইদেৱে অধ্যক্ষ মহোদয়ক নজনোৱা নহয়। কথাখিনি শুনি বেয়া লাগি গৈছিল প্ৰেৰণাৰ। আচলতে অসমীয়া বিভাগৰ প্ৰত্যেকজন প্ৰৱক্তাকে বিশেষভাবে শ্ৰদ্ধা, ভক্তি তথা ভাল পাইছিল প্ৰেৰণাই।

বতৰ বেয়া হোৱা কাৰণে কলেজলৈ কেইদিনমান প্ৰেৰণাই নোযোৱাকৈয়ে আছিল। আজি কেইবাদিনৰ মূৰত বতৰটো ফৰকাল হোৱা কাৰণে প্ৰেৰণাৰ মনটো আনন্দতে নাচি উঠিল আৰু গুণগুণাই দিলে— 'ক'ৰ এজাক সপোন যেন বৰষুণ' শীৰ্ষ গীতৰ ক'লিতো। এনেতে বাহিৰত কিবা হুলস্থূল শুনি ওলাই আহিল প্ৰেৰণা। দেখিলে ঘৰৰ সন্মুখৰ ৰাস্তাত মানুহৰ এটা সৰু জুম বান্ধিছে। তাই অলপ আগুৱাই গ'ল— কি হৈছেনো চাবলৈ। কোনোবাই কোৱাকুই কৰিলে; "বেচেৰীজনীৰ এনেহে অৱস্থা হ'ল নে? মাকজনীও এনেকুৱা নিৰ্দয়ী নে? গাভৰু ছোৱালীজনী ক'লৈ যাব ক'ত থাকিব?" বিভিন্নজনৰ বিভিন্ন কথা শুনি প্ৰেৰণাই ঘটনাৰ সবিশেষ জানিবলৈ তাইও জুমটোত অংশগ্ৰহণ কৰিলে। তাই দেখিলে এজনী চৈধ্য-পোন্ধৰ বছৰীয়া দেখিবলৈ খুবেই ধুনীয়া ছোৱালী। পিন্ধনত এটা ফটা মলিয়ন বগা ফ্ৰক। ফ্ৰকটোৱে ঢাকিব নোৱাৰা যৌৱনখিনি কিছুমান চেঙেলীয়া ল'ৰা, আদবয়সীয়া আৰু কিছুমান মুখা পিন্ধা ভদ্ৰলোকে কুৰুকি-কুৰুকি চাই তৃপ্তি লাভ কৰিছে। তাইৰ গাখীৰত সেন্দুৰ মিহলোৱা তেজে ফুটো-ফুটো দুগালেৰে বৈ আহিছে অজস্ৰ অশ্ৰু কণা। কান্দি কান্দি তাইৰ মাতটো ভাঙি গৈছে। ভঙা মাতটোৰে তাই কৈ আছে— "দয়া কৰি আপোনালোকে মোক অলপ থাকিবা জাগা দিয়ক; মই সিখেন ঘৰত থাকিবা নৰু।" আৰু তাই কিবা বাৰে বেবেৰিবাং বলকি আছিল। মানুহবোৰে নুশুনা ভাওঁ জুৰি এটা এটাকৈ তাৰ পৰা আঁতৰি যাবলৈ ধৰিলে। কিছুমানে সহানুভূতিৰ বাণী শুনালে; কোনোবাই পইচা দিলে কিন্তু আশ্ৰয় দিবলৈ হ'লে কোনেও আগবাঢ়ি নাহিল। কিছুমানে আকৌ পুলিচ থানাত কথাতো জনাবলৈ ক'লে। তেতিয়া হয়তো তাইৰ কিবা ব্যৱস্থা কৰিব পাৰিব।

ইমান সময়ে আচলতে প্ৰেৰণাই একোৱেই ধৰিব পৰা নাই। কৃষ্ণাবাক কথাতো সোধাত জানিব পাৰিলে সকলো।

ছোৱালীজনীৰ নাম ফুটো। দেউতাক [illegible] কাৰা ছোৱালীজনী বেলেগৰ ঘৰত থাকি কামবন কৰিছিল। যৌৱনপ্ৰাপ্তা ছোৱালীজনী এতিয়া মালিকনীয়ে নাৰাখে আৰু সেয়েহে তাই মাকৰ ঘৰলৈ গুচি আহিল। মাকে আকৌ ৰিক্সাৱালা বিহাৰী মতা এজনৰ লগত থাকিবলৈ লৈছে। এদিন বিহাৰীটোৱে তাইৰ গাত হাত দিবলৈ চেষ্টা কৰাত তাই ঘৰৰ পৰা পলাল; মাকৰ কিন্তু এই কথাত একো আপত্তি নাই। যেনেকৈয়ে নহওঁক মুঠতে জীয়াই থাকিব লাগে। মাকৰ এনেকুৱা বেশ্যামি কাৰবাৰত তাই মুঠেও সহযোগ নকৰিলে। খং আৰু অভিমানত তাই দগ্ধ হৈ উঠিছিল তাইৰ ৰূপ-যৌৱন আৰু কান্দি কান্দি মানুহ বিলাকৰ ওচৰত বিচাৰিছিল অকণমান আশ্ৰয়।

প্ৰেৰণাই কৃষ্ণাবাৰ লগত কথা পাতি থাকোতে ছোৱালীজনী ক'লৈ গ'ল তৰ্কিবই নোৱাৰিলে। ইফালে আন্ধাৰো হৈ আহিছে; এক অজান শংকাত হাহাকাৰ কৰি উঠিল প্ৰেৰণাৰ বুকুখন। দুখ আৰু আত্মগ্লানিত সেমেকি উঠিল প্ৰেৰণাৰ হৃদয়।

এই অপ্ৰিয় বাস্তৱ সত্যটোৰ সন্মুখীন হৈ প্ৰেৰণাৰ ঘৃণা উপজিল এই সমাজখনলৈ.... কেৱল নিজক চিনি পোৱা এই স্বাৰ্থপৰ মানুহখিনিলৈ .... আৰু মনত পৰিলে সেইদিনাৰ মিচেছ অনিন্দিতা কাকতি বাইদেউৰ সেই বিশেষ ক্লাছটোলৈ ...... "— ..... আচলতে যি বেয়া বেয়াই। তাক কোনোপধ্যে ভাল কৰিব নোৱাৰি। এই তেজৰ ধৰ্ম কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। কেতিয়াও নোৱাৰে।" ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# হেৰোৱা প্ৰেমৰ সুবাস

◆ ৰুনুমী বৰ্মন
স্নাতক ১ ম বৰ্ষ



অনিচ্ছা সত্বেও খিৰিকীখন খুলি দিলে নীহাৰিকাই। এজাক শীতল বতাহে তাইৰ শৰীৰ চুই গ'ল। নাই, তাইৰ আজি কোনো বস্তুৰে ভাল নলগা হৈছে। তাইৰ মনটো বাৰে-বাৰে উৰা মাৰে অনুৰাগৰ ওচৰলৈ। কালি অনুৰাগ নিজৰ ঘৰলৈ গ'ল। তাইক দি থৈ গ'ল মাথোন এমুঠি যন্ত্ৰণা। অনুৰাগ গুচি যোৱাত তাই একেবাৰে অকলশৰীয়া অনুভৱ কৰিলে, যেন তাইৰ হৃদয়ৰ কোনো অংশ হেৰাই গ'ল।

ডাঃ সুৰ্বণ বৰুৱা আৰু মীৰা বৰুৱাৰ একমাত্ৰ সন্তান নীহাৰিকা। তেওঁলোকৰ পালিতা কন্যা। এইবাৰ স্নাতক প্ৰথম বৰ্ষত নাম লগাইছে। অনুৰাগ ডাঃ বৰুৱাৰ ভনীয়েকৰ ল'ৰা। অনুৰাগ নীহাৰিকাহঁতৰ ঘৰলৈ কেইদিনমান থকাকৈ ফুৰিবলৈ আহিছিল। আগতে দেখাদেখি নোহোৱা অনুৰাগ আৰু নীহাৰিকা প্ৰায় একে বয়সৰে হ'ব। প্ৰথম চিনাকিতে অলপ সংকোচবোধ কৰিলেও পিছত দুয়ো দুয়োৰে ভাল বন্ধু হৈ পৰিছিল। তাই সেই সপ্তাহটোতে অনুৰাগক বহুতো ঠাই ফুৰালে। এদিন নদীৰ পাৰলৈ ফুৰিবলৈ গ'ল। নদীৰ পাৰত বহি দুয়োজনে বহুতো কথা পাতিলে। তেতিয়াই নীহাৰিকাই জানিব পাৰিছিল যে অনুৰাগে নৱম শ্ৰেণীত পঢ়ি থাকোতেই অৰুণিমা নামৰ ছোৱালী এজনীক ভাল পাইছিল। শান্ত, সহজ গাঁৱলীয়া ছোৱালী আছিল তাই। মাক-বাপেক সৰুতে ঢুকোৱাৰ বাবে তাই মোমায়েকৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। দিন যোৱাৰ লগে-লগে মোমায়েকহঁতৰ ঘৰখনে তাইক আগৰদৰে মৰম-আদৰ নকৰা হৈছিল। সৰু-সুৰা কাৰণতে তাইক অত্যাচাৰ কৰিবলৈ ধৰিলে। অত্যাচাৰৰ মাত্ৰা বাঢ়ি যোৱাত, অত্যাচাৰ সহ্য কৰিব নোৱাৰি তাই এদিন নদীত জাঁপ দি আত্মহত্যা কৰিলে।

> অৰুণিমাই ভাবিবৰ অৱকাশেই নাপালে যে তাইৰ বাবেও কোনোবা এজন বৈ আছে। অনুৰাগে নীহাৰিকাক কথাবোৰ কৈ গৈছিল— 'মই বৰ ভাবুক হৈ পৰিছিলো আৰু আজিও অৰুণিমাৰ স্মৃতিয়ে মোক আমনি কৰে।'

অৰুণিমাই ভাবিবৰ অৱকাশেই নাপালে যে তাইৰ বাবেও কোনোবা এজন বৈ আছে। অনুৰাগে নীহাৰিকাক কথাবোৰ কৈ গৈছিল— 'মই বৰ ভাবুক হৈ পৰিছিলো আৰু আজিও অৰুণিমাৰ স্মৃতিয়ে মোক আমনি কৰে।' কথাখিনি কৈ অনুৰাগে নীহাৰিকালৈ চালে, দেখিলে তাইৰ চকুযুৰি পানীৰে ভৰি পৰিছে। এটা সময়ত দুয়ো ঘৰলৈ উভতি আহিল। বাটত অনুৰাগেও নীহাৰিকাৰ বিষয়ে জানিব খুজিলে। তাই হুমুনিয়াহ কাঢ়ি কৈছিল "মই এজনক প্ৰাণ ভৰি ভাল পাই পেলাইছোঁ, আশা কৰো এদিন তেৱোঁ মোক ক'ব —ভালপাওঁ বুলি।"

কেইদিনমান থাকি অনুৰাগ যাবলৈ ওলাল। নীহাৰিকাই অনুৰাগক পূজাৰ বন্ধত তাইক সিহঁতৰ ঘৰলৈ নিবলৈ মাতিছিল। অনুৰাগে যাবৰ সময়ত মাত লগোৱাত নীহাৰিকাই কান্দোন ধৰি ৰাখিব নোৱাৰিলে। অনুৰাগে তাইক সান্ত্বনা দি পূজাৰ বন্ধত নিবলৈ আহিম বুলি কৈ গৈছিল। অনুৰাগ যোৱাত তাই বিচনাত মূৰ গুজি বহুত পৰলৈ পৰি থাকিল। তাই অনুভৱ কৰে, অনুৰাগৰ কথাবোৰ যেন তাইৰ বহু দিনৰ চিনাকি। কিন্তু অনুৰাগক



MOHAN LAL CHOUDHURY LIBRARY :
Library :

তাই কেতিয়া কঁত লগ পাইছিল মনত পেলাব পৰা নাই।

পূজাৰ বন্ধ আহি পালে। অনুৰাগে তাইক নিবলৈ আহিল। তাইৰ যে কি স্ফূৰ্তি। তাইৰ হৃদয় আনন্দেৰে উপচি পৰিল। অনুৰাগৰ লগত যোৱাত তাইৰ কোনো বাধা নাই কাৰণ সি পেহীয়েকৰ ল'ৰা। পেহাক-পেহীয়েকৰ ঘৰলৈ যাবলৈ তাই কাপোৰ-কাণি যতনাই ল'লে। এটা সময়ত মাক-দেউতাকক মাত লগাই তাই অনুৰাগৰ লগত পেহীয়েকৰ ঘৰলৈ বুলি ওলাল।

পেহীয়েকৰ ঘৰলৈ নীহাৰিকাহঁতৰ ঘৰৰ পৰা বাছেৰে গ'লে চাৰিঘন্টা লাগে। গাঁৱৰ পৰিবেশ নীহাৰিকাৰ বৰ ভাল লাগে। গাওঁখনৰ অপূৰ্ব দৃশ্যৰাজিয়ে তাইক আপোনপাহৰা কৰি তুলিলে। তাইৰ এনে লাগিল যেন তাই এই গাঁৱত থাকিয়ে ডাঙৰ হৈছে। প্ৰতিটো ৰাস্তা, গছ-গছনি তাইৰ বৰ আপোন-আপোন লাগিল।

বাছৰ পৰা নামি অনুৰাগহঁতৰ ঘৰলৈ গৈ থাকোতে কিবা এটা মনত পৰাৰ দৰে তাই কৈ উঠিল, "অলপ দূৰৈত যে গোঁসাই ঘৰটো আছে, তাৰ বকুল জোপা আছেনে নাই? অনুৰাগ তাইৰ প্ৰশ্নত আচৰিত হৈছিল। অনুৰাগে কৈছিল," তুমিতো আগতে ইয়ালৈ অহা নাই, কেনেকৈ জানিলা, ইয়াত বকুল এজোপা আছিল বুলি?" তাইও ক'ব নোৱাৰিলে, অনুমানতে কোৱা বুলি ভাবিলে। এইদৰে কিছুমান খেলিমেলি ভাবেৰে তাই অনুৰাগৰ সৈতে সিহঁতৰ ঘৰ পালেগৈ। পেহাক-পেহীয়েকক পাই বৰ ভাল পালে।

অনুৰাগৰ সৈতে দুয়ো বন্ধৰ দিনকেইটা বৰ উপভোগ কৰিলে। এদিন অনুৰাগহঁতৰ ঘৰৰ কাষেৰে বৈ যোৱা নদীখনৰ পাৰলৈ দুয়ো ফুৰিবলৈ গ'ল। তাত কেইজনমান ল'ৰাই গা-ধুই আছিল। আন এজন ল'ৰা আহি হঠাতে পাৰৰ পৰাই নদীত জাঁপ মাৰি দিলে, আচলতে সিহঁতে তেনেদৰে নদীত গা-ধোৱে। নীহাৰিকাই তাক 'বচোৱা বচোৱা' বুলি কৈ ঢলি পৰিল। নীহাৰিকাৰ কি হ'ল বুলি অনুৰাগৰ দৌৰাদৌৰি লাগিল। তাইৰ নাকে মুখে পানী ছটিয়াই দিলে। কিছু সময় পিছত অকণমান সুস্থ হোৱা যেন দেখি ল'ৰাকেইজনৰ সৈতে তাইক ঘৰলৈ লৈ আহিল।

ডাক্তৰ মাতি তাইক দেখুৱালে। পেহীয়েকেও তাইৰ যত্ন ল'লে। তাই সুস্থ হৈ উঠিল যদিও তাইৰ মানসপটত ভাহি উঠা কথাবোৰে তাইক বৰকৈ আমনি দিলে। হেৰাই যোৱা অতীত ফটফটীয়া হৈ তাইৰ চকুত ভাহি উঠিল।

তাই এই গাঁৱৰে ছোৱালী। তাইৰ বয়স এতিয়া ঊনৈশ বছৰ অৰ্থাৎ ঊনৈশ বছৰ আগতে তাই এই গাঁৱতে জন্ম গ্ৰহণ কৰিছিল। তাইৰ আঠ বছৰ বয়সত মাক-দেউতাক এটা বাছ দুৰ্ঘটনাত ঢুকায়। অগাধ সম্পত্তিৰ অধিকাৰী হোৱা বাবে ওচৰ সম্বন্ধীয় এজন মোমায়েকে সম্পত্তিৰ আশাত তাইক সিহঁতৰ ঘৰলৈ লৈ যায় আৰু স্কুলত নাম লগাই দিয়ে। তেতিয়া তাইৰ নাম আছিল অৰুণিমা। তাই নৱম শ্ৰেণীত পঢ়ি থাকোতে অনুৰাগ নামৰ ল'ৰাজনৰ লগত গাঢ় সম্পৰ্ক গঢ়ি উঠে। সৰুকালত দুয়োজনে গোঁসাই ঘৰৰ বকুল জোপাৰ তলত দৰা-কইনা খেলিছিল, বকুল ফুলৰ মালা গাঁথিছিল। কিন্তু নিয়তিৰ কি পৰিহাস, এদিন মোমায়েকে তাইৰ সকলো সম্পত্তি নিজৰ নামত কৰি লয় আৰু তাইৰ ওপৰত নানান অত্যাচাৰ চলাই থাকিল। ইমানতো সন্তুষ্ট নাথাকি নিষ্ঠুৰ মোমায়েক-মামীয়েকে ভাতৰ লগত বিষ খুৱাই তাইক নদীত উটুৱাই দিয়ে। গাঁৱৰ মানুহৰ আগত অভিনয় কৰি কান্দি-কান্দি কৈছিল যে, তাই নদীত জাপ দি আত্মহত্যা কৰিলে।

কিন্তু 'ৰাখে হৰি মাৰে কোনে'। অৰুণিমা ভাহি আহি গুৱাহাটী মহানগৰৰ ব্ৰহ্মপুত্ৰ নদীৰ এটা ঘাটত অজ্ঞান হৈ পৰি আছিল। আবেলি পৰত ডাঃ সুৱৰ্ণ বৰুৱা সদায় নদীৰ সেই পাৰঘাটলৈ ফুৰিবলৈ যায়। সেইদিনা অজ্ঞান অৱস্থাত পাই ছোৱালীজনী নিজৰ হস্পিতাললৈ লৈ আহে। হস্পিতালত জ্ঞান ঘূৰাই পোৱাৰ পিছত তাইৰ পৰিচয় বিচৰাত তাই যে স্মৃতিশক্তি হেৰুৱাই পেলাইছে সেইটো ডাঃ বৰুৱাৰ জ্ঞাত হয়।

ডাঃ সুৱৰ্ণ বৰুৱাই মীৰা বৰুৱাৰ সন্মতিত প্লাষ্টিক চাৰ্জাৰীৰে অৰুণিমাৰ মুখমণ্ডল পৰিবৰ্তন কৰি নিজৰ ঘৰলৈ চিৰদিনৰ বাবে লৈ আহে। নিঃসন্তান দম্পতি ডাঃ সুৱৰ্ণ বৰুৱা আৰু মীৰা বৰুৱাৰ আনন্দৰ সীমা নোহোৱা হৈ পৰে। তেতিয়াৰ পৰাই অৰুণিমা নীহাৰিকা বৰুৱা হৈ পৰে। নীহাৰিকাক পাই বৰুৱা দম্পতিয়ে সকলো আলহীকে এদিন নিমন্ত্ৰণ কৰিছিল। অসুবিধাবশতঃ অনুৰাগে সেই নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰি পিছত তেখেতসকলৰ ঘৰলৈ আহি নীহাৰিকাক লগ পায়।

হঠাতে নীহাৰিকাই চিঞৰি উঠে অনুৰাগ বুলি। তাই চকুমেলি দেখিলে তাই বিছনাত শুই আছে আৰু কাষত পেহাক-পেহীয়েক অৰ্থাৎ অনুৰাগৰ মাক-দেউতাক আছে। তাইৰ আনন্দত চকুপানী ওলাই আহিল, শূন্য হৃদয় ভৰি পৰা বাবে। কিন্তু তাই এতিয়া কি কৰিব? নাই! নাই! এই কথা তাই অনুৰাগক ক'ব নোৱাৰে, তাইয়ে যে অৰুণিমা! থাওঁক, অনুৰাগে তাইৰ মৃত্যু হোৱা বুলিয়ে জানি থাকক। কাৰণ তাই অনুৰাগক আৰু এটা দুখ দিব নোৱাৰে। সিহঁতৰ মিলন যে অসম্ভৱ, এতিয়া সিহঁতৰ সম্পৰ্ক ভাই-ভনী। তাই কোনো কাৰণতে মৰমীয়াল মাক-দেউতাকক হেৰুৱাব নোখোজে। আকাশৰ জোনটোৰ দৰেই তাই অনুৰাগক ভাল পাই থাকিব, যাৰ স্নিগ্ধ পোহৰে মন সকলো সময়তে ভৰাই ৰাখিব। ◆



MOHAN LAL CHOUDHURY LIBRARY :

Library :

# উপহাৰ

◆ উজ্জ্বল শৰ্মা
স্নাতক ১ ম বৰ্ষ



বান্ধৱীৰ জন্মদিনৰ শুভেচ্ছা জনাবলৈ মেখেলা চাদৰ পিন্ধি ৰুমী ওলাই যোৱালৈ একেথৰে চাই মিচেছ বৰুৱাই ভাবিছে ছোৱালী ডাঙৰ হ'ল। চাওঁতে-চাওঁতে বাইশ বছৰ পাৰ হ'ল অৰ্থাৎ আন এঘৰলৈ উলিয়াই দিবৰ হ'ল। উপযুক্ত পাত্ৰ এজনৰ হাতত গটাব পাৰিলে ভাল। ৰুমী ওলাই যোৱালৈ চাই পৰ্টিকতে বহি মিচেছ উপলা বৰুৱাই বিবাহ সম্পৰ্কত বিভিন্ন কথাই নিজৰ মনতে আলচি আছিল।

জুতি লগাকৈ চাহ একাপ খাবৰ মন গৈছিল যদিও উপলা বৰুৱাই উঠো-নুঠোকৈ অকলশৰে বহি থাকিল। এনেতে বাহিৰত মিচেছ বন্দিতা দত্তৰ মাত শুনি ভিতৰলৈ মাতিলে— 'আহক মিচেছ দত্ত, ভিতৰলৈ সোমাই আহক। ভালেই কৰিলে এপাক ওলাই আহি। মই অকলে অকলে বহি আছো।' বন্দিতা দত্তই খবৰ এটা দিবলৈহে মিচেছ বৰুৱাৰ ওচৰলৈ আহিছে। তেওঁলোক সংস্কাৰকামী মহিলা সংঘৰ সদস্যা। অহা দেওবাৰে সংঘৰ কাৰ্য্যালয়তে 'সমাজত উপহাৰৰ প্ৰভাৱ' সম্পৰ্কত দিনৰ দুই বজাত এখন আলোচনা বহিব। 'সেয়ে আপোনাক খবৰটো দিব আহিলোঁ। ওলাব, একেলগে যাম।' কিছুসময় ইটো-সিটো কথা পাতি মিচেছ দত্ত গ'লগৈ।

লাহে-লাহে এন্ধাৰ নামি আহিল। চাকি, বন্তি জ্বলাই ধূপ-ধুনা দিবলৈ উপলা বৰুৱা উঠি গ'ল। এজন-এজনকৈ ঘৰৰ আটাইবোৰেই গোটখালে। বৰুৱা ঘৰৰ কামত ব্যস্ত হৈ পৰিল।

ঘৰুৱা ব্যস্ততাৰ ফাঁকে ফাঁকে বৰুৱাই 'সমাজত উপহাৰৰ প্ৰভাৱ' সম্পৰ্কত কি মন্তব্য ৰাখিব জুকিয়াই চাইছে। মিচেচ্ বৰুৱাই ঘৰুৱা সকলো জঞ্জাল সামৰি সময় পালেই সমাজৰ কামত ওলাই যায়।

ঘৰুৱা ব্যস্ততাৰ ফাঁকে ফাঁকে বৰুৱাই 'সমাজত উপহাৰৰ প্ৰভাৱ' সম্পৰ্কত কি মন্তব্য ৰাখিব জুকিয়াই চাইছে। মিচেচ্ বৰুৱাই ঘৰুৱা সকলো জঞ্জাল সামৰি সময় পালেই সমাজৰ কামত ওলাই যায়। সমাজৰ প্ৰতি দায়বদ্ধতা মিচেছ বৰুৱাৰ আছে। স্বাধীনচিতীয়া, স্পষ্টবাদী বুলি বৰুৱাৰ সমাজত এটা সুকীয়া পৰিচয় আছে।

সমাজৰ ঘটনাবোৰ দেখি শুনি, সভা-সমিতিয়ে ভাগলৈ আহৰণ কৰা



MOHAN LAL CHOUDHURY LIBRARY :
Library:

অভিজ্ঞতাৰ পৰা মিচেছ বৰুৱাই বহুতো শিকিছে। মুকুটবিহীন সম্রাটৰ পিছত দৌৰা সমাজ বিশৃঙ্খলতাৰে ভৰি পৰিছে। এই শৃঙ্খলাহীন সমাজখন শৃঙ্খলাবদ্ধ কৰিবলৈ আজি মাতৃজাতি সচেতন হ'বৰ প্ৰয়োজন আছে। 'সংস্কাৰকামী মহিলা সংঘ'ৰ যোগেদি সমাজ সংস্কাৰত খোজ দিবলৈ মিচেছ বৰুৱা আগ্ৰহী।

ঘৰখনৰ কামবোৰ সোনকালে সামৰি মিচেছ বৰুৱা মিচেছ দত্তৰ সৈতে কাৰ্য্যালয়লৈ গ'ল। সংঘৰ সদস্যাসকল আহি গোট খোৱালৈ কিছু পলম হ'ল। ডেৰ ঘন্টা পলমকৈ হ'লেও যথানিয়ম অনুসৰি তেওঁলোকৰ আলোচনা আৰম্ভ হ'ল।

সদস্যাসকলে নিজৰ নিজৰ মতবোৰ আগবঢ়ালে। মিচেছ বৰুৱাইয়ো তেওঁৰ মত আগবঢ়োৱাৰ আগতে ক'লে যে 'আমি যদি সময়নিষ্ঠ নহওঁ কোনো কামতে সফল হ'ব নোৱাৰিম। আমি মনত ৰখা উচিত যে সময় বৰ মূল্যবান।' তাৰ পিছত ক'লে —'উপহাৰ হৈছে সন্মান কৰি দিয়া ভেটি, উপঢৌকন, দেৱতালৈ আগবঢ়োৱা নৈবেদ্য। অৰ্থ হিচাপে উপহাৰ যিয়েই নহওঁক আমি ইয়াত বিশেষকৈ মাঙ্গলিক অনুষ্ঠানত আশীৰ্বাদ স্বৰূপে এজনলৈ আগবঢ়োৱা উপহাৰৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো। আশীৰ্বাদ হিচাপে আগবঢ়োৱা উপহাৰৰ ক্ষেত্ৰত কিছুমান কথা মন কৰিব লাগে। প্ৰথমে আশীষ হিচাপে মূৰ্ত বস্তু উপহাৰ দিলে ইয়াৰ গুণগত দিশৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। দ্বিতীয়তে, বিভিন্নজনক দিয়া উপহাৰবোৰ ব্যৱহাৰৰ উপযোগী হ'লে ভাল। অন্যথা ই অনাদৰৰ বস্তু হৈ পৰে। তৃতীয়তে উপহাৰ বাছনিৰ ক্ষেত্ৰতো কিছুমান বিশেষ কথা মন কৰিব লাগে। যেনে এটা শিশুক খেলৰ সামগ্ৰী আৰু এজন ছাত্ৰক কিতাপ বা পঢ়াৰ সঁজুলি উপহাৰ হিচাপে আগবঢ়ালে অথলে নাযায়।

আজিৰ সমাজত বহুতো মানুহে উপহাৰ দিয়াৰ ক্ষেত্ৰত প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাও দেখা যায়। এনে প্ৰতিযোগিতাই সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দেখা যায়। অপ্ৰিয় হ'লেও সত্য যে আৰ্থিকভাৱে দুৰ্বল বহুতো লোকে নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰে। কাৰণ তেওঁলোকৰ আনক দেখুৱাই 'বাহিৰে ৰং চং ভিতৰে কোঁৱা ভাতুৰী'ৰ দৰে উপহাৰ দিয়াৰ মানসিকতাও নাথাকে। উপহাৰ যে দিবই লাগিব কোনো ক্ষেত্ৰতে লিখিত নিয়ম নহ'লেও অলিখিত ভাবে ই পৰম্পৰাত পৰিণত হৈছে। ভাবি চালে ইয়াক আমিয়ে গঢ়ি তোলা সমস্যা বুলি ক'ব পাৰি। বৰ্তমান এই প্ৰক্ৰিয়াটো এনে পৰ্য্যায় পাইছে যে ইয়াক কোনো প্ৰকাৰে বাধা দিব নোৱাৰি। অৱশ্যে কিছুমান লোকে উপহাৰ হিচাপে আন্তৰিক শুভেচ্ছা জনাবলৈ আগতীয়াকৈ জনাই দিয়াও দেখা যায়। অযথা উপহাৰৰ নামত প্লাষ্টিকৰ দৰে আৱৰ্জনা কিছুমান গোট খাই পৰিবেশ প্ৰদূষণত অৰিহণা যোগোৱাতকৈ আন্তৰিক শুভেচ্ছা বহুত ভাল। উৰ্ধমুখী বস্তুৰ মূল্যৰ বাবে দেখা যায় সামৰ্থ্য অনুসৰি নগদ ধন উপহাৰ হিচাপে আগবঢ়ালে দিওঁতা আৰু লওঁতা উভয়ে উপকৃত হয়।

উপহাৰ হিচাপে আগবঢ়োৱা উপঢৌকনৰ দ্বাৰা সমাজত প্ৰতিফলিত হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বিষয়ে আমি আটায়ে ভালকৈ অৱগত। সেয়েহে আমি এই ক্ষেত্ৰতো সচেতন হ'ব লাগে।

আমি উপহাৰৰ বেয়া দিশটো অকল আলোচনা কৰিলে নহয়, ইয়াৰ ভাল ফলো আছে। দেখা যায় যে, আৰ্থিক ভাবে দুৰ্বল কোনো ব্যক্তিক তেওঁৰ প্ৰয়োজন অনুসৰি উপহাৰ আগবঢ়ালে যথেষ্ট উপকাৰ কৰা হয়। পৰোক্ষভাবে এইদৰে আৰ্থিক সাম্যাৱস্থা কিছু পৰিমাণে বজাই ৰাখিব পাৰি।

এইটো নক'লেও হ'ব যে যুগৰ পৰিবৰ্তনৰ লগে লগে উপহাৰৰো পৰিবৰ্তন হোৱাটো বাঞ্ছনীয় কিন্তু কিছুমান বিশেষ ক্ষেত্ৰতহে।

"শেষত ইয়াকে ক'ব খোজো যে, আজি আমি ইয়াতে প্ৰতিজ্ঞাবদ্ধ হওঁ যে, আলোচনাৰ শেষত হোৱা সিদ্ধান্ত অনুসৰি আমি আজিৰ পৰাই পালন কৰিম। তেতিয়াহে আমাৰ আলোচনাই এক বিশেষ মাত্ৰা লাভ কৰিব। অন্যথা এনে আলোচনা সাৰশূন্য হৈ পৰিব। আটাইকে ধন্যবাদ জনাই ইয়াতে সামৰিলোঁ।"

সংঘৰ আটাইবোৰ সদস্যাই মিচেছ বৰুৱাৰ কথা মানি ল'লে আৰু প্ৰতিজ্ঞাবদ্ধ হ'বলৈ সিদ্ধান্ত ল'লে। ◆





MOHAN LAL CHOUDHURY LIBRARY :
Library :

# মানৱীয় অশ্ৰু অঞ্জলি

◆ ৰিন্তীমণি দাস
উঃ মাঃ ২ য় বৰ্ষ

অৰূপৰ বয়স তেতিয়া চৈধ্য বছৰমান হ'ব। সি এদিন চোতালত খেলি আছিল। এনেতে এটা ভাটৌ চৰাই বেগেৰে উৰি অহা তাৰ চকুত পৰিল। সাধাৰণতে ভাটৌ চৰাই অকলশৰীয়াকৈ নুফুৰে। সিহঁতে দল বান্ধিহে ফুৰে। অৰূপে ভাবিলে এইটো নিশ্চয় কাৰোবাৰ পোহনীয়া ভাটৌ। সঁজাৰ পৰা মুকলি হৈ আহিছে। সি কথাটো ভাবি থাকোতেই চৰাইটো আহি সিহঁতৰ ঘৰৰ বেৰখনত খুন্দামাৰি লুটি খাই পৰি ছটফটাবলৈ ধৰিলে। সি উধাতু খাই দৌৰি গৈ চৰাইটো হাতত তুলি ল'লে। বেচেৰা চৰাইটোৱে বৰ দুখ পাইছিল। তাৰ মুখেৰে তেজ বিৰিঙি ওলাইছিল। কিন্তু চৰাইটো মৰা নাছিল। অৰূপে চৰাইটোক আলফুলকৈ মৰম কৰি তাৰ মূৰত পানী ছটিয়াই দিলে। মুখৰ তেজকণ পানীৰে ধুই দিলে। চৰাইটোৱে গাটো লৰচৰ কৰা দেখি সি ভাবিলে চৰাইটো নমৰে। সি তাক অকণ অকণকৈ পানী খুৱাই দিলে। লাহে-লাহে চৰাইটো সুস্থ হৈ উঠিল। চৰাইটোক সি ঘৰৰ ভিতৰলৈ নিলে। চৰাইটোক কেইটামান ধান— এটা এটাকৈ তাৰ ঠোঁটটো মেলি খুৱাই দিলে। সি ভাটৌটোক আহাৰৰ বাবে ধান, মাহ, ফলমূল আদি আনি দিলে।

স্বাধীনচিতীয়া মনৰ অৰূপে ভাবিলে বনৰ চৰাই সঁজাত বন্দী কৰি ৰখা উচিত নহয়। ভাল হৈ চৰাইটোৱে নিজেই খাব পৰা হ'ল যেতিয়া সি হাবিলৈ গৈ আপোন মনে থাকিব। সেইবাবে সি তাক বান্ধি ৰখা নাছিল। কিন্তু সি ভাটৌটোক বৰ মৰম কৰি ৰাখিছিল।

এক পৰমাত্মাৰে ক্ষুদ্ৰ অংশ এটি জীৱাত্মা ৰূপে চৰাইটোৱে অৰূপৰ মৰমীয়াল মনটো বুজি পাইছিল। সেয়ে মুকলিহে থাকিও ভাটৌটো হাবিলৈ উৰি নগ'ল। সি অৰূপৰ লগতে থাকে। সি যেনি যায় ভাটৌটোৱে তাৰ কান্ধত উঠি সেইপিনে যায়। ভাটৌ চৰাইটোৱে আহাৰ বিচাৰি গছে-বনে ঘূৰি ফুৰিলেও অৰূপে মতাৰ লগে-লগে তাৰ ওচৰলৈ উৰি আহে। ভাটৌটোক মৰমতে সি 'কিং' বুলি মাতে। সি ঘৰচীয়া হৈ পৰিল। ভাটৌটোক অগত্যা এৰাব নোৱাৰা সময়ৰ বাহিৰে সি তাক এৰি ক'লৈকে যাব নোৱাৰে। ৰাতি অৰূপৰ শিতানতে চকুমুদি বহি থাকে।

এনেকৈয়ে কিছুদিন যোৱাৰ পিছত চৰাইটোৱে ঘৰৰ আটাইবোৰকে তাৰ নিজৰ মাতেৰে কিছুমান ইটো-সিটো কথাৰ জাননীও দিব পৰা হ'ল। বনৰ চৰাই হ'লেও সিহঁত দুটাৰ মাজত গভীৰ বন্ধুত্ব গঢ়ি উঠিল। সি ঘৰখনৰে এজন সদস্য হিচাপে আপোন হৈ পৰিল।

ভাটৌটোৱে ঘৰৰ ভিতৰত ইপিনে-সিপিনে ঘূৰি ফুৰি কেতিয়াবা য'তে ত'তে বিষ্ঠা ত্যাগ কৰা দেখিলে অৰূপৰ দেউতাকে বকিবলৈ আৰম্ভ কৰে। অৰূপে লগে লগে তাৰ কৰ্তব্য বুলি সকলো চাফ্‌চিকুণকৈ যতনাই ৰাখে।

এদিনৰ কথা। অৰূপে ৰাতিপুৱা পঢ়ি থাকোতে ভাটৌটো আমনজিমনকৈ আহি তাৰ টেবুলত বহি তালৈ চাই আছে। সি দেখিলে যে, ভাটৌটোৱে বৰ মন মাৰি আছে। 'কিং' তোৰ কি হ'ল বুলি সুধিলে চৰাইটোৱে চকুমুদি তলমূৰ কৰে। অৰূপৰ বুজি পোৱাত দেৰি নহ'ল যে তাৰ কিবা অসুখ হৈছে। সি তাৰ পিঠিত হাত বুলাই মৰম কৰিবলৈ ধৰিলে। ভাটৌটোৱে লগে লগে চকু দুটা আধা মুদি মূৰটো তাৰ কোঁচত পেলাই দিলে। চৰাইটোৰ চকুযুৰি বৰ দুৰ্বল দেখি সি অকণো পলম নকৰি তাক কোলাত তুলি ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। চৰাইটোৱে অৰূপৰ মৰম বুজি তাৰ নিস্তেজ চকুযুৰিৰে অৰূপৰ মুখলৈ চাই থাকিল। কিন্তু সি তাৰ অন্তিম সময়ত তাৰ মনৰ কথা বন্ধুৰ আগত খুলি ক'ব নোৱাৰে। অৰূপে ইমান দিন তাৰ লগত একেলগে থকা বাবে চৰাইটোৰ সকলো কথাই বুজি পালে। সেই সময়ত সি বৰ অসহায়বোধ কৰিলে। সি গৈ ডাক্তৰৰ ওচৰ নাপাওঁতেই, চৰাইটোৱে বাটতে চকুমুদি দিলে। অৰূপৰ অন্তৰ শোকত ভাঙি পৰিল। চৰাইটোক সি সাৱটি ধৰি ঘৰলৈ আনিলে।

ভাটৌটোৰ কৰুণ মৃত্যুৰ দুখ ঘৰখনৰ কোনেও সহ্য কৰিব নোৱাৰা হ'ল। তথাপি প্ৰকৃতিৰ নিয়ম, জীৱ জন্মিলে এদিন মৃত্যু হ'বই। চৰাইটোৰ বাবে আটায়ে চাৰিদিন ব্ৰত পালন কৰি শ্ৰদ্ধা জনালে। বনৰ পক্ষী হৈয়ো মানৱীয় গুণক বুজি পাইছিল। সেয়ে মুকলি হৈ থাকিও বনলৈ উভতি যোৱা নাছিল।

দেউতাকৰ মনলৈ এটা কথাই বাৰে বাৰে আহি আছে— মানৱীয় গুণ মানুহৰ মাজত আছে বাবেই সাধাৰণ পক্ষী এটাকো অৰূপে নিজৰ কৰি আকোৱালি ল'ব পাৰিছে। লগতে গোটেই ঘৰখনে কম সময়তে চৰাইটোক আপোন কৰি ল'লে।

সমাজ গঠিত হয় মানৱীয় গুণৰ অধিকাৰী ব্যক্তিৰ দ্বাৰা। তথাপি কিয় আজি এই সমাজ নানা হিংসাত্মক কাৰ্য্যৰে জৰ্জৰিত। দয়া, মায়া, ৰক্ষা, ত্যাগ আদি মানুহৰ গুণবোৰ কিয় নোহোৱা হ'ল। মানৱীয় মূল্যবোধ নোহোৱা হোৱা বিশৃঙ্খল সমাজখনৰ কথা ভাবি অৰূপৰ দেউতাক ভাৱাক্ৰান্ত মনেৰে মৌন হৈ ৰ'ল। ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# বিষণ্ণ হৃদয়

◆ আবুল কালাম আজাদ
উঃ মাঃ ১ ম বৰ্ষ

তুমি চুই দিলে মোৰ শৰীৰ-মন শাঁত পৰে
মোৰ তেজত দৌৰে প্ৰেৰণাৰ দুৰন্ত ঘোঁৰা...
আৰু আকাশযেন বিশাল বুকুত জ্বলে....
তিৰ্‌বিৰাই থকা অলেখ ত'ৰা...
সাৰ পাই শুনিলোঁ... কলৰৱ
কোঠালিৰ মজিয়াত লুকাভাকু খেলিছে
প্ৰভাতী সূৰুযৰ কিৰণে।

মোৰ এই উখহি পৰিব ধৰা কোঠাটোৰ দৰেই বিধ্বস্ত মোৰ জীৱন, মোৰ হৃদয়। কোঠাটোৰ লগত নিজকে তুলনা কৰি কিয় জানো মই এক সাদৃশ্য বিচাৰি পাওঁ।

মই বৰ এলেহুৱা। ৰাতিপুৱা সাৰ পায়ো বহু সময়লৈকে শেতেলীত বাগৰি থকাটো মোৰ স্বভাৱ। আজিও আন্দিনাৰ দৰে বাগৰি থাকিলোঁ। স্মৃতি ৰোমন্থণ কৰি বাস্তৱৰ পৰা আঁতৰি থাকিলোঁ। বাস্তৱ জগতৰ মুখামুখি হ'লেই মই অন্ধকাৰ দেখোঁ। মানুহবোৰ যেন ভীষণ স্বাৰ্থপৰ, মিছলীয়া হৈ পৰিছে। কোনো কথাই ভাবি পাৰাপাৰ নাপাওঁ। আশাৰ ৰেঙণি বিচাৰি হাবাথুৰি খাই ভাবিবলৈ বাধ্য হৈছো পৃথিৱীখন বৰ নিষ্ঠুৰ।

ঃ "ঐ বাপু, নুঠ কিয়? উঠ। আজি প্ৰথম বহাগ। উঠি গা-পা ধুই ল'। নতুন বিহুৱান ল'ব লাগিব নহয়।" —এয়া মাৰ মাত।

অসমীয়া নৱবৰ্ষৰ প্ৰথম দিন। উৎসৱ-পাৰ্বন আদিৰ প্ৰতি মই যেন লাহে-লাহে উদাসীনহৈ পৰিছো। বছৰৰ আৰম্ভণিৰ দিন বুলি মোৰ মনত যেন অকণো উৎসাহ-উদ্দীপনা নাই। নাই কোনো আগ্ৰহ। নতুন সপোন, নতুন পৰিকল্পনা একোৱেই নাই। অকালতে মোৰ সপোনবোৰ মৰহি গ'ল। সপোন ৰচিবলৈ মন নোযোৱা হ'ল। গানৰ গুণ্-গুণনি মনলৈ নাহে। যেন জীৱনৰ ছন্দ হেৰাই গ'ল...। কিয়! কিয় এনে হয়?

বছৰ বাগৰি আছে। একোৱেই কৰিব নোৱাৰিলোঁ। সকলো কামতে বিফলতাকেই প্ৰাপ্য বুলি গ্ৰহণ কৰি থমকি ৰৈছোঁ। নিজক কোনো কামতে স্থিৰভাৱে নিয়োজিত কৰিব পৰা নাই। ইণ্টাৰভিউ দি দি ভাগৰি গৈছো। শিক্ষা জীৱনত লাভ কৰা চাৰ্টিফিকেট-মাৰ্কছিটৰ ফাইল সযত্নে ৰাখিছো। এনে লাগে যেন এতিয়া এইবোৰ মূল্যহীন সমল। আমাৰ দৰে পেটেভাতে খাই থকা মানুহবোৰে চাকৰিৰ ক্ষেত্ৰত উচ্চ ডিগ্ৰীধাৰী চাৰ্টিফিকেট, উন্নত শতাংশৰ মাৰ্কছিট প্ৰদৰ্শন কৰি কোনো ফল নাপায়। উপঢৌকন অবিহনে চাৰ্টিফিকেট, মাৰ্কছিট অৰ্থহীন হৈ পৰে।

ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী পিতাই যোৱা বছৰ হাৰ্টফেইল কৰিলে। খেতিমাটি যিখিনি আছিল যোৱাটো বানত নদীয়ে খহাই নিলে। খেতিবাতিত লাগি উপাৰ্জন কৰাৰ কোনো বাট নাই। পিতাৰ পেঞ্চনৰ টকা কেইটাৰে মা, ভনী দুজনী আৰু মই কোনো ৰকমে চলি আছো।

আৰ্থিক ভাৱে দুৰ্বল হৈ মই দিক্‌হাৰা হৈ পৰিছো। এনে সময়তে প্ৰেৰণাৰ উৎসও আঁতৰি গ'লে কি হ'ব পাৰে! মোৰো সেয়ে হ'ল— চৰিত্ৰৰ স্খলন।

ঃ উঠ বাপু। আঠ বাজিল।

উঠিলো। ডাৱৰীয়া বতৰ। ৰেডিঅ'টোত বাজিছে নিয়োগ বাতৰি। অসাৰ যেন লাগিল। গৰু তিনিটা পথাৰত এৰাল্ দিবলৈ গ'লো। সেউজীয়া ৰহনবোলাই ধৰিত্ৰী কি যে মোহনীয়া হৈ উঠিছে। মৰুভূমি সদৃশ হৈ পৰা মোৰ অন্তৰ ধৰিত্ৰীৰ অপৰূপ সৌন্দৰ্য্যই মুহিব পৰা নাই।

মুখ হাত ধুলো। মায়ে ক'লে, 'একেবাৰে গাটো ধুই ল। নতুন বিহুৱান ল'ব লাগিব।' গা ধুলোঁ, কিন্তু বছৰটোৰ বাবে মঙ্গল কামনা কৰি দিয়া বিহুৱানখন ল'বলৈ মোৰ মন নগ'ল। বিদ্ৰোহ কৰিবলৈহে মন গ'ল। কলুষিত হৈ পৰা সমাজখন নিকা কৰিবলৈ বিহুৱানেৰে আশীষ ধন্য হ'লেও সমৰ্থ নহওঁ।

বিহুতলীতো আজি মই নিঃস্ব, নিসংগ হৈ'ৰ'ম। কোনোৱে মোক নৱবৰ্ষত শুভেচ্ছা নাযাচে। কোনো গাভৰুৱে বিহু নাচৰ সঙ্গী নহয়।

ভন্টীয়ে মোক তাই নিজহাতে বোৱা ফুলাম বিহুৱানখন ডিঙিত মেৰিয়াই দি ক'লে— "বেছি বেছি নকৰিবি প্ৰথম বিহুৰ দিনটোত"। অপ্ৰকাশ্য বেদনাই মোক হেঁচি ধৰিছে। পাৰিম নে ভন্টিৰ আবদাৰ ৰক্ষা কৰিব? পাৰিম নে এজন ককায়েকৰ কৰ্তব্য পালন কৰিব?

নামঘৰ তালৰ চাবত ৰজনজনাই উঠিছে। নিৰাশাৰে ভৰি থকা মনটোত আশাৰ বাট বিচাৰি এখোজ দুখোজকৈ নামঘৰলৈ আগবাঢ়িলোঁ। ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# উষা, এন্ধাৰ আৰু স্বৰনম

◆ সাহজাহান আলী আহমেদ
স্নাতক ২ য় বৰ্ষ

"তুমি মোক, নিষ্ঠুৰ, নপুংশক যি বিশেষণেই দিয়া, মই মানি ল'ম। তুমি মোৰ ভাল বান্ধৱী, ইয়াৰ অৰ্থ এইটো নহয় যে তোমাক গোটেই জীৱন মোৰ কাষত ৰাখিব লাগিব। তোমাৰ আৰু মোৰ সম্পৰ্ক বন্ধুত্বৰ পৰা প্ৰেমলৈ ৰূপান্তৰ কৰি তোমাৰ ভৱিষ্যত নষ্ট কৰিবলৈ মই কেতিয়াও অনুমতি দিব নোৱাৰিম। তুমি বহুত ভাল ছোৱালী, তোমাৰ অনুপ্ৰেৰণাৰ বাবেই মই পুনৰ এজন ভাল ছাত্ৰ হ'ব পাৰিছো। মোৰ জীৱনৰ হেৰুওৱা ছন্দ উভতাই পাইছো। ইয়াৰ বিনিময়ত মোৰ প্ৰেম বিচাৰি অপচেষ্টা নকৰিবা। তোমাৰ দেউতাৰা ডাক্তৰ মানুহ, তোমাৰ কোনো বস্তুৰেই অভাৱ নাই, এজন ভাল পাত্ৰৰো নিশ্চয় অভাৱ নহ'ব। শেষত উন্মাদৰ দৰে কোনো সিদ্ধান্ত নল'বা বুলি আশা কৰিলো।—

ইতি
তোমাৰ মৰমৰ বন্ধু
মেহবুব—"



চিঠিখন স্বৰনমক দিয়াৰ পাছৰে পৰা তাই মোৰ লগত কথা নাপাতে, আনকি ঈদতো নামাতিলে। তাইৰ পৰা চিঠিখন পোৱাৰ আগতেই মই গম পাইছিলো যে তাই মনে মনে মোক বহুত ভাল পায়। কিন্তু মোৰ হাতত তাইক প্ৰত্যাখ্যান কৰাৰ বাদে কোনো উপায় নাছিল। মোৰ স'তে সম্পৰ্ক বাদ দি তাই কি দৰে জীয়াই আছে মই নাজানো, কিন্তু মই শিলামূৰ্ত্তি নাইবা সঁজাত বন্দী চৰাইতকৈ উন্নত জীৱন-যাপন কৰিব পৰা নাই।

মই কেতিয়াও ভবা নাছিলো যে উষাক পাহৰিব গৈ মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ ক্ষতিটো হ'ব। মোৰ মাজত মনে-মনে লুকাই থকা 'স্মাৰ্ট বয়' জন আঁতৰি গৈ "স্পইল্ট বয়" জনে থিতাপি ল'ব! মই দুই নম্বৰৰ বাবে মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হ'ব নোৱাৰি চৰকাৰ, শিক্ষক, মা-দেউতা আনকি জীৱনে-মৰণে একেলগে থকাৰ প্ৰতিশ্ৰুতি দিয়া উষাৰ মৰমৰ পৰা চিৰদিনৰ বাবে বঞ্চিত হ'লো। মই সকলোৰে দৃষ্টিত অপদাৰ্থত পৰিণত হ'লো। মোৰ অতীতৰ সোণোৱালী সপোনবোৰ মৰহি গ'ল। আখৰা চলিল এটি প্ৰেৰণাহীন নিৰস জীৱনৰ।

নিঃসঙ্গ সময়বোৰত বিফলতাৰ চকুলো আৰু চিগাৰেটৰ ধোঁৱা মোৰ উৎকৃষ্ট সঙ্গী হ'ল। মোৰ বুকুত সদায় একুৰা জুই জ্বলি থাকে, যাৰ উত্তাপত মই কোনো ভাল কাম কৰিব নোৱাৰো। তথাপিও মই কলেজত নামভৰ্ত্তি কৰালো। কিন্তু মই ভবাৰ দৰে কলেজখনতো একেই ড্ৰামা। ক্লাছৰুমত শিক্ষক আহি প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা কেইজনক প্ৰশংসা কৰে, কিন্তু কোনে কিয় ভাল ফলাফল দেখুৱাব নোৱাৰিলে কোনেও নুসুধে ...। এই সকলোবোৰ দেখি শুনি মোৰ মনত ভেদভাৱ অহাৰ সলনি অৱসাদে বাহ সাজি ল'লে। মোৰ বিফলতাৰ বাবে সকলো হেৰুৱাই নিজকে কেতিয়াও ক্ষমা কৰিব নোৱাৰিলো।

চিগাৰেটেৰে আৰম্ভ কৰা মোৰ এন্ধাৰৰ সৈতে বন্ধুত্ব প্ৰগলভ্



MOHAN LAL CHOUDHURY LIBRARY :
Library :

মই সম্পূৰ্ণ ৰূপে ভাগি পৰিছিলো। কিন্তু ড° আহমেদৰ তত্বাৱধানত মই মানুহ হিচাপে নিজকে পুনৰ ভাবিবলৈ সুবিধা পোৱাৰ লগতে কলেজতো বিচাৰি পালো মোৰ হেৰুওৱা সকলোবোৰ সপোন। ক্ৰমশঃ মই মৃত্যুৰ দুৱাৰলৈ আগবাঢ়ি গৈ আছিলো। এই কথা মোৰ বাহিৰে কেইজনমান ডাক্তৰেহে জানিব পাৰিছিল। মই ড° আহমেদৰ পৰা জীৱনৰ বহুত নজনা কথাই জানিব পাৰিছিলো। তেওঁ কৈছিল 'ক'ম খাবা, কিন্তু ভাল খাবা'।

হৈ পৰিল। বেদনাবোৰ পাহৰিবলৈ নে সোনকালে পৃথিৱীৰ পৰা বিদাই ল'বলৈ নাজানো, মই অসামাজিক কামৰ লগত নিজকে একাকাৰ কৰিছিলো। ড্ৰাগছৰ পৰা আৰম্ভ কৰি চহৰৰ গ'লিয়ে-গ'লিয়ে গাভৰুৰ বাহুৰে-বাহুৰে মোৰ মিতিৰালি বাঢ়ি গ'ল। মই উদ্যমেৰে জীয়াই থাকিবলৈ এন্ধাৰ কোঠাবোৰৰ ভিতৰত পোহৰৰ প্ৰাচুৰ্য দেখা পালো। কিতাপৰ সলনি নিশাৰ সঙ্গী হ'ল সম্ভ্ৰান্ত নাইবা নিছলা ঘৰৰ অচিনাকি ৰমণী।

মই পোনপ্ৰথমবাৰৰ বাবে বন্ধু এজনৰ পৰা অনিচ্ছা সত্বেও HIV ৰ কথা শুনিবলৈ পাই অতি গোপনে চিকিৎসকৰ ওচৰ চাপিলো। জীৱনত প্ৰথমবাৰৰ বাবে মোৰ পাপৰ চাৰ্টিফিকেট প্ৰদান কৰি ডাক্তৰে নিৰ্মম ভাবে ঘোষণা কৰিলে যে মই HIV (পজিটিভ) বীজাণুৰ দ্বাৰা আক্ৰান্ত।

মই সম্পূৰ্ণ ৰূপে ভাগি পৰিছিলো। কিন্তু ড° আহমেদৰ তত্বাৱধানত মই মানুহ হিচাপে নিজকে পুনৰ ভাবিবলৈ সুবিধা পোৱাৰ লগতে কলেজতো বিচাৰি পালো মোৰ হেৰুওৱা সকলোবোৰ সপোন। ক্ৰমশঃ মই মৃত্যুৰ দুৱাৰলৈ আগবাঢ়ি গৈ আছিলো। এই কথা মোৰ বাহিৰে কেইজনমান ডাক্তৰেহে জানিব পাৰিছিল। মই ড° আহমেদৰ পৰা জীৱনৰ বহুত নজনা কথাই জানিব পাৰিছিলো। তেওঁ কৈছিল 'ক'ম খাবা, কিন্তু ভাল খাবা'। মৃত্যু সকলোৰে বাবে কাম্য কিন্তু অতি সোনকালে মোৰ মৃত্যু হ'ব বুলি মই জানো। তথাপিও মই মোৰ জীৱনৰ পৰা বিফলতাৰ কলংক চিৰদিনৰ বাবে আঁতৰাইহে চিৰ নিদ্ৰাত নিদ্ৰিত হ'ব বিচাৰো।

আমাৰ শ্ৰেণীটোৰ ভিতৰত আটাইতকৈ ধুনীয়া আৰু সকলোতকৈ ভাল ৰিজাল্ট কৰা স্বৰনমতকৈ মই বেছি নম্বৰ পোৱাত তাই ক্ৰমশঃ মোৰ ভাল বান্ধৱী হৈ পৰিল। ড° আহমেদ খুৰাৰ পাছতেই স্বৰনমৰ বন্ধুত্বই মোক বহুত প্ৰেৰণা প্ৰদান কৰিছে। তাই বহুত ভাল। আহঃ যদি মই কিছুদিন আগতে এই দুজন মানুহক লগ পালোহেঁতেন ....!!

এদিনাখন হঠাৎ মই গ'ম পালো যে স্বৰনম আনকোনো নহয়, ড° আহমেদৰ মৰমৰ একমাত্ৰ কন্যা। মই তাইৰ পৰিচয় জানিব পাৰি বৰ আচৰিত হৈছিলো। কিন্তু তাতোকৈ বেছি আচৰিত হৈছিলো যেতিয়া তাই টিফিনত মোৰ কাৰণে খোৱা বস্তু আনিবলৈ আৰম্ভ কৰিছিল। মই তাইক বান্ধৱী হিচাপেই গ্ৰহণ কৰিছিলো। কিন্তু তাই সকলোৰে উদ্ধত আৰোহণ কৰি মুখেৰে ক'ব নোৱাৰা তাইৰ অতি মৰ্মান্তিক সত্য কথাটি চিঠিৰে মোক জনালে- "মই তোমাক ভাল পাওঁ, তুমি ক'লে মই দেউতাক ক'ব পাৰিম, তেখেত বহুত ভাল মানুহ, আমাৰ সম্পৰ্ক নিশ্চয় মানি ল'ব।' -তাই মোক জীৱন সঙ্গী কৰিব বিচাৰি বহুত সপোন ৰচিছে। কিন্তু তাই নাজানে তাইৰ দেউতাকে জনা মোৰ চৰম সত্য কথাটি।

মই আজি সফলতাৰ স্বৰ্ণাসনত। তথাপিও যেতিয়াই অকলে বহি থাকো নিজকে জ্বলাই দিবলৈ মন যায়। মই নিজকে কিমান এন্ধাৰত সঁপি দিছো। পোহৰত থাকিও চাৰিওপিনে মাথোঁ এন্ধাৰহে দেখা পাই আছো। ◆



MOHAN LAL CHOUDHURY LIBRARY :
Library:

*(ৰস ৰচনা)*

# মোৰ এজনী ইংৰাজী ক'ব পৰা ছাগলী আছে

◆ কপিল দাস
উঃ মাঃ ২ য় বৰ্ষ

**মো**ৰ এজনী ছাগলী আছে। আচৰিত ধৰণৰ ছাগলী। ছাগলীজনীয়ে ইংৰাজী ক'ব পাৰে। এদিন ছাগলীজনী বজাৰত বিক্ৰী কৰিব আনিলো। মানুহে ছাগলীজনীৰ দাম সুধি হাঁহি মাৰি গুচি যায়। মই ধৰিব পৰা নাই কিয় মানুহবোৰে মোৰ কথা শুনি হাঁহি আছে। এবাৰ মই এজন মানুহক সুধিলো কিয় আপোনালোকে ছাগলীজনীৰ দাম শুনি হাঁহি মাৰি আঁতৰি যায়। তেতিয়া মানুহজনে ক'লে, আপুনি পাগল নহয়তো?" মই আচৰিত হ'লো, মই পাগল! মই দেখোন নিজেই গমেই নাপাওঁ— মই মনতে ভাবিলো। মানুহজনক মই পুনৰ সুধিলো মোক আপুনি কিয় পাগল বুলি ক'লে? মানুহজনে উত্তৰত ক'লে - "এটা ছাগলীৰ ২০ হেজাৰ টকা দাম হ'ব পাৰেনে? সেয়েহে কৈছো আপুনি যদি পাগল নহয় কোন পাগল?" মই বুজি পালো কথা তেনেহ'লে সেইটোহে। মই তেতিয়া মানুহজনক ভালদৰে বুজাই ক'লো যে, মোৰ ছাগলীজনীয়ে ইংৰাজী ভাষা ভালদৰে ক'ব জানে। তেতিয়া মানুহজনে আচৰিত হৈ মোক ক'লে— তোমাৰ ছাগলীজনীক অলপ ইংৰাজী ক'ব দিয়াছোন। মই ক'লো, ঠিক আছে, কিন্তু এটা কথা ছাগলীজনীয়ে সময়ৰ মূল্য বুজি পায়, তাই একেটা কথাকে বাৰে-বাৰে নকয়। মানুহজনে ক'লে হ'ব বাৰু এবাৰ ক'লেই হ'ব। মানুহজনে মোলৈ চাই ধেমালি কৰি হাঁহি আছে। মই কলো, দাদা নাহাঁহিব। এতিয়াই ছাগলীজনীয়ে ইংৰাজী ক'ব বুলি কৈ মই মোৰ হাতেৰে ছাগলীজনীক চিকুটি দিলো আৰু সুধিলো এপ্ৰিলৰ পিছত কি মাহ? ছাগলীজনীয়ে লগে-লগে মে.... মে.... কৈ চিঞৰি দিলে। মানুহজনে আচৰিত হৈ ক'লে— সঁচাই কি অদ্ভুত কথা, ছাগলীয়েও ইংৰাজী শিকেনে কেতিয়াবা! ইংৰাজী ভাষাৰ কিমান শব্দ ছাগলীজনীয়ে জানে মানুহজনে মোক সুধিলে। মই ক'লো ইংৰাজী ভাষাত ১০ হেজাৰ শব্দ আছে। মোৰ ছাগলীজনীয়ে মাত্ৰ ১ টা শব্দ নাজানে। মানে ১০ হেজাৰৰ আগৰ যিটো ১ সংখ্যাটো আছে মাত্ৰ সেইটোৰ বাহিৰে পিছৰ গোটেই কেইটা (০০০০) শব্দ জানে। মানুহজনে আচৰিত হৈ ইমান পণ্ডিত ছাগলী ২০ হেজাৰ টকাত কিনিলে একো লোকচান নাই বুলি মোৰ পৰা ছাগলীজনী কিনিলে। পিছত মানুহজনে এটা হাঁহি মাৰি মোক ক'লে —তুমি আচলতে মূৰ্খ। মই কিয় মূৰ্খ বুলি সোধাত তেওঁ ক'লে —ছাগলীজনীক যদি তুমি শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীক টিউচন কৰিবলৈ দিয়া, তুমি বহুত টকা উপাৰ্জন কৰিব পাৰিলাহেঁতেন। এতিয়া তোমাৰ আৰু সেই সুযোগ নাই। এইজনীৰ দ্বাৰা মই এতিয়া দীঘলীয়া ব্যৱসায় আৰম্ভ কৰিম। মই ক'লো —আপোনাৰ ইচ্ছা পূৰ্ণ হওঁক। মানুহজনে বংমনেৰে ছাগলীজনী লৈ গ'ল।





MOHAN LAL CHOUDHURY LIBRARY :
Library :



# পঞ্চম পল্লৱ

## মহাবিদ্যালয় চৌহদৰ প্ৰবা

## (সুগন্ধি চেতনা)

গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ আলোচনীখনক সমৃদ্ধ ৰূপ প্ৰদান কৰাৰ মানসেৰে ছাত্ৰ-ছাত্ৰীৰ মনৰ নিভাঁজ বতৰাৰে নিৰ্মাণ কৰা হৈছে —

সুগন্ধি চেতনা

**প্ৰশ্নাৱলী ঃ**

- নমস্যপুৰুষ ঁগণেশলাল চৌধুৰীদেৱৰ স্মৃতি বিজড়িত এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ ওপৰত তোমাৰ মতামত কি?
- এই মহাবিদ্যালয়ৰ পুথিভঁৰাল সন্দৰ্ভত তোমাৰ মন্তব্য?
- তোমাৰ ছাত্ৰ/ছাত্ৰী জীৱনৰ স্মৰণীয় মুহূৰ্ত?
- ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইলৰ চিয়ঁৰ তুমি পছন্দ কৰানে?



MOHAN LAL CHOUDHURY LIBRARY :
Library :



পূৰ্ব্বশ্ৰী মালী
উঃ মাঃ দ্বিতীয় বৰ্ষ

- গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ খুবেই উন্নত মানৰ। ইয়াত সকলো জাতি-গোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে মিলিজুলি শিক্ষা গ্ৰহণ কৰে। ইয়াত কোনো ৰেগিঙৰ প্ৰভাৱ নাই, তথা কোনো ছাত্ৰ সংগঠনত জোৰ-জুলুমকৈ সদস্য ভৰ্ত্তি কৰা নহয়। বিশেষকৈ এই মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকল খুব মৰমিয়াল, কোনো অহংকাৰ নাই। ইয়াৰ পৰীক্ষা ব্যৱস্থা বৰ উন্নত আৰু নকলৰ দৰে মাৰাত্মক ব্যাধিৰ পৰা সম্পূৰ্ণ মুক্ত।
- এই মহাবিদ্যালয়ৰ পুথিভঁৰালত যথেষ্ট পৰিমাণে কিতাপ পোৱা নাযায়। বিচৰা কিতাপসমূহ নোপোৱাৰ ফলত মই আৰু মোৰ দৰে বহুতো ছাত্ৰ-ছাত্ৰীয়ে কিতাপৰ অভাৱত ভাল ফল দেখুৱাব পৰা নাই। আকৌ পুথিভঁৰালৰ কাষত থকা ৰিডিং ৰুমটোত পৰ্যাপ্ত সুবিধা নাই।
- মোৰ ছাত্ৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত হৈছে, H.S.L.C. পৰীক্ষাত প্ৰথম বিভাগ পোৱাৰ বাবে যেতিয়া বি.টি.এ.ডি.ৰ পৰা মঙ্গলপুৰ মহাবিদ্যালয়ত সম্বৰ্ধনা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোৰ হাতত নগদ ধন, কলম, এখন প্ৰশস্তি পত্ৰ তথা আনন্দৰাম বৰুৱা বঁটা কম্পিউটাৰটো তুলি দিছিল, তেতিয়া মোৰ ভাষাৰে বুজাব নোৱাৰা আনন্দ লাগিছিল। এইটোৱে মোৰ ছাত্ৰ জীৱনৰ স্মৰণীয় ঘটনা।
- অতি মাত্ৰাটো পছন্দ নকৰো। অৱশ্যে আমাৰ দৰে গাঁৱলীয়া ছাত্ৰ-ছাত্ৰীৰ যাতায়াতৰ দৰে বিভিন্ন অসুবিধাৰ বাবে মোবাইলৰ প্ৰয়োজন হয়।

❖❖❖❖❖



তনুশ্ৰী দাস
স্নাতক তৃতীয় বৰ্ষ

- এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ খুবেই ভাল বুলি ক'ব পাৰি। প্ৰথম যিদিনা মহাবিদ্যালয়ৰ দুৱাৰদলিত ভৰি দিও, তেতিয়া মই ইয়াৰ পৰিবেশ দেখি অভিভূত হৈ পৰিছিলো। ছাৰ-বাইদেউ সকলৰ অনবিল স্নেহৰ উমে, উৎসাহ-উদ্দীপনাই, মহাবিদ্যালয়খনৰ সেউজীয়া পৰিবেশ আৰু সুন্দৰ শিক্ষাদানে জীৱনটো গভীৰভাৱে উপলব্ধি কৰিবলৈ মোক প্ৰেৰণা যোগাইছে।
- এই মহাবিদ্যালয়ৰ বহুতো আৱশ্যকতা আছে। তাৰ ভিতৰত পুথিভঁৰালৰ কথাও আওকাণ কৰিব নোৱাৰি। এই মহাবিদ্যালয়ত যিটো পুথিভঁৰাল আছে, তাত সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লাগতিয়াল কিতাপ-পত্ৰবোৰ নাপায়। সেয়েহে এই মহাবিদ্যালয়ত সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লাগতিয়াল কিতাপ-পত্ৰবোৰ পোৱাকৈ এটি উন্নতমানৰ পুথিভঁৰালৰ প্ৰয়োজন।
- মোৰ ছাত্ৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত হ'ল— যিদিনা মই প্ৰথম এই মহাবিদ্যালয়ৰ দুৱাৰদলিত ভৰি দিছিলো, ১৯/৭/২০০৮ সোমবাৰ, এই দিনটোক মই কেতিয়াও পাহৰিব নোৱাৰো।
- ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইলৰ চিয়ঁৰ মই অলপো পছন্দ নকৰো। কাৰণ মোবাইল ছাত্ৰ-ছাত্ৰীৰ বাবে দৰকাৰী নহয়। হয়, কেতিয়াবা ছাত্ৰ-ছাত্ৰীৰ মোবাইলৰ দৰকাৰ হ'ব পাৰে, কিন্তু সকলো সময়তে হাতে-কাণে মোবাইল লৈ চিয়ঁৰ-বাখৰ কৰাৰ কোনো প্ৰয়োজন নাই।

❖❖❖❖❖



MOHAN LAL CHOUDHURY LIBRARY :
Library :

- মোৰ মতে ঁগণেশলাল চৌধুৰীদেৱৰ স্মৃতি বিজড়িত এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ তুলনামূলক ভাৱে বিশেষ ভাল। বেচৰকাৰী হ'লেও এই মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে অতি নিষ্ঠাৰে দায়িত্ব পালন কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱন উন্নতিৰ ফালে আগুৱাই নিয়ে। অইন স্কুল আৰু কলেজৰ পৰা আহি এই মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে আগৰ তুলনাত অধিক ভাল ফলাফল পোৱাহে দেখা যায়। তাৰ উদাহৰণ মই নিজে। ছাত্ৰ-ছাত্ৰীৰ এই সফলতা সিংহভাগেই শিক্ষক-শিক্ষয়িত্ৰী সকলৰ স্বাৰ্থহীন ত্যাগ আৰু যত্নৰ ফল। ৰাতিপুৱা ৯-১৫ ৰ পৰা দিনৰ ৩-১৫ লৈ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে Class কৰি থকাৰ লগতে সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে আটাইবোৰ Class দায়িত্বশীল একাগ্ৰতাৰে চলাই নিয়ে। আকৌ কেতিয়াবা এজন শিক্ষক-শিক্ষয়িত্ৰী অনুপস্থিত থাকিলে অইনজন শিক্ষক-শিক্ষয়িত্ৰীয়ে অনুপস্থিত জনৰ Class বোৰ দায়িত্ব সহকাৰে চলাই নিয়াও এই মহাবিদ্যালয়ত দেখা যায়। সেয়ে এই মহাবিদ্যালয়ৰ অধ্যক্ষসহ সকলো শিক্ষক আৰু শিক্ষয়িত্ৰীলৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

- জি. এল. চি. মহাবিদ্যালয়ৰ পুথিভঁৰালটো যথেষ্ট সৰু আৰু পুথিভঁৰালখনত পৰ্যাপ্ত পৰিমাণে কিতাপ নাই। ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় বহুতো কিতাপ এই পুথিভঁৰালত পোৱা নাযায়। অধ্যয়ন কক্ষ তেনেই সৰু। ২০-২৫ জন হেঁচা-হেঁচিকৈ বহিলেও বহুত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। পুথিভঁৰালৰ পৰা কিতাপ লোৱাৰ প্ৰতিটো বৰ্ষৰে এখনকৈ বান্ধি দিয়া আছে, মোৰ মতে এই নিয়মটো উঠাই দিলেই ছাত্ৰ-ছাত্ৰীৰ পক্ষে বেছি সুবিধা হ'ব যেন লাগে। এনেবোৰ কিছু অভাৱ দূৰ কৰিলে আমি আটাইবোৰ ছাত্ৰ-ছাত্ৰী বহু পৰিমাণে উপকৃত হ'ব পাৰিম বুলি মোৰ ধাৰণা।



**ৰুবী কৰ্মকাৰ**
**স্নাতক প্ৰথম বৰ্ষ**

- মোৰ ছাত্ৰ জীৱনৰ এতিয়ালৈ অতিবাহিত কৰা দিনবোৰৰ ভাল আৰু বেয়াক লৈ অগণন স্মৃতিৰ মুহূৰ্ত মোৰ মনত জিলিকি আছে। মোৰ এটা বিশেষ স্মৰণীয় মুহূৰ্ত হ'ল হাইস্কুলৰ পৰা বিদায় জনোৱা দিনটো। মাধ্যমিক পৰীক্ষাত বহিম বুলি অতিশয় আনন্দিত হৈছিলো। কিন্তু মোৰ অতি প্ৰিয় স্কুলখন এৰিব লাগিব বুলি সীমাহীন দুখো পাইছিলো। সেইদিনাৰ বিদায় সভাত শ্ৰদ্ধেয় শিক্ষক-শিক্ষয়িত্ৰী সকলে দিয়া বক্তৃতাৰ প্ৰায় প্ৰতিটো শব্দই মোৰ মনত গাঁথি থোৱা আছে। এই দিনা ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ চকুপানী নিগৰা দৃশ্য মোৰ স্মৃতিকোঠাত এক দুখ-সুখৰ মিশ্ৰণ হৈ ৰৈ গৈছে। ২০০৮ চনৰ এই মহাবিদ্যালয়ৰ 'নৱাগত আদৰণি সভা'ৰ পৰিচয় পৰ্বত মই মোৰ পৰিচয় দিবলৈ মঞ্চলৈ যোৱা, সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰী সকলে নানা ধৰণৰ প্ৰশ্ন সোধাত মই অতিশয় আনন্দিত হৈছিলো। মুঠতে এই 'নৱাগত আদৰণি সভা'ৰ দুয়োটা দিনেই মোৰ অতি আনন্দৰ স্মৃতিৰ মুহূৰ্ত হৈ থাকিব।

- প্ৰশ্নমতে, ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইলৰ চিয়ঁৰ মই কিছু ক্ষেত্ৰত পছন্দ কৰো কিছু ক্ষেত্ৰত নকৰো। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে য'ধে ম'ধে মোবাইল প্ৰয়োগ কৰা দেখা যায়। কেতিয়াবা এটা Class নহ'লে তাত বহি ছাত্ৰ-ছাত্ৰীয়ে মোবাইল লৈ এটা বিশৃংখল পৰিবেশৰ সৃষ্টি কৰে; কেতিয়াবা আকৌ লাইব্ৰেৰীত বহি মোবাইলত গানশুনি, খেলা-খেলি, ফটো তুলি থকাও পৰিলক্ষিত হয়, স্কুল-কলেজৰ চুকে-কোণে থিয় হৈ ঘন্টাৰ পিছত ঘন্টা ধৰি মোবাইলত কথা পাতি থকাও দেখা যায়। এনে কিছু কাৰণত ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইলৰ চিয়ঁৰ মই পছন্দ নকৰো। কিন্তু, ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত মোবাইল একেবাৰেই অপ্ৰয়োজনীয় বুলি মই নকওঁ। কিয়নো, কিছুমান ছাত্ৰ-ছাত্ৰী ঘৰৰ বাহিৰত অৰ্থাৎ মেছ, হোষ্টেল আদিত থাকি পঢ়া-শুনা কৰে আৰু এনে ক্ষেত্ৰত বহুতো অসুবিধাজনক পৰিস্থিতিৰ সন্মুখীণ হ'ব লগাও হয়। এনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মোবাইলৰ প্ৰয়োজন যুক্তিসংগত। ❖❖❖❖❖



MOHAN LAL CHOUDHURY LIBRARY :

- নমস্যপুৰুষ ঁগণেশলাল চৌধুৰীদেৱৰ স্মৃতি বিজড়িত এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ খুবেই ভাল। নিয়মিতভাবে পাঠদান হয়। ছাত্ৰ-ছাত্ৰীৰ মেধা শক্তিৰ বুজ ল'বলৈ ইউনিট টেষ্ট আৰু টেষ্ট পৰীক্ষা পতা হয়। গুৰু-শিষ্যৰ মাজত মধুৰ সম্পৰ্ক আছে।

- পুথিভঁৰালৰ পুথি অধ্যয়নৰ দ্বাৰা আমি আমাৰ ভাষা, সাহিত্য, সংস্কৃতিৰ বিষয়ে জানিব পাৰো। গতিকে এই মহাবিদ্যালয়ত থকা পুথিভঁৰালৰ পুথি অধ্যয়নৰ দ্বাৰা পাঠ্যপুথিৰ উপৰিও অধিক জ্ঞান অৰ্জন কৰিব পাৰি। আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটো উন্নতমানৰ হোৱাটো কামনা কৰোঁ।

- এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ অহা প্ৰথম দিনটোৱে মোৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত। কাৰণ মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনৰ জ্যোতিৰ বাট পোহৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ সুন্দৰ পৰিবেশ এই মহাবিদ্যালয়খনত বিৰাজমান। স্কুলীয়া জীৱনৰ বাধ্য-বাধকতা এই মহাবিদ্যালয়খনত নাই।

- ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইলৰ চিয়ঁৰ পছন্দ নকৰো। কাৰণ ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইল থাকিলে মহাবিদ্যালয়খনৰ পৰিবেশ নষ্ট হয় আৰু পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ কমি যায়। গতিকে ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইল থকাটো উচিত নহয়।



জোনালী সূত্ৰধৰ
উঃ মাঃ দ্বিতীয় বৰ্ষ

❖❖❖❖❖❖

- নমস্যপুৰুষ ঁগণেশলাল চৌধুৰীদেৱৰ স্মৃতি বিজড়িত এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ আন মহাবিদ্যালয়ৰ তুলনাত ইমানেই ভাল যে বহুতো শিক্ষাৰ্থীয়ে মাধ্যমিক পৰীক্ষাত নিম্ন বিভাগত উৰ্ত্তীণ হৈ মহাবিদ্যালয়ত পঢ়ি উচ্চ স্থান লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ পৰা আমি বুজিব পাৰো এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ কেনে ধৰণৰ হ'ব পাৰে। ভৱিষ্যতে আমাৰ এই মহাবিদ্যালয়খন এটি ধ্ৰুৱতৰা স্বৰূপ হৈ বৰপেটা ৰোড় চহৰৰ মাজ মজিয়াত জিলিকি থাকিব বুলি মই আশা কৰো।

- মহাবিদ্যালয়ৰ পুথিভঁৰাল সন্দৰ্ভত মোৰ মন্তব্য এয়েযে এই মহাবিদ্যালয়ৰ পুথিভঁৰালখনৰ পৰা আমি যথেষ্ট পুথি পঢ়ি ভাল ফল অৰ্জন কৰি আছো। তথাপি আমাৰ কিছুমান লাগতিয়াল পুথি এই পুথিভঁৰালত নাই। ততালিকে এই পুথিবোৰৰ যোগান ধৰি আমাৰ পুথিভঁৰালটো আৰু বেছি উন্নত মানৰ কৰি তোলে যেন।

- মোৰ ছাত্ৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত হ'ল ২০০৪ চনৰ ১৯ জুলাই সোমবাৰ যিদিনা মই এই গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ দুৱাৰদলিত প্ৰথমে ভৰি দিছিলো।

- ছাত্ৰ-ছাত্ৰীবোৰৰ হাতে-কাণে মোবাইলৰ চিঞৰ মই একেবাৰেই পছন্দ নকৰো কাৰণ ক্লাছ চলি থকা অৱস্থাত মোবাইল বাজি উঠে। আচলতে অধ্যয়ন কৰি কথা অৱস্থাত মোবাইল বাজি উঠিলে আমাৰ মনোযোগ মোবাইলৰ পিনেই যায়। আনকি ক্লাছ চলি থকা অৱস্থাত বহুতো ছাত্ৰ-ছাত্ৰীয়ে ক্লাছত উপস্থিত নাথাকি মহাবিদ্যালয়ৰ গেটৰ বাহিৰত থিয় হৈ মোবাইলত কথা পাতি থাকে। ছাত্ৰ-ছাত্ৰীবোৰৰ এনে কাৰ্য্যৰ দ্বাৰা আমাৰ ছাৰ-বাইদেউ সকলক অপমান কৰা হয় বুলি মই ভাবো। গতিকে কোনো ছাত্ৰ-ছাত্ৰীয়ে যাতে কলেজলৈ মোবাইল লৈ নাহে তাৰ বাবে কঠোৰ অনুশাসন মই কামনা কৰো।



পূৰ্ণিমা পাল
স্নাতক তৃতীয় বৰ্ষ



MOHAN LAL CHOUDHURY LIBRARY :
Library :

- অধ্যক্ষ আৰু প্ৰবক্তাৰ চেষ্টা আৰু সহায়-সহযোগিতামূলক মনোভাৱৰ বাবে শৈক্ষিক পৰিবেশ উন্নত দেখা যায়। যদিও শিক্ষাৰ লগতে শাৰীৰিক আৰু মানসিক উৎকৰ্ষৰ হেতুকে ছাত্ৰ-ছাত্ৰীৰ জীৱনত খেলা-ধূলাৰো গুৰুত্বপূৰ্ণ ভূমিকা নুই কৰিব নোৱাৰি। যিটো অভাৱ এই মহাবিদ্যালয়ত মই অনুভৱ কৰো।
- দুবছৰীয়া কলেজীয়া ছাত্ৰ জীৱনত আজিলৈকে এখনো মাহেকীয়া/ পষেকীয়া আলোচনী আমাৰ পুথিভঁৰালটোত দেখা মনত নপৰে। আৰু অভাৱ অনুভৱ হয় যে- 'Competitive Examination' বোৰত অৱতীৰ্ণ হৈ ভাল ফলাফলৰ সহায়ক হ'ব পৰা মেগাজিনৰ। দৈনিক বাতৰি কাকত সমূহে সাম্প্ৰতিক জ্ঞান আৰু General Knowledge ৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। চাবলৈ গ'লে পুথিভঁৰালটো আজিলৈকে সম্পূৰ্ণ হৈও অসম্পূৰ্ণ যেন হে দেখা যায়।
- মই কলেজত প্ৰথম এড্‌মিছন লওঁতে বৰ ভিৰ আছিল। সেই ভিৰৰ সময়ত এজনী ছোৱালীক ঠেলি মই আগলৈ যাব খুজিছিলো, তেতিয়া মই ছোৱালীজনীৰ মুখখন দেখি গম পালোঁ যে সেইজনী মেডামহে, এড্‌মিছন ল'ব বিচৰা ছাত্ৰী নহয়।
- বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ ম'বাইল প্ৰীতি মনোভাৱৰ ফলত কলেজ চৌহদৰ পৰিবেশ বিনষ্ট হৈছে। মোবাইল ফোনৰ ব্যৱহাৰে এক বিৰক্তিকৰ ভূমিকাহে গ্ৰহণ কৰিছে। সঠিক ভাবে ব্যৱহাৰ কৰিলে সকলো বস্তুৰে আমি ভাল ফল পাব পাৰো।



অৰ্চনা দাস
স্নাতক প্ৰথম বৰ্ষ

❖❖❖❖❖❖

- ভাৰতৰ স্বাধীনতা আন্দোলনৰ আগৰণুৱা শিক্ষাব্ৰতী, সমাজকৰ্মী ঁগণেশলাল চৌধুৰীদেৱৰ পবিত্ৰ স্মৃতি বিজড়িত জি.এল. চি. মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ অতি সুন্দৰ। জনসমাজৰ হাই-উৰুমিৰ পৰা যথেষ্ট দূৰত দৃষ্টি নন্দন প্ৰাকৃতিক দৃশ্যৰ মাজত অৱস্থিত এই মহাবিদ্যালয়খন এখন আধুনিক আশ্ৰম সদৃশ— য'ত শিক্ষাদান আৰু শিক্ষা গ্ৰহণ কাৰ্য্য সুকলমে চলে। গতিকে মোৰ দৃষ্টিত মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ অতি সুন্দৰ।
- যিকোনো শিক্ষানুষ্ঠানৰ পুথিভঁৰাল এটা মহৎ সম্পদ। সৎ গ্ৰন্থ পাঠ আৰু সৎ সংগ লাভ সংসাৰ বৃক্ষৰ দুটা সুমিষ্ট ফল। শিক্ষানুষ্ঠান এখনৰ ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানত থকা পুথিভঁৰালটোৰ জৰিয়তে সৎ গ্ৰন্থ অধ্যয়ন কৰি জ্ঞান অৰ্জনৰ পথত অগ্ৰসৰ হ'বলৈ যথেষ্ট সুবিধা পায়। মই ভাবো যে জি.এল. চি. মহাবিদ্যালয়ৰ অসংখ্য মূল্যবান গ্ৰন্থৰে ঠাই খাই থকা এই বৃহৎ পুথিভঁৰালটোৱে গ্ৰন্থ প্ৰেমী ছাত্ৰ-ছাত্ৰীৰ মহৎ উপকাৰ সাধন কৰিছে আৰু কৰি থাকিব। এই পুথিভঁৰালটোৰ উত্তৰোত্তৰ উন্নতি মই মনে-প্ৰাণে কামনা কৰিলো।
- মোৰ ছাত্ৰী জীৱনৰ স্মৰণীয় মুহূৰ্তৰ কথা ভাবিলে আজিৰে পৰা আঠ বছৰ আগেয়ে গোপীনাথ বৰদলৈ হাইস্কুলত নাম ভৰ্তি কৰিবলৈ গৈ চিনাকি চিনাকি লগা অচিনাকি ছোৱালীজনীক হঠাতে লগ পোৱা মুহূৰ্তটোকে উল্লেখ কৰিব পাৰি। কিয়নো সেইটো মুহূৰ্তই মোক দান দিলে জীৱনৰ শ্ৰেষ্ঠ উপহাৰ। আৰু সেয়া হ'ল মোৰ অভিন্ন হৃদয়ৰ বান্ধৱী মিলি দাস যাৰ সৈতে মোৰ বন্ধুত্ব গঢ়ি উঠিল।
- ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইলৰ চিয়ঁৰ মই মুঠেই পছন্দ নকৰোঁ, কিয়নো মোৰ মতে যিকোনো পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰী মোবাইলৰ প্ৰভাৱৰ পৰা মুক্ত হৈ থকাতো উচিত। বিভিন্ন বিষয়ত ব্যস্ত ব্যক্তিৰহে মোবাইলৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নেই তপস্যা। মোবাইলৰ প্ৰভাৱে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন কাৰ্য্যত ব্যাঘাতহে জন্মায়।



সুচিত্ৰা দাস
স্নাতক প্ৰথম বৰ্ষ

❖❖❖❖❖❖



MOHAN LAL CHOUDHURY LIBRARY :
Library:



ধঞ্জিতা বৰ্মণ
স্নাতক প্ৰথম বৰ্ষ

- জি. এল. চি. মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশটো মোৰ বৰ ভাল লাগে। কাৰণ এই মহাবিদ্যালয়ৰ ছাৰ-বাইদেউ সকলে বিষয়বোৰ বৰ ভালদৰে শিকায়। তদুপৰি ছাৰ-বাইদেউ সকল মৰমিয়াল আৰু শিক্ষাৰ্থীৰ শিক্ষাৰ প্ৰতি নজৰ দিয়ে।
- জি. এল. চি. মহাবিদ্যালয়ৰ পুথিভঁৰালটো ঠিকেই আছে। কিন্তু ছাত্ৰ-ছাত্ৰী অনুযায়ী পুথিভঁৰালটো অলপ ডাঙৰ হ'ব লাগিছিল, ডাঙৰ হ'লে শিক্ষাৰ্থী সকলৰ অধ্যয়নত সুবিধা হ'লহেঁতেন।
- মোৰ ছাত্ৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত হৈছে মোৰ যিদিনাখন মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাইছিল সেইদিনাখন মই বৰ আৱেগিক আৰু আনন্দিত হৈছিলোঁ।
- নকৰোঁ। কাৰণ ক্লাছৰ সময়ত মোবাইলৰ চিঞৰ হ'লে ক্লাছ কৰাত অসুবিধা হয় আৰু ছাত্ৰ-ছাত্ৰী বিলাকৰ মনোযোগ ভাঙি যায়।

❖❖❖❖❖❖



মৃত্যুঞ্জয় দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ

- এইখন মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ সঁচাকৈয়ে অন্যান্য মহাবিদ্যালয়ৰ তুলনাত যথেষ্ট উন্নত। এইখন মহাবিদ্যালয়ৰ প্ৰবক্তা সকলে তেওঁলোকৰ বক্তব্যৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱ জীৱনৰ জ্ঞান, উৎসাহ, উদ্দীপনা, সাহস আৰু ভৱিষ্যত জীৱনৰ বাবে দিয়া পৰামৰ্শ সঁচাকৈয়ে অমূল্য আৰু উল্লেখযোগ্য। এইখন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যক্ৰমভিত্তিক শিক্ষাৰ ক্ষেত্ৰত ফলাফলৰ উন্নতিৰ দৃষ্টান্তও আছে। মেট্ৰিক পৰীক্ষাত দ্বিতীয় বা তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা অনেক ছাত্ৰ-ছাত্ৰীয়ে এইখন মহাবিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ দৃষ্টান্তও আছে, যিটো অন্যান্য বহুতো মহাবিদ্যালয়ত দেখিবলৈ পোৱা নাযায়।
- এই মহাবিদ্যালয়ৰ পুথিভঁৰালখন যদিও সঠিক স্থানত প্ৰতিষ্ঠিত আৰু যদিও ইয়াত যথেষ্ট পুথি আছে, তথাপিতো ইয়াৰ আকাৰ এইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত যথেষ্ট সৰু আৰু প্ৰয়োজনীয় পুথি বিচাৰি নোপোৱা ছাত্ৰ-ছাত্ৰীৰ দৃষ্টান্তও নিচেই কম নহয়। ছাত্ৰ-ছাত্ৰীসকলে ইয়াত বহি পুথি অধ্যয়ন কৰিবৰ বাবে যিখিনি আসনৰ ব্যৱস্থা আছে, সেয়া এপাচি শাকত এটা জলকীয়া মাথোন। এনেবোৰ অসুবিধাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল পুথিভঁৰালত পুথি-অধ্যয়নৰ বাবে আগ্ৰহী নহয়।
- আমি পঞ্চম শ্ৰেণীত পঢ়ি থাকোতে (G.N.B.M.H School) এদিনাখন সমাজবিদ্যাৰ ক্লাছত (২.৩০ বজাত) বাইদেৱে (মফিদা) সুধিলে, "মহাত্মা গান্ধীৰ পিতৃৰ নাম কি?" তেতিয়া পিছপিনৰ পৰা সত্যজিৎ নামৰ এজন ল'ৰাই উত্তৰ দিলে, "ছামচুল হক।" পিছত ল'ৰাজনক যদিও শাস্তি দিয়া হৈছিল, তথাপিতো সেই মুহূৰ্তত আমি আটায়েই যথেষ্ট হাঁহিছিলো। এনেকুৱা অস্বাভাৱিক কথা সঁচাকৈয়ে মোৰ বাবে চিৰস্মৰণীয়।
- বৰ্তমান যুগত মোবাইলফোন এটা অতি প্ৰয়োজনীয় বস্তু ইয়াত কোনো সন্দেহ নাই। এইটোও সঁচাকথা যে সকলোৰে বাবে মোবাইলৰ প্ৰয়োজন নাই। ছাত্ৰ-ছাত্ৰীসকলৰ হাতে-কাণে মোবাইল হোৱাৰ ফলত তেওঁলোকৰ পঢ়া-শুনাৰ প্ৰতি থকা ধাউতি কমিছে আৰু বাজে ধান্দাই তেওঁলোকৰ মূৰত খোপনি পুতিছে। আনহাতে পঢ়াৰ সময়ত অযথা 'মিচ কলে' পঢ়া-শুনাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আঁতৰায় আৰু মনটোক বহিৰ্জগতলৈ লৈ যায়।

❖❖❖❖❖



MOHAN LAL CHOUDHURY LIBRARY :

- নমস্যপুৰুষ ঁগণেশলাল চৌধুৰীদেৱৰ স্মৃতি বিজড়িত এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশটো অতিকৈ আকৰ্ষণীয় যাৰ বাবে এই কলেজখনত দূৰ দূৰণিৰ পৰা বিভিন্ন জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰী আহি নাম ভৰ্তি কৰিছে। এই কলেজৰ শিক্ষনীয় নিয়ম-নীতিবোৰ বৰ ভাল আৰু কটকটীয়া, লগতে শিক্ষক শিক্ষয়িত্ৰীসকলেও সঠিকভাবে পাঠবোৰ শিকাই যায়। সেয়ে ছাত্ৰ-ছাত্ৰীবোৰেও কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম হৈছে আৰু কলেজখনো সূৰ্য্যৰ কিৰণৰ দৰে জিলিকি উঠিছে। গতিকে আশা কৰিছো যেন এনেকৈয়ে কলেজখন জিলিকি থাকে।

- এই কলেজৰ পুথিভঁৰাল সন্দৰ্ভত মোৰ মন্তব্য এয়ে যে আন আন কলেজবোৰৰ দৰে আমাৰ কলেজখনতো এটি পুথিভঁৰাল আছে কিন্তু প্ৰয়োজন অনুপাতে কিতাপ নাই যাৰ ফলত ছাত্ৰ-ছাত্ৰীবোৰে প্ৰয়োজনীয় আৰু প্ৰাসংগিক কিতাপ পাতি নেপায়। পুথিভঁৰালত পঢ়িবৰ কাৰণে কোনো সা-সুবিধা নাই যাৰ ফলত জিৰণি সময়খিনিত বাৰান্দাত ছাত্ৰ-ছাত্ৰীবোৰে গণ্ডগোলৰ সৃষ্টি কৰি পাঠদানৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰে। এনেকৈ অমূল্য সময়বোৰ নষ্ট হয়।



জিতুমণি দাস
স্নাতক প্ৰথম বৰ্ষ

- মোৰ ছাত্ৰ জীৱনত তেনে কোনো উল্লেখযোগ্য ঘটনা নাই যদিও এটা ঘটনা মোৰ মনত আছে। তৃতীয়মানত থাকোতে এদিনাখন স্কুল ছুটিৰ সময়ত মই মোৰ বান্ধৱী এজনীক ক'লো যে-মই তোমাক এটা যাদু দেখুৱাম। তেনেকৈ কৈ স্কুলৰ ওচৰৰ পুখুৰী এটালৈ গ'লো আৰু মোৰ কিতাপৰ বাকচ টো পানীত ডুবাই দিলো আৰু ক'লো যে মোৰ বাকচৰ ভিতৰত পানী নুসুমায়। কিন্তু যেতিয়া বাকচটো পানীৰ পৰা উঠাই খুলি চালো তেতিয়া সেইটো মোৰ যাদু নহৈ আন কিবা হে হৈছে। কিতাপবোৰ তিতি আঠা বান্ধি গৈছে। মই ভয়তে বান্ধৱীৰ ঘৰ পালো আৰু তাইৰ কিতাপবোৰ লৈ নিজৰ ঘৰত উপস্থিত হলোঁ।

- মই ছাত্ৰ-ছাত্ৰীৰ হাতে কাণে মোবাইলৰ চিয়ঁৰ একেবাৰে পছন্দ নকৰো। ছাত্ৰ-ছাত্ৰীৰ জীৱনত তেনে কোনো প্ৰয়োজন নাই যাৰ বাবে স্কুল কলেজতো মোবাইল লৈ ঘূৰিব লাগে। আজিকালি মোবাইলটো ছাত্ৰ-ছাত্ৰীবোৰৰ কাৰণে হৈছে এটা Style আৰু তাৰ ফলত ছাত্ৰ-ছাত্ৰীবোৰৰ জীৱনত ধুমুহাৰ সৃষ্টি হৈছে। গতিকে এই ধুমুহা ৰোধ কৰিবলৈ হ'লে কলেজ চৌহদত মোবাইল বন্ধ কৰিব লাগিব। আশা কৰো এই চিয়ঁৰ-বাখৰ আঁতৰ হ'ব। ছাত্ৰ-ছাত্ৰীবোৰৰ পঢ়াৰ ক্ষেত্ৰত মোবাইলৰ কোনো প্ৰয়োজন নহয়। ছাত্ৰানাং অধ্যয়নং তপঃ।

❖❖❖❖❖❖

- এইখন মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ খুবেই ভাল। আমাৰ শিক্ষাগুৰু সকলে আমাক এক সুস্থ পৰিৱেশৰ মাজেৰে শিক্ষাদান কৰিছে আৰু আমি ছাত্ৰ-ছাত্ৰীসকলে সুস্থ পৰিৱেশত শিক্ষা গ্ৰহণ কৰি আছোঁ। এইখন কলেজৰ শৈক্ষিক পৰিৱেশ আন আন কলেজৰ তুলনাত যথেষ্ট উন্নত।

- এইখন মহাবিদ্যালয়ৰ পুথিভঁৰালত প্ৰয়োজনীয় কিতাপৰ অভাৱ আছে। কাৰণ ইয়াৰ পুথিভঁৰালটো সৰু আৰু বিশেষকৈ 'মেজৰ' লোৱা ছাত্ৰ-ছাত্ৰসকলে বিচৰা কিতাপবোৰ নাপায়। মই আশা কৰোঁ ভৱিষ্যতে এইখন কলেজৰ পুথিভঁৰালত পৰ্য্যাপ্ত পৰিমাণৰ কিতাপ থাকে যেন।



হুৰমুজ আলী
স্নাতক তৃতীয় বৰ্ষ

- মোৰ ছাত্ৰ জীৱনৰ স্মৰণীয় মুহূৰ্তটো বেদনাদায়ক কাৰণ ২০০৪ চনত যেতিয়া মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাইছিল, তেতিয়া মোৰ ঘৰ-বাৰী বেকীনদীৰ প্ৰচণ্ড গৰাখহনীয়াৰ কবলত। দুখৰ বিষয় মই মোৰ পৰীক্ষাৰ ফলাফল আনিবলৈ আবেলি চাৰি বজাত ঘৰৰ পৰা ওলালোঁ। নাৰেবে পাৰ হৈ



MOHAN LAL CHOUDHURY LIBRARY :

স্কুললৈ গৈ মোৰ ফলাফল পালো— দ্বিতীয় বিভাগ। জনতা বজাৰত মোৰ কেইজনমান বন্ধুৱে জি. এল. চি. কলেজৰ বিষয়ে কৈ আছিল। কলেজখন ক'ত মই সুধিলো। ক'লে বৰপেটাৰোডত। তেতিয়া মই ভাবিলোঁ তালৈ যাম নে নৱজ্যোতি কলেজ কলগাছিয়ালৈ যাম। শেষত মোৰ চিন্তা বাস্তৱত পৰিণত হ'ল আৰু মই জি. এল. চি. কলেজত এতিয়াও অধ্যয়ন কৰি আছোঁ।

▶ মই ছাত্ৰ-ছাত্ৰীৰ হাতে-কাণে মোবাইলৰ চিয়ঁৰ পছন্দ নকৰোঁ। কাৰণ এই চিয়ঁৰে আমাৰ কলেজৰ শৈক্ষিক পৰিৱেশৰ ওপৰত ব্যাঘাত জন্মায় আৰু বিশৃংখলাৰ সৃষ্টি কৰে।

❖❖❖❖❖❖

▶ নমস্যপুৰুষ ঁগণেশলাল চৌধুৰীদেৱৰ স্মৃতি বিজড়িত এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশটো মোৰ খুব ভাল লাগিছে। কাৰণ এই মহাবিদ্যালয়ত পৰীক্ষা ব্যৱস্থা অন্য মহাবিদ্যালয়ৰ তুলনাত যথেষ্ট উন্নত। এই মহাবিদ্যালয়ত ৩ টাকৈ গোট পৰীক্ষা (Unit Test) হয় আৰু পৰীক্ষকসকলে নিয়াৰিকৈ পৰীক্ষাকাৰ্য্য চোৱাচিতা কৰে। এই মহাবিদ্যালয়ৰ পৰীক্ষাৰ্থীসকলে যাতে কোনো অসৎ উপায় অৱলম্বন কৰিব নোৱাৰে তাৰ প্ৰতি পৰীক্ষকসকল সদায় সচেতন। এই মহাবিদ্যালয়ত অসৎ উপায় অৱলম্বন কৰাৰো কোনো যুক্তিযুক্ততা দেখা নাপাও। কাৰণ এই মহাবিদ্যালত যি ধৰণে ক্লাছ হয়, তাৰ ওপৰত গুৰুত্ব ৰাখি যদি সকলো ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়াকৈ ক্লাছ কৰে তেতিয়া হ'লে অসৎ উপায় অৱলম্বন কৰাৰ প্ৰশ্নই নুঠে।



ৰীতা নাথ
স্নাতক দ্বিতীয় বৰ্ষ

▶ এই মহাবিদ্যালয়ৰ পুথিভঁৰালত বহুতো অভাৱ আছে। পুথিভঁৰালত যথেষ্ট পৰিমাণৰ কিতাপ নাই আৰু প্ৰতি বছৰে প্ৰতিটো বিষয়ৰ নতুন নতুন কিতাপ পোৱা নাযায়। ইয়াৰ ফলত বহুতো ছাত্ৰ-ছাত্ৰীৰ অসুবিধা হৈ পৰে। আৰু এই পুথিভঁৰালৰ অভাৱৰ কাৰণ এইটোও হ'ব পাৰে যে এই মহাবিদ্যালয়ৰ প্ৰতিটো দিশতে বহুতো অভাৱ-অসুবিধা আছে কিয়নো চৰকাৰৰ সুদৃষ্টি এতিয়াও আমাৰ মহাবিদ্যালয়ত পৰা নাই।

▶ ছাত্ৰ জীৱনত মোৰ মনত এতিয়াও এটা মুহূৰ্ত স্মৃতি হিচাপে ৰৈ আছে- মই উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষত পঢ়ি থাকোতে এদিনাখন ক্লাছ ৰুমত ক্লাছ কৰি থাকোতে মোৰ বান্ধৱী এজনীয়ে মোক ছাৰৰ পিনে ভালদৰে চাবলৈ ক'লে আৰু মই দেখিলো যে ছাৰে আমাৰ পিনে চাই চকু মাৰি আছে। তেতিয়া আমি ছাৰক চাই হাঁহিলো আৰু সেই সময়তে ছাৰে মোক দেখি ক্লাছটোৰ আটাইকে থিয় কৰাই থ'লে। তাৰ পিছত আমি গম পালো যে ছাৰৰ এটা চকু তেনেকুৱাই।

▶ ছাত্ৰ-ছাত্ৰীয়ে মোবাইল শিক্ষানুষ্ঠানত ব্যৱহাৰ কৰাটো মই কেতিয়াও সমৰ্থন নকৰো। কাৰণ ছাত্ৰ-ছাত্ৰীৰ শিক্ষানুষ্ঠানত সাধাৰণতে মোবাইলৰ প্ৰয়োজন নহয়। কিন্তু মোবাইলৰ ভাল-বেয়া দুয়োটা দিশেই আছে- যেনে- এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। শিক্ষানুষ্ঠানত মোবাইল ব্যৱহাৰ কৰাত যিহেতু বাধা আছে সেই কথাটো ছাত্ৰ-ছাত্ৰীয়ে মানি চলিব লাগে। ইয়াৰ পৰা যিহেতু বহুতো অপকাৰ হোৱা দেখা গৈছে। যেনে- ক্লাছত হঠাতে কাৰোবাৰ মোবাইলৰ ৰিং বাজি উঠে যাৰ ফলত সেই ছাত্ৰজনৰ লগতে গোটেই ক্লাছৰুমৰ ছাত্ৰ-ছাত্ৰীৰ মনোযোগ ভংগ হৈ যায়।

❖❖❖❖❖❖



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# ষষ্ঠ পল্লৱ ঃ সংস্কৃতিৰ পথাৰত

## নাট্যকাৰ সমৰেন্দ্ৰ বৰ্মন

নাট্যকাৰ সমৰেন্দ্ৰ বৰ্মন অসমৰ নাট্যজগতৰ এটি অতি পৰিচিত নাম। প্ৰায় তিনিকুৰিৰো অধিক নাটক লিখি ভ্ৰাম্যমাণ নাট্যজগতত আলোড়ন সৃষ্টি কৰা বৰ্মনৰ 'মেজৰ চাহাব', 'মহাপ্ৰলয়ৰ গান', 'পেন্সন', 'মহাৰথী', 'মহাকাল', 'বিশ্বসন্ত্ৰাস বিন লাডেন', 'যৌৱনা নাগিনীৰ প্ৰেম', 'সন্দিকৈ কলেজৰ তুমি সাগৰিকা', 'শুভৰাত্ৰি' আদি নাটে দৰ্শকৰ হৃদয়ত সাঁচ বহুৱাবলৈ সক্ষম হৈছে। নাটকৰ উপৰি তেওঁ কবিতা, গল্পও লিখে। তেওঁৰ 'দীপাৱলী' নামৰ কবিতা সংকলনখনি প্ৰকাশৰ পথত। নলবাৰী জিলাৰ অৰৰা গাঁৱৰ প্ৰশান্ত, মৃদুভাষী যুৱকজন সংস্কৃতিৰ পথাৰত নব-প্ৰজন্মৰ বাবে আদৰ্শ স্বৰূপ। এগৰাকী সুদক্ষ অভিনেতা আৰু নাট পৰিচালক ৰূপেও তেওঁ খ্যাত। এইজনা প্ৰতিষ্ঠিত নাট্যকাৰৰ বিষয়ে যুগুতালে তত্বাৱধায়িকা *ৰূপামণি ককেতিয়ে।*

মু
খা
মু
খি



❑ আপোনাৰ জীৱনৰ প্ৰিয় পুৰুষ?

ঃ মহাত্মা গান্ধী।

❑ সুস্থ, সৃষ্টিশীল নাটকৰ অভাৱ সততে অনুভৱ হয়। এইক্ষেত্ৰত আপোনাৰ অভিমত?

ঃ প্ৰকৃততে বৰ্তমান সুস্থ আৰু সৃষ্টিশীল নাটকৰ বাৰুকৈয়ে অভাৱ ঘটিছে। সমাজ পৰিৱৰ্তনৰ লগে লগে মানুহৰ ৰুচিবোধ সলনি হৈছে- মানবীয় মূল্যবোধৰ আচৰিত স্খলন ঘটিছে। ইয়াৰ প্ৰতিফলন নাটকতো পৰিছে।
তদুপৰি বিশ্বায়নে প্ৰদুষিত কৰিছে নাটক-নাটকীয় উপস্থাপন। ফলত মননশীল নাটকৰ জন্মত ব্যাঘাত জন্মিছে।

❑ ভ্ৰাম্যমাণৰ আন্তঃগাথনিৰ ৰূপান্তৰৰ প্ৰয়োজন আপুনি অনুভৱ কৰেনে?

ঃ নিশ্চয়। পৰম্পৰাগত আন্তঃগাথনিৰে ভ্ৰাম্যমাণ থিয়েটাৰে বৰ্তমান সময়ত বহুখিনি অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। বিশেষকৈ প্ৰেক্ষাগৃহটো water proof হোৱাটো বাঞ্ছনীয়।

❑ আপোনাৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত?

ঃ প্ৰথমখন নাট 'ৰাজাবাবু'ৰ শুৱালকুছিত মনালিছাৰ মঞ্চত প্ৰথম শ্ব' হৈছিল। সিদিনাৰ সেই মুহূৰ্তবোৰ সদায়েই মোৰ মনত থাকিব।

❑ প্ৰেম সম্পৰ্কে আপোনাৰ ধাৰণা?

ঃ প্ৰেম মানে প্ৰেৰণা। প্ৰেম মানে সৃষ্টি আৰু শক্তি। প্ৰেমে মানুহক স্ৰষ্টা কৰে। সেইবাবে প্ৰেম এক পবিত্ৰ কলা। প্ৰেম এক অক্ষয় শিল্প।

❑ আপোনাৰ প্ৰিয় নাৰী?

ঃ মাদাৰ টেৰেছা আৰু গঙ্গা (মোৰ 'বালিচাপৰি' নাটকৰ নায়িকা)

❑ বোলছবিৰ নায়ক-নায়িকাৰ দপদপনিয়ে ভ্ৰাম্যমাণৰ ঐতিহ্যত আঘাত কৰিছে বুলি অনুভৱ কৰেনে?

ঃ নকৰো। বোলছবিৰ এচাম প্ৰতিভাবান নায়ক-নায়িকাই ভ্ৰাম্যমাণত এক নতুন অভিনয় শৈলী আৰু মাত্ৰা প্ৰদান কৰিছে। অৱশ্যে কিছুমানে অভিনয়ৰ অ-আ নজনাকৈয়ে ভ্ৰাম্যমাণৰ মঞ্চত নিজকে চলচিত্ৰ তাৰকা হিচাবে পৰিচয় দিবলৈ বিচৰাতো এক প্ৰকাৰৰ অজ্ঞতা।

❑ আপোনাৰ প্ৰিয় নাট্যকাৰ?

ঃ হেৰল্ড পিন্টাৰ, শ্বেক্সপীয়ৰ, ড° ভবেন্দ্ৰ নাথ শইকীয়া।

❑ নাটকৰ মাজেৰে আপুনি সমাজক কি দিব বিচাৰে?

ঃ দেশ, সমাজ আৰু জনসাধাৰণৰ কল্যাণ আৰু প্ৰগতিৰ বাবে বাৰ্তা বহন কৰিব বিচাৰো প্ৰতিখন নাটকৰ মাজেৰে।

❑ প্ৰতিটো দিন আপুনি কেনেকৈ আৰম্ভ কৰে?

ঃ চৰাই, আকাশ, পথাৰ আৰু অৰণ্যই যেনেদৰে দিনটো আৰম্ভ কৰে বিচিত্ৰতাৰ মাজেৰে, ঠিক তেনেদৰে ........।



MOHAN LAL CHOUDHURY LIBRARY :
Library :




MOHAN LAL CHOUDHURY LIBRARY :
Library :

# পৰিকল্পনা ঃ তত্ত্বাৱধায়িকা

**প্ৰজ্ঞা ঃ**



১। এতদ্দেশ প্ৰসূতস্য সকাশদগ্ৰ জন্মন ঃ।
স্বং স্বং চৰিত্ৰ শিক্ষৰেণ পৃথিব্যাং সৰ্বমানৱা ঃ।।
[পূৰ্বপুৰুষসকলে যিদৰে সম্পূৰ্ণ বিশ্বক চৰিত্ৰ তথা
মানৱতাৰ শিক্ষা দিছিল, সেই শিক্ষানীতিৰেই
আমি আমাৰ ভৱিষ্যত প্ৰজন্মক শিক্ষিত হোৱাটো বিচাৰো।]

২। কৰ্মনৈব হি সংসি্যদ্ধিমাস্থিতা জনকাদয় ঃ।
লোকসংগ্ৰহমেৱাপি সংপশ্যন্ কৰ্ত্তুমৰ্হসি।।
(গীতা -৩-২০)
[ জীৱন্মুক্ত মহাত্মাজনকাদি ঋষিসকলে কৰ্মৰ
দ্বাৰাই সিদ্ধিলাভ কৰিছে, এতেকে লোকৰক্ষালৈ
দৃষ্টি ৰাখিও তুমি (অৰ্জুন) কৰ্ম কৰা উচিত।]

**অনুভৱ ঃ**



১। যেতিয়া মই লিখো তেতিয়াই মোৰ আঙুলিৰ মাজেৰে অতীতৰ সংস্কৃতি নিগৰে। ◆ **ভি. এছ. নাইপল।**

২। যিজন মানুহ অসুখী, তেওঁ সাধাৰণতে দুখৰ মতবাদকে বিশ্বাস কৰে। ◆ **বাট্ৰাণ্ড ৰাছেল।**

৩। অহঙ্কাৰৰ কোনো আকাৰ আৰু সোৱাদ নাই যদিও ইয়াক হজম কৰাটো সহজ নহয়। ◆ **আগাষ্ট ব্লেক।**

৪। লোভ, আসক্তি আৰু ৰিপু দমন কৰিব পৰা লোকসকল অপ্ৰমাদী। প্ৰমাদীৰ মৃত্যু হয়, অপ্ৰমাদী অমৰ। ◆ **বুদ্ধদেৱ।**

৫। আইন বিলাক হ'ল মকৰাৰ জালৰ দৰে। ইয়াত সৰু সৰু কীটপতঙ্গ লাগি ৰয়, ডাঙৰবোৰ ফালি ওলাই যায়। ◆ **ফ্ৰান্সিছ বেকন।**

৬। মানুহৰ সুখ স্বচ্ছ দৰ্পনৰ দৰে। হৃদয়ৰ নিভৃত কোণত লুকাই থকা সত্য ইয়াত প্ৰতিবিম্বিত হয়। ◆ **ডষ্টয়েভস্কি।**

৭। যিজন মানুহে কঠিন বিষয় এটা সহজ কৰি দিব পাৰে তেওঁৱেই প্ৰকৃত শিক্ষক। ◆ **এমাৰচন।**

৮। গভীৰ অনুশোচনাৰ অন্ততহে নৱজীৱনৰ সূত্ৰপাত হয়। ◆ **হেনৰী ডেভিদ থ'ৰো।**

৯। ইতিহাসৰ অশুদ্ধ ধাৰণাই মানুহৰ বৌদ্ধিক চিন্তাৰ অৱনতি ঘটায়। ◆ **ৰাধাকৃষ্ণণ।**

১০। মই জনাত দুটা বস্তুৱেই অসীম, এটা হ'ল এই বিশ্বব্ৰহ্মাণ্ড আৰু আনটো হ'ল মানুহৰ মূৰ্খামি। ◆ **আইনষ্টাইন।**

১১। মই প্লেটোক ভাল পাওঁ ; কিন্তু প্লেটোতকৈও বেছি ভাল পাওঁ সত্যক। ◆ **এৰিষ্টটল।**

১২। মানুহ হৈছে সপোন দিঠকত পৰিণত কৰা শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্পীৰ সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনী। ◆ **জ্যোতিপ্ৰসাদ।**



MOHAN LAL CHOUDHURY LIBRARY :
Library:

## ডাকৰ বচন ঃ

১। ৰজাক চিনিবা দানত।
ঘোঁৰাক চিনিবা কাণত।।
স্ত্ৰীক চিনিবা থানত।
ক্ষুৰক চিনিবা সানত।।

২। তিনিশ ষাঠি জোপা ৰুবা কল,
মাহেকে পষেকে চিকুণাবা তল।
পাত পচলা লাভত খাবা,
লঙ্কাৰ বণিজ ঘৰতে পাবা।





## জিকিৰ ঃ

১। দুনীয়াই এদিনৰ দুনীয়াই দুদিনৰ
দুনীয়াই ফুলনিবাৰী।
কতক ছলে বলে কৰ তই দুনীয়াই
ধৰিব খেৰালী মাৰি।।

২। চিন্তো হেৰা মোৰ মন আল্লাৰ নামত।
ভজো হেৰা মোৰ মন গুৰুৰ পাৰত।।
মক্কাৰ দুৱাৰত চাহেব তিৰবেণীৰ ঘাট।
বেহাব নোৱাৰো তাত মায়াই ভেটে বাট।।

## ফকৰা যোজনা ঃ

১। বুঢ়াকালত ডেকা তিৰী,
সি যায় হতচিৰি।

২। বুঢ়াকালত ৰাঙৰ খাৰু,
ডেকা হ'বাৰ তাৰু-ঝাৰু।

৩। পেট নষ্ট কৰে মুড়ী,
ঘৰ নষ্ট কৰে বুঢ়ী।

৪। কথাৰ মাজৰ কথা
বেহাৰৰ মাজৰ তেল।
বাপেকে আন্‌লাক ধেম্‌না তিৰী
পুতেকে কৰে মেল।

৫। অতিথি দেখিলে খঙেৰে চায়,
ভাল বস্তু পালে অকলে খায়,
তাইৰ ফালে যমেও নাচায়।





MOHAN LAL CHOUDHURY LIBRARY :
Library:

## হাস্যৰস



১। প্ৰথম পাগল ঃ "ঐ, মোৰ হাতৰ মুঠিত কি লুকুৱাই ৰাখিছোঁ, সোনকালে ক।"
দ্বিতীয় পাগলঃ "হাতী"
প্ৰথম পাগল ঃ "তই নিশ্চয় আগৰ পৰাই চাই আছিলি। সেয়ে টপৰাই ক'ব পাৰিছ।"

২। মহিলা গ্ৰাহকঃ "সূতাৰ শাৰী দেখুৱাওক।"
দোকানী ঃ "বানাৰসী, শাৰী দেখুৱাই দিয়া।"
মহিলা ঃ "হেৰি, মই সূতাৰ শাৰীহে বিচাৰিছোঁ।"
দোকানী ঃ (জোৰেৰে) "বানাৰসী, শাৰী দেখুৱাই দিয়া।"
মহিলা ঃ (খঙেৰে) "মোক সূতাৰ শাৰীহে লাগে। আপুনি কিয় বাৰে বাৰে বানাৰসী শাৰী দেখুৱাবলৈ কৈ আছে?"
দোকানী ঃ (গহীন হৈ) "মই আপোনাক সূতাৰ শাৰীকে দেখুৱাই আছোঁ। আচলতে "বানাৰসী" আমাৰ দোকানৰ সৌ বিহাৰী চেলচ্‌মেনজনৰ নাম।"

৩। হৰি ঃ "তোমাৰ দেউতাই ভগৱানৰ নাম লয়নে?"
বাপুটি ঃ "কেলেই নল'ব?"
হৰি ঃ "তুমি কেনেকৈ জানিলা?"
বাপুটি ঃ "আজি দুপৰীয়া ভাতৰ পাতত বহিয়েই দেউতাই বিৰক্তিৰে কৈছিল — উহ্ ভগৱান! আকৌ ৰঙালাউ।"

ৰিন্তীমণি দাস, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।।

৪। শিক্ষক বুদুৰাম শইকীয়াই মাধ্যাকৰ্ষণ শক্তিৰ বিষয়ে বিতংকৈ বুজাই এজনী ছাত্ৰীক সুধিলে ঃ "কোৱাচোন সৰলা, গছৰ পৰা আম কিয় তললৈ সৰি পৰে?"
সৰলা ঃ "ওপৰত খোৱা মানুহ নাই নহয় ছাৰ।"

৫। পুত্ৰ ঃ "ঘৰৰ মালিক আহিছে। ঘৰভাড়া বিচাৰি।"
দেউতা ঃ "তুমি কোৱাগৈ যে দেউতা ঘৰত নাই।"
পুত্ৰ ঃ "তুমি বোলে কেতিয়াও মিছা কথা নোকোৱা?"
দেউতা ঃ "সেইবাবেই তো তোমাক পঠিয়াব খুজিছোঁ।"

৬। পুত্ৰই দেউতাকৰ আগত এখন মাৰ্কশ্বিট জোকাৰি ক'বলৈ ধৰিলে ঃ "গণিতত মাত্ৰ ৩০ নম্বৰ। টানি-টুনি পাছ।"
দেউতা ঃ "মই গণিতত ৯০ নম্বৰ পাইছিলোঁ।"
পুত্ৰ ঃ "ইংৰাজীত ২৩। ৭ নম্বৰ গ্ৰেছ।"
দেউতা ঃ "ইংৰাজীত ২ নম্বৰৰ বাবে লেটাৰ নাপালোঁ।"
পুত্ৰ ঃ "বিজ্ঞানত মাত্ৰ ৩৫।"
দেউতা ঃ "অপদাৰ্থ ! মোৰ নাক-কাণ কাটিলি।"
পুত্ৰ ঃ (মাৰ্কশ্বিটখন দেখুৱাই এটা হাঁহি মাৰি) "হাঃ হাঃ হাঃ। এইখন দেখোন তোমাৰেই পুৰাণ মাৰ্কশ্বিট। তুমিহে মোৰ জন্মৰ আগতে নাক-কাণ কাটিছিলা।"

কাজল মণ্ডল, স্নাতক প্ৰথম বাৰ্ষিক



MOHAN LAL CHOUDHURY LIBRARY :
Library:

৭। এজন বৰপেটীয়া ভদ্ৰলোকে আমৰা টেঙা বিক্ৰী কৰি থকা এজন বঙালী বেপাৰীৰ কাষলৈ গৈ সুধিলে ঃ "ঐ, ফলটো কি?"
বেপাৰী ঃ "আম্‌ৰা"
ভদ্ৰলোক ঃ "তোম্‌ৰা তো তোম্‌ৰাই। ঐ ফলটোৰ নাম কি?
বেপাৰী ঃ "আম্‌ৰা"
ভদ্ৰলোক ঃ "উহ্! ঐ ফলটো কি?"
বেপাৰী ঃ (জোৰেৰে) "আম্‌ৰা-আম্‌ৰা-আম্‌ৰা। এক্‌টা কথা কি এক্‌শবাৰ কৰন লাগ্‌বো?"



৮। কল আৰু আঙুৰৰ এদিন কাজিয়া লাগিল।
কল ঃ (খঙেৰে) "তোক মানুহে পিটিকি পিটিকি খায়।"
আঙুৰ ঃ "তোক যে মানুহে লাংটা কৰি খায়।"

সঙ্গীতা ডেকা, স্নাতক দ্বিতীয় বৰ্ষ।

৯। মহিলা ৰোগী ঃ "ছাৰ। এসপ্তাহ ধৰি মোৰ গাটো বেয়া। কি হৈছে ধৰিব পৰা নাই।"
ডাক্তৰ ঃ "মূৰ বিষায় নেকি?"
মহিলা ৰোগী ঃ "ধৰিব পৰা নাই।"
ডাক্তৰ ঃ "পেট বিষায় নেকি?"
মহিলা ৰোগী ঃ "নাই, ধৰিব পৰা নাই।"
ডাক্তৰ ঃ "বুকু ধপ্‌ধপায় নেকি?"
মহিলা ৰোগী ঃ "ধৰিব পৰা নাই আকৌ"
ডাক্তৰ ঃ (বিৰক্তিৰে) "তেনেহ'লে তোমাৰ চিকিৎসা ইয়াত নহয়, ভেটেৰীনাৰীত।"

উজ্বল শৰ্মা, স্নাতক প্ৰথম বৰ্ষ।

## শায়েৰী ঃ

ম্যয় হু তো ফিৰ ক্যয়া কাম হ্যয় শমা কা।
জবানী মে দম নহী আশীক হ্যয় নাম কা।।

হাঁড়ী জৈসা পেট হ্যয় গোৰী গাড়ী জৈসী চাল।
পীছে মে গোদাম হ্যয় গোৰী আগে অসলী মাল।।

মেৰে লিয়ে লড়কা মিলে মন কা দুলাৰা।
ম্যয়নে তুঝে সপনো মে হী দিল সে পুকাৰা।।

সহজ ঢঙ্গ সে ইস্ক কৰনে পৰ হানী নহী হোতী হ্যয়।
গলত ঢঙ্গ সে ইস্ক কৰনে সে বিমাৰী হো জাতী হ্যয়।।

তুমহাৰী ইয়াদ সে তড়পা হুঁ মুঝে ঔৰ না সতাও।
দুৰ ৰহনে সে বক্ত না কাটেগা মেৰে নজদীক আ জাও।।

পিঞ্জৰা সে তোতা উড়া ডাল পৰ জা কৰ বৈঠ-গয়া।
বহ গৈৰ সে শাদী কৰকে চলী গই মেৰা কিস্মত ফুট গয়া।।

সালী হো ইয়া ভাভী উসে বৰাবৰ তঙ্গ না কৰো।
বহ গৈৰো কা মাল হ্যয় উস পৰ ভৰোসা না কৰো।।

আশা ঔৰ খুশীও পৰ পানী ফেৰা কৰতী হো।
দুসৰো সে প্যাৰ কৰকে মুঝে তড়পায়া কৰতী হো।।

❖❖❖❖❖



MOHAN LAL CHOUDHURY LIBRARY :
Library:




MOHAN LAL CHOUDHURY LIBRARY :
Library :

# সোঁৱৰণী সমলয়



মহাবিদ্যালয়ৰ জন্মলগ্নৰ মাহেন্দ্ৰ ক্ষণ ঃ
চেক্ প্ৰদানৰ মুহূৰ্তত প্ৰয়াত মোহন লাল চৌধুৰী



মহাবিদ্যালয়ৰ শুভ উদ্বোধনৰ স্বৰ্ণাভ মুহূৰ্তত
বিশিষ্ট ব্যক্তি প্ৰয়াত যাদৱ চন্দ্ৰ দাস



'নিউ বিল্ডিঙ'ৰ আধাৰশিলা স্থাপনৰ এক স্বপ্নিল দৃশ্যপট




মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত
ভাষণৰত অৱস্থাত প্ৰাক্তন সাংসদ ডেভিদ লেজাৰ



মহাবিদ্যালয় পৰিচালনা সমিতিৰ বিশেষ সভাত ভাষণৰত
অৱস্থাত প্ৰাক্তন অধ্যক্ষ প্ৰয়াত সুধীৰ কুমাৰ অধিকাৰী

## MOHAN LAL CHOUDHURY LIBRARY :

Library :

# সোঁৱৰণী সমলয়



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত ড০ কমল নাৰায়ণ দাসে ভাষণ দি থকা এক ঐতিহাসিক ক্ষণ




মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিক নৱাগত আদৰণি সভাত ভাষণৰত অৱস্থাত বিশিষ্ট শিক্ষাবিদ সত্যনাথ দাস



২০০৭-০৮ বৰ্ষৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ মুহূৰ্তত ডাঃ কঙ্কণ গোস্বামী



মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'ৰেঙণি' আৰু 'বিবিধা'ৰ উন্মোচনী ভাষণ দিছে বনজিৎ বৰ্মনে।



মহাবিদ্যালয় সপ্তাহৰ ক্ৰীড়া প্ৰতিযোগিতাৰ শুভ-উদ্বোধনৰ মুহূৰ্তত উদ্বোধক গৌৰী শঙ্কৰ খেমকা



'গৱেষণা কোষ'ৰ মুখপত্ৰ 'ভিছন' (VISION) উন্মোচন কৰিছে সৰভোগ সমষ্টিৰ বিধায়ক উদ্ধৱ বৰ্মনে।

## MOHAN LAL CHOUDHURY LIBRARY :

Library:

# সোঁৱৰণী সমলয়



মহাবিদ্যালয় সপ্তাহৰ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰিছে প্ৰবক্তা পূৰ্ণ বাহাদুৰ ছেত্ৰীয়ে।



মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলনৰ উজ্জীৱিত ক্ষণত ভাৰপ্ৰাপ্ত অধ্যক্ষ জগন্নাথ বৰ্মন।



মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানৰ শুভ-উদ্বোধনৰ মুহূৰ্তত প্ৰবক্তা জয়া বিশ্বাস কুন্ড।



মহাবিদ্যালয় সপ্তাহৰ এটি ব্যস্ত মুহূৰ্ত।



জীৱন জুখিবা হাঁহি আৰু অন্তৰঙ্গতাৰে!



সুললিত কণ্ঠেৰে সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিছে প্ৰবক্তা প্ৰভা দাসে।

ESTD : 1990

MOHAN LAL CHOUDHURY LIBRARY :

Library :



ভাৰপ্ৰাপ্ত অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ ঃ
বাওঁফালৰ পৰা (বহি) ঃ
মুনীন্দ্ৰ কুমাৰ দাস, জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), টিকেন নাথ।
বাওঁফালৰ পৰা (থিয় হৈ) ঃ
নৰকুমাৰ দাস, মহন্ত বৰ্মন, চিত্তৰঞ্জন সৰকাৰ, ৰপন চন্দ্ৰ ব্ৰহ্ম, সঞ্জয় বসুমতাৰী।



মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল।



সন্মুখত ফাইলৰ পাহাৰ.......
এটি ব্যস্ত মুহূৰ্তত মহাবিদ্যালয়ৰ মুখ্য কাৰ্য্যালয় সহায়ক মুনীন্দ্ৰ কুমাৰ দাস



মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠান উপভোগৰ এটি অনাবিল প্ৰহৰত প্ৰবক্তা মুছলেমউদ্দিন আহমেদ, প্ৰবক্তা আনন্দ ঘোষ আৰু প্ৰবক্তা বাবুল সৰকাৰ সমন্বিতে একাংশ ছাত্ৰ-ছাত্ৰী।

## MOHAN LAL CHOUDHURY LIBRARY :

Library :

## ২০০৮ বৰ্ষত জি. এল. চি. মহাবিদ্যালয়লৈ খ্যাতি আৰু সাফল্যৰ বেঙণি কঢ়িয়াই অনা ধন্য শিক্ষাৰ্থীসকল



**বিকি সাহা**
প্ৰথম শ্ৰেণী (অৰ্থনীতি)



**অনিমা নাথ**
ষ্টাৰ, উচ্চতৰ মাধ্যমিক
(দৰ্শনত লেটাৰ)



**শ্যাম প্ৰসাদ শীল**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক
(দৰ্শন, শিক্ষাত লেটাৰ)



**সঞ্জিতা সাহা**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক
(অৰ্থনীতি, শিক্ষাত লেটাৰ)



**শ্যামলাল সৰকাৰ**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক



**চফিকুল আলম**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক



**ববিতা বড়ো**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক
(ইংৰাজীত লেটাৰ)



**খুচি ৰাজবংশী**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক



**বাবুল দাস**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক



**আঞ্জুৰাৰা আহমেদ**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক
(নৃতত্ত্বত লেটাৰ)



**দিজু বড়ো**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক



**বিদিতা চৌহান**
প্ৰথম বিভাগ, উচ্চতৰ মাধ্যমিক

MOHAN LAL CHOUDHURY LIBRARY :
Library :



উৎসৱেই জীৱনক দি যায় অভিনৱ তৰঙ্গ ঃ
মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ এটি সাঁচতীয়া মুহূৰ্ত।



তেন ত্যক্তেন ভুঞ্জীথাঃ ।-
ছহিদলৈ সশ্ৰদ্ধ অঞ্জলি নিবেদিছে প্ৰবক্তা ৰমজান আলীয়ে।



ৰাজনৈতিক চেতনা আৰু গণতান্ত্ৰিক শিক্ষা লাভৰ বুনিয়াদী
প্ৰশিক্ষণ আৰম্ভ হয় মহাবিদ্যালয়ৰ নিৰ্বাচনী বতৰত ঃ
মহাবিদ্যালয় নিৰ্বাচনৰ এটি বিশেষ মুহূৰ্ত



অন্য এক বেশ! অন্য ঋতু! অথচ এখনেই আকাশ! ঃ
ভেশচন প্ৰতিযোগিতাৰ এক সফল প্ৰতিযোগী।



........ লুকা ভাকু ভাল নালাগে
খেল কইনা-দৰা.....
দৰা-কইনা প্ৰতিযোগিতাৰ এটি সন্মোহিত দৃশ্য।




ৰাজপথৰ চিঞৰ ঃ
ন্যায় আৰু মানৱতাৰ অন্বেষণত মহাবিদ্যালয়ৰ
ছাত্ৰ-ছাত্ৰীৰ সুদীৰ্ঘ সমদল।

## MOHAN LAL CHOUDHURY LIBRARY :

Library :

# G. L. C. College Annual Magazine

3rd Issue
2007-08




# ENGLISH SECTION

MOHAN LAL CHOUDHURY LIBRARY :
Library :

# CONTENTS


| | | |
|---|---|---|
| Food Crisis in India Vis-a-Vis Globalisation | Jaya Biswas Kunda | 79 |
| Human Rights and the Teachers of Venture Educational Institutions in Assam - A Brief Review. | Md. Ramjan Ali | 82 |
| Jayanta Mahapatra an epoch maker in Indo-Anglian Poetry (A glance at his poetic career) | Kalyan ch. Talukdar | 86 |
| The Nobel Laureate : His Fame ...... | Mukut Khan | 89 |
| Happy Birthday | Babul Sarkar | 91 |
| Educational Leadership | Shahidul Islam Jadid | 9[illegible] |
